


# দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত

ত্ৰয়োদশ বছৰ ■ সংখ্যা ১০৪ ■ গুৱাহাটী ■ দেওবাৰ, ২০ নৱেম্বৰ, ২০২২, ৩ আঘোণ, ১৯৪৪ শক   RNP/GH/248/2114-2017   গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in   ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 104 Dainandin Barta ■ Guwahati, Sunday ■ 20 November, 2022   ■ RNI REGD. NO. ASSASS/2010/39449   Total Pages =12 ■ Rs. 10.00 Only




## তিনিশবছৰীয়া মছজিদত প্ৰশাসনৰ বুলড'জাৰ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, ১৯ নৱেম্বৰ ঃ** এবছৰ দুবছৰৰ নহয়। পঞ্চাশ বা এশ বছৰো নহয়। তিনিশ বছৰ গৰকা এটা মছজিদ। সগৌৰৱে থিয় দি আছিল ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত। পথচাৰী কিম্বা পৰ্যটকে হেঁপাহ পলুৱাই দৰ্শন কৰি প্ৰাৰ্থনা কৰিছিল। আছিল তিনিশবছৰীয়া পুৰণি মছজিদটো সেই স্থানত নাই। কোনো কালে দেখা নাপাব মছজিদটো। মাথোঁ আজি এক জীয়া স্মৃতি হৈ ৰ'ব এই মছজিদটো। ■ ৮ পৃষ্ঠাত



গুৱাহাটীৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত চলি থকা নৃত্য পৰ্ব-২০২২ অনুষ্ঠানৰ দৃশ্য

## হত্যাকাৰী আফতাবৰ শৰীৰত আৰক্ষীৰ 'ট্ৰুথ ছিৰাম'

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৯ নৱেম্বৰ ঃ** এটা জঘন্য হত্যাকাৰী। আফতাব।প্ৰেমিকাক টুকুৰা-টুকুৰকৈ কাটি ফ্ৰিজত ভৰাই থৈছিল। যেন একো হোৱাই নাই। তাৰ পিছত আকৌ নতুন যুৱতীৰ সৈতে প্ৰেমলীলা। ফ্ৰিজত প্ৰেমিকাৰ মাংসপিণ্ড থকাৰ পিছতো তাৰেই পানী খাইছিল নিচিন্ত মনে। কি বিকৃত মানসিকতা। অৱশেষত ধৰা পৰে আৰক্ষীৰ হাতত। আৰক্ষীৰ প্ৰশ্নত হাঁহি দিছে উত্তৰ। হতবাক আৰক্ষীও। আফতাবে বহু প্ৰশ্নৰ উত্তৰ মিছাকৈ দিয়াত আদালতৰ দ্বাৰস্থ হৈ অনুমতি ল'লে নাৰ্কো টেষ্টৰ। হত্যাকাৰী আফতাবৰ শৰীৰত সুমুৱাই দিয়া হ'ল ছডিয়াম পেণ্টোথাল। কিছু সময়ৰ পিছত আফতাব হৈ পৰে অৰ্ধচেতন। কৈ যায় সবিশেষ। চকু কপালত আৰক্ষীৰ। ট্ৰুথ ছিৰামৰ সহায়ত আৰক্ষীয়ে আফতাবৰ মুখেৰে বাহিৰ কৰিছে শ্ৰদ্ধা হত্যাৰ তথ্য। দুৰ্ধৰ্ষ অপৰাধী অথবা হত্যাকাৰীয়ে তথ্য গোপন কৰিলে আদালতৰ অনুমতি সাপেক্ষে অপৰাধীক নাৰ্কো টেষ্ট কৰি ■ ৮ পৃষ্ঠাত

**সন্ত্ৰাসবাদ** | নতুন দিল্লীত ৭০খন দেশৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত সন্ত্ৰাসবাদ সম্পৰ্কীয় সন্মিলন | **বিশ্বৰ অৰ্থনীতি**

# ২০ বছৰত লোকচান ৯০০ বিলিয়ন ডলাৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৯ নৱেম্বৰ ঃ** সন্ত্ৰাসবাদৰ বাবেই বিশ্বই বিগত দুটা দশকত ৯০০ বিলিয়ন মাৰ্কিন ডলাৰৰো অধিক ধন হেৰুৱাইছে। নতুন দিল্লীত ৭০খন দেশৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত হৈ থকা সন্ত্ৰাসবাদ সম্পৰ্কীয় সন্মিলনত সেয়ে সন্ত্ৰাসবাদীক ধনৰ যোগান ধৰাৰ বিষয়টোক লৈ বিশদভাৱে আলোচনা কৰা হৈছে। সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাকিস্তানৰ নাম উল্লেখ নকৰাকৈ কৈছিল যে দেশখনে সন্ত্ৰাসবাদক তেওঁলোকৰ বৈদেশিক নীতিৰ অংশ হিচাপে গ্ৰহণ কৰিছে। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল পাকিস্তান আৰু আফগানিস্তানক এই সন্মিলনলৈ আমন্ত্ৰণ জনোৱা হোৱা নাই। বিশ্ব মঞ্চত ইছলামাবাদ সমৰ্থিত সন্ত্ৰাসবাদী সংস্থাসমূহৰ পক্ষ লোৱা চীনে সন্মিলনত ভাগ লোৱাৰ পৰা বিৰত আছে। সন্মিলনত মোদীয়ে কয় যে, সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত এটা ডাঙৰ প্ৰত্যাহ্বান হ'ল বিত্তৰ উৎস চিনাক্ত কৰা আৰু সেয়া ব্যাহত কৰা। ধন, ড্ৰাগ্ছ সৰবৰাহ, মৌলবাদী ধৰ্মীয় গোটৰ পৰা দান আৰু মুক্তিপণৰ ■ ৮ পৃষ্ঠাত



অসম সাহিত্য সভা

## ঊষা মংগেশকাৰলৈ 'ড° ভূপেন হাজৰিকা সমন্বয় বঁটা'

**২২ নৱেম্বৰত গুৱাহাটীত প্ৰদান কৰিব বঁটা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ নৱেম্বৰ ঃ** ভাৰতৰ প্ৰখ্যাত গায়িকা ঊষা মংগেশকাৰলৈ এইবাৰ আগ বঢ়োৱা হৈছে অসম সাহিত্য সভাৰ ড° ভূপেন হাজৰিকা আন্তৰ্জাতিক সমন্বয় বঁটা-২০২২। এই বঁটাৰ লগত আছে পাঁচ লাখ টকা, স্মাৰক, অংগবস্ত্ৰ আৰু গ্ৰন্থৰ টোপোলা। ২২ নৱেম্বৰৰ বিয়লি ৪ বজাৰ পৰা গুৱাহাটীৰ নেডফি হাউছ প্ৰেক্ষাগৃহত সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া পৌৰোহিত্যত অনুষ্ঠিত হ'ব লগা এক আড়ম্বপূৰ্ণ অনুষ্ঠানত অসমৰ ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে এই ■ ৮ পৃষ্ঠাত



## অৰুণাচলৰ গ্ৰীন ফিল্ড বিমানবন্দ উদ্বোধন কৰিলে প্ৰধানমন্ত্ৰী মোদীয়ে

**উত্তৰ-পূবত বিমানবন্দৰৰ সংখ্যা ১৬টালৈ বৃদ্ধি**

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৯ নৱেম্বৰ ঃ** অৱশেষত অৰুণাচলবাসীৰ এক সপোন পূৰণ হ'ল। অৰুণাচলৰ গ্ৰীন ফিল্ড বিমানবন্দৰ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ইটানগৰৰ ওচৰৰ হোলোংগীত বিমানবন্দৰটো নিৰ্মাণ কৰা হৈছে। মোদীয়ে আজি বিমানবন্দৰটোৰ লগতে ৬০০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ সামৰ্থ্য থকা কামেং জলবিদ্যুৎ প্ৰকল্পও উদ্বোধন কৰে। উল্লেখ্য, ২০১৯ চনৰ ফেব্ৰুৱাৰী মাহত মোদীয়ে এই বিমানবন্দৰটোৰ আধাৰশিলা স্থাপন কৰিছিল। বিমানবন্দৰটোৱে অৰুণাচলৰ সৈতে দেশৰ আন প্ৰান্তৰ যোগাযোগ ■ ৮ পৃষ্ঠাত

**ৰহাৰ চাপৰমুখত এক হৃদয়বিদাৰক বিৰল ঘটনা**

## প্ৰেমিকাৰ নিথৰ দেহৰ শিৰত সেন্দুৰ বুলাই বিদায় দিলে প্ৰেমিক বিতোপনে

**মালা পিন্ধাই নিজেও পিন্ধিলে দৰা-কইনাৰ দৰে**





**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৯ নৱেম্বৰ ঃ** 'বহু আশা আছিল, তথাপি তোমাক আজি বিদায় দিছোঁ, তুমি যোৱাগৈ। মৃত্যুৰ পিছতো তুমি মোৰ পত্নী হৈয়ে থাকিবা।' এজন প্ৰেমিকে নিজৰ প্ৰেমিকাৰ নিথৰ দেহৰ কাষত আঁঠুকাঢ়ি অশ্ৰুসিক্ত নয়নেৰে ক'লে এই কথা। প্ৰেমিকাৰ নিথৰ দেহৰ কপালত সেন্দুৰৰ ফোট বুলাই বুলাই মুখখনলৈ চাই প্ৰেমিকে কৈছে, কাজলো দিব লাগিছিল। ফোটটো ডাঙৰ হ'লেহে বেছি ■ ৮ পৃষ্ঠাত



## তৃতীয়বাৰৰ বাবে চীনৰ ৰাষ্ট্ৰপতি পদত ঝি জিনপিং

**ভাৰতৰ সৈতে কেনে হ'ব চীনৰ স্থিতি**

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৯ নৱেম্বৰ ঃ** ভাৰত-চীনৰ মাজত লাডাখকে ধৰি আন কেইবাটাও স্থানত হোৱা আগ্ৰাসনক লৈ সম্পৰ্কৰ অধিক ■ ৮ পৃষ্ঠাত

## তথ্য বিভ্ৰাটত বীৰ লাচিত বৰফুকনৰ ওপজা দিন

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, ১৯ নৱেম্বৰ ঃ** অসমৰ শৌৰ্য-বীৰ্যৰ প্ৰতীক বীৰ লাচিত বৰফুকনৰ জন্ম-জয়ন্তী উদ্‌যাপনৰ সময়তেই তথ্য বিভ্ৰাটে ■ ৮ পৃষ্ঠাত

**বৰাক নদী (ৰাষ্ট্ৰীয় জলপথ-১৬)ৰ উন্নয়নমূলক কামৰ পৰ্যালোচনা কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালৰ**

# বৰাক নদী বৰাক উপত্যকাৰ জীৱনীশক্তি



**কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জল পথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্দেশবিশেষজ্ঞ আৰু বিষয়াসকলক— বৰাক নদীত কাৰ্গৰ নিৰৱচ্ছিন্ন চলাচল নিশ্চিতকৰণৰ বাবে নদীৰ ড্ৰেজিঙকে ধৰি যাৱতীয় সকলো ব্যৱস্থা ক্ষিপ্ৰতাৰে ৰূপায়ণ কৰক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ নৱেম্বৰ ঃ** দুদিনীয়া ভ্ৰমণসূচীৰে বৰাক উপত্যকাত উপস্থিত হোৱা কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জল পথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শিলচৰত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ বৈঠকত ভাৰতীয় অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ দ্বাৰা বৰাক তথা উত্তৰ-পূৰ্বাঞ্চলত ৰূপায়ণ হৈ থকা বিভিন্ন প্ৰকল্পৰ কাম-কাজৰ পৰ্যালোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি তেওঁৰ ভ্ৰমণকালত বদৰপুৰ আৰু কৰিমগঞ্জ টাৰ্মিনেলত উপস্থিত হৈ তাত বিদ্যমান তীৰৰ সুবিধাসমূহৰ উন্নীতকৰণৰ ■ ৮ পৃষ্ঠাত

## ভাগিনৰ মৰমত দেউলীয়া হৈ আত্মহত্যা কৰিলে মোমায়েকে

**নগাঁৱত বিজেপি নেতাৰ বিৰুদ্ধে প্ৰৱঞ্চনাৰ গোচৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ নৱেম্বৰ ঃ** ভাগিনীয়েকক সহায় কৰি আত্মহননৰ পথ বাছি ল'বলৈ বাধ্য হ'ল মোমায়েক। জানিব পৰা মতে, নগাঁৱৰ মৰঙিয়ালৰ ৰাহেব খান নামৰ ব্যৱসায়ীগৰাকীয়ে তেওঁৰ ভাগিন তথা বিজেপিৰ সদৰ মণ্ডলৰ সংখ্যালঘু মৰ্চাৰ নেতা য়াকুব খানক বেংকৰ ঋণৰ বাবে গেৰাণ্টাৰ হৈ দিছিল। য়াকুবে আজিৰ পৰা প্ৰায় ডেৰ বছৰ পূৰ্বে বিজয়া বেংকৰ পৰা ২০ লাখ টকাৰ লোণ ■ ৮ পৃষ্ঠাত

## ভাৰতীয় ৰে'লৱেই শীঘ্ৰেই ব্যৱহাৰ কৰিব কুঁৱলীবিৰোধী সঁজুলি

**ৰে'লৰ চলাচলত নহ'ব বিলম্ব!**

...শীতৰ দিন অহাৰ লগে লগে ৰে'লৰ চলাচলত বিলম্ব হোৱাটো সাধাৰণ কথা হৈ পৰিছে। বিশেষকৈ কুঁৱলীৰ বাবে ৰে'ল চলাচলত বহু বিলম্ব হয়। কিন্তু এতিয়াৰে পৰা সেই সমস্যা হয়তো আঁতৰিব। ভাৰতীয় ৰে'লৱেই শীঘ্ৰেই লোকো পাইলটসকলক উন্নত দৃশ্যমানতাৰ বাবে কুঁৱলীবিৰোধী ■ ৮ পৃষ্ঠাত

**গোৰেশ্বৰত খনিন্দ্ৰ বসুমতাৰীয়ে ক'লে**

## বিটিআৰৰ ট্ৰাইবেল বেল্ট এলেকাত এজন বড়ো মানুহ থাকিলেও গাঁও কৰ্তন নহয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৰেশ্বৰ, ১৯ নৱেম্বৰ ঃ** 'বড়ো জাতিৰ শিক্ষা, স্বাস্থ্য, অৰ্থনৈতিক উন্নয়ন আৰু ৰাজনৈতিক অধিকাৰ আদায় কৰাৰ বাবেই নিখিল বড়ো ছাত্ৰ সন্থাৰ জন্ম হৈছিল। তদ্ৰূপ সমান্তৰালভাৱে ভাষা, সাহিত্য উন্নয়নৰ বাবেও এবছুৱে কাম কৰি আছে আৰু ভৱিষ্যতেও কাম কৰি যাব- এই বক্তব্য এবছুৰ সাধাৰণ সম্পাদক খনিন্দ্ৰ বসুমতাৰীৰ। তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ গোপছাৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত এবছুৰ গোৰেশ্বৰ আঞ্চলিকৰ ৩৫সংখ্যক অধিৱেশন উপলক্ষে আজি বিয়লি ৩ বজাৰ পৰা ■ ৮ পৃষ্ঠাত

## লেখিকা ৰুমু বেগমলৈ 'কলংপৰীয়া সাহিত্য বঁটা'

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ নৱেম্বৰ ঃ** নগাঁও জিলাৰ পুৰণি সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান কলংপৰীয়া সাহিত্য আলোচনা চক্ৰই কাইলৈ বিশিষ্ট লেখিকা ৰুমু বেগমক প্ৰদান কৰিব 'কলংপৰীয়া সাহিত্য বঁটা'- ২০২১। এই কথা সদৰী কৰিছে কলংপৰীয়া আলোচনা-চক্ৰৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক নৰকান্ত লিগিৰাই। জানিব পৰা মতে এই বঁটা ■ ৮ পৃষ্ঠাত



## তেজপুৰৰ ঐতিহাসিক হজৰাপাৰ ৰূপান্তৰিত শৰাইঘাটলৈ

**জীৱন্ত ঘোঁৰা, হাতী, হজৰাপুখুৰীৰত নাওসহ যুঁজ মোগল আৰু আহোমৰ**

**লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-জয়ন্তী উদ্‌যাপন আৰম্ভ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৯ নৱেম্বৰ ঃ** তেজপুৰৰ ঐতিহাসিক হজৰাপাৰ এতিয়া ৰূপান্তৰিত হ'ল শৰাইঘাটলৈ। জীৱন্ত ঘোঁৰা, হাতী, হজৰাপুখুৰীৰত নাওসহ সাজু হয় মোগল আৰু আহোমৰ সেই শৰাইঘাটৰ যুদ্ধ। পুখুৰীটোৰ পাৰত এনেদৰে আহোম আৰু মোগলৰ সমৰসজ্জা। এই সমৰসজ্জাৰ মাজতে আজি পুনৰ জিলিকিল মহাবীৰ লাচিতৰ হেংদাং। নিশাটোৰ ভিতৰতে গড় সাজি দুৰ্জেয় মোগলবাহিনীক ■ ৮ পৃষ্ঠাত

## লাচিত বৰফুকন মোৰ স্বদেশৰ বীৰ

■ ফখৰুদ্দিন আহমেদ

দৈনন্দিন বাৰ্তা

অসমীয়া কাব্য জগতত 'দোমাজাৰ কবি' হিচাপে খ্যাত দেৱকান্ত বৰুৱাদেৱ ৰচিত জনপ্ৰিয় কবিতাসমূহৰ অন্যতম এটি কবিতাৰ শিৰোনাম হৈছে— 'লাচিত ফুকন'। এই কবিতাটিত কবিয়ে জাতীয়তাবাদৰ অন্যতম ধ্বজাবাহক বীৰ লাচিত বৰফুকনৰ সাহস, বীৰত্ব আৰু বলিদানৰ কথা সোঁৱৰণ কৰাৰ লগতে সমসাময়িক অসমৰ অৱক্ষয়ৰ এখন ■ ৮ পৃষ্ঠাত



মাজুলীৰ আউনীআটী সত্ৰত সংৰক্ষিত হৈ থকা লাচিত বৰফুকনে ব্যৱহাৰ কৰা হেংডাং

## লোকসভা নিৰ্বাচনক লৈ উজনিত কুচকাৱাজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ১৯ নৱেম্বৰ ঃ** দেশৰ পৰৱৰ্তী শাসনভাৰ কোনে গ্ৰহণ কৰিব? ২০২৪ চনৰ প্ৰাৰম্ভতে অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনক কেন্দ্ৰ কৰি দেশজুৰি শাসনাধিষ্ঠিত বিজেপি চৰকাৰে আৰম্ভ কৰা কুচকাৱাজক লৈ সম্প্ৰতি সৰ্বত্ৰে চৰ্চিত হৈছে। ইফালেদি দেশৰ লগতে অসমত লোকসভা নিৰ্বাচনলৈ এতিয়াও বহুদিন আছে যদিও বিৰোধী দলৰ সমান্তৰালভাৱে শাসকীয় বিজেপিয়েও ইতিমধ্যে কুচকাৱাজ আৰম্ভ কৰা পৰিলক্ষিত হৈছে। অসমত ১২ খনকৈ আসন জয়লাভৰ লক্ষ্যৰে বিজেপিয়ে ■ ৮ পৃষ্ঠাত



২০ নৱেম্বৰ অৰ্থাৎ দেওবাৰৰ পৰা কাটাৰত আৰম্ভ হ'ব বিশ্বকাপ ফুটবল, উদ্বোধনী মেচত মুখামুখি হ'ব ঘৰুৱা দল কাটাৰ আৰু ইকুৱেডৰ

# মাৰ্ঘেৰিটাত সমবায় সপ্তাহ উদ্‌যাপন




**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৯ নৱেম্বৰ ঃ** স্বাধীনতাৰ ৭৫ বছৰত ভাৰতবৰ্ষৰ সমবায়সমূহৰ বিকাশ আৰু ভৱিষ্যৎ সম্পৰ্কে এক পৰ্যালোচনা কৰা উদ্দেশ্যৰে সমগ্ৰ দেশৰ লগতে অসমতো যোৱা ১৪ নৱেম্বৰৰ পৰা ২০ নৱেম্বৰলৈ সপ্তাহজোৰা কাৰ্যসূচীৰে ৬৯ সংখ্যক নিখিল ভাৰত সমবায় সপ্তাহ উদ্‌যাপন কৰা হৈছে। তিনিচুকীয়া জিলা সমবায় সমিতিসমূহো ইয়াৰ ব্যতিক্ৰম নহয়। ১৪ নৱেম্বৰৰ পৰা সমগ্ৰ জিলাখনৰ সমবায় সমিতিসমূহে নিজাববীয়াকৈ নিজ নিজ সমবায়ত অনুষ্ঠিত কৰি আহিছে বিভিন্ন কাৰ্যসূচী। আজিও সমবায় সমিতিৰ সপ্তাহজোৰা কাৰ্যসূচীৰ লগত সংগতি ৰাখি মাৰ্ঘেৰিটাত মাৰ্ঘেৰিটা মহকুমাৰ অন্তৰ্গত ৬টা সমবায় সমিতিয়ে একত্ৰিতভাৱে সমবায় সপ্তাহৰ বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰে। সপ্তাহ উদ্‌যাপন কৰা হয়। একত্ৰিতভাৱে সমবায় সপ্তাহ পালন কৰা সমবায় সমিতিসমূহ হ'ল- মাৰ্ঘেৰিটা, টিংৰাই, বৰবিল, কেটেতং, লিডু আৰু টিৰাপ সমবায় সমিতি। মাৰ্ঘেৰিটা উন্নয়ন খণ্ডৰ সভাগৃহত অনুষ্ঠিত অনুষ্ঠানত সভাপতিত্ব কৰে মাৰ্ঘেৰিটা সমবায় সমিতিসমূহৰ সভাপতি ৰাজেন্দ্ৰ ৰায়ে। অনুষ্ঠানটোত উদ্দেশ্য ব্যাখ্যা কৰে কেটেতং সমবায় সমিতিৰ সম্পাদক দুমাই দোৱনীয়াই। দোৱনীয়াই আজি সভাৰ বিষয়বস্তু ঃ যুৱক, যুৱতী, মহিলা, দুৰ্বল শ্ৰেণী, আৰু স্বাস্থ্যৰ ক্ষেত্ৰত সমবায় সমিতিৰ প্ৰয়োজনীয়তাৰ বিষয়ে উপস্থিতসকলক অৱগত কৰে। ইয়াৰ পিছতে তিনিচুকীয়া জিলা সমবায় সমিতিৰ সহকাৰী পঞ্জীয়ক ললিত বৰাই সমবায় সমিতিৰ ইতিসাহৰ লগতে আজি সভাৰ মূল বিষয়বস্তু যুৱক, যুৱতী, মহিলা, দুৰ্বল শ্ৰেণী, আৰু স্বাস্থ্যৰ ক্ষেত্ৰত সমবায় সমিতিৰ প্ৰয়োজনীয়তাৰ বিষয়ে বহলাই বক্তব্য দাঙি ধৰে। উক্ত সভাত উপস্থিত থাকে মাৰ্ঘেৰিটা জিলা পৰিষদৰ সদস্যা নিভাজ্যোতি ফুকন, মাৰ্ঘেৰিটা আঞ্চলিক পঞ্চায়তৰ সভাপতি সুখদেৱ শৰ্মাসহ মাৰ্ঘেৰিটা মহকুমাৰ অন্তৰ্গত আটাইকেইখন সমবায় সমিতিৰ সভাপতি, সম্পাদক তথা বিষয়ববীয়াৰ লগতে কৰ্মকৰ্তাসকল।

চতিয়া ৰে'লগেট সাৰ্বজনীন ৰাস মহোৎসৱ

# বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ আৰু সহধৰ্মিণী পৰী বৰঠাকুৰৰ নাৰায়ণ আৰু লক্ষ্মীৰ চৰিত্ৰত সুন্দৰ অভিনয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ১৯ নৱেম্বৰ ঃ** দুদিনীয়া কাৰ্যসূচীৰে যোৱা ১৮ নৱেম্বৰৰ পৰা অনুষ্ঠিত চতিয়া ৰে'লগেট সাৰ্বজনীন ৰাস মহোৎসৱৰ প্ৰথম দিনা মহিলাসকলৰ দ্বাৰা ৰাস অভিনীত হৈছিল। ১৮ নৱেম্বৰত উদ্‌যাপিত হোৱা ৰাসৰ মুখ্য আকৰ্ষণ আছিল বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ আৰু তেওঁৰ পত্নী পৰী বৰঠাকুৰৰ বিষ্ণু আৰু লক্ষ্মীৰ চৰিত্ৰত কৰা অভিনয়। কালি নিশা অনুষ্ঠিত ৰাসত বিধায়ক আৰু তেওঁৰ পত্নীৰ সুন্দৰ অভিনয়ে দৰ্শকক মুগ্ধ কৰিবলৈ সক্ষম হয়। বিধায়কৰ দৰে দায়িত্বপূৰ্ণ কাৰ্য পৰিচালনা কৰাৰ অন্ততো কৃষ্টি-সংস্কৃতি ৰক্ষাৰ বাবে বিধায়কজনে লোৱা পদক্ষেপক সকলোৰে আদৰণি জনাইছে। বিধায়কজনে প্ৰকাশ কৰা মতে ৰাস নাইবা ভাওনাত অভিনয় কৰাৰ আনন্দই সুকীয়া। গুৰুজনাৰ অপূৰ্ব সৃষ্টি ভাওনাই সম্প্ৰীতিৰ বান্ধোনৰে সকলোকে বান্ধি ৰাখিবলৈ সক্ষম হৈছে। তাৰেই বহিৰ্প্ৰকাশ ৰাসস্থলীত সমবেত হোৱা ৰাইজ বুলি বিধায়কজনে



মন্তব্য কৰে। আজি নিশা অনুষ্ঠিতব্য ৰাসত ৰাধাৰ চৰিত্ৰত অভিনয় কৰিব অসমৰ জনপ্ৰিয় অভিনেত্ৰী দোলা পালে। দোলা পালৰ লগতে কৌতুক অভিনেত্ৰী পূৰ্ণদা হাজৰিকা আৰু যুৱ অভিনেতা ৰাজমণি ভূএগ্ৰাৰ অভিনয় দ্বিতীয় নিশাৰ মুখ্য আকৰ্ষণ হ'ব বুলি আয়োজকসকলে জনাইছে।

# জৈৱিক চাহ উৎপাদনৰ জৰিয়তে সুনাম কঢ়িওৱা তিনিগৰাকী ক্ষুদ্ৰ চাহ খেতিয়কক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিংখাং, ১৯ নৱেম্বৰ ঃ** বিশ্বমানৰ উৎকৃষ্ট জৈৱিক চাহ উৎপাদনৰ জৰিয়তে নিজে স্বাৱলম্বী হোৱাৰ লগতে অসমৰ চাহৰ মান বিশ্ব দৰবাৰত জিলিকাবলৈ সক্ষম হোৱা তিনিগৰাকী ক্ষুদ্ৰ চাহ খেতিয়ক ক্ৰমে— ডালিম বৰা, বিৰিঞ্চি বৰা আৰু দীপক গগৈক আজি সম্বৰ্ধনা জনোৱা হয়। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ টিংখাং আঞ্চলিক সমিতিয়ে আজি সন্থাৰ ৰাজগড়স্থিত কাৰ্যালয় সোণেশ্বৰ ভৱনত তিনিওগৰাকী ক্ষুদ্ৰ চাহ খেতিয়কক ফুলাম গামোচা, সম্বৰ্ধনা-পত্ৰ, জাপিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সন্থাৰ টিংখাং আঞ্চলিক সমিতিৰ সভাপতি সুবোধ কুমাৰ গগৈৰ সভাপতিত্বত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ সভাত তিনিওকে সম্বৰ্ধনা জনোৱা হয়। সন্থাৰ সম্পাদক প্ৰভাত ৰাজকোঁৱৰে আঁত ধৰা সভাত সন্থাৰ টিংখাং আঞ্চলিক সমিতিৰ বিষয়ববীয়াৰ উপৰি ডিব্ৰুগড় জিলা সমিতিৰ বিষয়ববীয়াও উপস্থিত থাকে। উল্লেখ্য, সম্বৰ্ধিত তিনিওগৰাকী ক্ষুদ্ৰ চাহ খেতিয়কে অলপতে কলকাতাত অনুষ্ঠিত হোৱা




'India international small tea growers convention'ত অংশগ্ৰহণ কৰি বিশেষভাৱে পুৰস্কৃত হ'বলৈ সক্ষম হৈছিল।

## ৰঙাপৰাত অবৈধ পদপথ বেদখলকাৰীৰ বিৰুদ্ধে স্মাৰক-পত্ৰ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ১৯ নৱেম্বৰ ঃ** ৰঙাপৰা পৌৰসভাৰ অন্তৰ্গত ৰঙাপৰা নগৰৰ পদপথসমূহ বেদখল হৈ থকাত পদপথৰ ওপৰেদি পথচাৰী চলাচল কৰাত অসুবিধা সৃষ্টি হৈছে। লগতে যান-জঁটৰ সমস্যা বৃদ্ধি পাইছে। যাৰ বাবে দুৰ্ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা গৈছে। ৰঙাপৰা পৌৰসভাৰ অন্তৰ্গত ৰঙাপৰা-তেজপুৰ সংযোগী পথ, ৰঙাপৰা-বালিপৰা-মিছামাৰী সংযোগী পথছোৱাত পদপথত শিল বালি মজুত কৰি ৰখা, একাংশ ব্যৱসায়ীয়ে নিজ নিজ দোকানৰ সামগ্ৰী ৰখা, য'ত-ত'ত গাড়ী ৰখাই থোৱাত ভীষণ যান-জঁটৰ সমস্যা হোৱাৰ লগতে দুৰ্ঘটনা সংঘটিত হোৱা পৰিলক্ষিত হৈছে। এই সন্দৰ্ভত ৰঙাপৰাৰ নাগৰিক সমাজে পদপথ বেদখলমুক্ত কৰিবলৈ দাবী জনাই এখন স্মাৰক-পত্ৰ ১৫ নৱেম্বৰত ৰঙাপৰা পৌৰসভাৰ পৌৰপতি হৰিসাধন দাস আৰু ৰঙাপৰা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেবেন বৰাক প্ৰদান কৰে। ইতিমধ্যে ৰঙাপৰা পৌৰসভাই পদপথসমূহ বেদখল মুক্ত কৰিবলৈ নিৰ্দেশনা জাৰি কৰা বুলি জানিব পৰা গৈছে।

# ধুবুৰী আমিনেৰচৰ ৫৪নং অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মীৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ স্থানীয় ৰাইজৰ

### ধুবুৰী সমাজ কল্যাণ বিষয়াই তদন্তৰ নিৰ্দেশ দিলে ছুপাৰভাইজৰ সুৰীয়া বেগমক

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৯ নৱেম্বৰ ঃ** ধুবুৰীৰ ভোগডহৰ গাঁও পঞ্চায়তৰ আমিনেৰ চৰাঞ্চলত অৱস্থিত ৫৪নং অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী হাছিমা খাতুনৰ বিৰুদ্ধে অভিযোগৰ ওপৰত অভিযোগ স্থানীয় ৰাইজৰ। কৰ্মী হাছিমা খাতুনক বৰ্খাস্ত কৰাৰ দাবী ৰাইজৰ। সুদীৰ্ঘ দিন ধৰি উক্ত অংগনৱাড়ী কেন্দ্ৰত অধ্যয়ন কৰা কণ কণ শিশুসকলৰ খাদ্যৰ সা-সামগ্ৰী আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন কৰি ধুবুৰী জিলা উপায়ুক্তৰ লগতে সমাজ কল্যাণ বিভাগক কৰ্মী হাছিমা খাতুনৰ দুৰ্নীতিৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিছিল স্থানীয় ৰাইজে। অৱশেষে ৰাইজৰ অভিযোগৰ ভিত্তিত ৫৪নং অংগনৱাড়ী কেন্দ্ৰত তদন্ত কৰাৰ বাবে উপস্থিত হ'ল ছুপাৰভাইজৰ। প্ৰথম অৱস্থাত ছাত্ৰ-ছাত্ৰীক অধ্যয়ন কৰা অৱস্থাতে পালে, তাৰ পাছত আমিনেৰ চৰৰ মফিদা মেম'ৰিয়াল এলপি স্কুলত স্থানীয় ৰাইজক লৈ সমাধানৰ বাবে আলোচনাত বহিল ছুপাৰভাইজৰ। আলোচনাত সমাধান নহ'ল, ওলাই পৰিল ভয়ংকৰ দুৰ্নীতিৰ তথ্য। দৰাচলতে স্থানীয় ৰাইজৰ অভিযোগ মতে কেন্দ্ৰটোৰ পৰিচালনা সমিতি গঠন কৰা ৰেজিষ্ট্ৰাৰ বহীত ভয়ংকৰ খেলিমেলি। ছুপাৰভাইজৰগৰাকীক অভিযোগৰ ওপৰত অভিযোগ দিলে স্থানীয় ৰাইজে। দুৰ্নীতিত লিপ্ত হৈ থকা কৰ্মী হাছিমা খাতুনক আৰু দ্বিতীয়বাৰ সুযোগ নিদিবলৈ আহ্বান ৰাইজৰ। ইয়াৰ পাছত আলোচনা সভাতে ছুপাৰভাইজৰৰ ওচৰত ৫৪নং অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী হাছিমা খাতুনক বৰ্খাস্ত কৰাৰ লগতে গ্ৰেপ্তাৰৰ দাবী জনালে স্থানীয় ৰাইজে। অৱশেষে স্থানীয় ৰাইজৰ অভিযোগৰ ভিত্তিত জিলা প্ৰশাসনৰ লগতে সমাজ কল্যাণ বিভাগৰ ফালৰ পৰা কি পদক্ষেপ গ্ৰহণ কৰিব সেয়া পৰৱৰ্তী সময়তহে হ'ব লক্ষণীয়।

## ছিপাঝাৰত বীৰ লাচিত বৰফুকনৰ জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৯ নৱেম্বৰ ঃ** দৰং জিলা প্ৰশাসনৰ উদ্যোগত আৰু দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ সহযোগত ঐতিহাসিক শৰাইঘাট যুদ্ধৰ প্ৰধান সেনাপতি বীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জয়ন্তী উপলক্ষে ২২ নৱেম্বৰত দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ প্ৰেক্ষাগৃহত দিনৰ ১১ বজাৰ পৰা দৰঙী কলা-কৃষ্টি প্ৰদৰ্শন আৰু এক আলোচনা-চক্ৰৰ আয়োজন কৰা হৈছে। সেইদিনা পুৱা ১১ বজাত দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰাৰ পিছত ১১.১৫ বজাত বীৰ লাচিত বৰফুকনৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰিব দৰঙৰ আৰক্ষী অধীক্ষক প্ৰশান্ত শইকীয়াই। ১১.৩০ বজাত দৰঙী লোককৃষ্টি প্ৰদৰ্শন আৰু আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকাই উদ্বোধন কৰিবলগীয়া অনুষ্ঠানত আলোচক হিচাপে উপস্থিত থাকিব লোককৃষ্টিৰ গৱেষক তৰুণ আজাদ ডেকা, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চহিৰ ভূএগ্ৰা, ছিপাঝাৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ফণীন্দ্ৰ কুমাৰ নাথ। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব দৰং জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ৰমেন মালাকাৰ, দৰঙৰ উন্নয়ন আয়ুক্ত শুভলক্ষ্মী ডেকা। সন্ধিয়া ৫ বজাত বন্তি প্ৰজ্বলনেৰে অন্ত পৰিব বুলি দৰঙী কলা-কৃষ্টি সংঘৰ সাধাৰণ সম্পাদক নৰ কুমাৰ শইকীয়াই জনাইছে।

# পশ্চিম দৰঙৰ নগাঁও হাইস্কুলৰ বিদ্যালয় সপ্তাহ



অনুষ্ঠিত হয়। ১৬ নৱেম্বৰত অনুষ্ঠিত হয় সাহিত্য প্ৰতিযোগিতা। ১৭ নৱেম্বৰত অনুষ্ঠিত হয় নৃত্য-গীত প্ৰতিযোগিতা। ১৮ নৱেম্বৰত অনুষ্ঠিত হয় একাংক নাট প্ৰতিযোগিতা। ১৯ নৱেম্বৰত অনুষ্ঠিত হয় বঁটা বিতৰণী অনুষ্ঠান। বঁটা বিতৰণী অনুষ্ঠানত সভাপতিত্ব কৰে বিদ্যালয়ৰ অৱসৰী শিক্ষক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ নৱেম্বৰ ঃ** পশ্চিম দৰঙৰ অগ্ৰণী শিক্ষানুষ্ঠান দৰঙৰ কটনখ্যাত নগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ ২০২২-২০২৩ বৰ্ষৰ বিদ্যালয় সপ্তাহ ১৫, ১৬, ১৭, ১৮ আৰু ১৯ নৱেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। ১৫ নৱেম্বৰৰ পুৱা ৯ বজাত পতাকা উত্তোলনেৰে আৰম্ভ হয় কাৰ্যসূচী। ইয়াৰ পিছত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা

কুলেন্দ্ৰ কলিতাই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান দৰং, দলগাঁৱৰ অধ্যক্ষ মাধৱ শৰ্মা আৰু দৰং জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক মণিকা বৰগোহাঁয়ে। আমন্ত্ৰিত অতিথিৰ আসন অলংকৃত কৰে বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অৱসৰী প্ৰধান শিক্ষক লক্ষীকান্ত কলিতাই।

# আমগুৰিত সেৱা দ্য ছাৰ্ভিচৰ জ্ঞানাঞ্জন বঁটা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ১৯ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ অন্যতম সামাজিক অনুষ্ঠান 'সেৱা দ্য ছাৰ্ভিচ'-এ আমগুৰিত জ্ঞানাঞ্জন বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰে। আমগুৰি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত কৃতী শিক্ষয়িত্ৰী লক্ষীপ্ৰিয়া বৰাক 'জ্ঞানাঞ্জন বঁটা' প্ৰদান কৰে। সেৱা দ্য ছাৰ্ভিচৰ সঞ্চালক ইন্দ্ৰকমল ফুকনে আঁত ধৰা আৰু সেৱা দ্য ছাৰ্ভিচৰ সভাপতি মুনিন বৰুৱাই সভাপতিত্ব কৰা অনুষ্ঠানত শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্তই বিশিষ্ট অতিথি হিচাপে ভাষণ প্ৰদান কৰে। আমগুৰি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী লক্ষীপ্ৰিয়া বৰাক সেৱা দ্য ছাৰ্ভিচৰ পৰা ফুলাম গামোচা, সম্বৰ্ধনা-পত্ৰ, ট্ৰফী, সাত হাজাৰ টকাৰ চেক প্ৰদান কৰে। সেৱা দ্য ছাৰ্ভিচৰ সম্পাদক বিপুলজ্যোতি নেওগে সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰা সভাত আমগুৰি আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ যোগেশ কিশোৰ ফুকন, আমগুৰি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পুলিন বৰঠাকুৰ, আমগুৰি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিব্যজ্যোতি শইকীয়া, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল গগৈ উপস্থিত থাকে। উল্লেখ্য যে আমগুৰিৰ সামাজিক, সাংস্কৃতিক অনুষ্ঠান সেৱা দ্য ছাৰ্ভিচে ২০১৯ চনৰ পৰা জ্ঞানাঞ্জন বঁটা প্ৰদান কৰি আহিছে।

# লালুকত নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত কোৱামী একতা দিৱস


**দৈনন্দিন বাৰ্তাৰ সেৱা, লালুক, ১৯ নৱেম্বৰ ঃ** বিগত বৰ্ষসমূহৰ দৰেই এইবাৰো ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনস্থ উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত আজি কোৱামী একতা দিৱসটি উদ্‌যাপন কৰা হয়। 'অনৈক্যৰ মাজত ঐক্য' বিষয়ক উদ্দেশ্য কৰি এইবাৰ কোৱামী একতা দিৱসটি উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত লালুক জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় আৰু ৰেইনব' যুৱক সংঘৰ সহযোগত কৰুণাবাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত লালুক জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানৰ আঁত ধৰে লালুক জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক তথা ছাত্ৰ একতা সভাৰ সভাপতি মৃদুল ফুকনে। সভাত সভাপতিত্ব কৰে লালুক জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰদীপ বৰাই । সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ ৰূপমজ্যোতি চেতিয়াই । উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি ধৰ্ম নিৰপেক্ষতা, অহিংসা আদি বিষয়ৰ ওপৰত উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ গাণনিক বিষয়া প্ৰবীণ কুমাৰ, লালুক জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অচিন্ত্য শইকীয়া, বিদ্যালয়খনৰ সহকাৰী শিক্ষক তথা কৃতী শিক্ষক বঁটাপ্ৰাপ্ত গোলাপ বৰুৱাকে ধৰি কে'বাগৰাকীও




লোক উপস্থিত যুৱক-যুৱতীসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। ইয়াৰ উপৰি আজি অনুষ্ঠিত কোৱামী একতা দিৱসৰ শেষত নিবিড় স্বেচ্ছাসেৱক পঞ্জীকৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত পঞ্জীয়ন কাৰ্যসূচীত অৰ্ধশতাধিক যুৱক-যুৱতীয়ে নিজৰ নাম পঞ্জীয়ন কৰিবলৈ আগবাঢ়ি আহে।

# তেজপুৰ খৰাআটিৰ জ্যেষ্ঠ নাগৰিক বীৰেন্দ্ৰ নাথ সভাপণ্ডিতৰ বিয়োগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১৯ নৱেম্বৰ ঃ** তেজপুৰ মাজগাঁও (খৰাআটি)ৰ বাসিন্দা, অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰী, বিশিষ্ট নাগৰিক, সমাজপ্ৰেমী, অগ্ৰণী সংগঠক বীৰেন্দ্ৰ নাথ সভাপণ্ডিত (৮০)ৰ ১০ নৱেম্বৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত আকস্মিক পৰলোকপ্ৰাপ্তি হয়। এক জটিল ৰোগত তেওঁ চিকিৎসাধীন হৈ আছিল। ১৯৪২ চনৰ ১৮ এপ্ৰিলত শিৱসাগৰৰ নাজিৰাত জন্মগ্ৰহণ কৰি তাতেই উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ ১৯৬৪ চনত অবিভক্ত অসমৰ কামেং জিলা (বৰ্তমান অৰুণাচল) প্ৰশাসনৰ কাৰ্যালয় সহায়ক পদত নিযুক্তি লাভ কৰে। পৰৱৰ্তী সময়ত তেওঁ চৰকাৰী বিধিৰে বদলি সূত্ৰে আৰু পাঁচ স্থানত কাৰ্যালয় সহায়ক পদত সক্ৰিয়ভাৱে সেৱা আগবঢ়ায়। ইয়াৰ মাজতে তেওঁ তেজপুৰৰ স্থায়ী বাসিন্দা হয়। ২০০১ চনত ৩৭ বছৰীয়া চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰি সমাজ সেৱা, সমাজ সংগঠন কৰ্মত নিবিড়ভাৱে উদ্যমশীলতাৰে সংপৃক্ত হৈ পৰে। চৰিত্ৰগতভাৱে অতি সৰল, মৃদুভাষী, অমায়িক, হাস্যমুখৰ, সমাজপ্ৰিয়-বন্ধু প্ৰিয় বীৰেন্দ্ৰ নাথ সভাপণ্ডিতে সমাজ সেৱা, সমাজ গঢ়া, সাহিত্য-কবিতা সৃষ্টি সাধনাত ব্ৰতী হৈ জাতি-বৰ্ণ নিৰ্বিশেষে সমস্ত জনৰে প্ৰিয়পাত্ৰ তথা আস্থাভাজন হৈ পৰে। উল্লেখ্য যে তেওঁৰ জ্যেষ্ঠ পুত্ৰ পংকজ কুমাৰ সভাপণ্ডিতে বৃহত্তৰ ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ১৪ বছৰ কাল সফল-সক্ৰিয়ভাৱে আঁচনি প্ৰবন্ধক পদত সেৱা আগবঢ়াই ওৰাংবাসীক মোহিত কৰি প্ৰায় এমাহ পূৰ্বে বদলি সূত্ৰে বিহগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত যোগদান কৰে। বীৰেন্দ্ৰ নাথ সভাপণ্ডিতে মৃত্যুৰ সময়ত ধৰ্মপ্ৰাণ পত্নী মলয়া সভাপণ্ডিত, দুই পুত্ৰ, এগৰাকী বোৱাৰী, এগৰাকী কন্যা, চাৰিগৰাকী নাতি-নাতিনী



সমন্বিতে একাধিক আত্মীয়ক ইহ সংসাৰত এৰি থৈ যায়। সৰবৰহী ব্যক্তি সভাপণ্ডিতৰ আকস্মিক বিয়োগত মৰ্মাহত হৈ গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মা বৈকুণ্ঠপ্ৰাপ্তিৰ হকে ঈশ্বৰৰ ওচৰত মিনতি জনোৱাৰ লগতে শোকবিহ্বল পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে তেজপুৰ জ্যেষ্ঠ নাগৰিক সংস্থা, খৰাআটি নামঘৰ উন্নয়ন সমিতি ,Welfare Associatio of Arunachal Pradesh Pensioners, Tezpur, ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সমূহ পৰিয়ালবৰ্গ, ওৰাং সাংবাদিক সন্থা, ওৰাং প্ৰেছ গীল্ড, গেলাবিল মাধ্যমিক বিদ্যালয় পৰিয়ালবৰ্গ, ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আশা ছুপাৰভাইজৰ-আশা কৰ্মী সন্থা প্ৰমুখ্যে একাধিক অনুষ্ঠান-প্ৰতিষ্ঠান , শুভাকাংক্ষীয়ে।

## বীৰ ৰাঘৱ মৰাণ বঁটাপ্ৰাপক সুখীধৰ দহোতীয়াক ৰাজ্যিক মৰ্যাদাৰে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিৰাক সীমান্ত, ১৯ নৱেম্বৰ ঃ** অসম-অৰুণাচল সীমান্তৱৰ্তী তিনিচুকীয়া জিলাৰ কাকপথাৰ থানৰ অন্তৰ্গত বৰমেছাই গাঁৱৰ বিশিষ্ট লেখক, সমাজসেৱক, সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰৰ মুখ্য উপদেষ্টা তথা ২০১৮ বৰ্ষৰ বীৰ ৰাঘৱ মৰাণ বঁটাপ্ৰাপক সুখীধৰ দহোতীয়াদেৱে ৭৯ বছৰ বয়সত কালি সন্ধিয়া প্ৰায় ৬.৩২ বজাত নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। আজি বৰমেছাই ৰাজহুৱা খেলপথাৰত ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন হৈ যায়। শেষকৃত্য অনুষ্ঠানত উপস্থিত থাকে তিনিচুকীয়া জিলাৰ অতিৰিক্ত উপায়ুক্ত মনজিত বৰকাকতি, ডুমডুমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ৰণোণ্ময় ভৰদ্বাজ, অতিৰিক্ত আৰক্ষী অধীক্ষক পুনম পেগু, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ বিষয়ববীয়া, মটক স্বায়ত্তশাসিত পৰিষদৰ বিষয়ববীয়া, মৰাণ জনগোষ্ঠীৰ কেউটা সংগঠনৰ নেতৃবৃন্দ, বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ নেতৃবৃন্দ। দহোতীয়াৰ মৃত্যুত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বশৰ্মা, অসম গেছ কোম্পানী লিমিটেডৰ অধ্যক্ষ বলীন চেতিয়া, অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থা, মৰাণ জাতীয় মহিলা পৰিষদ, সদৌ মৰাণ কলা-সাংস্কৃতি বিকাশ কেন্দ্ৰ, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চ, সদৌ অসম মটক ছাত্ৰ সন্থা, তিনিচুকীয়া জিলা মটক যুৱ-ছাত্ৰ সন্মিলন, আপকুৰ তিনিচুকীয়া জিলা সমিতি, কাকপথাৰ প্ৰেছ ক্লাবে গভীৰ শোক প্ৰকাশ কৰিছে। উল্লেখ্য যে মৰাণ ভাষা, লোক-সংস্কৃতিৰ উত্তৰণৰ লগতে স্থানীয় অঞ্চলৰ শিক্ষা, কলা-সংস্কৃতি আৰু আৰ্থ সামাজিক উন্নয়নৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি অহা দহোতীয়াই মৰাণ ভাষাৰ লোকসংস্কৃতিৰ ওপৰত পাঁচখনকৈ গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। গ্ৰন্থসমূহ হৈছে 'লিহিৰি বনৰ বিননি', 'মৰাণসকলৰ কথিত ভাষা', 'মৰাণ লোক-সংস্কৃতিৰ এজেং', 'মৰাণ লোক সংস্কৃতিৰ এঠেঙনি' আৰু 'মৰাণ জনজাতিৰ লোক সাহিত্য'। তেওঁ মৃত্যুৰ সময়ত ইহ সংসাৰত তিনিপুত্ৰ-বোৱাৰী, নাতি-নাতিনীক এৰি গৈছে।


## নাম সলনি

মোৰ আচল নাম Opritam Debnath, পিতা- Prasanno Nath, গাঁও- বৰপুখুৰী, পোঃ অঃ- মোৰাঝাৰ, থানা- মোৰাঝাৰ, জিলা- হোজাই। ভুলক্ৰমে মোৰ নাম LIC policyত Pritom Nath হিচাপে লিপিবদ্ধ হৈ আছে। মোৰ শুদ্ধ নাম Opritam Debnath, পিতা- Prasanno Nath।

নাম ঃ Opritam Debnath
গাঁও ঃ বৰপুখুৰী
পিতা ঃ Prasanno Nath
পোঃঅ ঃ- মোৰাঝাৰ
থানা ঃ- মোৰাঝাৰ
জিলা ঃ- হোজাই (অসম)


## শুৱালকুছিত লাচিত বৰফুকনৰ জয়ন্তী পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ১৯ নৱেম্বৰ ঃ** কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত শুৱালকুছিত আজি মহাবীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উপলক্ষে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন পৰম্পৰাগত খেল অনুষ্ঠিত কৰে। স্থানীয় মাধৱ ক্ষেত্ৰত অনুষ্ঠিত কৰা খেল উদ্বোধন কৰে কামৰূ উপায়ুক্ত কিৰ্তী জল্লীয়ে। উদ্বোধনী ভাষণত তেও অসমৰ প্ৰতিজন যুৱ প্ৰজন্ম লাচিতৰ আদৰ্শত অনুপ্ৰাণিত হ'ব লাগে বুলি কয়। ছাত্ৰ-ছাত্ৰীসকল লাচিতৰ দৰে সাহসী আৰু দেশপ্ৰেমিক হ'ব লাগে। তেওঁলোকৰ মনৰ মাজত থকা লাচিত সদায় জাগ্ৰত অৱস্থাত ৰাখিলে বিশ্ব ব্ৰহ্মান্দ হাতৰ মুঠিত থাকিব বুলি কয়। আনহাতে, উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি কামৰূপৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰয়ে ছাত্ৰ-ছাত্ৰীসকলে অসমৰ বিভিন্ন পৰম্পৰাগত খেলৰ লগত পৰিচয় হ'ব লাগে বুলি কয়। কিয়নো পৰম্পৰাগত খেলে স্বদেশ প্ৰেম উদ্বুদ্ধ কৰি ৰাখে। এই খেলসমূহ জীয়াই থাকিলে দেশ, মাটি, ভেটি সুৰক্ষিত থাকিব। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে মন আৰু স্বাস্থ্য একলগ কৰি সকলো দিশতে আগুৱাই গ'লে সমাজে অনুসৰণ কৰিব বুলি ভাষণ প্ৰসংগত কয়। খেলত বাথান শ্ৰীহাটী হাইস্কুল, গণেশ দাস হাইস্কুল, কালিৰাম কাৰিকৰী ছোৱালী হাইস্কুল, শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়, শুৱালকুছি স্পোৰ্টছ একাডেমী, বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, জল্টি দাস হাইস্কুল, ভৃংগেশ্বৰ হাইস্কুল আৰু গম্ভীৰ মেধি প্ৰাথমিক বিদ্যালয়ৰ প্ৰায় চাৰিশ ছাত্ৰ-ছাত্ৰীৰ মাজত হাঁহধৰা, মিউজিক চেয়াৰ, ৰছী টনা, টেকেলী ভঙা আদি পৰম্পৰাগত খেল অনুষ্ঠিত কৰা হয়। খেল পৰিচালনা কৰে দিলীপ মেধি, পংকজ ভৰালী আৰু ৰূপক বৈশ্যই। আৰম্ভণীতে কামৰূপ উপায়ুক্তৰ কাৰ্যালয় আৰু কামৰূপ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ মাজত প্ৰদৰ্শনীমূলক ৰছী টনা খেলেৰে উদ্বোধনী কৰা হয়। পিছত বিজয়ী প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰা হয়। খেলত অতিৰিক্ত উপায়ুক্ত প্ৰণৱদত্ত গোস্বামী, কমল বৰুৱা, হাজো ৰাজহ চক্ৰ বিষয়া অপ্ৰতিম গোস্বামী, জিলা ক্ৰীড়া বিষয়া ধ্ৰুৱজ্যোতি ডেকা উপস্থিত থাকে।

# বকো-বনগাঁও সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পত নাভূত-নাশ্ৰুত ঘটনা

## যোগ্যক বঞ্চিত কৰি অযোগ্যক নিয়ুক্তি প্ৰকল্প বিষয়াৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৯ নৱেম্বৰ ঃ** অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ কামৰূপ জিলাৰ বকো-বনগাঁও সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পত সংঘটিত হৈছে এক নাভুত-নাশ্ৰুত ঘটনা। এগৰাকী মহিলাক অংগনৱাডী কৰ্মীৰ সাক্ষাৎকাৰত যোগ্য বুলি নিৰ্বাচিত কৰি নিৰ্বাচক মণ্ডলীয়ে ঘোষণা কৰাৰ পিছত সমাজ কল্যাণ বিভাগৰ সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পৰ সঞ্চালকে নিজৰ খেয়াল-খুচিমতে অযোগ্য বিবেচিত কৰে। এয়া সাক্ষাৎকাৰ গ্ৰহণ কৰাত নিৰ্বাচক মণ্ডলীক উপলুঙা কৰা বুলি সন্দেহ কৰা হৈছে। উল্লেখ্য যে এই ৰহস্যজনক ঘটনা সংঘটিত হৈছে বকোত। প্ৰাপ্ত তথ্য অনুসৰি যোৱা ২০১৯ চনৰ ফেব্ৰুৱাৰী মাহত বকো প্ৰকল্পৰ অধীনৰ ২নং ডাকুৱাপাৰাৰ অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মীৰ সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল আৰু সাক্ষাৎকাৰত কে'বাগৰাকী প্ৰাৰ্থীৰ ভিতৰত অনামিকা পাটোৱাৰীক প্ৰথম পচন্দৰ প্ৰাৰ্থী হিচাপে ৰিজাল্ট ঘোষণা কৰে। লগতে ৰিজাল্ট ঘোষণা কৰাই নহয়, বকো-বনগাঁও সংহত শিশু উন্নয়ন প্ৰকল্প পৰিচালনা সমিতিৰ সভাপতি, প্ৰকল্পৰ সচিব তথা বিষয়া আৰু নিৰীক্ষকে যোগ্য বুলি নিৰ্বাচিত কৰা এঘাৰটা কেন্দ্ৰৰ এঘাৰগৰাকী মহিলাৰ নাম সান্নিবিষ্ট কৰা তালিকা এখন কাৰ্যালয়ৰ বেৰত আঁৰি দিয়ে। কথা হ'ল সাক্ষাৎকাৰ গ্ৰহণ কৰা চৰকাৰী বিষয়া তথা বিজ্ঞ লোকসকলে কি কাৰণত আৰু কিয় ? ২নং ডাকুৱাপাৰা কেন্দ্ৰৰ বাবে অনামিকা পাটোৱাৰীক প্ৰথম পচন্দৰ প্ৰাৰ্থী হিচাপে ৰিজাল্ট ঘোষণা কৰিছিল। ইফালে অনামিকা পাটোৱাৰী ২নং ডাকুৱাপাৰা অংগনৱাডী কেন্দ্ৰৰ বাবে মনোনীত হোৱাত নিজকে সুখী অনুভৱ কৰিছিল। প্ৰকাশ যে সাম্প্ৰতিক সময়ত পৰিয়াল পোহপাল দিবলৈ এটি চৰকাৰী চাকৰিৰ অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে। সেয়ে অংগনৱাডী কেন্দ্ৰৰ কৰ্মীৰ চাকৰি পাই অনামিকা পাটোৱাৰী অতিকৈ সুখী হৈছিল। কিন্তু বিধিৰ বিপাক চৰকাৰী বিভাগটোৰ বিষয়া-কৰ্মচাৰীৰ ষড়যন্ত্ৰৰ বাবে দুৰ্ভগীয়া অনামিকা পাটোৱাৰী বঞ্চিত হ'ল পদটোৰ পৰা। জানিব পৰা মতে অনামিকা পাটোৱাৰীৰ স্থানত অতি গোপনে কেন্দ্ৰটোত কৰ্মী হিচাপে নিযুক্তি দিয়া হ'ল জনৈক বড়ো উপাধিৰ মহিলা এগৰাকীক। এগৰাকী শিক্ষিত মহিলাক কি কাৰণত কিয় মানসিক অত্যাচাৰ কৰা হ'ল ? কোন কোন বিষয়া-কৰ্মচাৰী জড়িত আছে এই ৰহস্যময় ঘটনাত? ইফালে অনামিকা পাটোৱাৰীয়ে অভিযোগ উত্থাপন কৰে যে তেওঁক কেন্দ্ৰটোৰ কৰ্মী হিচাপে নিৰ্বাচিত কৰি ৰিজাল্ট ঘোষণা কৰাৰ পিছত কোনো নীতি-নিৰ্দেশনা নোহোৱাকৈ লগতে ৰিজাল্ট ঘোষণা কৰি নিৰ্বাচিত হোৱাজনক অযোগ্য কৰা হ'ল। কিন্তু অযোগ্য কৰা ঘোষণা-পত্ৰ অনামিকাই আজিলৈকে নাপালে। এয়াই চৰকাৰী নীতি নেকি ? উল্লেখ্য যে অনামিকা পাটোৱাৰীৰ এই ঘটনাই ভাবিবলৈ বাধ্য কৰাইছে অসম চৰকাৰৰ শূন্য সহনশীলতা নীতিৰে নিকা নিযুক্তি কিমান সম্ভৱ। আনহাতে, অংগনৱাডী কৰ্মী হিচাপে নিযুক্তি পায়ো নোপোৱাৰ বেদনাত আনামিকা পাটোৱাৰীয়ে প্ৰথমতে তাইক কিয় বঞ্চিত কৰা হ'ল? কিয় অযোগ্য কৰা হ'ল উত্তৰ বিচাৰি তথ্য জনা অধিকাৰ আইনত আবেদন কৰিছিল। কিন্তু বিভাগৰ পৰা উত্তৰ আহিল চৰকাৰৰ পোষণ মাহৰ বাবে প্ৰকৃত উত্তৰ দিব পৰা নহ'ল। ইয়াৰ পিছতে অনামিকা পাটোৱাৰীয়ে পদবীৰ পৰা বঞ্চিত কৰা বাবে ন্যায় বিচাৰি গুৱাহাটীৰ মহামান্য উচ্চ ন্যায়ালয়ত গোচৰ তৰিছিল। অনামিকাৰ আবেদন গ্ৰহণ কৰি মহামান্য উচ্চ ন্যায়ালয়ত ডব্লিউ পি(চি) -৩৯১২-২০২২ নম্বৰৰ কেছ এটা চলি আছে। উক্ত গোচৰ পৰিচালনা কৰা অধিবক্তাই জনোৱা মতে, গোচৰ চলিহে আছে ইয়াৰ ফলাফল ওলোৱা নাই। ইফালে, উচ্চ ন্যায়ালয়ৰ তৰফৰ পৰা এই কেন্দ্ৰত নিযুক্তি বন্ধ ৰখাৰ নিৰ্দেশনা জাৰি কৰিছিল। কিন্তু উচ্চ ন্যায়ালয়ৰ অৰ্ডাৰক অপমান কৰি গোচৰ চলি থকা বিষয় এটাৰ উত্তৰ নোলোৱাকৈ কিয় সাক্ষাৎকাৰত ফেইল কৰা এগৰাকীক নিযুক্তি দিয়া হ'ল এয়া লাখটকীয়া সাঁথৰত পৰিণত হৈছে। ইফালে, বকো-বনগাঁও সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পত নিযুক্তি বিষয়ৰ বহু অভিযোগ আনিছে বঞ্চিত প্ৰাৰ্থীয়ে।

## ৰাশিফলত আজিৰ দিনটো

**৩ আঘোণ, দেওবাৰ, ২০ নৱেম্বৰ, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা একাদশী, নক্ষত্ৰ ঃ হস্তা ঃ ৰাশি ঃ কন্যা**
■ **সূৰ্যোদয়- ৫-৪৯-৩৫ সূৰ্যাস্ত- ৪-২২-৩৫**



**মেষ ঃ** এলাহ বৃদ্ধি ■ **বৃষ ঃ** প্ৰচেষ্টাত সফল ■ **মিথুন ঃ** শুভ সংবাদ ■ **কৰ্কট ঃ** শিল্পীৰ শুভ ■ **সিংহ ঃ** মনত আনন্দ ভাব ■ **কন্যা ঃ** গৃহ নিৰ্মাণ ■ **তুলা ঃ** কৰ্মব্যস্ততা ■ **বৃশ্চিকঃ** বিদ্যাৰ্থীৰ শুভ ■ **ধনু ঃ** মাতৃৰ অসুখ ■ **মকৰ ঃ** বন্ধুৰ সহায় ■ **কুম্ভ ঃ** ৰাজসাহায্য ■ **মীন ঃ** নতুন প্ৰেৰণা।

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
২০ নৱেম্বৰ, ২০২২ ■ দেওবাৰ ■ ৩ আঘোণ, ১৯৪৪ শক


### গোসাঁইগাঁৱৰ সাপকটাত কৃষি উন্নয়ন কাৰ্যালয়ৰ লাইখুঁটা স্থাপন
## চৰকাৰে কৃষকৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিছে ঃ জিৰণ বসুমতাৰী



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১৯ নৱেম্বৰ ঃ** ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে কৃষক ৰাইজৰ বাবে ন ন আঁচনি হাতত লৈছে ।আঁচনিসমূহ পৰ্যায়ক্ৰমে ৰূপায়ণ কৰা হৈ আছে। কৃষক ৰাইজে যাতে বিজ্ঞানসন্মতভাৱে খেতি-বাতি কৰি নিজৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিব পাৰে, লগতে দেশৰ অৰ্থনীতি টনকিয়াল কৰিব পাৰে। তাৰ বাবে চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। এইদৰে কয় ২৮নং গোসাঁইগাঁও সমষ্টিৰ বিধায়ক জিৰণ বসুমাতাৰীয়ে। আজি গোসাঁইগাঁও মহকুমাৰ বৃহত্তৰ কৃষিপ্ৰধান অঞ্চল সাপকাটাত কৃষি উন্নয়ন কাৰ্যালয় নিৰ্মাণৰ বাবে লাইখুঁটা স্থাপন কৰি বিধায়ক বসুমাতাৰীয়ে আৰু কয়, বৃহওৰ সাপকাটা অঞ্চল তথা ইয়াৰ পাৰ্শ্বৱৰ্তী গাঁৱৰ গাঁৱলীয়া কৃষক ৰাইজে কৃষি উন্নয়ন কাৰ্যালয়ৰ দিহা-পৰামৰ্শ মতে বিজ্ঞানসন্মতভাৱে কৃষি কাৰ্য কৰাৰ সুবিধা লাভ কৰিবলৈ সক্ষম হ'ব। এপিএআৰটিৰ অধীনত ৩৯ লাখ টকা ব্যয়সাপক্ষে কৃষি উন্নয়ন কাৰ্যালয় নিৰ্মাণ হ'বলগীয়া কামত যাতে ঠিকাদৰে কামৰ ক্ষেত্ৰত কোনো গাফিলতি নকৰে। কৃষক ৰাইজৰ বহুদিনীয়া প্ৰত্যাশা ফলৱৰ্তী হোৱা কৃষি উন্নয়ন কাৰ্যালয়ৰ কাম যাতে ভাল হয় সেইখিনি কামনা কৰিছোঁ। লাইখুঁটা স্থাপনৰ শুভ উদ্বোধন অনুষ্ঠানত বিশিষ্ট সমাজ সেৱক হাছেন আলী, সাপকাটা বজাৰ ব্যৱসায় সমিতিৰ সভাপতি নজৰুল ইছলাম মিএগ, উপ-সভাপতি মজিবৰ ৰহমান, সাপকাটা ভিচিডিচিৰ উপ-সভাপতি ছিদ্দিক খান, সাপকাটা প্ৰাইমাৰী ইউপিপিএলৰ সভাপতি নুৰুল ইছলাম, অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ওচমান আলীকে ধৰি ইউপিপিএলদলৰ ভালেকেইজন নেতা-কৰ্মকৰ্তা উপস্থিত আছিল।

### ফকিৰগঞ্জৰ জামবাড়ীৰ অবৈধ কাঠফলা মিলত বন বিভাগৰ অভিযান
# কুৰি লক্ষাধিক টকাৰ কাঠৰ কুণ্ডা জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ১৯ নৱেম্বৰ ঃ** ধুবুৰী জিলা বন প্ৰাধিকাৰী বিষয়া কাৰ্যালয় তথা ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ ফকিৰগঞ্জৰ জামবাৰীত যোৱা ১৭ নৱেম্বৰত বন বিভাগে অভিযান চলাই বৃহৎ পৰিমাণৰ মূল্যৱান কাঠৰ কুণ্ডা জব্দ কৰে। আজি তৃতীয় দিনাও অব্যাহত আছে এনে অবৈধ কাঠ ফলা মিল জব্দৰ অভিযান। আজিও জামবাৰীত দুটা কাঠফলা মিল জব্দ কৰে। মিল দুটাৰ পৰা লক্ষ লক্ষ টকাৰ মূল্যৰ কাঠৰ কুণ্ডা জব্দ কৰে। জব্দকৃত কাঠৰ কুণ্ডাসমূহ গোৱালপাৰাৰ লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ অন্তৰ্গত গোসাঁইডুবী বীট অফিচত ইতিমধ্যে ৰখাৰ ব্যৱস্থা কৰা পৰিলক্ষিত হৈছে। কাঠ ফলা মিলসমূহত পৰি থকা অসংখ্য কাঠৰ কুণ্ডাই দীৰ্ঘ দিন ধৰি যে বেপৰোৱাভাৱে কাঠফলা মিলসমূহ দুষ্ট চক্ৰটোৱে নিৰ্বিঘ্নে চলাই আছিল তাকেই প্ৰতিপন্ন কৰিছে বুলি সমালোচিত হৈছে। বৃহত্তৰ অঞ্চলটোত একাংশ কাঠ মাফিয়াই এতিয়াও বহু অবৈধ কাঠফলা কল বহুৱাই অবৈধ ব্যৱসায় চলাই থকা বুলি অভিযোগ উত্থাপন হৈছে। সচেতন মহলৰ দীৰ্ঘদিনীয়া অভিযোগৰ ভিত্তিত এনে অবৈধ কাঠ ফলা মিলসমূহ গুৱাহাটীস্থ বন কাৰ্যালয়ৰ পৰা অহা বিষয়া-বনকৰ্মীৰ দলে জামবাৰীৰ পৰা এনেদৰে জব্দ কৰিব লগীয়া হোৱা বুলি সচেতনসকলে ক'ব খোজে। অকল এয়াই নহয়, গোৱালপাৰা জিলাৰ লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ অন্তৰ্গত একাংশ এলেকাতো অবৈধ কাঠফলা মিল, শিল-বালি, কাঠৰ ৰমৰমীয়া ব্যৱসায় চলি থকা বুলি জানিব পৰা গৈছে। বন বিষয়াৰ ছত্ৰ-ছায়াতেই এনেদৰে অবৈধ কাঠফলা মিল, শিল-বালি কাঠ আদিৰ চোৰাং ব্যৱসায় চলি থকা বুলি তীব্ৰ সমালোচনা হৈছে।

## জামুগুৰিহাটত ডেংগুৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৯ নৱেম্বৰ ঃ** ৰাজ্যৰ কে'বাখনো জিলাত দ্ৰুতগতিত বৃদ্ধি পাইছে ডেংগুৰ প্ৰাদুৰ্ভাৱ। কাৰ্বিআংলং জিলাৰ পিছত ক্ৰমান্বয়ে এখনৰ পিছত আনখন জিলালৈ বৃদ্ধি পাইছে ইয়াৰ সংক্ৰমণ। ইতিমধ্যে কে'বাশতাধিক লোক ডেংগুত আক্ৰান্ত হোৱাৰ পিছত ৰাজ্যৰ



স্বাস্থ্য বিভাগেও আৰম্ভ কৰিছে ব্যাপক তৎপৰতা। শোণিতপুৰ জিলা স্বাস্থ্য বিভাগেও গ্ৰহণ কৰিছে কিছুমান বিশেষ পদক্ষেপ। মাৰাত্মক ডেংগু যাতে জিলাখনত অধিক ৰূপত সংক্ৰমিত হ'ব নোৱাৰে তাৰ বাবে জিলা স্বাস্থ্য বিভাগে গ্ৰহণ কৰিছে বিভিন্ন সজাগতামূলক কাৰ্যসূচী। জিলাখনৰ উত্তৰ জামুগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীসকলেও বিগত কিছুদিন ধৰি বিশেষ তৎপৰতাৰে অঞ্চলটোত চলাই আছে ডেংগুৰ ওপৰত বিভিন্ন সজাগতামূলক কাৰ্যসুচী। যোৱা কে'বাদিনো ধৰি উত্তৰ জামুগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মেলেৰিয়া পৰিদৰ্শক ৰশ্মি হাজৰিকা, মেলেৰীয়া টেকনিকেল ছুপাৰভাইজৰ প্ৰাণজিৎ ভূএগ অঞ্চলটোৰ প্ৰায় সকলোবোৰ উপ-স্বাস্থ্যকেন্দ্ৰলৈ গৈ তাৰ এএনএম আৰু আন আন স্বাস্থ্যকৰ্মীৰ সহযোগত ৰাইজৰ ঘৰে ঘৰে গৈ ডেংগু সংক্ৰমণ হোৱা বাহক মহৰ কণী পাৰিব পৰা নিৰ্দিষ্ট ঠাইবোৰ চিহ্নিত কৰি সেইবোৰ ধ্বংস কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাই আছে । প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোৰ মুখ্য স্বাস্থ্য বিষয়া ডাঃ ৰূপক বৰুৱাৰ নেতৃত্বত ইয়াৰ মেলেৰিয়া পৰিদৰ্শক আৰু মেলেৰীয়া টেকনিকেল ছুপাৰভাইজৰগৰাকীৰ উপৰিও আন আন স্বাস্থ্যকৰ্মীসকলে সম্প্ৰতি দিনে-নিশাই অধিক তৎপৰতাৰে এনেদৰে ডেংগু প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰি থকা কাৰ্যক ৰাইজে প্ৰশংসা কৰাৰ লগতে সকলো ক্ষেত্ৰতে স্থানীয় ৰাইজেও স্বাস্থ্য বিভাগক সহযোগ কৰা দেখা গৈছে।

### ৰঙিয়াৰ সোণালী কৃষি উৎপাদনকাৰী গোটে দেখুৱাইছে আদৰ্শ
## হিমা-কৰিশ্মা-আস্থাই হাঁহি বিৰিঙাইছে ৰঙিয়াৰ এদল কৃষকৰ মুখত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ১৯ নৱেম্বৰ ঃ** সঁচা অৰ্থত পথাৰো আমাৰ বজাৰো আমাৰ শ্ল'গানক বাস্তৱ ৰূপ দি কামৰূপ জিলাৰ ৰঙিয়াত এদল কৃষকে দাঙি ধৰিছে স্বনিৰ্ভৰশীলতাৰ উৎকৃষ্ট নিদৰ্শন। ৰঙিয়াৰ ২নং নকুলৰ সোণালী কৃষি উৎপাদনকাৰী কোম্পানী লিমিটেডৰ কৃষকসকলে দেখুৱাইছে আদৰ্শ। শেহতীয়াভাৱে অসম চৰকাৰৰ এপাৰ্ট আঁচনিৰ অধীনত পৰীক্ষামূলকভাৱে ১০ বিধ উন্নতমানৰ ধানৰ বীজ প্ৰদান কৰা হৈছিল গাঁওখনৰ কৃষকসকলক। উক্ত ১০ বিধ ধান একেলগে পথাৰত লগাবলৈ উপদেশ




দিয়া হৈছিল এপাৰ্টৰ তৰফৰ পৰা। সেইমৰ্মে সোণালী কৃষি উৎপাদনকাৰী কোম্পানী লিমিটেডৰ কৃষকসকলে পথাৰত একেলগে ১০ বিধ ধানৰ খেতি কৰে। হিমা, কৰিশ্মাকে, আস্থা প্ৰজাতিৰ মুঠ ১০ বিধ ধানৰ পৰীক্ষামূলক খেতি আৰম্ভ কৰে গোটটোৰ কৃষকসকলে। আনহাতে, অসমত প্ৰথমবাৰৰ বাবে আস্থা নামৰ ধানবিধৰো একেখন পথাৰতে খেতি কৰি আশানুৰূপ ফল পাবলৈ সক্ষম হৈছে ৰঙিয়াৰ সোণালী কৃষি উৎপাদনকাৰী কোম্পানী লিমিটেডৰ কৃষকসকলে। উল্লেখ্য যে 'সোণালী'ৰ লগত জড়িত হৈ আছে নকুল গাঁৱৰ প্ৰফুল্ল দাস, অচ্যুত কলিতাকে ধৰি প্ৰায় ৪০০জন শিক্ষিত যুৱ-কৃষক। কৃষক প্ৰফুল্ল দাসে জানিবলৈ দিয়া মতে হিমা, কৰিশ্মা আৰু আস্থাৰ খেতি কৰি তেওঁলোকে যথেষ্ট ভাল ফল পাইছে। কিছুদিন পিছত সুকলমে এই ধান চপাই নিব পাৰিলে বিগত দুবছৰৰ দৰে পুনৰ চৰকাৰক এই ধান যোগান ধৰিবলৈ সক্ষম হ'ব বুলি আশাবাদী তেওঁলোক। বানপানীয়ে ৰঙিয়াৰ বিস্তীৰ্ণ অঞ্চলৰ হাজাৰ হাজাৰ বিঘা কৃষি ভূমি তচনচ্ কৰিছিল, তাৰ পিছতো হাৰ মনা নাই এই পৰিশ্ৰমী কৃষকসকলে। দুৰ্যোগক প্ৰত্যাহ্বান জনাই উন্নতমানৰ ধানৰ খেতিৰে সাধাৰণতে কৰা ধান খেতিতকৈ বহুগুণে লাভৱান হৈছে খেতিয়কসকল। তদুপৰি অসমৰ মাটিক সোণৰ মাটি বুলি উল্লেখ কৰি কৃষক প্ৰফুল্ল দাসে যুৱচামক কৃষিকাৰ্যত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। তদুপৰি কৃষক অচ্যুত কলিতাই ৰঙিয়াৰ কৃষি উন্নয়ন বিষয়া স্মিতা শৰ্মাৰ লগতে সংশ্লিষ্ট বিভাগটোৰ বিভিন্নজনৰ দিহা-পৰামৰ্শৰ বাবে শলাগ লয়। তেওঁ কয়—'থলুৱা জাতকৰে কৃষি বিভাগৰ পৰা যোগান ধৰা উন্নতমানৰ বাবে তেওঁলোকক তিনিগুণ লাভৱান কৰিছে।' উল্লেখ্য, এইধৰণে চৰকাৰী আঁচনিৰ সদ্ব্যৱহাৰ জৰিয়তে লাভৱান হোৱা ৰঙিয়াৰ নকুলৰ এই কৃষকসকল বৰ্তমান সময়ত সকলোৰে আৰ্হি হৈ পৰিছে।

## বাঘবৰৰ কদমতোলাত এছ বি আইৰ উদ্যোগত প্ৰধানমন্ত্ৰী জনধন আঁচনিৰ অভিলাসী পদক্ষেপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৯ নৱেম্বৰ ঃ** দক্ষিণ বৰপেটা জিলাৰ কদমতোলাত কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশত প্ৰধানমন্ত্ৰী জনধন আঁচনিৰ বিত্তীয় অন্তৰ্ভুক্তিৰ দ্বাৰা সবলীকৰণ কৰাৰ উদ্দেশ্যে পঞ্চায়ত পৰ্যায়ত অভিলাসী আঁচনিৰ সফল ৰূপায়ণৰ বাবে আজি কদমতোলা ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ত আনোৱাৰ হুছাইনৰ সভাপতিত্বত সবলীকৰণ সভা অনুষ্ঠিত কৰে। উল্লিখিত সবলীকৰণ সভাত বৰপেটাৰ ষ্টেট বেংকৰ শাখা প্ৰবন্ধক হৃষীকেশ দাস, নলবাৰীৰ উপ- শাখা প্ৰবন্ধক পাৰুল ৰয়, বি চি জি জিৰ মাৰ্ছৰ প্ৰবন্ধক আব্দুৰ ৰহিম উপস্থিত থাকি আঁচনিৰ বিষয়ে ৰাইজৰ আগত সবিশেষ ব্যক্ত কৰে। গ্ৰাহক সেৱা কেন্দ্ৰৰ স্বত্বাধিকাৰী ছাকলিন মুস্তাক আৰু আতোৱাৰ ৰহমানৰ তত্ত্বৱধানত অনুষ্ঠিত সবলীকৰণ সভাত বিভিন্ন গ্ৰাহক সেৱাৰ স্বত্বাধিকাৰী, অঞ্চলটোৰ আশা কৰ্মী, একাংশ আত্মসহায়ক গোটৰ সদস্যসকলৰ লগতে অঞ্চলটোৰ ভালেসংখ্যক লোক উপস্থিত থাকে। আনহাতে, নলবাৰী ষ্টেট বেংক শাখাৰ উপ-শাখা প্ৰবন্ধক পাৰুল ৰয়ে ভাষণ প্ৰসংগত কয় যে এই আঁচনিৰ জৰিয়তে হিতাধিকাৰীসকলে বছৰি ৩৬০ টকা জমা ৰাখিলে ২ লাখ টকাৰ বীমা লাভ কৰিব। আনহাতে, হিতাধিকাৰীজনে কোনো দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত হ'লে হিতাধিকাৰী জনে ১ লাখ টকা লাভ কৰিব আৰু মৃত্যু হ'লে হিতাধিকাৰীৰ পৰিয়ালে ২ লাখ টকাৰ বীমা লাভ কৰিব বুলি ৰাইজক জানিব দিয়ে। ভাষণত প্ৰবন্ধকজনে আৰু জানিব দিয়ে যে এই জনধন আঁচনিৰ একাউন্টটো সম্পূৰ্ণ বিনামূলীয়া হোৱাৰ লগতে জিৰ' বেলেঞ্চত খুলিব পাৰিব গ্ৰাহকে। যিহেতু চৰকাৰে বিভিন্ন সময়ত বিভিন্ন অভিলাসী আঁচনিৰ জৰিয়তে জনসাধাৰণক আৰ্থিকভাৱে সকাহ দিয়াৰ চেষ্টা কৰি আছে আৰু এই একাউন্টৰ জৰিয়তে জনসাধাৰণে কোনো তৃতীয় পক্ষৰ সহায় নোলোৱাকৈ স্বকীয়ভাৱে লাভ কৰিব বুলিও ভাষণত উল্লেখ কৰে। চৰকাৰৰ নিৰ্দেশত ষ্টেষ্ট বেংকৰ উদ্যোগত অনুষ্ঠিত হোৱা এনে সবলীকৰণ সভাক ৰাইজে ভূয়সী প্ৰশংসা কৰে।



NEMCARE
Group of Institutions
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125

NIT No. 5/2022-2023/320

**SHORT TENDER NOTICE**

Sealed Tender in prescribed form eventually to be drawn in APWD 'F'-2 form affixing non-refundable Court fee stamp of Rs, 8,25 (Rupees Eight & twenty five) only are hereby Invited from Govt. Contractor/Farms registered under Irrigation Department for the tender mentioned works which will be received by the undersigned up to 1.30 P.M. on 01.12.2022 and will be opened on the same date at 2.00 P.M. in the Office of the undersigned.

Rates should be quoted on percentage basis, i.e, as per/above/below the estimated rate for Group 1 and as per True bidding system i.e Rate of each item should be quoted separately for Group 2. Detailled of works, tender paper and terms & conditions may be obtained from the Office of the undersigned during all working days up to 12.00 Noon of 01.12.2022 depositing non-refundable crossed I.P.O. for Rs. 200.00 (Rupees Two Hundred) only for each group duly pledged to the undersigned.

In case the last day of receiving tender becomes a holiday due to unforeseen reason, the tender will be received on the next working day & will be opened accordingly.

| Gr.No | Name of Work | Estimated Value | Earnest Money | Time of Completion |
|---|---|---|---|---|
| 1 | Installation of Solar and Electrically Operated Hybrid Tube Well schemes under Khumtai LAC (2points) under SOPD for the year 2022-23. | Rs.15,30,506.00 | 2% for Genaral 1% for ST/SC/ OBC etc. | 60 days |
| 2 | Installation of Solar and Electrically Operated Hybrid Tube Well schemes under Bokakhat LAC (3 No. points) in Golaghat District under SOPD for the year 2021-23. | Rs.22,95,609.00 | | |

N.B. 1) Rates quoted below and above 5% will be rejected.
2) The Undersigned reserves the right to accept or reject the tender without assigning any reason thereof.

**Executive Engineer,**
**Bokakhat-Khumtai Division**
**(Irrigation) Bokakhat.**

*Janasanyog /C/14515/22*

## সপ্তাহজোৰা কাৰ্যসূচীৰে কামৰূপ জিলাত আৰম্ভ হ'ল বীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জয়ন্তী
### কামৰূপ আৰক্ষীৰ উদ্যোগত অনুষ্ঠিত হ'ল মাৰ্চ পাষ্ট- চাইকেল ৰেলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ১৯ নৱেম্বৰ ঃ** মহাবীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জয়ন্তী অহা ২৫ নৱেম্বৰলৈ বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচীৰে কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আয়োজনৰ পদক্ষেপ লোৱা হৈছে। ইয়াৰে প্ৰথম দিনৰ প্ৰথম কাৰ্যসূচী হিচাপে আমিনগাঁওস্থিত কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰৰ পৰা কামৰূপ আৰক্ষীৰ উদ্যোগত এক মাৰ্চপাষ্ট অনুষ্ঠিত হয়। কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লীয়ে ফ্লেগ অফ কৰি শুভাৰম্ভ কৰা এই মাৰ্চ পাষ্ট হাজো চ'ক পৰিভ্ৰমণ কৰি পুনৰ কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰলৈ অহাৰ পিছতে কামৰূপ আৰক্ষী তথা জিলা প্ৰশাসনৰ উদ্যোগত সংহত উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত বীৰ লাচিত বৰফুকন স্মাৰক সভাৰ লগতে লাচিতৰ বীৰত্বৰ গাথা সামৰি এক সংগীতালেখ্য অনুষ্ঠান অনুষ্ঠিত হয়। সংগীতালেখ্য পৰিৱেশন কৰে বাইহাটা চাৰিআলিৰ 'সুৰ্যোদয় নাট্য গোষ্ঠীয়ে'। উক্ত সভাত পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী তথা কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পূব কামৰূপ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক ড° নৃপেন্দ্ৰ ডেকা, পূব কামৰূপ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক তথা কামৰূপ জিলা সাহিত্য সভাৰ উপ-সভাপতি ড° নৃপেন্দ্ৰ নাথ তালুকদাৰ, কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লী, কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়, কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত নৰসিং বে'ই বীৰ লাচিতৰ শৌৰ্য-বীৰ্য, দেশপ্ৰেম সামৰি বক্তব্য প্ৰদান কৰে। এই মাৰ্চ পাষ্ট অনুষ্ঠানত কামৰূপ জিলা আৰক্ষী, সেনাবাহিনী, কেন্দ্ৰীয় সংৰক্ষিত বাহিনী, এছএছবি আৰু এনচিচিৰ কেডাৰসকলে অংশগ্ৰহণ কৰে। বীৰ লাচিত বৰফুকনৰ জয়ন্তীৰ শুভাৰম্ভণি উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ইতিহাস অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে বীৰ লাচিত বৰফুকনৰ বীৰত্ব, দেশপ্ৰেমৰ বিষয়ে যাতে সমগ্ৰ দেশ তথা বিশ্বই পৰিচিত হয় তাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বৰ্তমানৰ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সুদৃঢ় পদক্ষেপ সামৰি বক্তব্য প্ৰদান কৰে। বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী নতুন দিল্লীত অনুষ্ঠিত কৰা, এই উপলক্ষে ছাত্ৰ-ছাত্ৰী তথা বিভিন্ন স্তৰৰ জনসাধাৰণক সামৰি ৰচনা প্ৰতিযোগিতাৰ আয়োজন, বীৰ লাচিত বৰফুকনৰ বিষয়ে কফি টেবুল বুক, তথ্যচিত্ৰ ইত্যাদি প্ৰকাশৰ উদ্যোগ লোৱা হৈছে বুলিও তেওঁ অৱগত কৰে। তদুপৰি যোৰহাটৰ বীৰ লাচিতৰ মৈয়দামখন বিশ্ব পৰ্যটনৰ ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ২৯০ কোটি টকা ব্যয়ৰ পৰিকল্পনা, এমপি থিয়েটাৰ, লাইট এণ্ড ছাউণ্ড প্ৰ'গ্ৰেম, আলাবৈ স্মৃতি ক্ষেত্ৰ নিৰ্মাণৰ পদক্ষেপেৰে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে এইগৰাকী মহান বীৰক বিশ্ব দৰবাৰত সজোৰে প্ৰতিষ্ঠা কৰাৰ উদ্যোগ লৈছে বুলিও তেওঁ কয়। কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এইসভাত জিলা উপায়ুক্ত কীৰ্তি জল্লী, জিলা উন্নয়ন আয়ুক্ত নৰসিং বে, পূব কামৰূপ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক ড° নৃপেন্দ্ৰ ডেকা, কামৰূপ জিলা সাহিত্য সভাৰ উপ-সভাপতি ড° নৃপেন্দ্ৰ নাথ তালুকদাৰেও লাচিত বৰফুকনৰ বীৰত্ব তথা দেশপ্ৰেমৰ বিভিন্ন বিষয় সামৰি বক্তব্য প্ৰদান কৰে। সভাত কামৰূপ জিলা তথ্য আৰু জনসংযোগ বিষয়া বংকিম ভাগৱতীও উপস্থিত আছিল।




## নলবাৰীত ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক আৰু সাংগঠনিক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১৯ নৱেম্বৰ ঃ** নলবাৰী বাহঁজানীৰ বৰ আজাৰাত আজি অনুষ্ঠিত হয় ৰাজ্যিক বিজেপিৰ বিশেষ কাৰ্যনিৰ্বাহক বৈঠক। উল্লেখ্য, দুখনকৈ সভা অনুষ্ঠিত হ'ল নলবাৰীৰ বৰ আজাৰাৰ বাসন্তী খলাৰ সাংস্কৃতিক প্ৰকল্পত। ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা এই সভাত আগন্তুক দিনত বিজেপিয়ে গ্ৰহণ কৰিবলগা কাৰ্যসূচীসমূহ ৰূপায়িত কৰাৰ লক্ষ্য লোৱা হয়। লগতে ৰাইজৰ মাজত অধিক জনপ্ৰিয়তা অনাৰ বাবেও কৰ্মকৰ্তাসকলে ঐকমত্য গ্ৰহণ কৰে। ৰাজ্যিক বিজেপিৰ বিষয়ববীয়া আৰু 'অফিচবিয়াৰাৰ'সকলৰ মাজত প্ৰথমখন বৈঠক অনুষ্ঠিত কৰাৰ পিছত ৰাজ্যিক নেতৃত্ব আৰু জিলা সভাপতিসকলৰ উপস্থিতিত আন এখন বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। এই সভাত উপস্থিত হৈ বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই হাগ্ৰামাৰ পত্ৰ সম্পৰ্কত সোধা প্ৰশ্নৰ উত্তৰত কয় যে ৰাজনীতিৰ নামত ধৰ্মান্তকৰণ কৰা উচিত নহয়। এনেকুৱা হ'ব নালাগে। একেদৰে হাগ্ৰামাৰ লগত মিত্ৰতা সম্পৰ্কত কেন্দ্ৰই সিদ্ধান্ত গ্ৰহণ কৰিলে ৰাজ্যিক বিজেপিৰ একো ক'ব লগা নাই বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰকাশ কৰে ভৱেশ কলিতাই। আজিৰ সভাত অংশগ্ৰহণ কৰে সাধাৰণ সম্পাদক ফণীন্দ্ৰ শৰ্মা, সাংসদ তথা সম্পাদক পল্লৱলোচন দাস, সাংসদ তথা উপ-সভাপতি তপন গগৈ, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, সংখ্যালঘু মৰ্চাৰ সভাপতি শান্তিয়াছ কুজুৰ, যুৱ মৰ্চাৰ সম্পাদক সিদ্ধাংকু অংকুশ বৰুৱা, সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটা, প্ৰাক্তন মন্ত্ৰী নৱ দলে, ৰেখাৰাণী দাস বড়ো, মুখপাত্ৰ সুভাষ দত্ত , মহিলা মৰ্চাৰ সভানেত্ৰী আঙুৰলতা ডেকা আদিকে ধৰি বহুকেইজন ৰাজ্যিক পৰ্যায়ৰ নেতা।

बैंक ऑफ़ बड़ौदा
Bank of Baroda

**থানা চাৰিআলি শাখা**
আৰ কে বি পথ, প্ৰথম মহলা, গোৰেংকা মাৰ্কেট, ডিব্ৰুগড়- ৭৮৬০০১
যোগাযোগ নংঃ ০৩৭৩-২৩২০০১১, ই-মেইল ঃ vjdibr@bankofbaroda.co.in

**স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে**
**বিক্ৰী জাননী**
**পৰিশিষ্ট-IV-A [ৰুল ৬ (২) আৰু ৮ (৬) ৰ অনুবিধি চাওঁক]**

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলৱৎকৰণ আইন, ২০০২ ৰ সৈতে প্ৰতিভূতি স্বাৰ্থৰ (বলৱৎকৰণ) নিয়মাৱলী- ২০০২ ৰ নিয়ম ৬(২) আৰু ৮ (৬) ৰ অধীনত স্থাৱৰ সম্পদৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডীটৰ, **বেংক অফ বৰোদা, থানা চাৰিআলি শাখা, ডিব্ৰুগড়, অসমৰ** ওচৰত বন্ধকীকৃত/ নিৰিখত নিম্ন উল্লিখিত স্থাৱৰ সম্পত্তিসমূহ **বেংক অফ বৰোদা, থানা চাৰিআলি শাখা, ডিব্ৰুগড়, অসম,** চিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা অধিগ্ৰহণ কৰা হৈছে আৰু নিম্ন উল্লেখিত এমাউণ্টসমূহৰ পুনৰ আদায়ৰ বাবে **"য'ত আছে", "যি আছে" আৰু "যেনে আছে"** তেনেই বিক্ৰী কৰা হ'ব। ঋণীসকল/ জামিনদাৰসকল/ সুৰক্ষিত সম্পদসমূহ/ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে—

**দখলৰ স্থিতি ঃ** কায়িক।

**সম্পদ পৰ্যবেক্ষণৰ তাৰিখ আৰু সময় ঃ ২৩.১২.২০২২,** পুৱা ১০.৩০ বজাৰ পৰা বিয়লি ৪.০০বজালৈ।

**মুঠ আদায় দিব লগা পৰিমাণ ঃ** ১৪,৩১,৩৬৫.৫৫ টকা (চৈধ্য লাখ একত্ৰিশ হাজাৰ তিনিশ পয়ষষ্টি টকা পছপন্ন পইচা) তাৰিখ ৩১.০৩.২০২১ৰ ভিত্তিত আৰু লগতে সুত আৰু তাৰ ওপৰত অন্যান্য মাচুলসমূহ।

| ক্ৰ/ নং | ঋণ লওতা/ গেৰাণ্টাৰৰ নাম আৰু ঠিকনা | জ্ঞাত দায়বদ্ধতাৰ সৈতে স্থাৱৰ সম্পত্তিৰ বিশদ বিৱৰণ | ই-নিলামৰ তাৰিখ আৰু সময় | সংৰক্ষিত মূল্য, ই এম ডি পৰিমাণ, বিড ইনক্ৰিমেণ্ট পৰিমাণ |
|---|---|---|---|---|
| ১ | ১. **শ্ৰী জয়ন্ত জ্যোতি গগৈ** পিতাঃ স্বৰ্গীয় বলুৰাম গগৈ উদয়পুৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাষত, ডাকঘৰ ঃ বেহেটিং তিনিআলি, জিলা ঃ ডিব্ৰুগড়, অসম-৭৮৬০০১<br>২. **শ্ৰী সিদ্ধাৰ্থ শংকৰ গগৈ** পিতাঃ স্বৰ্গীয় বলুৰাম গগৈ উদয়পুৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাষত, ডাকঘৰ ঃ বেহেটিং তিনিআলি, জিলা ঃ ডিব্ৰুগড়, অসম-৭৮৬০০১<br>৩. **শ্ৰীমতী বন্তি গগৈ** স্বামী ঃ স্বৰ্গীয় বলুৰাম গগৈ উদয়পুৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাষত, ডাকঘৰ ঃ বেহেটিং তিনিআলি, জিলা ঃ ডিব্ৰুগড়, অসম-৭৮৬০০১<br>৪. **শ্ৰী মৃদুল বৰপাত্ৰ গোঁহাই** পিতা ঃ ভদ্ৰকান্ত বৰপাত্ৰ গোঁহাই গৰুধাৰীয়া গাঁও, ডিব্ৰুগড়, অসম-৭৮৬০০৭ | ভূমিৰ সকলো অংশসহ আৰু বিল্ডিং, পৰিমাপ হ'ল ১ কঠা, ১৩ লেচা, পট্টা নংঃ ১৭৭, আৱৰি আছে দাগ নংঃ ৮৮৯, অৱস্থিত আছে বৰপথাৰ কোঁৱৰ গাঁও, জামিৰা মৌজা, ডাকঘৰ - জামিৰা, থানা- বৰবৰুৱা, জিলা- ডিব্ৰুগড়, অসম।<br>চাৰিসীমা তলত দিয়া ধৰণে ঃ<br>পূৱে ঃ এন এইচ-৩৭।<br>পশ্চিমে ঃ বাই লেন।<br>উত্তৰে ঃ প্ৰশান্ত বৰাৰ ভূমি।<br>দক্ষিণে ঃ বাই লেন। | ২৭.১২.২০২২, দিনৰ ১.০০ বজাৰ পৰা ৩.০০ বজালৈ | ৩৪,৮০,০০০.০০ টকা<br>৩,৪৮,০০০.০০ টকা<br>৫০,০০০.০০ টকা |

বিক্ৰীৰ বিশদ নিয়ম আৰু চৰ্তাৱলীৰ বাবে, অনুগ্ৰহ কৰি https://www.bankofbaroda.in/e-auction.htm আৰু https://ibapi.in ত দিয়া লিংক চাওঁক।

**তাৰিখ ঃ ২০.১১.২০২২**
**স্থান ঃ ডিব্ৰুগড়**

**অনুমোদিত বিষয়া**
**বেংক অফ বৰোদা, থানা চাৰিআলি শাখা, ডিব্ৰুগড়**

# ড° ৰীতা চৌধুৰীৰ উপন্যাস 'দেওলাংখুই' এক সামগ্ৰিক বিশ্লেষণ

■ বনজিত ডেকা




সাহিত্যৰ জগতখনত লগতে পাঠক সমাজৰ মাজত ভূমিকম্পৰ সৃষ্টি কৰা এটা চিনাকি নাম 'দেও লাংখুই'। সাহিত্য অকাদেমী বঁটা আৰু অসম উপত্যকা সাহিত্য বঁটা -২০১৮প্ৰাপক সু-লেখিকা ড° ৰীতা চৌধুৰী অসমীয়া সাহিত্য জগতত এটা চিনাকি নাম। তেওঁৰ সৃষ্টি পাঠক সমাজৰ বাবে এই উৎকৃষ্ট আৰু অনবদ্য উপাদান। যাকেই নোসোধো কিয়, এই কিতাপখন পঢ়া সকলোৰে প্ৰিয় কিতাপৰ তালিকাত 'দেও লাংখুই'খনে এক সুকীয়া স্থান দখল কৰি লৈছে। ইয়াৰ একমাত্ৰ কাৰণ কিতাপখনৰ অবিশ্বাস্যভাৱে সুন্দৰ বাক্য উপস্থাপনশৈলীৰ লগতে কাহিনীৰ গাম্ভীৰ্যতা। আৰু ৰীতা চৌধুৰীৰ কিতাপৰ ইয়ো এটা প্ৰধান বৈশিষ্ট্য। ৰীতা চৌধুৰীয়ে সম্প্ৰতি অসমীয়া সাহিত্যৰ জগতখনত এক সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছে, একমাত্ৰ নিজৰ অগতানুগতিক প্ৰকাশশৈলী, কাব্যগন্ধি গদ্য চয়ন আৰু বৈচিত্ৰ্যপূৰ্ণ আংগিকৰ চমৎকাৰিত্বৰ গুণত। তীক্ষ্ণ অন্তৰ্দৃষ্টি আৰু মননশীলতাৰে তেওঁ সমাজৰ বিভিন্ন স্তৰৰ চৰিত্ৰসমূহ বুটলি আনি সিবিলাকত প্ৰাণৰ সঞ্চাৰ কৰি পাঠকৰ মাজলৈ প্ৰক্ষেপ কৰে। আৰু যেন 'দেও লাংখুই'খনতো ইয়াৰ কোনো ব্যতিক্ৰম নঘটিল। ইতিহাসৰ পাতত পৰা প্ৰত্যেকটো চৰিত্ৰ বুটলি আনি তাত কল্পনাৰ বহণ সানি কৰি তুলিছে আজিৰ পৃথিৱীৰ ক'ৰবাতেই যেন ঘটি থকা ঘটনাবোৰৰ অন্য এক সমষ্টি। 'দেও লাংখুই' ইতিহাস, বাস্তৱ আৰু কল্পনাৰ ত্ৰিবেণী সংগম ঘটা এক নিপুণ খনিকৰৰ হাতৰ সাৰ্থক আৰু অনুপম সৃষ্টি। 'দেও লাংখুই' তিৱা ভাষাৰ শব্দ, যাৰ অৰ্থ দেৱ তৰোৱাল বা দেও লগা তৰোৱাল। কাহিনীটোৰ মূল চৰিত্ৰ হৈছে আবি কনচাৰী। যি এসময়ত আছিল চন্দ্ৰপ্ৰভা নামৰ এগৰাকী আটাইতকৈ সুন্দৰ আৰু চঞ্চল কিশোৰীসুলভ ব্যক্তিত্বৰে সোণৰ দৰেই জলমলাই থকা প্ৰতাপপুৰৰ ৰাণী, প্ৰতাপচন্দ্ৰৰ চকুৰ মণি। আৰু চন্দ্ৰপ্ৰভাৰ লগে লগেই সজীৱ হৈ উঠে সোণজিৰা, চন্দ্ৰপ্ৰভাৰ দাসী। কিন্তু তেওঁ তাতোকৈও অধিক শুচৰ, তাতোকৈও বহুত বেছি কিবা। চন্দ্ৰপ্ৰভা ইমানেই ধুনীয়া আৰু সুন্দৰ আছিল যে সকলোৰে চকু জুৰ পেলাই থৈছিল। মুগ্ধ কৰি দিছিল সকলোকে হিয়া। ঠিক তেনেদৰেই জুৰ পেলাইছিল প্ৰবল প্ৰতাপী আৰ্য ৰজা প্ৰতাপচন্দ্ৰৰ। কিন্তু চন্দ্ৰপ্ৰভা আছিল তেনেই সৰু। কিশোৰীসুলভ চঞ্চলতাই বাবে তেওঁ তেওঁৰ মনত জিলিক মাৰি উঠে। যিটো এগৰাকী ৰাণীৰ বাবে তেনেই অশোভনীয়। সেয়াই একমাত্ৰ অসন্তোষৰ কাৰণ আছিল ৰাণী চন্দ্ৰপ্ৰভাক লৈ ৰজা প্ৰতাপচন্দ্ৰৰ। আৰু এনেদৰেই দৈব্য-দুৰ্বিপাকত এদিন গোভা ৰজাৰ সৈতে চন্দ্ৰপ্ৰভাক আৰু ৰজা প্ৰতাপচন্দ্ৰৰ মনত ভুল বুজাবুজিৰ সৃষ্টি হয়। প্ৰতাপচন্দ্ৰৰ সন্তান ধাৰণ কৰি থকা চন্দ্ৰপ্ৰভাক সাধু কুমাৰৰ লগত সন্দেহ কৰে। আৰ্য অহংকাৰেৰে অহংকাৰী আৰু আক্ৰোশগ্ৰস্ত ৰজা প্ৰতাপচন্দ্ৰই চন্দ্ৰপ্ৰভাক ক্ষমা খোজাৰ সুযোগ দিছিল যদিও বিনা দোষত চন্দ্ৰপ্ৰভা ক্ষমা খুজিবলৈ মান্তি হোৱা নাছিল আৰু অসম্মানেৰে গোভা ৰজাক চন্দ্ৰপ্ৰভাক গতাই দিছিল।

সাধু কুমাৰ আছিল নামটোৰ দৰেই সাধু, বিশাল। তেওঁ এগৰাকী নাৰীক অসম্মান কৰাটো কোনোপধ্যেই সহ্য কৰা নাছিল আৰু সেই জেদতে তেওঁ যে চন্দ্ৰপ্ৰভাক প্ৰতাপপুৰতকৈও গোভা ৰাজ্যত অতি সুখে-সন্তোষে ৰাখিব পাৰে তাৰ প্ৰমাণ দিবলৈকে চন্দ্ৰপ্ৰভাৰ সমস্ত দুখ, অশ্ৰুসিক্ত সময়ক আঁকোৱালি লৈছিল। ৰচনা কৰিছিল নিজৰ নব্য অন্য এক ভাগ্য। আৰু চন্দ্ৰপ্ৰভা, তেওঁ জানো হাৰ মানিছিল। গোভা ৰাজ্যৰ মৰমিয়াল লোকসকলৰ সহযোগত, কনচাৰীৰ সান্নিধ্যত আৰু সাধু কুমাৰৰ সাধুতাত লুইতৰ পাৰত নিজৰ মৃতদেহ নিজেই দাহ কৰি ছাইৰ মাজৰ পৰা কনচাৰী হৈ জন্ম লৈছিল। নতুন জীৱনৰ মাজলৈ সোমাই যাওঁতে লুইতৰ বুকুত দলিয়াই থৈ গৈছিল চিতাভস্ম। নিজৰ অতীত। নিজৰ পূৰ্বজন্মৰ পৰিচয়। কনচাৰী হৈ গোভা ৰাজ্যত চন্দ্ৰপ্ৰভাই আৰম্ভ কৰিছিল নিজৰ এক নতুন জীৱন। অন্য এক নৱ-প্ৰজন্ম। আৰু তেনেদৰেই তাতেই জন্ম হৈছিল আৰিমত্তৰ। প্ৰতাপচন্দ্ৰ আৰু চন্দ্ৰপ্ৰভাৰ ঔৰসত জন্ম হোৱা কনচাৰী আৰু সাধু কুমাৰৰ পুত্ৰ আৰিমত্ত। আৰিমত্তও প্ৰতাপচন্দ্ৰৰ দৰেই প্ৰবল প্ৰতাপী হৈ উঠিছিল। কিন্তু তেওঁৰ সঠিক পৰিচয় সাধু কুমাৰ আৰু কনচাৰীয়ে জানিব দিয়া নাছিল বা কাৰোৰে পৰা নিজৰ পবিত্ৰ প্ৰেম ঘৃণাক্ষৰেও আৰিমত্তই গম পোৱা নাছিল। আৰু তাৰেই ফলত কনচাৰীৰ হাজাৰ হকা-বাধা সত্ত্বেও ৰাজ্য ডাঙৰ কৰাৰ লেলিহান বিজয় তৃষ্ণাই প্ৰাণ লৈছিল আৰিমত্তৰ হাতত নিজ পিতাক প্ৰতাপচন্দ্ৰৰ।

পিতৃ হত্যাৰ অনুতপ্ততা দগ্ধ আৰিমত্তৰ প্ৰেমিকা আছিল খোলা ৰাজ্যৰ ৰাণী গংগাৰতী। তেওঁলোক একে কুলৰ আছিল। একে কুলৰ মাজত প্ৰেম নিষিদ্ধ। কিন্তু তেওঁলোক যে একেই কুলৰ, এই কথা নজনাকৈয়ে দুয়ো বান্ধ খাই পৰিছিল পবিত্ৰ প্ৰেমৰ বান্ধোনত। আৰু এই কথা কনচাৰীয়ে গম পাই দুটা প্ৰেমিক হৃদয়ৰ মিলনৰ এটাক আনটোৰ পৰা আঁতৰাই অন্যত ভূমিকা গ্ৰহণ কৰিছিল। কাৰণ একে কুলৰ মাজত মিলন হ'লে সমাজে বৰ্জিত কৰিব। ৰজা ৰাজ স্বাভিমান মূল্যহীন হৈ পৰিব। যাৰ ফলস্বৰূপে হাজাৰ কষ্ট স্বীকাৰ কৰি, নিজ প্ৰেমক বিসৰ্জন দি কনচাৰীৰ কথাত আঁতৰি আহিছিল গংগাৰতী। কিন্তু আঁতৰি অহাৰ প্ৰকৃত কাৰণ আৰিমত্তই গম পোৱা নাছিল। যাৰ বাবে গংগাৰতীয়ে প্ৰতাৰণা কৰা বুলি ভাবি ফিংগুৱা কোঁৱৰৰ প্ৰেমিকা ৰত্নাৱলীৰ লগত বিবাহপাশত আবদ্ধ হয়। ৰাজ্যৰ লোভত দেউতাকে ৰত্নাৱলীক জোৰ জবৰদস্তি আৰিমত্তৰ লগত বিয়াত বহুৱায়। যি কথা ৰত্নাৱলীয়ে আৰিমত্তই গম পোৱা নাছিল। কিন্তু ফিংগুৱা কোঁৱৰৰ ৰত্নাৱলীৰ লগত বিবাহৰ পিছতো ৰাজ্য লোভত সম্পৰ্ক ৰাখে। আৰু পিছত ৰত্নাৱলীক হত্যা কৰে। যাৰ বাবে ৰত্নাৱলী আৰু আৰিমত্তৰ ঔৰসত জন্ম লোৱা ৰত্নপ্ৰিয়।

ইফালে আৰিমত্তৰ অজান্তেই আৰিমত্ত আৰু গংগাৰতীৰ প্ৰেমৰ প্ৰতীক জকাংক ডাঙৰ হয়। আৰু এদিন ৰজা হয়। ৰাজ্য তৃষ্ণাৰ ফলস্বৰূপেই এদিন জকাংকে হত্যা কৰে পিতৃ আৰিমত্তক।

পিতৃ শোকে দগ্ধ কৰা শোকৰ কবৰ ফালি শান্তিৰ দিশে আগুৱাই যোৱা জকাংকৰ পৰা জোঙাল বলহু হোৱা জকাংকই ধনেশ্বৰৰ কু-বুদ্ধিত পোত যোৱা ৰজা গজবাজ বড়চাৰ কন্যা সুকোমলাৰ লগত বিবাহপাশত আবদ্ধ হয়। তেওঁলোকৰ উদ্দেশ্য আছিল, জকাংকক লাভ কৰা দেও লগা তৰোৱালখন সুকোমলাৰ সহায়ত হাত কৰা। যাৰ ফলত তেওঁলোকে বিজয়প্ৰাপ্ত কৰিব পাৰে। ইয়াত ধনেশ্বৰৰ হাত বেছি আছিল, কাৰণ তাৰ অভিসন্ধি আছিল, সেই দেও লগা তৰোৱাল হাত কৰি বড়চাৰ লগতে জোঙাল বলহুক হত্যা কৰি সকলোৰে ওপৰত ৰাজত্ব কৰা। সুকোমলাই দেউতাকৰ মতেই ছলনা কৰি সেই দেও লগা তৰোৱাল দেউতাকক অৰ্পণ কৰে। আৰু তাৰ পিছতেই ধনেশ্বৰৰ অভিসন্ধিত বড়চাই নিজ জীৱ ৰাজ্য, জকাংকক ৰাজ্য আক্ৰমণ কৰে। পিছত সুকোমলাৰ ছলনা গম পাই সুকোমলাই জকাংকৰে হাতত নিজৰ প্ৰাণ আহুতি দিয়ে। আৰু জকাংকৰ ৰাজ্য বড়চাৰ ওচৰত। পাছত ধনেশ্বৰৰ অভিসন্ধি সকলোৱে গম পাই সৈন্যৰ হাতত ধনেশ্বৰৰ অস্তিত্ব নেফা-নেফ কৰি পেলোৱা হয়। ইয়াৰ পিছতো নৈ যায় সুকোমলা আৰু জকাংকৰ প্ৰেমৰ অস্তিত্ব বুবাই।

থুল-মূলকৈ কাহিনী এইটোৱেই। ভূৰুকাত হাতী ভৰোৱা টান। নপঢ়িলে ইয়াৰ মাদকতা অনুভৱ কৰিব নোৱাৰি। অসমীয়া উপন্যাস সাহিত্যত এই উপন্যাসখনে এক মাইলৰ খুঁটি হৈ ৰ'ব বুলি আশা কৰিব পাৰি।

*ফোন ঃ ৬০০০৯-৭১৩৬২*

■ ধাৰাবাহিক উপন্যাস ■

# ৰূপালী নৈ সোণালী গাঁও

■ বীৰেন চন্দ্ৰ নাথ

(খণ্ড - ২)

বিভূতিৰ মাক পদ্মা আৰু দেউতাক ৰতিকান্ত দুয়োজনে 'ক'ৰ কেইটা চুক নাজানিছিল। কিন্তু দুয়োয়ে শিক্ষা-বিদ্যাৰ মোল বুজি নোপোৱা মানুহ নাছিল। মাক পদ্মাৰ মুখখনলৈ চালে বিভূতিৰ এনে লাগিছিল যেন এইমাত্ৰ মানুহজনীয়ে তেওঁৰ কোনো উপাস্য দেৱ-দেৱীৰ লগত কথাহে পাতি আছিল, কিন্তু আলোচনা আধৰুৱা হৈ থাকিল। কেতিয়াবা বৰ বেছি প্ৰফুল্ল, আকৌ কেতিয়াবা বৰ দুখী হৈ থকা মাক পদ্মা বহুত সৰু মানে চৈধ্য বছৰ বয়সতে বিয়া হৈ আহিছিলে, নহয়, প্ৰকৃততে বিভূতিৰ দেউতাক ৰতিকান্তইহে পদ্মাৰ ঘৰলৈ আহি চাপিছিল। ৰতিকান্তৰ জন্মস্থান আছিল শোণিতপুৰ জিলাৰ বৰছলাত। ভাই-ককাই নোহোৱা ৰতিকান্তৰ আছিল এজনী মাথোন ভনীয়েক, নাম তিলেশ্বৰী। ৰতিকান্তৰ বাল্য কালতে পিতৃ জ্ঞানদীপ আৰু মাতৃ যশোদা দেৱীৰ পৰলোক হৈছিল। আই-বোপাই নোহোৱা ৰতিকান্ত আৰু ভনীয়েক তিলেশ্বৰীক সম্বন্ধীয় বৰদেউতাক আৰু তেওঁলোকৰ ল'ৰাকেইজনে বহু কষ্ট দিছিল। এনেদৰে দুখে-কষ্টই মন ভাৰাক্ৰান্ত হোৱাত এদিন ৰতিকান্তই ভনীয়েক তিলেশ্বৰীক জোৰ কৰি লগত লৈ বৰছলাৰ পৰা প্ৰায় ওঠৰ মাইল দূৰত থকা বালিগাঁৱৰ মোমায়েকৰ ঘৰলৈ গুচি আহিল। হাতত আনিলে কেৱল এখন দা। মোমায়েক ধীৰেশ্বৰৰ ঘৰত ককায়েক-ভনীয়েক দুয়োজনে যেনিবা কঠোৰ পৰিশ্ৰমৰ বিনিময়ত পেটৰ ভাতকেইটা মোকলাবলৈ সক্ষম হ'ল। মোমায়েক ধীৰেশ্বৰৰ আছিল ভালেকেইজনী ম'হ আৰু গৰু। বাৰী মাটিৰ লগতে ভালেখিনি খেতিপথাৰো আছিল। ৰতিকান্ত ব্যস্ত হ'ল ম'হ চৰোৱাত আৰু ভনীয়েক তিলেশ্বৰী ৰোৱা, বোৱা-কটাত পাকৈত হৈ উঠিল। ম'হ চৰোৱা পথাৰত সদায়েই লগ হয় পদ্মাৰ দেউতাক পৰমা বুঢ়াৰ। দিনটো পৰমা বুঢ়াৰ লগত কটাওঁতে নানান কথাই ওলায়। পৰমা বুঢ়া খেতি-খোলাৰে জীৱনৰ ভাটি বেলাত উপনীত হোৱা অভিজ্ঞ মানুহ। যৌৱন কালৰে পৰা গৰু-ম'হৰ পাল, চৰাই, জীৱ-জন্তুৰ লগত থাকি থাকি মানুহৰ জীৱন-যৌৱন পঢ়িব পৰা মানুহ। ৰতিকান্তৰ কুমলীয়া বয়সৰ দুখৰ কাহিনীয়ে কেতিয়াবা পৰমা বুঢ়াৰ দুচকুৰ কোণ সেমেকাই তোলে। কেতিয়াবা ৰতিকান্তৰ এই পোন্ধৰ-ষোল্ল বছৰীয়া ডেকাৰ জীৱনত নিজৰ জীৱনৰ ছাঁ-পোহৰৰ খেলা বিচাৰি পায়। ৰতিকান্তৰ স্বভাৱ-চৰিত্ৰত কোনো কলুষতা নাছিল। সন্ধিয়া পৰত গৰু-ম'হ বান্ধি পৰমা বুঢ়াই এই সকলো কথাকে ঘৈণীয়েক লাওতী বুঢ়ীক কয়। লাওতী বুঢ়ীৰ পোছাকী নাম আছিল ৰহিলী। কোনোয়ে মাতে লাহতী। ডেকা পৰমাই নগাঁও জিলাৰ যমুনামুখৰ কপিলীপৰীয়া ৰহিলীক বিয়া কৰাইছিল। সেই কালত আজিৰ দৰে লুইতত জাহাজ চলাচল কৰা নাছিল বা ইপাৰ-সিপাৰ হ'বলৈ দলঙো নাছিল। হাত নাওৰে লুইত পাৰ হওঁতেই দৰাঘৰীয়াৰ ৰাতি হ'বলৈ ধৰিলে। শেষত আটায়ে আলোচনা কৰি লুইতৰ উত্তৰ পাৰে দুঘৰ মানুহৰ ভিতৰে-বাহিৰে নিশাটো ন-কইনাক লৈ পাৰ কৰি পিছদিনা দুপৰ বেলা ৰাইজ সহিতে নিজ গাঁৱত উপস্থিত হৈছিল। সেই বিশেষ গাঁওখনৰ নাম আছিল লাওখোৱা গাঁও আৰু সেই আপাহতে ৰহিলী দেৱীৰ আচল নামৰ ঠাইত লাহতী আৰু পিছলৈ লাওতী বুলিহে মানুহে মাতিবলৈ ল'লে। ইয়াকে ভাগ্যৰ লিখন বুলিয়েই নেকি ৰহিলীয়েও নতুন গাঁৱৰ মানুহজাকক, আই-বাইহঁতক সাদৰী ল'লে। ৰহিলী বা লাওতী আৰু পৰমাৰ প্ৰথম তিনিটি ল'ৰা সন্তান জন্মিছিল আৰু একেজনী কন্যা পদ্মা। কিন্তু কিবা অচিন ৰোগত তিনিওটি পুত্ৰৰে অকাল মৃত্যু হৈছিল। একেটি ছোৱালীক দুয়ো বুঢ়া-বুঢ়ীয়ে অনবৰতে বুকুত সাবটি লৈ ফুৰিছিল। সেয়ে দুয়োয়ে আলোচনা কৰি, জানি-বুজি লৈ পৰমা বুঢ়াই ম'হ গোৱাল পাহোৱাল ৰতিকান্তক জোঁৱাই পতাৰ মন মেলি এদিন ৰতিকান্তৰ মোমায়েক ধীৰেশ্বৰৰ লগত এই বিষয়ে আলোচনা কৰিলে। মোমায়েক ধীৰেশ্বৰে আপত্তি কৰাৰ কোনো থলেই নাছিল। বৰং নথৈ আনন্দিত হৈ পৰমা বুঢ়াৰ গলত সাবটি চকুলো টুকি কৈছিল— 'বান্ধৈ, তুমি মোৰ আৰু মাউৰা ভাগিন ল'ৰাটোৰ দুখ বুজিলা। কিন্তু তাৰ যে নিজাকৈ ঘৰ এখনেই নাই এথোন। সি ন-কইনা আনি ক'ত সুমুৱাব। দুটা কোঠালিৰ ঘৰটোত আমাক দেখোন নিজকে নাটে। তাৰ ভনীয়েক তিলেশ্বৰীজনীও আছে। ইফালে আঘোণ মাহ শেষ হৈ পুহ সোমাবৰ হ'ল, ধানকে চপাওঁ, নে ঘৰ বান্ধি বোৱাৰী চপাওঁ।'

ধীৰেশ্বৰৰ কথা শুনি পৰমা বুঢ়াই গহীন হৈ মাত লগালে— 'বান্ধৈ, তুমি মোক ভুল নাভাবিবা। মইনো আৰু কতদিন জীয়াই থাকিম। মোৰ অবিহনে কণমানি পদ্মাক মানুহজনীয়ে কালৈ বিয়া বাৰু দিব পাৰিব? সেয়ে মই মোৰ ঘৰতে বিয়াখন পাতি ৰতি আৰু পদ্মাক মানে চকুৰ আগতে জী-জোঁৱাইক ৰাখিব বিচাৰিছো। তুমি ভয় নকৰিবা, মই তিলেশ্বৰীকো ইয়ালৈকে লৈ আহিম। পিছলৈ ৰতিকান্তৰ দৰে সাহসী, কৰ্মঠ ডেকাই নিজাকৈ ঘৰ-দুৱাৰ সাজি ল'ব পাৰিব। আৰু সহায় কৰিবলৈ তুমিতো আছাই বান্ধৈ।' প্ৰত্যুত্তৰত ধীৰেশ্বৰে কেৱল পৰমা বুঢ়াৰ কান্ধত ধৰি কান্দিহে থাকিল। ৰতিকান্তই প্ৰথমতে চপনীয়া চাপিবৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰিছিল যদিও শেষত যেনিবা সকলোৰে বুজনিত সৈমান হ'ল। হ'লেও কেইদিন মান ৰতিকান্তক কোনেও দেখা পোৱা নাছিল। সকলোৰে অগোচৰে ৰতিকান্তই কেতিয়াবা গাভৰু নৈৰ গৰাৰ আঁৰত, কেতিয়াবা দীঘলী বিলৰ মথাউৰিৰ কাষত লুকাই লুকাই কান্দিছিল। এমাহ পাৰ হৈ পুহ গৈ মাঘ মাহ সোমালত বৰ ধুম-ধামেৰে নহ'লেও পৰমা বুঢ়াই একেজনী জীয়েক পদ্মাৰ সৈতে ৰতিকান্তৰ শুভপৰিণয়ৰ মালাধাৰি দুয়োৰে গলত আঁৰি দি ৰতিকান্তক ঘৰজোঁৱাই চপাই আনন্দ লভিলে। গাঁৱৰ সমজুৱাই ভালেদিনৰ মূৰত দপনি পিটি এসাঁজ খালে। বিয়াত ৰতিকান্তই জন্মস্থান বৰছলাৰ নিজৰ বংশ-পৰিয়াললৈ খবৰ নপঠিয়ালে। হ'লেও তেওঁলোকে খবৰ নোপোৱাকৈ নাথাকিল যদিও বিয়ালৈ কোনো এজনো মানুহ নাহিল। ৰতিকান্তই ইয়াকে লৈ অৱশ্যেই মূৰ ঘমাই বহি নাথাকিল। আই গাভৰু নৈৰ কৃপাত ৰতিকান্তৰ কৃষিভূমিত সোণগুটি গজে। সি অকলেই কেইবা পূৰা ৰূপিত মাটিত ধান খেতি কৰে। কিন্তু ধান ৰোৱা আৰু চপোৱাৰ কামত গোটেই গাঁৱৰ ৰাইজ মখাই হাত উজান দিয়ে। কুঁহিয়াৰ, মাহ, সৰিয়হ, মৰাপাট কি খেতি নকৰে ৰতিকান্তই। পদ্মাজনীও তাইৰ মাক ৰহিলীৰ দৰেই সাদৰীজনী হৈছে। তাই ৰতিক খুব মৰম দিবলৈ যত্ন কৰে। পথাৰে-সমাৰে তাক তাই সমানে সহায় কৰি যায়। সময়ত তাইৰ গা ভাৰী হয়। তাইৰ কষ্ট দেখি ৰতিয়েও তাইক পগলাৰ দৰে মৰম কৰে। তাইক খেতি-খোলাৰ পৰা ঘৰত নি থৈ আহে। ভনীয়েক তিলেশ্বৰীক কেতিয়াবা কন্দনামুৱা হৈ কেতিয়াবা হাঁহি-ধেমালিৰে ৰতিয়ে কয়— 'চা তিলে, আমাৰ দুখত এদিন সকলোৱে কান্দিছিল আৰু আজি এতিয়াৰ পৰাই আমি নিজেও হাঁহিবলৈ লাগিব আনকো হঁহুৱাব লাগিব। তয়ো আৰু খেতি পথাৰলৈ আহিব নালাগে, মই এইবোৰ নিজেই চম্ভালি ল'ব পাৰিম। তই কেৱল বৌয়েৰাক আৰু আই-পিতাইক ভালকৈ চা। চাছোন, আজি যদি পিতায়ে এইখিনি নকৰিলেহেঁতেন তই-ময়ে মোমাইৰ ঘৰতে পৰি থাকিব লাগিলহেঁতেন। মই অৱশ্যেই মোমাই-মামীহঁতক অকণো দোষ নিদিওঁ আৰু দুখো নিদিওঁ। তয়ো যাতে মোৰ নিচিনাকৈয়ে ভাবিবলৈ শিক। 'তিলেশ্বৰীও আছিল গুণী-জ্ঞানী ছোৱালী। তাই ককায়েকৰ মুখলৈ ৰ' লাগি চাই কথাবোৰ শুনি গৈছিল আৰু কৈছিল— 'কাইদেও, তই অকণো চিন্তাই নকৰিবি, মই বৌ আৰু আই-পিতাইক নিজে নাখাই খুৱাম, নিজে নিপিন্ধি পিন্ধাম। তই মাথোন অকণো দুখ নকৰিবি। নিজে অকলে পৰাখিনিহে কৰিবি। এতিয়া আমাৰ বহুত হ'ল। গৰুৰে-ম'হে, গাখীৰে-পানীয়ে সকলো হ'ল। সেয়ে দেহালৈও চাবি। অলপ পিছতে ঘৰলৈ আহি গাখীৰ-জলপান খাবিহি। মই বাৰু ঘৰলৈকে যাওঁ। জনক আৰু বৌয়ে মিলি গাখীৰ খীৰালে।' ৰতিকান্ত আৰু তিলেশ্বৰী দুয়ো পৰমা আৰু ৰহিলীক আই-পিতাই বুলি সম্বোধন কৰিছিল।

ইতিমধ্যেই পৰমা বুঢ়াৰ গা পৰি আহিছিল। ৰতিয়ে দূৰৈৰ কবিৰাজি ঔষধ আৰু মোহিণী বৈদ্যৰ পৰা ডোল ফৰ্মূটিও আনি যতন কৰিছিল। পিছে বুঢ়াৰ বয়সে আৰু নসহিছিল। পিছৰ বছৰৰ মাঘ মাহৰ দোমাহীৰ দিনা ৰাইজে মিলি ৰতিকান্তৰ ধান কাটি চপাইছিল। আপাহতে, কিছুমানে দীঘলী বিলত মাছ ধৰিছিল। কোনোবাই হাবিৰ পৰা ঔটেঙা বিচাৰি আনিছিল আৰু ৰতিকান্তই মাটি মাহৰ তৰকাৰী, মাছেৰে ৰাইজক ভোজ খুৱাইছিল। পৰমা বুঢ়াই অলপহে খাব পাৰিছিল। ৰাইজৰ মুখেৰে জীয়েক-জোঁৱায়েকক জোলোকা জোলোকে আশীৰ্বাদ দিয়াইছিল। মাঘৰ সাত দিন যোৱাত পদ্মাৰ বৰপুত্ৰৰ জন্ম হ'ল, কাহিলি পুৱাতে। মিনাৰাম জ্যোতিষীয়ে পঞ্জিকা চাই নাম ৰাখিলে ধীমান। পুত্ৰ জন্মৰ অশোচ শেষ হ'ল কি নহ'ল, শহুৰেক পৰমাৰ গা বেছি বেয়া হ'ল। ফাগুন মাহৰ প্ৰথম সপ্তাহতে পৰমা বুঢ়াই সকলোকে কন্দুৱাই ইহ জনমৰ নাট সামৰিলে। ৰতিকান্তৰ মূৰত সৰগ ভাগি পৰা যেন লাগিল। হ'লেও সি ধৈৰ্য ধৰি শহুৰেকৰ আদ্যশ্ৰাদ্ধ, জ্ঞাতি ভোজলৈকে সকলোবোৰ নীতি-নিয়মৰ মাজেৰে শেষ কৰিলে। দুৰ্বল হৈ পৰা শাহুৰেককো বুজাই-বঢ়াই শান্ত কৰিলে। কিন্তু সকামবোৰ শেষ হোৱাৰ পিছতহে ৰতিকান্ত শোকে-দুখে অস্থিৰ হ'ল। সি পুনৰ গাভৰু নৈৰ গৰাৰ কাষত বৈ বৈ অকলে এবেলা কান্দি দুখ পাতলালে। মোমায়েক ধীৰেশ্বৰে অৱশ্যে এনে দুখৰ দিনত তাক অকলে এৰি নিদিলে। তেওঁ তাক বুজালে 'হেৰ' ভাগিন, তই এতিয়া আগৰ ৰতি হৈ থকা নাই আৰু তোৰ দায়িত্ব আগতকৈও বহুত বাঢ়িল। তই তোৰ আই, তিৰোতা পদ্মা, পোনাকণ ধীমানক চাব লাগিব। ভনীয়েৰ তিলেক বিয়া দিব লাগিব। আমি তোৰ লগে লগেই আছো। তই আগবাঢ়ি ব'ল। আৰু এটা কথা নহয়, আমিয়েইনো থাকিম কিমান দিন? 'মোমায়েক ধীৰেশ্বৰৰ কথাত ৰতিকান্তই মনত কিছু বল পালে। সি সকলো দুখ-মনৰ বেজাৰ আঁতৰাই আগতকৈ দুগুণ উৎসাহেৰে নিজৰ কামত ধৰিলে। লাহে লাহে সময়ৰ লগে লগে সোণালী গাঁৱলৈ কিছুমান পৰিৱৰ্তন আহিল। কেইবাজনো মানুহে কাম কৰাৰ এলাহত মাটি-বাৰীবোৰ বিক্ৰী কৰিবলৈ ধৰিলে আৰু সেইবোৰ কিনিবলৈ ৰতিকান্তক খাটনি ধৰিবলৈ লাগিল। প্ৰথমতে ৰতিকান্তই অমান্তি হৈছিল কিন্তু মোমায়েক ধীৰেশ্বৰৰ পৰামৰ্শ মতে লাহে লাহে মাটি-বাৰীবোৰ বহলাবলৈ লাগিল। এতিয়া আৰু গাভৰু নদী সোণালী গাঁৱৰ অভিশাপ নহয়। কিন্তু এজাক এলেহুৱা মানুহে নিজৰ পলসুৱা খেতিৰ মাটি বছৰৰ পিছত বছৰ চন পেলাই শেষত ৰতিকান্তৰ ওচৰত বিক্ৰী কৰি হাজিৰা কাম কৰিবলৈ ভালপোৱা হ'ল। ৰতি এতিয়া সোণালী গাঁৱৰ জমিদাৰ, ৰাইজৰ পৰিত্ৰাণকৰ্তা। অৱশ্যেই ৰতিয়ে কোনোদিনেই অনীতি, অসূয়াক প্ৰশ্ৰয় দি কাৰোৰেই মাটিবাৰী আত্মসাৎ কৰা নাছিল। সি সদায়েই সোণালী গাঁৱৰ হিতৰ বাবে পাৰ্যমানে ৰাইজক সহায় কৰিছিল। গাভৰু নৈয়ে এৰি যোৱা এৰা নৈ প্ৰকৃততে ৰতিকান্তৰ ম্যাদী মাটিৰ অংশ আছিল। যি মথাউৰি বান্ধি ৰাইজে গাভৰু নৈ ভেটিছিল সেই মথাউৰিও আছিল ৰতিৰেই মাটিত। প্ৰতি বছৰে বাৰিষা গাভৰু নৈৰ পানী সোমাই দুপাৰৰ পথাৰত আৰু এৰানৈত এৰি থৈ যায় প্ৰচুৰ পৰিমাণে মাছ। সাৰুৱা মথাউৰিত ৰতিয়ে ঘৰত কামকৰা জনক নামৰ গৰখীয়া ল'ৰাটো আৰু বৰপুত্ৰ ধীমানক লগত লৈ মূলা, বিলাহী, কবি ইত্যাদিৰ খেতি কৰে আৰু ভালেখিনি ধন উপাৰ্জন কৰে। গোটেই অঞ্চলত সুদক্ষ খেতিয়ক হিচাপে ৰতিকান্তক সকলোৱে চিনি পাবলৈ ধৰিলে। দুবছৰ মানৰ ভিতৰতে ৰতিকান্তই ভনীয়েক তিলেশ্বৰীক পতিয়াপুখুৰীৰ বুধিৰামলৈ ধুমধামেৰে বিয়া দিলে। পিছৰ বছৰতে তিলেশ্বৰীয়ে জন্ম দিলে এটি সুন্দৰ পুত্ৰ সন্তানৰ। নাম ৰাখিলে বিজয়। এতিয়া সকলো দিশেৰে ৰতিকান্তৰ জয়জয় ময়ময়। অঞ্চলৰ বিয়া-বাৰু, ৰাস-ভাওনা, সবাহে ৰতিকান্তৰ উপস্থিতি নিয়ম মাফিক ৰাইজ মখাই বিচৰা হ'ল। কিন্তু বিধিৰ বিপাকত ৰতিকান্তৰ সোণালী সপোন ভাগিবলৈ বেছিপৰ নালাগিল। -

— আগলৈ

■ হেমন্ত ডেকা

# সাহিত্য মানৱ জীৱনৰ অৱদান

কলা, কলাৰ বাবে 'Art for art shake' নে? কলা জীৱনৰ বাবে 'Art for art shake'? এই তাৎপৰ্যপূৰ্ণ কথাটোক লৈ বহু দাৰ্শনিক পণ্ডিত্ব, চিন্তাবিদসকলৰ মাজত বিতৰ্ক সৃষ্টি হৈছে। অৱশেষত তথ্যভিত্তিক এটা সিদ্ধান্তত উপনীত হৈছে যে, কলা মানুহৰ জীৱনৰ ওপৰত নিৰ্ভৰশীল। জীৱনৰ কাৰণেই কলা, মানুহৰ কাৰণেই কলা। বস্তু জগতৰ লগত সাহিত্য কলাৰ জগতখনৰ যে সম্পৰ্ক আছে, কোনেও নুই কৰিব নোৱাৰে। কিয়দংশ সত্য যে বস্তু জগত আৰু সাহিত্য কলাৰ জগত দুয়ো স্ব-নিৰ্ভৰশীল নহয়। সেই বুলি দুয়োখন জগতৰ মাজত এক স্থূল সৰল সম্পৰ্ক স্থাপন কৰিব খোজাতো, পৰিপক্ক চিন্তাৰ পৰিচয় নহয়। এক গভীৰ আৰু বহল অৰ্থতহে পৰিমাণগত, বহিঃজগতখনৰ ওপৰত তাৰ প্ৰভাৱ পেলায়। দুয়োখন জগতৰ মাজত সম্পৰ্ক আওপকীয়া। ইমান আওপকীয়া যে বাহ্য দৃষ্টিত দুয়োখন জগত সম্পৰ্ক ৰহিত যেনেই কেতিয়াবা আমাৰ অনুভৱ হয়। সাহিত্য বাস্তৱ বিম্বত হ'লেও ই বাস্তৱৰ সফল প্ৰতিফলন নহয়। ইয়াৰ এক নিজা গভীৰতা, নিজা শক্তি আৰু স্বকীয় চৰিত্ৰও আছে। অৰ্থনৈতিক গাঁথনিৰ ভিত্তিত প্ৰতিষ্ঠিত এক যান্ত্ৰিক স্থূল উপৰিসৌধ হিচাপে সাহিত্য কলাক গণ্য কৰা অনুচিত।

সাহিত্য বাস্তৱৰ এক নান্দনিক ৰূপায়ণ। বাস্তৱক ই সৰলভাৱে প্ৰতিফলন নকৰে। সাহিত্যত বাস্তৱ বিম্বিত হয় কলাগতভাৱে। এক দ্বন্দ্বিক নিয়মত। বহিঃবাস্তৱে লেখকৰ মনত যিবোৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰে সেইবোৰ নিৰ্জীৱ-নিষ্পদ নহয়। সেইবোৰ প্ৰাণময়, দ্বান্দ্বিক আৰু সৃষ্টিশীল। লেখকে তেওঁৰ মনোজগতত বাহিৰ জগতখনৰ এখন নিষ্প্ৰাণ প্ৰতিচ্ছবি নোটোলে, বাহিৰৰ জগতখন তেওঁ নকৈ সৃষ্টি কৰে। বাহিৰৰ জগতখনৰ পৰা আঁতৰি লেখকে যেতিয়া তেওঁৰ study roomত নিৰিবিলিভাৱে লিখিবলৈ বহে, তেতিয়া বাহিৰৰ সেই কোৰ্হালময় জগতখনে এক নতুন আলোকেৰে লেখকৰ মনত ধৰা দিয়ে আৰু তাৰ পূৰ্ণ প্ৰকাশেই হ'ল আৰ্ট। প্ৰকাশৰ এই ক্ষমতা সকলোৰে নাথাকে। সৰ্বসাধাৰণে যি অনুভৱ কৰে কিন্তু প্ৰকাশ কৰিব নোৱাৰে। সাহিত্য কলাকাৰে তাক সম্ভৱ কৰি তোলে। গ্যেটেই কৈছে — when man falls silent in his toements, I was by God to say what I syffer চেতন আৰু অৱচেতন মনৰ মাজত অৰ্থাৎ হৃদয় ৰাজ্যত ঘূৰ্ণি বতাহৰ দৰে প্ৰৱাহিত হোৱা সুখ-দুখ, হাঁহি-কান্দোলন, বিৰহ-বেদনা, প্ৰাপ্তি আৰু অপ্ৰাপ্তিৰ বিমূৰ্ত ধাৰণা, আকৰ্ষণ-বিকৰ্ষণ, আত্মা-আত্মাহীনতা, প্ৰেম-অপ্ৰেম বিচিত্ৰভাৱে অনুভূতিবোৰক লেখকে তেওঁৰ সৃষ্টিৰ যাদুকাঠিৰে সুৰ দিয়ে। যাৰ লিখনিত যিমানেই হৃদয়গ্ৰাহীভাৱে ঝংকৃত হয়, তেওঁ সিমানেই মহৎ সাহিত্যিক।

সাহিত্যৰ এই হৃদয়গ্ৰাহী গুণটো নিৰ্ভৰ কৰে প্ৰকাশ ভংগীৰ ওপৰত। বিশ্ব-বিশ্ৰুত সাহিত্যিকসকলৰ অমৰ সৃষ্টি তথা কালজয়ী সাহিত্য ৰাজিত হৃদয়গ্ৰাহী গুণটোৰ প্ৰভাৱত যুগে যুগে চিৰ সেউজ হৈ আছে।

কবি দেৱকান্ত বৰুৱাই কোৱাৰ দৰে—

'মাজ ৰাতি সাৰ পাই শুনিছানে কেতিয়াবা
কেতেকীৰ হিয়া ভঙা মাত।
ভাবিছানে এটিবাৰ পখী ডিঙিত কান্দে
মানুহৰ বুকুৰ সংবাদ।।'

মানুহৰ বুকুৰ সংবাদ দিব পাৰে সাহিত্য আৰু কলাই। কলাকাৰ কোন? এই জটিল প্ৰশ্নৰ এটাই উত্তৰ— মানুহ। মানুহবোৰ একোটাহঁত কলাকাৰ অৰ্থাৎ শিল্পী। কলাবিহীন লোক-সাহিত্য সংগীত, কলাবিহীন সাক্ষাৎ পশুনাম বুলি ভৰ্তি হৰিয়ে কৈছে। কলা হ'ল ৰূপ দান কাৰ্য। সাহিত্যৰ বাবে সাহিত্য সৃষ্টি কৰা বিশুদ্ধ সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱা সৎ সাহিত্যিক, স্বকীয় নিয়মেৰে প্ৰোজ্জ্বল। বাস্তৱ নান্দনিক ৰূপায়ণ এটা সহজ-সৰল প্ৰক্ৰিয়া নহয়। এই প্ৰক্ৰিয়া অত্যান্তিক জটিল আৰু সৃষ্টিশীল। প্ৰতিজন সাহিত্যিক বাস্তলৰ পৰা বহুলাংশে বাস্তৱ জগতৰ মানুহৰ পৰা উপাদান সংগ্ৰহ কৰি তাত নিজা কলাসুলভ প্ৰতিভাৰ মিলন ঘটাই একোখন নিজা জগত সৃষ্টি কৰি লয়, যাৰ ৰূপ-ৰস-গন্ধৰ অপূৰ্বতাত সাধাৰণ পাঠকে আত্মসমৰ্পণ কৰিবলৈ বাধ্য হয়। লেখকৰ সৃষ্টিৰ পৰা উদ্ভিদ গজাৰ দৰে স্বাভাৱিক নিয়মত তাৰ স্ফুৰণ ঘটে সাহিত্যৰ। মহৎ লেখকৰ বিশ্বজনীন সৃষ্টিত ব্যক্তিবিশেষ বা গোট বিশেষৰ বৰ্ণনা হ'ব নোৱাৰে। সি সমগ্ৰ একোটাহঁত অংশ, সমাজত সজ্ঞানে বা অজ্ঞানে ক্ৰিয়া কৰি থকা পৰস্পৰবিৰোধী অজস্ৰ ঐতিহাসিক শক্তিসমূহৰ প্ৰতিনিধি। মহৎ সাহিত্যিকে তেওঁৰ সৃষ্টিৰ জৰিয়তে তেওঁৰ নিজৰ নহয়, ব্যক্তি মানৱৰ নহয়, বিশ্বমানৱৰ ভাব অনুভৱ প্ৰকাশ কৰে। লেখকে নিজৰ ভাবনাৰে সমগ্ৰ মানৱৰ ভাব অনুধাৱন কৰাইছে, নিজৰ লেখাৰে সমগ্ৰ মানৱৰ বেদনা য'ত প্ৰকাশ কৰাইছে তাতে তেওঁৰ লেখাই স্থান পাইছে।

মানুহ কেৱল এক নিৰলম্ব জীৱন-যাপন নকৰে। নিজৰ জ্ঞাত বা অজ্ঞাতসাৰে এটা যুগৰ সমাজ জীৱনো যাপন কৰে। কিছুমান মানুহৰ ব্যক্তিগত কাহিনীক উপলক্ষ্য হিচাপে লৈ মহৎ সাহিত্যিক এটা যুগৰ সামগ্ৰিক জীৱনৰ ছবি মৰ্মস্পৰ্শীভাৱে ফুটাই তোলে। কেতবোৰ ব্যক্তিৰ একোটাহত বিশেষ কাহিনীৰ মাজেদি তেওঁ প্ৰকাশ কৰে এটা যুগৰ সমগ্ৰ মানুহৰ ভাব অনুভূতি। এই ক্ষমতা থকা সাহিত্যিকৰ সৃষ্টি নিৰ্মোহ আৰু বিজ্ঞানসন্মত। বাস্তৱ জগতত বসবাস কৰা জনতাৰ পৰা সাহিত্যৰ উপাদানসমূহ গৃহীত হ'লেও বাস্তৱক ঋজুভাৱে প্ৰতিফলন নকৰে। প্ৰতিফলনেৰে বাস্তৱক তেওঁ নকৈ সৃষ্টি কৰে।

সাহিত্য কৰা বাস্তৱৰ এক সৰল আলোকচিত্ৰ মাথোঁ হোৱা হ'লে সাহিত্য ৰচনা অতি সহজ কাম হ'লহেঁতেনে। সহজ-সৰল প্ৰক্ৰিয়া নহয়। এই প্ৰক্ৰিয়া অত্যন্ত জটিল আৰু সৃষ্টিশীল।

কলা-সাহিত্য এক বাস্তৱ শক্তিত পৰিণত হয় যেতিয়া ই জনতাৰ হৃদয় স্পৰ্শ কৰিব পাৰে। সাহিত্য জগতখন পৰিমাণগত নহয়, ই গুণগত। যিহেতু বাস্তৱ অব্যয় আৰু অনন্ত। গান গাই সাহিত্যই মানুহৰ গান, গানৰ শেষত ন শুনোতা আৰু গাওঁতা সমান্তৰাল গতিত ধাৱমান হয় কল্পনা ৰাজ্যলৈ। চিৰ সেউজ বাস্তৱ জগতখনৰ শুদ্ধ সভ্যতাই সাহিত্য, য'ত বিমল আনন্দ উপলব্ধ হয়।

*ফোন ঃ ৬৯০০৮-৮৫৬২২*

# গ্ৰন্থ-সংবাদ

■ থানেশ্বৰ মালাকাৰ



বৰেণ্য সাহিত্যিক হোমেন বৰগোহাঞিয়ে গ্ৰন্থ সম্পৰ্কত কৈছে— 'আনন্দৰ উৎস অন্তহীন আৰু বিচিত্ৰ। কিতাপ সেই অসংখ্য বিচিত্ৰ উৎসৰ এটা। কিতাপক বাদ দি আমি কেতিয়াও চলিব নোৱাৰো। কিতাপৰ পৰা পোৱা এই বিমল আনন্দ পাঠকৰ মাজতো ভগাই দিয়াৰ মানসেৰে কেইখনমান সদ্য প্ৰকাশিত গ্ৰন্থৰ বতৰা দিব বিচাৰিছো। পাঠক আৰু লেখকে পোনপটীয়াকৈ মত বিনিময় কৰিব পৰাকৈ লেখকৰ দূৰভাষো ইয়াত উল্লেখ কৰিছো। **দেশ-বিদেশৰ কবিতা ঃ** ডাঃ প্ৰয়াগ শইকীয়াৰ নামেই পৰিচয়। সামগ্ৰিক কালৰ আধুনিক জ্যেষ্ঠ কবিসকলৰ ভিতৰত ডাঃ প্ৰয়াগ শইকীয়াৰ নাম উল্লেখযোগ্য। উচ্চস্তৰৰ চিন্তা-চেতনা আৰু ভিন্ন দৰ্শনেৰে অতি মননশীল কবিতা লিখি প্ৰয়াগ শইকীয়াই কবিতাৰ পথাৰখন জীপাল কৰি ৰাখিছে। শেহতীয়াভাৱে প্ৰকাশ পাইছে তেখেতৰ গ্ৰন্থ 'দেশ-বিদেশৰ কবিতা।' প্ৰায় দুশ পৃষ্ঠাৰ এই গ্ৰন্থখনত পৃথিৱীৰ ভিন্ন ভাষাৰ প্ৰখ্যাত কবিসকলৰ কবিতাৰ অসমীয়া অনুবাদ সন্নিৱিষ্ট কৰি এক মহৎ কাৰ্য সাধন কৰিছে। উৎসাহী পাঠকক এই গ্ৰন্থখনৰ মাজেৰে পৃথিৱীৰ কবিতাৰ সোৱাদ লোৱাৰ অপূৰ্ব সুযোগ প্ৰদান কৰিছে। গ্ৰন্থখনত টেড হিউজৰ কবিতা, ভেনঝিন শ্বণ্ডুৰ কবিতা, উজবেক কবিতা, ভাস্কো প'পাৰ কবিতা, এমিলি ডিকিনছনৰ কবিতা, পাব্‌লো নেৰডাৰ কবিতা, বাৰ্টোল্ট ব্ৰেখটৰ কবিতা, অক্টাভিঅ'ৰ পাজৰ কবিতা, পেদ্ৰিক কাৱানাৰ কবিতা, মিগেন এৰনাডেৰ কবিতা আদি বিদেশী কবিতাৰ লগতে দুটা মাৰাঠী কবিতা, প্ৰশান্ত মহাসাগৰীয় দ্বীপৰ অজ্ঞাত কবিৰ কবিতা, বৰডিলানৰ কবিতাকো গ্ৰন্থখনে সামৰি লৈছে। 'দেশ-বিদেশৰ কবিতা' এক সুমিষ্ট ফল, টান বাকলিয়ে আৱৰি থকা মিঠা নাৰিকলৰ সাহ। এমিলি ডিকিনছনৰ কবিতাৰ দুটা পংক্তি এনে ধৰণৰ —

১) আশা পালি থকা এটি জীৱ
যি জিৰায় আতমাৰ ওখত
সুৰ তোলে শব্দৰ নোলোৱাকে আশ্ৰয়
আৰু কেতিয়াও নৰয়।
২) কিতাপৰ দৰে নাই দ্ৰুতগামী
প্ৰহৰী যুদ্ধ জাহাজ
লৈ যাবলৈ আমাক দূৰ মাটিলৈ
নাই কোনো বেগী পখী বুকু ফিন্দাই যাব পৰা
এখিলা কবিতাৰ পাতৰ দৰে।

ড° প্ৰয়াগ শইকীয়ালৈ আশেষ ধন্যবাদ।

(ড° প্ৰয়াগ শইকীয়া - ৯৯৫৪৭১৩৩৮৪)

**জীৱনৰ অনুৰূপ ঃ** লেখক, শিক্ষাবিদ আৰু সাংবাদিক হিচাপে পৰেশ বৈশ্য জনাজাত। দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিচাপে অৱসৰ লোৱা পৰেশ বৈশ্যই ডেৰশখনমান সৰু-বৰ গ্ৰন্থ ৰচনা কৰিছে। 'জীৱন অনুৰূপে' তেখেতৰ শেহতীয়া গ্ৰন্থ। গ্ৰন্থখন আত্মজীৱনীমূলক যদিও গ্ৰন্থখনৰ পাতে পাতে আছে একোটা অনুষ্ঠানৰ জন্ম কাহিনী, এখন গাঁও বা অঞ্চলৰ ইতিহাস-নিজৰ বৈচিত্ৰ্যময় অভিজ্ঞতাৰ বৰ্ণনা। পৰেশ বৈশ্যই গ্ৰন্থখনত নিজৰ কথা ক'বলৈ যাওঁতে অন্য বিষয়বোৰ, শিক্ষকৰ কৰ্তব্য আৰু দায়িত্ব সম্পৰ্কত বা এজন সফল অধ্যক্ষ হ'বলৈ লাগতিয়াল গুণৰাজিৰো বৰ্ণনা কৰিছে। গ্ৰন্থখন এটা অৰ্থত মূল্যৱান বুলি ক'ব লাগিব— প্ৰত্যেক মানুহে যদি এনে ধৰণৰ গ্ৰন্থ একোখন লিখে তেন্তে এনে গ্ৰন্থই একোটা অঞ্চলৰ বা এখন সমাজৰ ইতিহাস ৰচনাৰ বাবে তথ্যৰ যোগান ধৰিব পাৰে। এনে গ্ৰন্থত থকা তথ্যবোৰ মানুহে মৌখিক ৰূপত পাহৰি যাব পাৰে, কিন্তু গ্ৰন্থত থাকিলে সি ৰৈ যাব। গ্ৰন্থখনত পৰিস্ফুট হৈছে কিমান সংঘাত, দৰিদ্ৰতা বাধা নেওচি মানুহ সফলকাম হ'ব পাৰে তাৰ ইংগিত।

(পৰেশ বৈশ্য - ৯৯৫৯২-৬৩৯৭৩)

**সেহি ভকতক নমো ঃ** নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত শংকৰ-মাধৱ গুৰু দুজনাৰ অনুগামী আতাপুৰুষসকলৰ অৱদান অপৰিসীম। আতাপুৰুষসকলেহে প্ৰকৃততে জনসাধাৰণৰ মাজত নাম-ধৰ্ম বিলাই সকলোকে এক কৰি সমন্বয়ৰ বাট মুকলি কৰিছিল আৰু গুৰু দুজনাক ঈশ্বৰৰ ৰূপত মানুহৰ মানসপটত সজাই তুলিছিল। 'সেহি ভকতক নমো' শীৰ্ষক তেখেতৰ শেহতীয়া ২৩৬ পৃষ্ঠাৰ গ্ৰন্থখনত সু-লেখক, শিল্পী, গীতিকাৰ গোলাপ বৰাই ৫৪গৰাকী আতাপুৰুষৰ আৰু প্ৰপন্ন শিষ্যৰ চমু জীৱনী সন্নিৱিষ্ট কৰিছে এই মূল্যৱান গ্ৰন্থখনত। গ্ৰন্থখনত সামৰি লোৱা কেইজনমান প্ৰাতঃস্মৰণীয় আতাপুৰুষ যেনে- গয়াপাণি, ভৱানন্দ সদাগৰ (নাৰায়ণ দাস ঠাকুৰ আতা), ৰামচৰণ ঠাকুৰ, অনন্ত কন্দলী, বৰবিষ্ণু আতা, শ্ৰীৰাম আতা, ৰামৰাম গুৰু, চান্দ সাঁই, বলোৰাম আতৈ, কণ্ঠভূষণ, হৰিদেৱ, মথুৰা দাস আতা, গোপাল আতা ইত্যাদি। থাওকতে আতাপুৰুষসকলৰ বাবে জানিবলৈ অসমীয়া সাহিত্যত এনে ধৰণৰ গ্ৰন্থৰ খুবেই অভাৱ। গোলাপ বৰাই এই অভাৱ পূৰণ কৰিছে এইখন গ্ৰন্থৰ ৰচনাৰ মাজেৰে। উল্লেখ্য যে বিশিষ্ট পণ্ডিত লেখক ড° দয়ানন্দ পাঠকেও "Aposttes of Assam Vaishnavism : The Atta purushas" শীৰ্ষক ইংৰাজী ভাষাত প্ৰকাশিত এইখনো অতি মূল্যৱান এনে ধৰণৰ গ্ৰন্থখন আলপতে লিখি উলিয়াইছে।

(গোলাপ বৰা— ৮১৩৩৮২৬২৯৭)

**পৰীক্ষা আৰু স্বীকাৰোক্তি ঃ** লেখক হিচাপে সীতাৰাম দলে পাঠক সমাজত পৰিচিত। শিল্পী হিচপেও তেখেতৰ নাম আছে। কিন্তু 'পৰীক্ষা আৰু স্বীকাৰোক্তি'ত সীতাৰাম দলে কেন্সাৰ ৰোগক জয় কৰা এজন বীৰ হিচাপে থিয় দিছে। প্ৰতিগৰাকী কেন্সাৰ ৰোগীক এই গ্ৰন্থখনে সাহস আৰু প্ৰেৰণা দিব। লগতে কেন্সাৰ সম্পৰ্কে কোনোবাই জানিব বিচাৰিলে এই গ্ৰন্থখন পঢ়া উচিত। কোনো চিন-মোকাম নোহোৱাকৈও এজন সুস্থ-সবল হাঁহিমুখীয়া মানুহ কেন্সাৰৰ দ্বাৰা আক্ৰান্ত হ'ব পাৰে তাৰে বৰ্ণনা আছে এই গ্ৰন্থখনত। যদিও গ্ৰন্থখন সীতাৰাম দলেৰ 'আত্মজীৱনীমূলক স্মৃতিচাৰণ', গ্ৰন্থখনে কিন্তু সাৰ্বজনীনতা লাভ কৰিছে ৰোগ সম্পৰ্কীয় এই অধ্যায়টোৰ বাবে। জীৱনৰ দুখ-দুৰ্দশা, খলা-বমা, ঘাত-প্ৰতিঘাতৰ বৰ্ণনাৰ লগতে সীতাৰাম দলেৰ উপকাৰী লোকৰ প্ৰতি থকা শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰো উল্লেখে আমাকো এটা বাৰ্তা দিছে— উপকাৰৰ বাবে কৃতজ্ঞতা প্ৰকাশৰ। ১৭২ পৃষ্ঠাৰ গ্ৰন্থখনৰ মূল্য এশ টকা। প্ৰকাশক ইউনিয়ন বুক পাব্লিকেচন-গুৱাহাটী।

(প্ৰকাশক - ৯৮৬৪৭৫৫৮৬১)

Chronicles of A Civil Servant : ইংৰাজী ভাষাত শ্ৰীমধুসূদন নাথে অসম অসামৰিক সেৱাৰ বিষয়া হিচাপে তেখেতে লিখা এইখন নিজ অভিজ্ঞতা আৰু উপলব্ধিৰ গ্ৰন্থ। ২৪৮ পৃষ্ঠাৰ এই গ্ৰন্থখনত নাথে চাকৰিত যোগদান কৰাৰ পৰা আজিলৈ হোৱা নানা অভিজ্ঞতাৰ কথা ক'বলৈ যাওঁতে তেখেতে কাৰ্যনিৰ্বাহ কৰা সেই জিলা বা মহকুমাৰ ইতিহাস, ভূগোল, সংস্কৃতি, লোক-সংস্কৃতিৰ সজীৱ বৰ্ণনা দিছে। চাকৰি কালত হোৱা বিলৈ-বিপত্তি আৰু বিৰল অভিজ্ঞতাৰ বৰ্ণনাও আছে গ্ৰন্থখনত। লিখাৰ মাজে মাজে তেখেতে মৌ-ৰস সানি দিছে- যাতে পাঠকে আমনি নাপায়। প্ৰশাসনীয় বিষয়াৰ বাবে এই গ্ৰন্থখন অতি দৰকাৰী বুলিও ক'ব পাৰি। ইয়াত ইংগিত আছে কি ধৰণে হঠাতে আহি পৰা একোটা সমস্যা প্ৰত্যুৎপন্নমতিতাৰে সমাধান কৰিব পৰা হয়। গ্ৰন্থখনত চাকৰি জীৱনৰ গোটেই সময়ছোৱা (এতিয়াও তেখেতে কৰ্মৰত জ্যেষ্ঠ বিষয়া) সামৰি লওঁতে তেখেতে বহুতো বিষয়া-কৰ্মচাৰীৰ নাম উল্লেখ কৰি তেওঁলোককো জীয়াই ৰাখিলে এই গ্ৰন্থখনৰ মাজেৰে। চাকৰি জীৱনৰ বাকীছোৱা সময়ৰ বৰ্ণনাৰে অন এখন গ্ৰন্থ আমাক মধুসূদনে উপহাৰ দিব বুলি আশা ৰাখিছো। (মধুসূদন নাথ - ৯৪৩৫০-২৪০১০) (৯৪৩৫০-৫৪৩৮৪)

# মৈদামক লৈ বিভ্ৰান্তিকৰ ভাষ্য প্ৰদান কৰা ড° জাকিৰুল আলমক প্ৰত্যাহ্বান দহটা জাতীয় সংগঠনৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিবেদক, চৰাইদেউ, ১৯ নৱেম্বৰ ঃ** আহোম ৰাজত্ব কালৰ গৌৰৱোজ্জ্বল অন্যতম প্ৰতীক হৈছে ঐতিহাসিক চৰাইদেউ মৈদাম। অসম আৰু অসমীয়াৰ গৌৰৱ তথা অসমৰ অন্যতম পিৰামিডস্বৰূপ চৰাইদেউ মৈদামক লৈ কিছু দিনৰ পৰা এক প্ৰভাৱশালী চক্ৰই কৰ্তৃত্বৰ দাবী কৰি মনেসজা আৰু বিভ্ৰান্তিকৰ তথ্যৰে সংবাদ পৰিৱেশন কৰি ঐতিহাসিক ক্ষেত্ৰখনক বাৰে বাৰে বিতৰ্কৰ আৱৰ্তলৈ টানি অনা কাৰ্যৰ বিৰুদ্ধে আজি চৰাইদেউ মৈদাম ক্ষেত্ৰত দহটাকৈ অধিক জাতীয় সংগঠন একত্ৰিত হৈ যৌথভাৱে আয়োজন কৰা এক সংবাদ মেলত সদৌ অসম টাই আহোম ছাত্ৰ সন্থাৰ নেতা দিগন্ত চাংমায়ে চৰাইদেউ মৈদাম জৰীপ সমিতিৰ সদস্য বুলি দাবী কৰা ড° জাকিৰুল আলমে কিছুদিন পূৰ্বে মৈদামৰ লগত জড়িত একাংশ ব্যক্তিক আক্ৰমণৰ লক্ষ্য কৰি ঐতিহাসিক ক্ষেত্ৰখনক অসমবাসীৰ ওচৰত হেয় প্ৰতিপন্ন কৰাৰ নিমিত্তে চলোৱা ভয়ংকৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে সৰৱ হৈ সংবাদ মাধ্যমৰ ওচৰত কয়— 'ঐতিহাসিক মৈদাম কাৰো পৈতৃক সম্পত্তি নহয়। ই অসমীয়া জাতিৰ এক আৱেগ। অসমীয়াৰ আৱেগক লৈ নিকৃষ্ট ৰাজনীতি কৰিবলৈ চেষ্টা কৰা কাৰ্যক টাই আহোম ছাত্ৰ সন্থাই কেতিয়াও সহ্য নকৰে। ঐতিহাসিক মৈদামক লৈ বিভ্ৰান্তিকৰ ভাষ্য প্ৰদান কৰি সমন্বয়ত ব্যাঘাত জন্মাবলৈ প্ৰয়াস কৰাটো অত্যন্ত ঘৃণনীয় কাৰ্য। নিজক ঐতিহাসিক মৈদাম ক্ষেত্ৰখনৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা বুলি আলমে ২০১৮ চনতহে মৈদামত ভৰি দিছিল। ইয়াৰ পূৰ্বে মৈদামখনক বিশ্ব ঐতিহ্য ক্ষেত্ৰলৈ পৰ্যবসিত কৰাৰ লক্ষ্যৰে গঠন কৰা বুৰঞ্জীপ্ৰসিদ্ধ চৰাইদেউ সংৰক্ষণ আৰু উন্নয়ন মঞ্চই মৈদামৰ উন্নয়নৰ নিমিত্তে কৰি অহা সকলোবোৰ কামক নস্যাৎ কৰি ঐতিহাসিক মৈদামৰ হৰ্তাকৰ্তাৰ ৰূপত প্ৰতিপন্ন কৰিব বিচৰা ড° জাকিৰ আলমৰ কৰ্ম-কাণ্ড আৰু ভাষ্যক কঠোৰ ভাষাৰে সমালোচনা কৰি সংবাদ মেলত বাৰে বাৰে বিতৰ্ক দলৈ টানি অনা শাসকীয় দলৰ বিধায়কগৰাকীৰ নাম স্পষ্ট ৰূপত প্ৰকাশ কৰিবলৈ মৈদামত থিয় হৈ প্ৰত্যাহ্বান জনাই জাতীয় সংগঠনৰ নেতৃবৃন্দই। জাতীয় সংগঠনৰ নেতাসকলে ২০২০ চনৰ ২৩ নৱেম্বৰত কোন বেদখলকাৰী চাৰিজন সদস্যই তেওঁক ভাবুকি দিছিল তেওঁলোকৰ নামো ৰাজহুৱা কৰিবলৈ প্ৰত্যাহ্বান জনায়। ড° আলমক কোনখন বাগিচাৰ মালিকে অনিষ্ট কৰিবলৈ পৰিকল্পনা কৰিছিল তেওঁৰ নাম প্ৰকাশ কৰাৰ নৈতিক সাহস নহ'ব কিয় ড° আলমৰ। অত্যন্ত চতুৰ আৰু স্বভাৱসুলভ আচৰণত মোহিত কৰিব পৰা ড° আলমৰ প্ৰৱোচনামূলক ভাষ্যৰ দ্বাৰা মৈদামৰ পৰিবেশ বিনষ্ট কৰিব বিচৰা কাৰ্যৰ সময় থাকোঁতে বিৰত নাথাকিলে আহোম গণ মঞ্চক ধৰি সকলোৱে আলমৰ বিৰুদ্ধে আৱশ্যকীয় গোচৰ দিবলৈ বাধ্য হ'ব বুলি সংবাদ মেলত স্পষ্ট কৰি দিয়ে। ঐতিহাসিক চৰাইদেউ মৈদামৰ ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত কৰ্তৃত্বৰ দাবী কৰি মৈদামক অনাহক বিতৰ্কলৈ আনি বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি দুৱাৰদলিত উপনীত হোৱা ঐতিহাসিক মৈদামক লৈ কৰা নিকৃষ্ট ৰাজনীতিয়ে স্বীকৃতি ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাব। যদি সেয়া হ'বলগীয়া হয় তেন্তে ড° জাকিৰ আলমেই হ'ব জগৰীয়া। ঐতিহাসিক চৰাইদেউক চাৰণক্ষেত্ৰ লৈ ড° জাকিৰ আলমে নিজৰ গুৰুত্ব বঢ়াবলৈ যে নিচাষ্কৃত মনোবৃত্তিৰে পৰিৱেশ বিনষ্ট কৰিবলৈ অহৰহ চেষ্টা নকৰি বৃহত্তৰ স্বাৰ্থত বিষয়টোক নিষ্পত্তিৰ ক্ষেত্ৰত আগবাঢ়ি নহাৰ বুলি সংবাদমেলত বহুকেইগৰাকী জাতীয় সংগঠনৰ নেতাই তীক্ষ্ণ বাক্যৰে সমালোচনা কৰে। নিজৰ জেপৰ ধন ব্যয় কৰি ২৬ বিঘাতকৈ অধিক ভূমি ক্ৰয় কৰি ঐতিহাসিক চৰাইদেউ মৈদামৰ সংৰক্ষণ আৰু সৌন্দৰ্য বৰ্দ্ধনৰ স্বাৰ্থত দান দিয়া ব্যক্তিসকলৰ অৱদানক গুৰুত্ব নিদিয়া ব্যক্তিয়ে দূৰৈৰ পৰা মৈদামৰ সংৰক্ষণ কৰ্তৃত্ব বিচৰাটো কেনেকুৱা কথা। ভাটো আচৰণ কৰি প্ৰতিষ্ঠা হোৱাতকৈ কুলিৰ চৰিত্ৰৰে নিজৰ কৰ্মৰ স্বীকৃতি বিচাৰিবলৈ সকলোৱে আহ্বান জনায়। উল্লেখ্য যে ঐতিহাসিক চৰাইদেউ মৈদাম ইতিমধ্যে ভাৰতৰ ঐতিহ্য ক্ষেত্ৰৰ তালিকাত স্থান লাভ কৰাৰ দিশে ধাৱমান হোৱাৰ সন্ধিক্ষণত মৈদামক ইচ্ছা কৰি প্ৰতিশোধ পূৰণৰ দৰে নিকৃষ্ট ৰাজনীতি কৰি ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতিৰ পৰা বঞ্চিত কৰাৰ অন্য এক অভিপ্ৰায়। এনে নিকৃষ্ট অভিপ্ৰায়ৰ পৰা চক্ৰটোক দূৰত থাকিবলৈ সকীয়াই দিয়ে সংবাদ মেলত। সংবাদ মেলত অংশগ্ৰহণ কৰে সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, সদৌ টাই আহোম ছাত্ৰ সন্থা, আহোম যুৱ পৰিষদ, অসম চাহ জনজাতি ছাত্ৰ সন্থা, আহোম সেনা, আহোম গণ মঞ্চ, বীৰ লাচিত সেনা, কৃষক শ্ৰমিক সুৰক্ষা সমিতি, বুৰঞ্জীপ্ৰসিদ্ধ চৰাইদেউ সংৰক্ষণ আৰু উন্নয়ন মঞ্চ, স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ সমিতিকে ধৰি বহুকেইটা সংগঠনৰ যৌথ উদ্যোগত অনুষ্ঠিত সংবাদ মেলত সকলোৱে ঐতিহাসিক মৈদামক বে-দখলমুক্ত কৰাৰ সংকল্প গ্ৰহণ কৰে আৰু অসম আৰু অসমীয়াৰ আৱেগক লৈ ল'ৰা-ধেমালি কৰা ব্যক্তিক যথাসময় যোগ্য প্ৰত্যুত্তৰ দিবলৈ সাজু বুলিও স্পষ্ট কৰে।



# মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত সাত দিনীয়াকৈ লাচিত বৰফুকনৰ জয়ন্তী আৰম্ভ

## উপায়ুক্ত দেৱাশিস শৰ্মাৰ বাইক ৰেলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ১৯ নৱেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালকৈ মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত কালিৰে পৰা সাত দিনীয়াকৈ উদ্‌যাপন কৰা হৈছে লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম জয়ন্তী মহোৎসৱ। ইয়াৰ অংশ হিচাপে বাৰ বজাত মৰিগাঁও মহাবিদ্যালয়ৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হয় শ্বুটিং প্ৰশিক্ষণ। এই শ্বুটিঙৰ শ্বুট কৰি শুভাৰম্ভ কৰে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই । ইয়াৰ বিপৰীতে এঘাৰ বজাত মৰিগাঁও তৰুণৰাম ফুকন খেলপথাৰত মৰিগাঁও জিলা আৰক্ষীৰ উদ্যোগত অনুষ্ঠিত আৰক্ষীৰ অভিবাদন কাৰ্যসূচীত অংশগ্ৰহণ কৰে আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই । এই অনুষ্ঠানত আগবঢ়োৱা ভাষণত সঞ্চালকপ্ৰধানগৰাকীয়ে মন্তব্য কৰি কয় যে লাচিত দিৱসৰ এই কাৰ্যসূচীৰ দেশৰ বিভিন্ন প্ৰান্তত লাচিত বৰফুকনৰ দেশপ্ৰেম আৰু ত্যাগৰ বিষয়ে নাগৰিকসকল অৱগত হ'ব। আনহাতে, পুৱাৰ ভাগত মৰিগাঁও জিলাৰ উপায়ুক্ত দেৱাশিস শৰ্মাই লাচিত দিৱস উপলক্ষে মৰিগাঁও জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখৰ পৰা পবিতৰালৈ এক বাইক ৰেলী কৰাৰ লগতে মায়ঙৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰি ধঁপাত নিয়ন্ত্ৰণৰ সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়।

# গহপুৰত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা আঁচনিৰ কামত অনিয়মৰ অভিযোগ জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ১৯ নৱেম্বৰ ঃ** প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা আঁচনি জৰিয়তে ৰাজ্য চৰকাৰে গ্ৰামাঞ্চলৰ বাট-পথ উন্নীতকৰণৰ কাম হাতত লৈছে যদিও সেই কামসমূহত এতিয়া একাংশ ঠিকাদাৰে চৰকাৰী কোনো নীতি-নিয়ম নামানি নিজৰ ইচ্ছা অনুসৰি পথ নিৰ্মাণ কৰা দেখা গৈছে। বিশেষকৈ ভাৰত প্ৰধানমন্ত্ৰী সপোন আঁচনি প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা এই আঁচনিখনতো এতিয়া একাংশ ঠিকাদাৰৰ ৰঙা চকু। বিশেষকৈ বিশ্বনাথ জিলাৰ গহপুৰ মহকুমাত এই আঁচনিখন ৰূপায়ণ কৰা এজন ঠিকাদাৰে লুণ্ঠনৰ পৰিকল্পনা কৰি পথ নিৰ্মাণত ব্যাপক দুৰ্নীতিৰ আশ্ৰয় লোৱাৰ অভিযোগ উত্থাপন কৰিছে যুৱ-ছাত্ৰ পৰিষদ, বিশ্বনাথ জিলা সমিতিয়ে। গহপুৰৰ ৫২নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ব্ৰহ্মযান ডেলহাউছী কছাৰী সংযোগী পথটো নিৰ্মাণৰ বাবে ভাৰত চৰকাৰে প্ৰায় ২৪৯.৩৯৯ লাখ টকা আবন্টন দিয়ে। প্ৰায় ৭.২৩ কিঃমিঃ দৈৰ্ঘ্যৰ পথটো নিৰ্মাণৰ কামৰ দায়িত্ব লাভ কৰিছে সঞ্জীৱ হাজৰিকা নামৰ এজন ঠিকাদাৰে। কিন্তু এই আঁচনিখনত দুৰ্নীতিৰ আশ্ৰয় লোৱাৰ অভিযোগ উত্থাপন কৰিছে বিভিন্ন দল-সংগঠনে। প্ৰাপ্ত তথ্য অনুসৰি ভাৰত চৰকাৰৰ গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ৰ পুঁজিৰ দ্বাৰা প্ৰদান কৰা প্ৰায় ২৪৯.৩৯৯ লাখ টকাৰ ব্যয় সাপেক্ষে ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ব্ৰহ্মযান-ডেলহাউছী কছাৰী সংযোগী পথটোৰ নিৰ্মাণৰ কামৰ আৰম্ভ কৰিছিল যোৱা ১০-০৫-২১ চনত। কিন্তু দুৰ্ভাগ্যজনক বিষয়টো হ'ল আজিও পথ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিব পৰা নাই ঠিকাদাৰজনে। যাৰ ফলত যন্ত্ৰণা ভুগিব লগা হৈছে অঞ্চলবাসীয়ে। ইফালে পথ নিৰ্মাণ সম্পূৰ্ণ নৌহওঁতেই পথটো নিৰ্মাণত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ তুলিছে সংগঠনটোৱে। গুৰুত্বপূৰ্ণ কথাটো হ'ল পথটো নিৰ্মাণৰ কাম চলি আছে যদিও এই পথটো নিৰ্মাণতে কেনে লগা দেখা গৈছে। পথটো অধিকাংশ স্থানত অতি নিম্ন মানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ ফলত বহু স্থানত খহি যোৱা পৰিলক্ষিত হৈছে। ইফালে, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ বিশ্বনাথ জিলা সমিতিৰ এটা সজাগী দলে আজি পথটো নিৰ্মাণ কাৰ্যৰ বুজ ল'বলৈ উপস্থিত হৈ হতভম্ব হৈ পৰে। ইতিমধ্যে পথটো বহু স্থানত খহি যোৱা দেখা পায় সংগঠনটোৰ সদস্যসকলে। ফলত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বিশ্বনাথ জিলা সমিতিৰ সাধাৰণ সম্পাদক ধ্ৰুৱ বৰা আৰু উপদেষ্টা তৰুণ বৰুৱাই স্থানীয় ৰাইজৰ সৈতে এক আলোচনাত মিলিত হয়। পথটো অধিকাংশ স্থানত খহি যোৱাত পথটো নিৰ্মাণৰ দায়িত্বত থকা ঠিকাদাৰ সঞ্জীৱ হাজৰিকাৰ বিৰুদ্ধে ক্ষোভিত হৈ পৰে স্থানীয় ৰাইজৰ লগতে সংগঠনটোৰ নেতৃত্ব। ইফালে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সঘনাই দুৰ্নীতিৰ আশ্ৰয় লোৱা ঠিকাদাৰ-অভিযন্তাক সকীয়নি দি অহাৰ পিছতো গহপুৰ লোকনিৰ্মাণ বিভাগৰ দায়িত্বত থকা অভিযন্তা-ঠিকাদাৰে কিদৰে দুৰ্নীতিৰ আশ্ৰয় ল'বলৈ সাহস পালে তাৰ উচিত তদন্ত দাবী কৰে যুৱ- ছাত্ৰ পৰিষদে। আনহাতে, দুৰ্নীতিৰ আশ্ৰয় লোৱা ঠিকাদাৰ হাজৰিকা আৰু গহপুৰৰ লোকনিৰ্মাণ বিভাগৰ অভিযন্তা বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনায়। এতিয়া প্ৰশ্ন হয়— কাৰ আশীৰ্বাদত সঞ্জীৱ হাজৰিকা নামৰ ঠিকাদাৰৰ লগতে অভিযন্তাগৰাকীয়ে দুৰ্নীতিৰ আশ্ৰয় ল'বলৈ সাহস পালে সেইটো লাখটকীয়া প্ৰশ্ন।

# লক্ষীপুৰত নীতিবহিৰ্ভূতভাৱে পলিক্লিনিক চলি থকাৰ অভিযোগ, বন্ধ কৰাৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ১৯ নৱেম্বৰ ঃ** গোৱালপাৰা জিলাৰ লক্ষীপুৰ নগৰৰ নিউ লাইফ পলিক্লিনিক এখন কোনোধৰণৰ অনুজ্ঞা-পত্ৰ অবিহনেই চলাই আছে বুলি অভিযোগ উত্থাপন হৈছে। অভিযোগ মতে নিউ লাইফ ক্লিনিকখনে কিছুদিন পূৰ্বে বিভ্ৰান্তিমূলক ৰিপ'ৰ্ট প্ৰদান কৰাকে ধৰি কেইমাহমান পূৰ্বে দুটা সন্তান প্ৰসৱ কৰা মহিলা এৰাকীৰ গৰ্ভত এটা শিশু থকা বুলি ভুল প্ৰতিবেদনো দিয়া বুলি অভিযোগ উঠিছিল। ইতিমধ্যেই এই নিউ লাইফ পলিক্লিনিকখনৰ নামত এনঅ'চি, পলিউচন, ট্ৰেড লাইচেন্স, ক্লিনিক লাইচেন্স আদি একো নাই বুলি শেহতীয়াকৈ এক গুৰুতৰ অভিযোগ উত্থাপন হৈছে । পিএনডিটি ব্যতিৰেকে কোনোধৰণৰ লাইচেন্স নথকা ক্লিনিকখন কেনেকৈ নগৰখনত চলি আছে তাক লৈ ৰাইজৰ মাজত প্ৰশ্ন উত্থাপন হৈছে। লক্ষীপুৰৰ একাংশ সচেতন ব্যক্তিয়ে এনে অভিযোগ তুলি এই অবৈধ নিউ ক্লিনিকখন শীঘ্ৰেই ছীল কৰাৰ বাবে দাবী জনাইছে। ইপিনে, এই সংক্ৰান্তত বৃহস্পতিবাৰে লক্ষীপুৰ পৌৰ সভাৰ পৌৰপতিক নিউ লাইফ পলিক্লিনিক আৰু ডায়েগ্নষ্টিক চেন্টাৰখন বন্ধ কৰাৰ দাবীসম্বলিত ৰাজহুৱা অভিযোগ-পত্ৰ দাখিল কৰিছে।

# হামৰেণত ১৩ বছৰীয়া কিশোৰৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ', ১৯ নৱেম্বৰ ঃ** হামৰেণত কালি আৰক্ষীয়ে এটি ১৩ বছৰীয়া কিশোৰৰ মৃতদেহ ৰংকাৰ্বি গাঁৱৰ এটি ৰবৰ বাগানত চিপ লৈ থকা অৱস্থাত উদ্ধাৰ কৰে। প্ৰাপ্ত বাতৰি অনুসৰি, হামৰেণৰ ৰংকাৰ্বি গাঁৱৰ ৰাইজে কালি পুৱা আৰক্ষীক এটি কিশোৰৰ মৃতদেহ গছত ওলমি থকা অৱস্থাত প্ৰত্যক্ষ কৰে বুলি জানিবলৈ দিয়ে। তাৰ পিছতেই আৰক্ষীয়ে উক্ত গাঁৱৰে ৰঞ্জিত টেৰণৰ ঘৰত থকা ছাৰকিৰি বে' নামৰ এগৰাকী ১৩ বছৰীয়া কিশোৰৰ মৃতদেহ টেৰণৰ ৰবৰ বাগানৰ পৰা উদ্ধাৰ কৰে। যোৱা ১৫ তাৰিখৰ পৰা অন্তৰ্ধান হৈ আছিল ছাৰকিৰি। পৰিয়ালৰ লোকে বিচাৰ-খোঁচাৰ কৰিছিল যদিও ছাৰকিৰিৰ সন্ধান পোৱা নাছিল। কিন্তু কালি কিশোৰটিৰ মৃতদেহ ৰঞ্জিত টেৰণৰ ৰবৰ বাগানত চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই এক সন্দেহৰ সৃষ্টি কৰিছে স্থানীয় ৰাইজৰ মনত। ইতিমধ্যে আৰক্ষীয়ে মৃতদেহটো ডিফুলৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে উক্ত ঘটনাটি পৰিকল্পিত হত্যা আছিল নেকি বুলি একাংশ স্থানীয় লোকে সন্দেহ প্ৰকাশ কৰিছে।

## পুনৰ বিতৰ্কত সোমাই পৰিল ভ্ৰাম্যমাণ থিয়েটাৰ অনুৰাগ

# থিয়েটাৰৰ প্ৰযোজক সুব্ৰত দাসৰ বিৰুদ্ধে প্ৰৱঞ্চনাৰ অভিযোগ অভিনেতা-অভিনেত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিমাকুছি, ১৯ নৱেম্বৰ ঃ** ভ্ৰাম্যমাণ থিয়েটাৰ অসমৰ সাংস্কৃতিক জগতৰ সম্প্ৰতি বহু চৰ্চিত বিষয়। অসমত প্ৰতি বছৰে নতুন নতুন ভ্ৰাম্যমাণ নাট্যগোষ্ঠী ঠন ধৰি উঠা কাৰ্যই শিল্পী সমাজৰ লগতে নাট্যপ্ৰেমী ৰাইজক আনন্দিত কৰে। পিছে এইবাৰ একাংশ শিল্পীয়ে আনন্দ উপভোগ কৰাৰ বিপৰীতে চকুলো টুকিবলগীয়া হৈছে ৰাজ্যৰ এখন আগশাৰীৰ ভ্ৰাম্যমাণ থিয়েটাৰ অনুৰাগ থিয়েটাৰৰ প্ৰযোজকৰ কু-কৰ্মই। থিয়েটাৰৰ প্ৰযোজকৰ বিৰুদ্ধে এগৰাকী অভিনেত্ৰীক প্ৰৱঞ্চনা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। থিয়েটাৰ গোষ্ঠিটোৰ অন্যতম প্ৰযোজক সুব্ৰত দাসৰ প্ৰৱঞ্চনাত এতিয়া দিশহাৰা হৈ পৰিছে অভিনেত্ৰীগৰাকীৰ লগতে কে'বাগৰকীও শিল্পী কলা-কুশলী। উল্লেখ্য, শেহতীয়াকৈ ভাৰত-ভূটান সীমান্তৱৰ্তী তামুলপুৰ জিলাৰ বাঙালীপাৰাৰ পৰা নতুনকৈ জন্মলাভ কৰা অনুৰাগ নামৰ আগশাৰীৰ থিয়েটাৰখনে আধাতে নাট্যযাত্ৰা সামৰি প্ৰযোজকগৰাকীয়ে পলায়ন কৰাত এতিয়া পানীত হাঁহ-নচৰা অৱস্থাৰ সৃষ্টি হৈছে থিয়েটাৰখনৰ সৈতে জড়িত কলা-কুশলী তথা কৰ্মচাৰীসকলৰ। ব্যয়বহুল কাৰুকাৰ্যৰে ৰাইজৰ মাজলৈ উলিয়াই দিয়াৰ প্ৰতিশ্ৰুতি দিয়া অনুৰাগ থিয়েটাৰত ২০২২-২৩ বৰ্ষত অভিনয়ৰ বাবে চুক্তিবদ্ধ হৈছিল অভিনেত্ৰী গীতাঞ্জলী দেৱী। কিন্তু থিয়েটাৰ গোষ্ঠীয়ে আধাতে ইয়াৰ যাত্ৰা সামৰি পলায়ন কৰাত অন্যান্যসকলৰ লগতে অভিনেত্ৰী গীতাঞ্জলি দেৱীয়েও প্ৰাপ্যৰ পৰা বঞ্চিত হৈ এতিয়া বাঙালীপাৰাতে আবদ্ধ হৈ আছে। থিয়েটাৰখনৰ প্ৰযোজক সুব্ৰত দাসে অভিনেত্ৰীগৰাকীক এটকাও নিদিয়াকৈ পলায়ন কৰাত কিংকৰ্তব্যবিমূঢ় হৈ অভিনেত্ৰীগৰাকী টকাৰ অভাৱত ক'লৈকো যাব নোৱাৰি বাঙালীপাৰাতে আবদ্ধ হৈ থাকিবলগীয়া হোৱাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰি প্ৰযোজকৰ বিৰুদ্ধে প্ৰৱঞ্চনাৰ অভিযোগ তুলি আৰক্ষীৰ কাষ চাপিছে। জানিব পৰা মতে সকলোৰে অজ্ঞাতে প্ৰযোজক সুব্ৰত দাসে বহুকেইখন সমিতিৰ পৰা আগধন আৰু চলি থকা বহুকেইটা দৰ্শনীৰ টকা আত্মসাৎ কৰি ইতিমধ্যে থিয়েটাৰখন বিক্ৰী কৰি পলায়ন কৰে। ফলত বহুকেইগৰাকী অভিনেতা, অভিনেত্ৰীৰ এটা বহুমূলীয়া বৰ্ষ অথলে যোৱাত তেওঁলোকে আৰ্থিক অনাটনত মূৰে-কপালে হাত দিবলগীয়া হৈছে। থিয়েটাৰ খুলি উজ্জ্বল ভৱিষ্যতৰ সপোন দেখুৱাই শতাধিক পৰিয়ালৰ পেটত গোৰ মৰা সুব্ৰত দাসৰ বিৰুদ্ধে অভিনেত্ৰী গীতাঞ্জলী দেৱীয়ে তৰা গোচৰে কি মোৰ লয় সেয়া সময়ত লক্ষণীয় হ'ব। ইফালে অভিনেত্ৰীগৰাকী ঘৰলৈ যাবলৈও ধনৰ অভাৱ। কোনোমতে বাঙালীপাৰাৰ এটি পৰিয়ালৰ আশ্ৰয়ত দিন অতিবাহিত কৰি সুব্ৰত দাসলৈ অপেক্ষা কৰিছে। কিন্তু দিনৰ পিছত দিন বাগৰিল যদিও সুব্ৰত নাহিল এইসকল কলা-কুশলীৰ যন্ত্ৰণাৰ বুজ ল'বলৈ। অৱশেষত শুৱাগপুৰ আৰক্ষীৰ শৰণাপন্ন হৈছে অভিনেতা-অভিনেত্ৰীসকল।

# হাগ্ৰামাৰ এনডিএ যাত্ৰা

## এই সম্পৰ্কত প্ৰমোদ বড়োৱে কি ক'লে?

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৯ নৱেম্বৰ ঃ** অতিসম্প্ৰতি হাগ্ৰামা মহিলাৰী বনাম প্ৰমোদ বড়োৰ মাজত বিটিআৰৰ ভৱিষ্যতৰ ৰাজনীতিক লৈ সংবাদ মাধ্যমত ব্যাপক চৰ্চা চলি থকাৰ সময়তে কালি তামুলপুৰত জিলা প্ৰশাসনৰ উদ্যোগত আয়োজন কৰা বীৰ লাচিত বৰফুকনৰ ৪০০বছৰীয়া জয়ন্তীৰ শুভাৰম্ভ কাৰ্যসূচীত উপস্থিত হৈ বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কয় যে— হাগ্ৰামা মহিলাৰীয়ে ক'ত থাকি কি কৰে নকৰে তাত আমাৰ ক'বলগীয়া নাই। আমি কেৱল উন্নয়নৰ চিন্তা কৰোঁ। বডোলেণ্ডখনৰ সৰ্বস্তৰৰ উন্নয়ন কৰি বিটিআৰক আগুৱাই নিব বিচাৰোঁ। সাম্প্ৰতিক সময়ত অসম আৰু ভাৰতৰ উন্নয়নৰ যিটো ধাৰা বৈছে, আমি তাৰ অংশীদাৰ হ'ব বিচাৰোঁ। ৰাজনীতিয়ে জীৱনৰ একমাত্ৰ চিন্তা নহয়, যিটো বিষয়ত আমি পুৱাৰে পৰা সন্ধিয়ালে কথা পাতিম। আমি শিক্ষাৰ অধিকাৰ, অধিক নিবনুৱাৰ সংস্থাপনৰ কথা চিন্তা কৰোঁ। হাগ্ৰামা মহিলাৰীয়ে নিজৰ ৰাজনৈতিক অভিলাস পূৰ্ণ কৰিবলৈ ক'ত কি কৰি ফুৰিছে সেই বিষয়ে সংবাদ মাধ্যমৰ আগত বক্তব্য আগবঢ়াবলৈ আমাৰ সময় নাই। হাগ্ৰামা মহিলাৰীয়ে দিল্লীত বাহৰ পাতি আৰএছএছ আৰু এনডিএৰ নেতৃত্বক লগ কৰা সন্দৰ্ভত প্ৰমোদ বড়োৱে কয়—মহিলাৰী এতিয়া এজন এমচিএলএ, যিয়ে বিগত দুবছৰ ধৰি বিটিআৰৰ এছেম্বলিত এদিনো উপস্থিত হ'বলৈ সক্ষম নহ'ল। গতিকে তেওঁ দিল্লী, কলকাতা, চেন্নাই, গোৱাত বাহৰ পাতি থাকে সেয়া তেওঁৰ বিষয়। তেওঁ পুনৰ কয় যে- আমি ৰাইজৰ লগত থাকি ৰাইজৰ কাম কৰি আছোঁ। বিগত সোতৰ বছৰে তেওঁ ৰাইজৰ লগত নাছিল। আমেৰিকা আদি দেশত ঘূৰি ফুৰি প্ৰমোদ ভ্ৰমণত আছিল। শিলিগুড়িত বহি বিটিচিত শাসন চলাইছিল। সেই কথা বিটিচিৰ ৰাইজে কৈছিল। ৰাইজে হাগ্ৰামাৰ পৰা তাতকৈ বেছি আশা কৰিবও নোৱাৰে। হাগ্ৰামাই এনডিএৰ অংশীদাৰ হ'ব বিচৰাটোৱে বিটিআৰ চৰকাৰত কোনো ধৰণৰ প্ৰভাৱ নেপেলাই বুলি তেওঁ কয় । তেওঁ কয়— ইউপিপিএল দলে বিজেপিৰ লগত সমিলমিলেৰে এটা ভাল সম্পৰ্ক ৰক্ষা কৰি উন্নয়নৰ কাম কৰি আছে। এইক্ষেত্ৰত হাগ্ৰামাৰ কিবা স্থান আছে বুলি মই নাভাবোঁ। আমি বিটিচিত পুনৰ হিংসা আৰু অশান্তিকৰ পৰিস্থিতি সৃষ্টি হোৱাটো মুঠেই কামনা নকৰোঁ বুলিও বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে সংবাদ মাধ্যমক অৱগত কৰি নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

# মেলামাটি গাঁও পঞ্চায়তৰ বিশেষ গাঁওসভা সম্পন্ন

## চৰকাৰী ঘৰ এটা পাবলৈ কিমান আহিব লাগিব গাঁও সভালৈ?

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ১৯ নৱেম্বৰ ঃ** তিতাবৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত ৮৪নং মেলামাটি গাঁও পঞ্চায়তৰ কালি বিশেষ গাঁওসভা পঞ্চায়তৰ প্ৰেক্ষাগৃহত ৰাইজৰ পাৰ ভগা উছাহেৰে সম্পন্ন হয়। গাঁও পঞ্চায়তৰ সভানেত্ৰী সংগীতা শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত বিশেষ গাঁওসভাত সভানেত্ৰীয়ে পঞ্চায়ত এলেকাৰ ১৫১জন হিতাধিকাৰীৰ নাম তালিকা সভাত দাঙি ধৰে। শ শ লোকৰ মাজৰ পৰাই চৰকাৰী ঘৰৰ আবণ্টনৰ তালিকাত বহুতো বিসংগতিৰ প্ৰসংগ উপস্থাপন হয়। আত্মসহায়ক গোটৰ তৰফৰ পৰা চৰকাৰী ঘৰ লাভ কৰা হিতাধিকাৰীৰ তালিকাত যোগ্য পৰিয়াল বাদ পৰা আৰু একেটা পৰিয়ালৰ নামকে বাৰে বাৰে হিতাধিকাৰীৰ তালিকাত অন্তৰ্ভুক্ত হোৱাৰ অভিযোগ দাখিল কৰে সমাজকৰ্মী ৰিতুল বৰা, নাজিবুৰ ৰহমান, ৰুণু বৰা প্ৰমুখ্য কৰি কে'বাজনো ব্যক্তিয়ে। অৰুণোদয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক বিমান শইকীয়াই সভাত বক্তব্য প্ৰদান কৰি পঞ্চায়তে কঠোৰ আৰু নিষ্ঠাসহকাৰে আগন্তুক সময়ত জিঅ' টেগ কাৰ্যসূচী পৰিচালনা কৰিবলৈ পঞ্চায়ত সভানেত্ৰীক আহ্বান জনায়। ২০১১ চনৰ গৃহ আবণ্টনৰ হিতাধিকাৰীৰ তালিকাত বিসংগতিৰ অভিযোগ ৰাইজে অৱতাৰণা কৰে, যিখন তালিকাৰ ওপৰত ভিত্তি কৰি চৰকাৰী বিষয়া-কৰ্মচাৰীৰ দ্বাৰা জিঅ' টেগ কাৰ্য সম্পন্ন কৰা হ'ল। এগৰাকী মহিলাই কান্দি কান্দি এটা চৰকাৰী ঘৰ দিবলৈ কাতৰ আহ্বান জনোৱা প্ৰসংগ অতি হৃদয়বিদাৰক আছিল। আন এগৰাকী দুখীয়া-নিচলা পৰিয়ালৰ মহিলাই আৱেগিক কণ্ঠৰে পঞ্চায়তৰ বিশেষ গাঁওসভাত আহি এটা চৰকাৰী ঘৰ পাবলৈ আৰু কিমানখন গাঁওসভালৈ আহিব লাগিব বুলিও প্ৰশ্ন কৰে। সদস্য হেমন্ত গগৈ, পঞ্চায়তৰ এ ই বিজয় বৰা, জিপিচি পুলক বৰুৱা, জি আৰ এছ সুদেষ্ণা বৰুৱা, সচিব ক্ষীৰদা হাজৰিকা, পঞ্চায়ত সদস্য বীণা বৰা প্ৰমুখ্যে সদস্য-সদস্যাসকলেও সভাত অংশগ্ৰহণ কৰে। আগন্তুক দিনত চৰকাৰী ঘৰৰ হিতাধিকাৰী বাছনিত অধিক সজাগ হৈ দুখীয়া মানুহৰ পৰা তালিকাত নাম অন্তৰ্ভুক্ত কৰা হ'ব বুলি পঞ্চায়ত সভানেত্ৰীয়ে ৰাইজৰ সন্মুখত প্ৰতিশ্ৰুতি দিয়ে।

# বকোৰ ১ আৰু ২নং যোগীপাৰা গাঁৱৰ গাঁওবুঢ়াৰ বিৰুদ্ধে কৰা ষড়যন্ত্ৰৰ প্ৰত্যুত্তৰ গাঁওপ্ৰধানৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৯ নৱেম্বৰ ঃ** এগৰাকী গাঁওপ্ৰধানৰ বিৰুদ্ধে কেতবোৰ মিছা অভিযোগ উত্থাপন কৰে অঞ্চলবাসীয়ে। এই অভিযোগ মিছা বুলি খণ্ডন কৰিছে গাঁওপ্ৰধানে। কালি সাংবাদিকৰ আগত নিজৰ স্থিতি প্ৰকাশ কৰি কামৰূপ জিলাৰ বকোৰ ১ আৰু ২নং যোগীপাৰা গাঁৱৰ গাঁওবুঢ়া আৰ্জিনা বেগমে জনায় যে মই ১ আৰু ২নং যোগীপাৰা পথাৰ আৰু শালমাৰা গাঁৱৰ গাঁওপ্ৰধান। যোৱা তিনি দিন ধৰি মোৰ বিৰুদ্ধে মাটি নামজাৰিৰ বাবদ টকা সংগ্ৰহ কৰাৰ মিছা বাতৰি সম্প্ৰচাৰ হৈ আছে। এই কথা সম্পূৰ্ণ মিছা আৰু ভিত্তিহীন। ইয়াৰ লগত মই কোনোপধ্যেই জড়িত নহয়। কিছুমান মোৰ ব্যক্তিগত শত্ৰুৱে মোক মানসিকভাৱে অশান্তি দিয়াৰ বাবে এই মিছা অপবাদ দি আহিছে। মই সেইসকল ব্যক্তিক সকীয়াই দি কওঁ যে যদি ভৱিষ্যতে আৰু মোৰ বিৰুদ্ধে এনেকুৱা মিছা অভিযোগ আনে তেতিয়া মই আইনী ব্যৱস্থা লোৱাৰ বাবে বাধ্য হ'ম। মই মহিলা হোৱা হেতুকে মোক হেয় প্ৰতিপন্ন কৰাৰ বাবে এচাম দুষ্ট চক্ৰই উঠিপৰি লাগিছে। গতিকে পূৰ্বে প্ৰকাশিত হোৱা বাতৰিৰ দৰে মই জড়িত নহয়। এয়া তেওঁলোকৰ ষড়যন্ত্ৰহে মোক হেয় প্ৰতিপন্ন কৰা। ইফালে, উক্ত ঘটনাৰ লগত মই কোনো কাৰণতেই জড়িত নহয়। গতিকে সদাশয় লোকক মোৰ সত্যতা জনালোঁ।

# অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ যোৰহাট জিলা সমিতিৰ বিংশতিতম্ দ্বি-বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৯ নৱেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কাকজান আঞ্চলিক সমিতিৰ আতিথ্যত যোৰহাট জিলা সমিতিৰ বিংশতিতম্ দ্বি-বাৰ্ষিক অধিৱেশনখন কাকজান গাড়োৱাল চুঙি প্ৰাথমিক বিদ্যালয়ত অহা ২৯ আৰু ৩০ নৱেম্বৰত দুদিনীয়াকৈ আয়োজন কৰিছে। ২৯ নৱেম্বৰৰ পুৱা যোৰহাট জিলা সমিতিৰ সভাপতি প্ৰণৱজ্যোতি শইকীয়াই পতাকা উত্তোলনৰ পাছতে শ্বহীদ তৰ্পণ কৰিব জিলা সমিতিৰ সাধাৰণ সম্পাদক বাবু দত্তই। ইয়াৰ পিছত এক সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰিব কাকজান মহাবিদ্যালয়ৰ অধ্যক্ষা ড° ৰূপৰেখা বৰদলৈয়ে। সমান্তৰালভাৱে মুকলি সভাত কে'বাজনো বিশিষ্ট ব্যক্তিয়ে অংশ লোৱাৰ পিছতে সাংস্কৃতিক সন্ধ্যা উদ্বোধন কৰিব যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পলাশ চাংমায়ে। দ্বিতীয় দিনা প্ৰতিনিধি পঞ্জীয়নৰ পাছতে প্ৰতিনিধি বৈঠক অনুষ্ঠিত হ'ব। উক্ত দুয়ো দিনৰ অধিৱেশনখন সৰ্বাংগসুন্দৰ সাফল্যমণ্ডিত কৰি তুলিবলৈ উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

## মৰিগাঁৱত আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত

# মৰিগাঁও মহাবিদ্যালয়ৰ ইনড'ৰ হলত গৰজি উঠিল ডিজিপিৰ হাতৰ বন্দুক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৯ নৱেম্বৰ ঃ** ৪০০ বছৰীয়া বীৰ লাচিতৰ জন্ম জয়ন্তী উপলক্ষে মৰিগাঁও জিলা প্ৰশাসনে অনুষ্ঠিত কৰা সপ্তাহজোৰা কাৰ্যসূচীৰ অংশ হিচাপে প্ৰথম দিনটোতে মৰিগাঁও জিলা আৰক্ষী, ষষ্ঠ দশ আৰক্ষী বাহিনী, এনচিচি আৰু বিভিন্ন স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা মাৰ্চ পাষ্ট পৰিৱেশন অনুষ্ঠানত উপস্থিত থাকি অসম আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই মহাবীৰ লাচিতলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনাই লাচিতৰ আদৰ্শৰে নৱ প্ৰজন্মক আগুৱাই যাবলৈ উদ্‌গনি যোগায়। আনহাতে ডিজিপিগৰাকীয়ে মৰিগাঁও মহাবিদ্যালয়ত অসম ৰাইফলছৰ তত্ত্বাৱধানত দহ মিটাৰ শ্বুটিং ৰেঞ্জৰ প্ৰশিক্ষণ কেন্দ্ৰটিৰ শুভাৰম্ভ কৰি হাতত তুলি ল'লে বন্দুক আৰু উপস্থিত ছাত্ৰ-ছাত্ৰী, প্ৰশিক্ষাৰ্থী, প্ৰশিক্ষক আৰু শিক্ষক তথা কৰ্মচাৰীসকলৰ হাত চাপৰি মাজত ফুটালে এয়াৰ ৰাইফলৰ গুলী।

# ওদালগুৰি ডিমাকুছিৰ জৰাজীৰ্ণ এখন বিদ্যালয়ে পুনৰ উদঙালে শিক্ষা বিভাগৰ ফোঁপোলা স্বৰূপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিমাকুছি, ১৯ নৱেম্বৰ ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ কথা কৈ যিমানেই চিঞৰ-বাখৰ নকৰক কিয় আজিও বহু বিদ্যালয় এশ-এবুৰি সমস্যাৰে জৰ্জৰিত হৈ পাঠদান চলাই থাকিবলগীয়া হৈছে। বিশেষকৈ ওদালগুৰিৰ কোনোবা বিদ্যালয়ত যদি আন্তঃগাঁথনিৰ অভাৱত জৰাজীৰ্ণ গৃহত পাঠদান কৰিবলগীয়া হৈছে, আন ক'ৰবাৰ বিদ্যালয়ত আকৌ বিষয় শিক্ষকৰ অভাৱত বিঘ্নিত হৈছে পাঠদান। বিশুদ্ধ খোৱাপানীৰ অভাৱত বন্ধ ৰাখিবলগীয়া হৈছে মধ্যাহ্ন ভোজন। ছাত্ৰ-ছাত্ৰীয়ে খাবলগীয়া হৈছে কুঁৱাৰ লেতেৰা অপৰিষ্কাৰ পানী। দুই-তিনিজন শিক্ষকে পঢ়ুৱাবলগীয়া হৈছে চাৰি-পাঁচটা শ্ৰেণীৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীক। এইবাৰ এশ-এবুৰি সমস্যাৰে জৰ্জৰিত বিটিচিৰ ওদালগুৰিৰ পানেৰী বিধানসভা সমষ্টিৰ ডিমাকুছিৰ আন এখন বিধ্বস্তপ্ৰায় বিদ্যালয়ে দেখুৱাইছে বাস্তৱ ছবি। বিদ্যালয়খনত ডিজিটেল শ্ৰেণীকোঠাতো বাদেই ছাত্ৰ-ছাত্ৰীয়ে বহি শিক্ষাগ্ৰহণ কৰিবলৈ নাই পৰ্যাপ্ত কোঠা আৰু সা-সুবিধা। ১৯৮৫ চনতে স্থাপিত বিদ্যালয়খনৰ গৃহসমূহ বিধ্বস্ত হৈ পৰাৰ ফলত বাৰিষা বৰষুণ দিলেই ব্যাহত হয় পাঠদান। কিয়নো জহি-খহি যোৱা নিশাৰ আকাশৰ তৰা দেখা পোৱা টিন-পাতসমূহে বাধা দিব নোৱাৰে বৰষুণৰ পানীক। টিনৰ বৃহৎ ফুটা আৰু ফলা-চিৰা অংশৰে পানী সোমাই ৰূমৰ ভিতৰত যাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ বহী-কিতাপ নষ্ট হোৱাৰ বাবে শ্ৰেণীকোঠাত বহি পাঠদান কৰিব নোৱাৰে। তদুপৰি ছাত্ৰ-ছাত্ৰী অনুপাতে নাই শিক্ষক, নাই পৰ্যাপ্ত সা-সুবিধা আৰু শ্ৰেণীকোঠা। দীৰ্ঘদিনে বিভাগীয় কৰ্তৃপক্ষক জনোৱাৰ পিছতো বিদ্যালয়খনত নিযুক্তি দিয়া নহ'ল শিক্ষক। যাৰ ফলত তিনিটা শ্ৰেণীৰ প্ৰায় ১৫০গৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰধান শিক্ষক সহিতে তিনিজন শিক্ষকেই চম্ভালিবলগীয়া হৈছে । বিগত বহু বছৰ ধৰি বিদ্যালয়খনত নাই হিন্দী আৰু বিজ্ঞান শিক্ষক। যাৰ ফলত দুয়োটা বিষয়ত শিক্ষা লাভৰ পৰা বঞ্চিত হৈ আহিছে ছাত্ৰ-ছাত্ৰীসকলে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ শিক্ষা বিভাগৰ এখন প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু শিক্ষকৰ অভাৱত কক্‌বকাই থকা এখন বিধ্বস্ত বিদ্যালয়। ভেৰগাঁও মহকুমাৰ ডিমাকুছিৰ মাজমজিয়াত থকা এইখন ডিমাকুছি বালিকা মধ্য ইংৰাজী বিদ্যালয়। ৰাজ্যৰ শিক্ষা বিভাগত শৈক্ষিক ক্ষেত্ৰত যিমানেই আমূল পৰিৱৰ্তন হোৱা বুলি শ্ল'গান দি অহাৰ পিছতো ক'ত আছে এনেকুৱা এশ-এবুৰি সমস্যাৰে জৰ্জৰিত বিদ্যালয়। কৈ থাকিলেও শেষ নহয় বিদ্যালয়খনৰ সমস্যা আৰু ছাত্ৰ-ছাত্ৰীৰ দুখ-দুৰ্দশা। এইখন হৈছে প্ৰমোদ বড়োৰ বিটিআৰৰ ৩২নং ভেৰগাঁও পৰিষদীয় সমষ্টি তথা পানেৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত খৈৰাবাৰী শিক্ষা খণ্ডৰ ডিমাকুছি বালিকা মধ্য ইংৰাজী বিদ্যালয় । শিক্ষা বিভাগত আমূল পৰিৱৰ্তন হোৱা বুলি দাবী জনায় অহা সত্বেও এখনৰ পিছত এখনকৈ বিদ্যালয়ৰ পয়া লগা অৱস্থা তথা উন্নয়ন পৰিৱৰ্তনৰ ফোঁপোলা স্বৰূপ দেখুৱালে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ নিজৰ সমষ্টিত। ডিমাকুছিৰ মাজমজিয়াত অৱস্থিত খৈৰাবাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত ডিমাকুছি বালিকা মধ্য ইংৰাজী বিদ্যালয়। বিদ্যালয়খনৰ দুৰৱস্থা দেখিলে আপুনিও আচৰিত হৈ পৰিব। বিদ্যালয়খনৰ প্ৰধান শিক্ষক আতাউৰ ৰহমানে জনোৱা মতে শৈক্ষিক পৰিৱেশ চাফ-চিকুণতা, শিক্ষাৰ মান যথেষ্ট ভাল যদিও বিদ্যালয়খনৰ পিছে আন্তঃগাঁথনিৰ অভাৱত বাৰিষা বৰষুণ দিলেই বন্ধ হৈ পৰে পাঠদান। নাই পৰ্যাপ্ত শিক্ষক। খালী হৈ আছে হিন্দী আৰু বিজ্ঞান শিক্ষকৰ পদ। চৰকাৰে পৰিৱৰ্তনৰ শ্ল'গান দি অহাৰ পিছতো তেনে এক পয়া লগা ছবি দেখুৱাইছে ভেৰগাঁৱৰ এইখন বিদ্যালয়ে। স্থানীয় জন-প্ৰতিনিধি তথা বিভাগীয় কৰ্তৃপক্ষক শিক্ষক আৰু বিদ্যালয়ৰ আন্তঃগাঁথনি অভাৱ-অভিযোগৰ ক্ষেত্ৰত বাৰম্বাৰ আবেদন-নিবেদন কৰিও কোনোধৰণৰ সঁহাৰি পোৱা নাই বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা পৰিচালনা সমিতিয়ে। সেয়েহে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কণ কণ ছাত্ৰ-ছাত্ৰীসকলে মামা আমাক শিক্ষক লাগে, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰিব লাগে, বিদ্যালয় গৃহ মেৰামতি কৰি দিব লাগে, বিদ্যালয়ৰ উন্নয়ন লাগে বুলি শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰীলৈ অনুৰোধ কৰিছে।

*No.EE(Agri.)/Koj/BTC/e-Tender/2022-23/4355-60* *Dated:- 18/11/2022*

**TENDER NO. 12 OF 2022-23**


**PRESS NOTICE/IFB**

The Executive Engineer (Agriculture), Kokrajhar Division, BTC, Kokrajhar invites bids for the work **"Renovation of Agriculture Guest House, Kokrajhar in connection with the proposed cabinet meeting to be held in August, 2022 at Kokrajhar"** amounting to **Rs. 46,68,000.00** (Approx) (Rupees forty six lakh sixty eight thousand) only from the registered contractors of Class-I & II category of Agriculture/PWD Deptt. of BTC.

Details may be seen at website http://assamtenders.gov.in and also at the office of the undersigned during office hours.

Sd/-
Executive Engineer (Agriculture),
Kokrajhar Division, BTC, Kokrajhar

*IPR(BTC)-521/2022*




মৃগাক্ষী মহন্ত, ডাউনটাউন বিশ্ববিদ্যালয়

# এজন দুৰ্দান্ত শিশুৰ সাহসী কথা

■ হেমা চহৰীয়া

মৰমৰ মইনাহঁত, কেনে আছা তোমালোক ? নিশ্চয় ভালে আছা নহয় ? তোমালোকে বাৰু আজৰি সময় মানে কি জানা নে? আজৰি সময় মানে হ'ল - নানা কামৰ মাজত যি অলপ সময় পাওঁ সেই সময় খিনিকে আজৰি সময় বোলে। এতিয়া কোৱাচোন আজৰি সময়ত তোমালোকে কি কি কাম কৰা। হয়তো ছবি অঁকা, নাচ-গান কৰা, কিতাপ পঢ়া, ব্যায়াম কৰা, খেলা-ধূলা কৰা মোবাইলত গেম খেলা অথবা কাৰ্টুন চোৱা, ইত্যাদি ইত্যাদি কৰা নহয় জানো? পিছে মোবাইল বেছিকৈ টিপি নাথাকিবা। মোবাইল চালে শৰীৰৰ বৰ ক্ষতি হয়। পাৰিলে আজৰি সময়ত মহৎ লোকৰ জীৱনী পঢ়ি বাচোন দেই। মহৎ লোকৰ জীৱনীয়ে তোমালোকক ভৱিষ্যৎ জীৱন গঢ়াত সহায় কৰিব। এনে এজন মহান লোকৰ কথা কওঁ শুনা- এজন দুৰ্দান্ত সাহসী শিশু আছিল। তেওঁ ঘোঁৰা চেঁকুৰাই বৰ ভাল পাইছিল। পিছে ঘৰৰ মানুহে ঘোঁৰাত উঠিব নিদিয়ে শিশুটিক। এদিন কি হ'ল জানা? কোনেওঁ গম নোপোৱাকৈ ল'ৰাজনে ঘোঁৰাত উঠি চেঁকুৰাবলৈ ধৰিলে। পিছে কিছু দূৰ যোৱাৰ পিছত ল'ৰাটি ঘোঁৰাৰ পিঠিৰ পৰা বাগৰি পৰিল। ইফালে ল'ৰাটি ঘৰত নোহোৱা হোৱাত হাহাকাৰ লাগিল। ঘোঁৰাটো খালী জিনখনেৰে ঘৰলৈ ঘূৰি যোৱাত ঘৰৰ মানুহৰ মাজত হৈ-চৈৰ সৃষ্টি হ'ল। শেষত বিচাৰ-খোচাৰ কৰি ল'ৰাটিক পৰি থকা ঠাইত উদ্ধাৰ কৰি আনিলে ঘৰৰ মানুহে। সৰুতে ঘোঁৰা চেঁকুৰাই ভাল পোৱা এই দুৰ্দান্ত সাহসী কণমানি ল'ৰাজনেই আছিল- উত্তৰ প্ৰদেশৰ এলাহাবাদত সোণৰ চামুচ মুখত লৈ জন্মগ্ৰহণ কৰা, বিশ্বৰ শান্তিৰ প্ৰয়াসী মানৱৰ আশাৰ প্ৰতিমূৰ্তি, ভাৰতৰ জাগ্ৰত জনতাৰ কৰ্মপ্ৰেৰণা চিৰন্তন প্ৰতীক, স্বাধীন ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী জৱাহৰ লাল নেহৰু। যিজনাক আমি অতি মৰম আৰু শ্ৰদ্ধাৰে নেহৰু খুৰা বুলি মাতো। নেহৰু খুৰাৰ ঘৰুৱা শাসন আছিল অতি কঠোৰ। এবাৰ তেওঁ দেউতাক মতিলাল নেহৰুৰ পৰা নোকোৱাকৈ কলম এটা নিছিল। এই কথাটোৰ বাবে তেওঁ দেউতাকৰ পৰা শাস্তি পাবলগীয়াও হৈছিল। জীৱন ঘাত-প্ৰতিঘাতৰ মাজেৰে গঢ়া। এই প্ৰতিঘাতবোৰক প্ৰত্যাহবানৰূপে লৈ আগবাঢ়ি গ'লে জীৱনত সফল হ'ব পাৰি। সফল হ'বলৈ আমাক লাগে মাথোঁ একাগ্ৰতা, মনোবল আৰু সৎ চিন্তা-ভাবনা। ঠিক আছে তেতিয়া হ'লে, তোমালোকে আজৰি সময় পালে মহৎ লোকৰ জীৱনী পঢ়িবাহক দেই। তেতিয়াহে তেওঁলোকৰ দৰে একো একোজন সু-নাগৰিক হিচাপে থিয় হ'ব পাৰিবা।

ফোন ঃ ৮০১১৩-৬৭৬২৯





আমি দুই ভাই একেলগে, কুণাল বৰুৱা, বৰ্ণিল বৰুৱা, হেঙালপাৰা, দৰং

## কণা মুচৰিৰ দুখ...

■ গায়ত্ৰী দেৱী বৰঠাকুৰ



এদিন এটা কণামুচৰিৰ উঠিল বৰ খং। কণা বুলি হাঁহি ৰাইজে পাই কি বাৰু ৰং? কণাই যদি চৰাই মই কথা এটি কোৱা! পানীৰ মাজতে কেনেকৈনো ধৰো তেনে মাছ, ভেকুলী আৰু কেঁকোৰা? নৈ-নিজৰাৰ কাষৰ ওখ গছতেই দেখো সাজো মই বাহ। পোৱালিবোৰো স্মাৰ্ট আমাৰ, পিছে নিদিয়ে কোনেওচোন বাঃ বাঃ। ওখ ঘাঁহ, দলনিৰ মাজতে থাকো সদায় সোমায়। বাম পানীতো খোজকাঢ়ো জানা মই সঘনাই। চকুৰ আগত মাছ-পুঠি দেখিলেই ধৰো দুই ঠোঁটেৰে চেপা মাৰি। বহুতেই কয় বোলে মই হেনো বেশ ধৰা সন্ন্যাসী। কি-কি, কো-কো, কিট্-কিট্কৈ কথা পাতো মই। মানুহলৈ পিছে মই নকৰো অকণোয়েই ভয়। ওচৰ চাপি আহিলেও নাযাওঁ মই উৰি। সৰলতাৰ বাবেই থ'লে চাগে ৰাইজে নাম কণামুচৰি। বৰ দুখ লাগে জানা নিজৰ নামতো কৈ। সকলোৱেই ৰস পায় মোৰ নামটো লৈ। আজিয়েই বহিম মই কৈ থ'লো অনশনত। কণামুচৰি নাম সলাম বুলি লিখিম এপ্লিকেচনত। শুনিব লাগিব ৰাইজে মোৰ কথা তেহে হ'ম মই শান্ত। নহ'লে টা টা, বাই বাই দি এৰি যামগৈ অসম প্ৰান্ত। তেতিয়াহে বুজিব ৰাইজে জানা মোৰ মোল। প্ৰকৃতিৰ সুৰক্ষাৰ বাবে কিমান অপৰিহাৰ্য আমি জীৱকুল?

ফোন ঃ ৮৮২২৯-৪৩৯৬৪



## মৰমৰ অকণিহঁত—

মৰম ল'বা দেই । কি খবৰ তোমালোকৰ ? স্কুল গৈ আছা নিশ্চয় । ৰাসো চালা চাগে । আমাৰ নামনি অসমত মৃন্ময় মূৰ্তিৰে শ্ৰীকৃষ্ণৰ বিভিন্ন ৰূপ বৰ্ণনা কৰি ৰাস উৎসৱ অনুষ্ঠিত কৰা হয় আৰু উজনি অসমত মানুহৰ দ্বাৰা শ্ৰীকৃষ্ণৰ ৰাসলীলা অনুষ্ঠিত কৰা হয় । ৰাসৰ আনন্দ উপভোগ কৰি কেনে পালা জনাবাচোন। বাৰু তোমালোকক আজি আৰু এটা কথা কওঁ দেই । আমাৰ পিতৃ-মাতৃক আমি যিকোনো ত্যাগৰ বিনিময়তে কেতিয়াও দুখ-কষ্ট দিব নালাগে। তেওঁলোকে আমাৰ বাবে বহুত কষ্ট কৰিছে, পঢ়ুৱাইছে, আমাক ভাল খাদ্য, ভাল ভাল কাপোৰ আদি দিছে নিজে নলৈ হ'লেও। আমাক সদায়ে সুখী কৰি ৰাখিবলৈ তেওঁলোকে বাৰু কমখন কষ্ট কৰেনে । সেয়ে আমি পিতৃ-মাতৃৰ ত্যাগৰ মূল্য যিকোনো উপায়ে দিয়া উচিত । মা-দেউতাই আমাক কেতিয়াবা খং কৰিলেও সেয়া আমাৰ ভালৰ বাবেহে কৰে। গতিকে আমি কেতিয়াও তাকে লৈ মা-দেউতাক খং কৰিব বা বেয়া পাব নালাগে। তেওঁলোকে যি কয় সদায়ে তাক মানিবলৈ যত্ন কৰিব লাগে। তোমালোকে বাৰু শ্ৰৱণ কুমাৰৰ নাম শুনিছিনে ? তেওঁ পিতৃ-মাতৃৰ প্ৰতি আছিল অগাধ ভক্তি। তেওঁৰ পিতৃ-মাতৃ দুয়ো আছিল অন্ধ । সেয়ে তেওঁ পিতৃ-মাতৃক তেওঁলোকৰ ইচ্ছা অনুসৰি তীৰ্থ ভ্ৰমণ কৰাবলৈ লৈ গৈছিল। কেনেকৈ নিছিল জানানে ? দুটা পাচিত পিতৃ-মাতৃক ভৰাই ভাৰ বান্ধি লৈ তীৰ্থস্থানসমূহ দেখুৱাই ফুৰিছিল। চোৱাছোন কিমান শ্ৰদ্ধা-ভক্তি কৰিছিল শ্ৰৱণ কুমাৰে তেওঁৰ পিতৃ-মাতৃক। এনে উদাহৰণ বিৰল। সেয়ে কৈছোঁ পিতৃ-মাতৃক তোমালোকে কেতিয়াও অনাদৰ-অৱহেলা-নকৰিবা দেই। তেওঁলোক অশিক্ষিত হ'ব পাৰে কিন্তু তেওঁলোকৰ অভিজ্ঞতা বহুত। বহুত কথা জানে তেওঁলোকে। গতিকে পিতৃ-মাতৃয়ে যি কয়, যি কৰিবলৈ দিয়ে সেয়া খুব আগ্ৰহেৰে কৰিবা। তেতিয়া তেওঁলোকেও সুখ পাব আৰু তোমালোকেও মনত অপাৰ আনন্দ লাভ কৰিব পাৰিবা। আজিলৈ বাৰু এৰিছো দেই । কুশলে থাকা।

তোমালোকৰ—
ভূপেন মামা



## মুকুতা মণি

‘হাঁহিলে তুমি মুকুতা মণি সৰে’ ক'ৰবাৰ পৰা ভাহি আহে সেই সুৰ
পলকতে মন-মগজু থূপ খাই পৰে...
লৰৰি যাওঁ খিৰিকীখনৰ মুখলৈ, ক'ত বাজিছে সেই গান ?
দৌৰা-দৌৰিকৈ ঘৰৰ ৰেডিঅ'টো বজাওঁ...
উহু ৰেডিঅ' নহয়
ক'ৰ পৰা আহিছে গানৰ সুৰটো তাৰ অনুসন্ধানত লাগি যাওঁ
মাতটো যে উস্ কি আছে তাত
বাৰে বাৰে একেটা গানকে বাজে বৈ বৈ মাথোঁ শুনি যাওঁ।
অষ্টম মানৰ পৰীক্ষা সমাগত সেই সময়ত
ককায়ে গল খেকাৰি এটা মাৰি কয়— এইবোৰ গান নাহে পৰীক্ষাত
হয় পৰীক্ষাত নাহে কিন্তু গানটোৰ বিষয়ে নজনাকৈ যে থাকিব পৰা নাই
আবেলি সময়ত পালোগৈ উক্ত গান বজা ঘৰটোলৈ
আচৰিত গৃহস্থ ! কোনোকাল নোযোৱা মানুহ।
উদ্দেশ্য জানি আমাৰ তেওঁৰ সবিশেষ জনালে।
এজন সৰু ল'ৰা নাম জুবিন গাৰ্গ, খুব সুন্দৰ কণ্ঠৰ অধিকাৰী, ঘৰ যোৰহাট।
তাতোকৈ বেছি তথ্য তেওঁৰ কাষতো নাছিল বোধকৰোঁ।।
তেতিয়া জুবিন নিচেই নতুন।।
(জুবিনৰ ৫০সংখ্যক জন্মদিন, অদূৰত বাজি উঠিছে সেই একেই গান ‘হাঁহিলে তুমি মুকুতা মণি সৰে’ মোৰ সেইদিনটো মনলৈ আহিল। প্ৰতিটো গীতেই প্ৰিয় জুবিনৰ কাৰণ তেওঁৰ কণ্ঠই হৃদয় চুই যায়। সু-স্বাস্থ্যৰে শতায়ু গৰকক আদৰৰ শিল্পীজনে।)

■ লোপা দুৱৰা বৰুৱা



## কুকুৰাৰ অহংকাৰ

■ পূৰৱী তালুকদাৰ

টুলটুলহঁতৰ ঘৰত আছিল
দুটা ধুনীয়া কুকুৰা,
তাৰে এটা ক'লা আৰু
আনটো হ'ল পখৰা।
দুয়োটাৰে মূৰত আছে
ৰঙা ৰঙা ফুল,
দোকমোকালিতেই কুক্..ৰু..কু কৈ
দুয়ো লগায় হুলস্থূল।
দুয়োৰে মাজত হয়
কথা এটিৰ আলোচনা,
পুৱাই উঠি ডাক দিয়াটো
কি যে বিৰম্বনা !
পুৱাই উঠি বেলিটিকো
সিহঁতেহে দিয়ে জগাই,
দেৰিলৈকে আন সকলো প্ৰাণী
থাকে আৰামত শুই।
কথাটো ভাবি দুয়োৰে
মনত অহং-ভাব হয়,
পিছদিনা পুৱা ডাক নিদিবলৈ
সিহঁতে থিৰাং কৰি লয়।
কথা মতে হ'ল কাম পিছদিনা
দুপৰীয়ালৈ সিহঁতৰ টোপনি,
ফষ্টি মাৰি শুই থাকোঁতেই
আকাশত ওলাল বেলি।
চৰাই-চিৰিকটি পশু-পক্ষী
লাগিল নিজৰ কামত,
শুই থাকিল দুয়ো ককুৰা
সপোন দেখি আৰামত।
হুৰ হুৰকৈ টুলটুলৰ মাকে
দিলে দুয়োটাকে জগাই,
হতবাক হ'ল দুয়ো বপুৰাই
চকুবোৰ মেলি চাই।
সূৰুয ওলাল আগৰ দৰেই
আন্ধাৰ আঁতৰি গ'ল,
ডাক সিহঁতে নিদিওঁতেও
জগত মুখৰ হ'ল।
ভাবিছিল সিহঁতে ডাক দিলেহে
বেলিটি ওলাই আহিব,
ডাক নিদিলে গোটেই বিশ্ব
আন্ধাৰতে ডুবি থাকিব।
চাৰিওফালে চকু ফুৰাই দেখে
খুদ-কণ এটিও নাই,
দুপৰীয়ালৈকে শুই থাকোঁতে
হাঁহ-পাৰবোৰে পেলালে খাই।

ফোন ঃ ৮৯৫১৮-১৯২৬৭

## আঘোণ


■ গৌৰী মহন্ত

কুঁৱলীৰ আঁৰ লৈ বেলিটি ওলাইছে,
পথাৰ সোণোৱালী আঘোণ আহিছে।
অনাবিল আনন্দ কৃষকৰ মন,
বলীয়া বানে যদিও কৰিছিল উচন।
লগে-ভাগে দাৱনী
পথাৰত নামিছে,
কাঁচিবোৰ ৰ'দত
চিকমিক কৰিছে।
ডেকাহঁতে পথাৰত
ডাঙৰি বান্ধিছে,
বিৰিয়াৰ ডাঙৰি
চোতালত পেলাইছে।
অকণহঁতে পথাৰত
লেচেৰি বুটলিছে,
নৰাৰ পেঁপা সাজি
সুৰৰ লহৰ তুলিছে।
গাঁৱত ঘৰে ঘৰে
ন খোৱা পাতিছে,
ইঘৰে সিঘৰক খাবলৈ মাতিছে।
ঘৰৰে পুখুৰীত
শ'লমাছ ধৰিছে,
বাৰীৰে শাক-পাত
বুটলি আনিছে।
নামঘৰত মাহ-প্ৰসাদ ন-চাউলৰ শৰাই,
গুৰু-ভকতলৈ বুলি দিয়ে আগবঢ়াই।
হেঁপাহৰ আঘোণৰ চিনাকি ছবি,
আধুনিকতাৰ কবলত পাহৰণি আজি।

ফোন ঃ ৯৪৩৫৭-৪২০৮৪

## আঘোণ

■ ঝৰ্ণালী শৰ্মা বৰকটকী




শাওণৰ বোকোচাত
পিতাইৰ লুণীয়া সপোন
নাঙলৰ সীৰলুত
জিলিকি উঠিছে আশা
চৌফলীয়া ৰ'দত
মুঠি মুঠিকৈ বান্ধিছে
হেঁপাহৰ সপোন
শইচৰ বুকু ফালি
ভৰপক দি উঠিছে
সোণালী আঘোণ।

ফোন ঃ ৯১০১৮-৬০৩৫৯



হিয়াশ্ৰী বৰ্মন, চতুৰ্থ শ্ৰেণী, মহৰ্ষি বিদ্যা মন্দিৰ, পানীখাইতী



পাৰ্থ প্ৰতিম দাস, দ্বিতীয় শ্ৰেণী, অসম জাতীয় বিদ্যালয়, নুনমাটি

## শিশুৰ সামগ্ৰিক বিকাশত ‘ক’ ‘খ’ ‘গ’ৰ প্ৰভাৱ

■ মঞ্জু হাজৰিকা




শিশু হ'ল এখন কিতাপ, যাৰ প্ৰতিটো পৃষ্ঠা শিক্ষকে অধ্যয়ন কৰিব লাগিব। (ৰুছো)

আজিৰ শিশুসকলে খোজকাঢ়িব পৰা হোৱাৰে পৰা সত্যাতীত কিতাপৰ ভাৰ বহন কৰিবলগীয়া হয়। লগতে পিতৃ-মাতৃৰ আকাংক্ষাৰ বোজা কঢ়িয়াবলৈ বাধ্য হয়। শিশুৰ শৰীৰ আৰু মন ফুলপাহৰ দৰে কোমল। সেয়েহে পিতৃ-মাতৃৰ চেষ্টাও এনে হোৱা উচিত যাতে শিশুক মৰমৰ আঁচলেৰে সকলো সময়ত ঢাকি ৰাখি তেওঁলোকৰ স্বতঃস্ফূৰ্ত বিকাশ হোৱাত সহায় কৰিব পৰা যায়। ঘৰ এখনত শিশুটিৰ দুষ্টামীবোৰৰ মাজেদি যি সৌন্দৰ্য, মধুৰতা প্ৰকাশ পায় সেয়া সঁচাকৈয়ে তুলনাবিহীন। সেই কথা অনুভৱ কৰিব পাৰিলে দুচকু ধন্য হোৱাৰ লগতে মন-প্ৰাণ আনন্দত আপ্লুত হয়। শিশু সাধাৰণতেই অনুকৰণপ্ৰিয়। ডাঙৰে যি কৰে, পৰিৱেশত যি দেখে তাৰ প্ৰভাৱ শিশুৰ ওপৰত বেছিকৈ পৰে। ভাল আৰু সুস্থ পৰিৱেশত ডাঙৰ হোৱা শিশু সু-স্বভাৱেৰে গঢ় লয়। আনহাতে, অসুস্থ ঘৰুৱা পৰিৱেশ যেনে — ৰাগিয়াল বস্তু সেৱন কৰা, অশ্লীল কথা-বতৰা ইত্যাদিয়ে শিশুটিক কু-স্বভাৱৰ কৰি তোলে। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে আমাৰ মাজত বহু পিতৃ-মাতৃয়ে প্ৰায়ে নিজৰ ল'ৰা-ছোৱালীক আনৰ যোগ্যতাৰ প্ৰশংসাৰে দমন কৰি ৰাখিব বিচাৰে। সেই তুলনাবোৰে শিশুৰ মন বেয়াকৈ ক্ষতিগ্ৰস্ত কৰে। এই ক্ষতিয়ে মনত হতাশা আৰু কেতিয়াবা হিংসাত্মক ভাবৰ সৃষ্টি কৰে। সেয়ে আনৰ সন্মুখত ল'ৰা-ছোৱালীৰ দুৰ্বলতাখিনিৰ চৰ্চা নকৰি পাৰ্যমানে প্ৰশংসাহে কৰিব লাগে।

শিশুৰ বিকাশৰ বাবে মাক-দেউতাকৰ তথা পৰিয়ালৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শিশুক যথাসাধ্য সুবিধা প্ৰদান কৰিব লাগে, যাতে সিঁহত বিকাশৰ ক্ষেত্ৰত বাধাপ্ৰাপ্ত হৈ নাথাকে। শিশুক অযথা কিতাপৰ বোজাৰে মানসিকভাৱে ৰোগগ্ৰস্ত নকৰি সিহঁতৰ ৰুচি-অভিৰুচি গ্ৰহণ ক্ষমতাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন আনন্দদায়ক ক্ৰিয়া-কলাপৰ মাধ্যমেৰে প্ৰদান কৰা শিক্ষা পদ্ধতিয়ে হৈছে শিশু মনোগ্ৰাহী শিক্ষা পদ্ধতি। শিশুক পৰিৱেশৰ লগত খাপ খুৱাই প্ৰদান কৰা শিক্ষা প্ৰাণৱন্ত। সাধাৰণতে দুই-তিনি বছৰৰ পৰাই শিশুৱে খেলা-ধূলাৰ প্ৰতি আগ্ৰহী হয়, শিশুক বিভিন্ন ক্ষেত্ৰত পূৰ্ণ স্বাধীনতা প্ৰদান কৰিব নালাগে যদিও হস্তক্ষেপো কৰিব নালাগে। কিয়নো শিশুটিক চালুকীয়া অৱস্থাত প্ৰয়োজনীয় লগ-সংগ খেলা-ধূলাৰ পৰা আঁতৰত ৰাখিলে সিহঁত ক্ৰোধিত হৈ কৈশোৰ কালত অপৰাধপ্ৰৱণ হৈ পৰে। সেয়ে শিশুক যিমান পাৰি অস্বাভাৱিক আৱেগ-অনুভূতিৰ পৰা আঁতৰত ৰাখিবলৈ চেষ্টা কৰিব লাগে। আৱেগ হ'ল জন্মগত এক আভ্যন্তৰীণ শক্তি। মানৱ মনৰ আৱেগ-অনুভূতিয়ে জীৱন ৰসময় আৰু বিচিত্ৰময় কৰি তোলে। সেয়ে আৱেগবিহীন ক্ৰিয়া নিৰ্জীৱ, নিৰানন্দময় আৰু যন্ত্ৰচালিত বিধৰ হৈ পৰে। শিশুৰ মনত আত্মবিশ্বাসৰ মনোভাৱ গঢ় লৈ উঠিবৰ বাবে মাক-দেউতাকে বিশেষকৈ মাকে শিশুটিক প্ৰতিভা বিকাশৰ সকলো ক্ষেত্ৰত সহায়ক হৈ থাকিব লাগে। তদুপৰি চাকৰিয়াল মাক-দেউতাকে দিনটোৰ কৰ্মবিৰতিৰ পিছতো যদি আলসুৱা শিশুটিৰ প্ৰতি মৰম-সহানুভূতিৰ ভাব প্ৰকাশ নকৰে তেতিয়া শিশুটিয়ে মনত আঘাত পোৱাৰ লগতে মানসিকভাৱেও ভাগি পৰি হীনমান্যতাত ভুগিব পাৰে। শিশুৰ শাৰীৰিক, মানসিক, বৌদ্ধিক, আধ্যাত্মিক, নৈতিক এই সমগ্ৰ বিকাশৰ বাবে ক, খ, গ শিক্ষাৰ মাধ্যম হিচাপে লোৱা হৈছে। ক মানে কাহিনী, খ মানে খেল, গ মানে গীত। কাহিনীৰে শিশুৰ বৌদ্ধিক বিকাশ ঘটাব পাৰি। কাহিনীৰ মাধ্যমেৰে শিশুক সংস্কাৰমূলক শিক্ষা প্ৰদান কৰিব পাৰি। শিক্ষাপ্ৰাপ্ত, সু-সংস্কাৰমূলক শিক্ষা প্ৰদান কৰিব পাৰি। শিক্ষাপ্ৰাপ্ত, সু-সংস্কাৰ মুক্ত কাহিনীয়ে শিশুক ক'ব লাগে। ‘খ’ মানে খেল অৰ্থাৎ ক্ৰীড়া। যিহেতু শিশু ক্ৰীড়াপ্ৰিয়। ইয়াৰ মাধ্যমেৰে শিশুক সমগ্ৰ বিকাশ ঘটাবলৈ শিক্ষাৰ আন এক মাধ্যম ক্ৰীড়া হোৱা উচিত। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সময়ত তথা জ্ঞানৰ বিস্ফোৰণৰ সময় বিবিধ ধৰণৰ ক্ৰীড়া সঁজুলি আৱিষ্কৃত হৈছে। সেয়েহে শিশুক ক্ৰীড়াৰ মাধ্যমেৰে শিক্ষা প্ৰদান কৰিলে সিহঁতৰ শাৰীৰিক বিকাশ হোৱাৰ লগতে মানসিকভাৱেও বিকাশপ্ৰাপ্ত হয়। নোপোৱা মানুহ এই পৃথিৱীত হয়তো কোনোৱেই নাই। শিশুৱে এই দিশত আটাইতকৈ বেছি আনন্দ পায়। সেয়ে গীতক স্কুলবোৰত শিক্ষাৰ মাধ্যম হিচাপে লোৱা হৈছে। ভাষা বা বৰ্ণ, গণিত হিচাপে লোৱা হৈছে। ভাষা বা বৰ্ণ গণিত বা সংখ্যা, সাধাৰণ জীৱ-জন্তুৰ নাম, সিহঁতৰ চাল-চলন, মাত, ৰং ইত্যাদি শিশুক সংগীতৰ মাধ্যমেৰে অতি সহজে আৰু আনন্দৰে শিকাব পাৰি। শিশুৰ শৰীৰত ইমান শক্তি আৰু মনত ইমান উৎসাহ থাকে যে সিহঁতে কেতিয়াও শান্ত হৈ বহি থাকিব নিবিচাৰে। নতুন কথা শিকা, শিকিবলৈ কৌশল প্ৰয়োগ কৰা আদি শিশুৰ স্বাভাৱিক প্ৰবৃত্তি।

শিশু সদায় কৌতূহলপ্ৰিয়। সেয়ে শিশুৱে যিকোনো বস্তু দেখিলেই চুব বিচৰা, খুলিব বিচৰা, মুখত ভৰোৱা আদি কামবোৰ কৰে। যদি শিশুৰ এই প্ৰয়োগশীলতাক বাধা দিয়া হয় তেতিয়া সিহঁতৰ বিকাশত বাধা দিয়া হয়। সেইসকল শিশুক পাঠ্যপুথিৰ শিক্ষাৰ লগত জড়িত কৰাৰ আগতে বিভিন্ন ধৰণৰ কলা-কৌশলৰ লগত চিনাকি হ'ব দিব লাগে। এইক্ষেত্ৰত শিশুৱে যিটো দিশত পাৰ্গতালি দেখুৱাই সেই দিশৰ প্ৰতি অভিভাৱকে আগবঢ়াই নিব লাগে। তদুপৰি সিহঁতৰ সু-স্বাস্থ্যৰ বাবে বৰ্তমান সকলো স্বাস্থ্য কেন্দ্ৰতে গঢ়ি উঠা চাইল্ড গাইডেন্স ক্লিনিকৰ পৰামৰ্শ লোৱাটো প্ৰয়োজনীয়।

এনেদৰে আনন্দদায়ক ক্ৰিয়া-কলাপেৰে বোজাবিহীন শিক্ষা প্ৰদানেৰে শিশুসকলক সু-নাগৰিক হিচাপে গঢ়ি তুলিব পাৰি।

## যেতিয়া মই প্ৰেমত পৰোঁ

■ মূলঃ নিজাৰ কাব্বানি
ভাবানুবাদঃ কুলদীপ মেধি



যেতিয়া মই প্ৰেমত পৰোঁ
মোৰ নিজকে কোনোবা ৰজা যেন লাগে
গোটেই পৃথিবীখন যেন মোৰ
আৰু সকলোবোৰ তেনেই কাষত
মই ঘোঁৰা চেকুৱাই সূৰ্যাভিমুখী।

যেতিয়া মই প্ৰেমত পৰোঁ
মই তৰল পোহৰ হৈ যাওঁ
আৰু চকুত অদৃশ্য হৈ থাকোঁ
মোৰ টোকাবহীত থকা কবিতাবোৰ
ধাননি আৰু সৰিয়হৰ পথাৰ হৈ পৰে।

যেতিয়া মই প্ৰেমত পৰোঁ
মোৰ আঙুলিৰে পানী নিগৰে
মোৰ জিভাত ঘাঁহ গজি উঠে
যেতিয়া মই প্ৰেমত পৰোঁ
মই সকলো সময়তে বাহিৰত সময় হৈ থাকোঁ।

যেতিয়া মই এগৰাকী নাৰীৰ প্ৰেমত পৰোঁ
সকলো গছ লতা সাৱটি অৱণ্য এখনি যেন
মোৰ ফালে ক্ৰমান্বয়ে আহি থাকে
খালী ভৰিৰে...।

(নিজাৰ তৌফিক কাব্বানি, জন্ম- ২১ মাৰ্চ ১৯২৩- মৃত্যু- ৩০ এপ্ৰিল ১৯৯৮, এগৰাকী চিৰিয়াৰ কূটনীতিবিদ, কবি, লেখক আৰু প্ৰকাশক আছিল। তেওঁৰ কাব্যিক শৈলীয়ে প্ৰেম, কামনা, নাৰীবাদ, ধৰ্ম আৰু আৰৱ জাতীয়তাবাদৰ বিষয়বস্তু অন্বেষণত সৰলতা আৰু সুন্দৰতা একত্ৰিত কৰিছিল। কাব্বানি আৰৱৰ অন্যতম শ্ৰদ্ধাৰ কবিৰ লগতে চিৰিয়াৰ ৰাষ্ট্ৰীয় কবি হিচাপে জনাজাত। কাব্বানিয়ে ১৬ বছৰ বয়সৰ পৰা কবিতা লিখিবলৈ আৰম্ভ কৰিছিল আৰু ১৯৪৪ চনত যেতিয়া তেওঁ ডামাস্কাছ বিশ্ববিদ্যালয়ত আইনৰ ছাত্ৰ হৈ আছিল তেতিয়াই নিজৰ খৰচত তেওঁৰ প্ৰথম কবিতা পুথি প্ৰকাশ কৰিছিল 'দ্য ব্ৰুনেট টল্ড মি'। কাব্বানিৰ জীৱনকালত ৩৪খন কবিতা পুথি প্ৰকাশ পাইছিল আৰু কবিতা লিখাৰ উপৰি তেওঁ গল্প আৰু গানো লিখিছিল। ১৯৯২-৯৩ বৰ্ষত আৰৱ বিশ্বৰ সাংস্কৃতিক-বৈজ্ঞানিক ক্ষেত্ৰত অৰিহণা যোগোৱাৰ বাবে কাব্বানিক প্ৰদান কৰা হৈছিল সন্মানীয় 'অল-বাইছ বঁটা'। তেওঁৰ কবিতাসমূহ ইংৰাজীৰ লগতে হিন্দী, নেপালী, ৰাছিয়ান, ইটালিয়ান ইত্যাদি ভাষালৈও অনুবাদ হৈছে।)

## মই ঠিকেই চিনিলোঁ

■ মৃণাল কুমাৰ বৰা

দুচকুৰে মই ঠিকেই চিনিলোঁ
অতদিন ক'ত আছিলা?
নদ-নদী, পৰ্বত-পাহাৰ, গছ-গছনি
পশু-পক্ষী, পোহৰ-আন্ধাৰ সকলোকে সুধিছিলোঁ
তোমাৰ খবৰ
কোনেও ক'ব পৰা নাছিল
সঠিক উত্তৰ আৰু অন্তৰ্নিহিত কাৰণ

ক্ৰমে দুঃচিন্তাই মেৰিয়াই ধৰিছিল নিজকে
বুকুত হাত থ'লেই অনুভৱ কৰিছিলোঁ
তুমিহীন যন্ত্ৰণাৰ...

এদিন তুমিয়েই মনৰ কুঠৰিত বহি
ভাল পাবলৈ শিকাইছিলা
বেলিৰ পোহৰ
দুচকুত সানি দিছিলা আলফুলে
তেতিয়া ভগ্নপ্ৰায় হৃদয়খন ৰূপান্তৰ হৈছিল
এখন প্ৰেমৰ বাগিচালৈ
ক্ৰমান্বয়ে মধুৰ ক্ষণৰ মাজেৰে অতিবাহিত হৈছিল
জীৱন আৰু যৌৱন
তোমাৰ মনত পৰেনে
প্ৰায়েই এটি শিলত বহি কথা পাতিছিলোঁ
প্ৰতিশ্ৰুতিবদ্ধ হৈছিলোঁ আমি দুয়ো আঁতৰি নোযোৱাৰ
সন্মতি জনাইছিল বিৰ বিৰ বতাহজাকেও

এতিয়া তোমাক সুঁৱৰি বিষাদ মনেৰে
চপলিয়াই গ'লো শিলটোৰ ওচৰলৈ
কিজানি তোমাৰ উপস্থিতিৰ উমানেই পাওঁ

আস!
নষ্ট নক্ষত্ৰ এটাই কেনেদৰে প্ৰাণত আঁচুৰিলে
ছটফটালে চৰাইকেইটিয়েও...

হঠাৎ
অপ্ৰত্যাশিতভাৱে তোমাক দেখা পালোঁ
মই ঠিকেই চিনিলোঁ
উশাহহীন ৰূপত, বুকুত লিখা আছে
'তুমি মোক ক্ষমা কৰিবা'

পুনৰ শিলটোৰ ওচৰলৈ চপলিয়াই গ'লোঁ
নিষ্ঠুৰ সত্যক সাৱটি
শিলটোত ৰোপণ কৰিলোঁ এজোপা শুভ্ৰ ফুল।

*ফোন: ৯৮৬৪১৩৬৭০০*

## জীয়া জীৱন

■ অঞ্জলিকা চক্ৰৱৰ্তী

কথা নদীত সাঁতুৰি-নাদুৰি থাকোঁতে
লগ পাই সুধিলোঁ-
'তেজীমলা পুনৰ জী উঠিবিনে?'
তেজীমলা নীৰৱ শ্ৰোতা।

ঔ কুঁৱৰীও বাগৰিব এৰিলে
নাথায় বাকৰ পুতেকো মাছলৈ...
সিইতক বিচিয়াই মাতিলোঁ-
আহচোন আহ জীয়ন দি থোৱা অতীতলৈ
উভতি যাওঁ আহ...

নাই নালাগে তেজীক মাহী আইৰ কোলা,
ঔ কুঁৱৰীয়েও কাকো ভয় খুৱাব নিবিচাৰে।
বাকৰ পুতেকেও নৰপিশাচটোৰ মুখ নাচায়।
চম্পাৱতীৰ দ্বন্দ্ব দ্বন্দ্ব বতাহবাইৰ গান
শুনিব নিবিচাৰে সিইতে...

জীয়ন দিয়া অতীত উভতি নাহক
কাৰো বাবে
নৱ প্ৰজন্মৰ
ন বিকাছ হৈ জীয়াই থাকক জনমে জনমে।

*ফোন: ৯১০১৭৯৯৫৯৪*

## ছবি

■ মঃ পাবিজুল হক

ধূলিৰে পোত খাই থকা মেজখনত
নিৰৱে পৰি থকা কলমটোৰ মহী শেষ হোৱা নাই
ভিন্ন বৰ্ণৰ মনটোৰে
মহীত সাঁতোৰৰ বাবে জাঁপ দিয়া নাই

এতিয়াও বুকুৰ একোণত ওমলি থাকে
আকাশ, তৰা, সেউজীয়া অৰণ্য, চৰাই-
চিৰিকতিৰ সৈতে
আবেগ, অনুভূতিৰ পুতলাটোৰে

মাত্ৰ ছবি আঁকা নাই শব্দৰে
উকা কাগজৰ বুকুত

*ফোন: ৬০০১৭৮১৪৩৯*

## তোমালৈ

■ হিমাজ্যোতি তালুকদাৰ

জোনাক গোলা ৰাতি
সাৰে আছোঁ মই আৰু মোৰ কল্পনা
দুচকুৰ পতাত ভাহি উঠে ছায়া পোহৰ

তোমাৰ দুচকুতো কিজানি
মোৰ দুচকুত লাগি থকা সপোন

তোমাৰ টোপনি নাভাঙক বুলিয়ে
থমকি ৰওঁ
অথচ মোৰ টোপনিতো
তোমাৰেই গুণগুণ

*ফোন: ৯৭০৬৬৮২০৩৪*

## মায়াৰ পৃথিৱী

■ মিন্টু গোৱালা

মায়াৰ পৃথিৱীখনত মই
এটি ক্লান্ত মানৱ,
জীৱন সাগৰৰ সৰ্ব অধিষ্ঠিত ক্লান্তিহীন
এখনি নাও হৈ পৰিছোঁ
এই মায়াৰ পৃথিৱীত।
কোনো নাই মোৰ আপোন বুলিব
আছে মাথোঁ আপোন বুলিব
মোৰ মা, দেউতা (!)
কেতিয়াবা কোনোবাই মোক জীৱন সাগৰৰ
সিপাৰৰ পৰা চিঞৰি কয়
মই তোমাৰ আপোন
কিন্তু মোৰ মনটোৱে বাৰে বাৰে প্ৰশ্ন সোধে
যদি তুমি মোৰ আপোন
তেন্তে তুমি কিয় মোৰ পৰা আঁতৰি থকা (?)
মই জানো মা, দেউতাৰ বাহিৰে
মোৰ আপোন কোনো নাই।
তথাপিও জীৱন সাগৰৰ সিপাৰৰ পৰা
চিঞৰি থকা আপোন
মানুহজনক বিচাৰিছোঁ,
এই ক্লান্তিহীন জীৱনৰ অপ্ৰাপ্তিৰ
টোপোলা লৈ ফুৰিছোঁ।
ক্লান্ত জীৱনৰ ব্যাকুলতাৰ
পৃথিৱীত আজি মই অক্লান্ত
মানৱ হৈ পৰি আছোঁ।
যাৰ লাগিব সেই বাটত
যি বাটে গ'লে আৰু
কাহানিও উভতি নাহো
এই মায়াৰ পৃথিৱীত।

## সৰ্বেসৰ্বা তুমি

■ কাজি শ্বাহাদত ইছলাম

হৃদয় তোমাৰ-
ভালপোৱা তোমাৰ-
তোমাৰেই সংবিধান-
মই মাথোঁ তোমাৰ পঞ্জাভুলিত নৃত্যাৰ্থে
বৈ থকা এটি জড় কাঠপুতলা

অধিকাৰৰ শূন্যতাত
পিপাসু হৃদয়ৰ তৰা-নৰা ছিগা দৌৰ,
যেন পৰিবেষ্টিত জলৰ মাজত
হস্ত পাদৰ কোবৰ প্ৰতিযোগিতা।।

সপোনো তোমাৰ-
ভৰসা তোমাৰ-
তুমিয়েই ভাঙোতা-
মই মাথোঁ উফ্... আঃ... বিহীন এক নীৰৱ দৰ্শক!

মই ভাগ্যবান নে দুৰ্ভাগ্যবান নাজানো
তুমি জীৱন খেলৰ উভয় পক্ষৰ প্ৰেণ্ড মাষ্টাৰ
আৰু মইতো তোমাৰ উমৈহতীয়া গুটি...
চাল তোমাৰ-
জয় তোমাৰ-
তোমাৰেই য'ত উল্লাস-
মই মাথোঁ স্বচ্ছ জলৰ এক বিকল্প ৰূপ

*ফোন: ৬০০২৫৯৪৪৩০*

## যুদ্ধ

■ ঐজ্যোতি চুতীয়া

মুখৰ চুলিকেইডাল
পকিবলৈ ধৰা আগতেই শুনিছিলোঁ
চীন আৰু ভাৰতৰ মাজত হোৱা
যুদ্ধৰ বিভীষিকাৰ কথা

প্ৰথম বিশ্বযুদ্ধ
দ্বিতীয় বিশ্বযুদ্ধৰ কথাও পঢ়িছোঁ
পঢ়িছোঁ হিৰোচিমা আৰু নাগাচাকিত
এটম বোমা দিয়াৰ পিছত
বিজ্ঞান মানৱ সমাজৰ বাবে
অভিশাপ স্বৰূপ হৈ পৰা কথা
ঠিক তেনেকুৱা এখন যুদ্ধই
এদিন মোৰ বুকুৰ মাজত হৈছিল
শত্ৰুৰ নিৰ্মম আঘাতত
উশাহ ল'ব পৰা নাছিলো মই

এতিয়া আকৌ শুনিছোঁ
তোমাৰ বুকুৰ মাজতো বোলে
আজি কে'বাদিন ধৰি
এখন তুমুল ৰণ
সঁচানে মিছা এইবাৰ?
মিছানে সঁচা?
যুদ্ধইতো নকৰে কাহানিও
মানৱ জাতিৰ কল্যাণ।

## ক্ষন্তেকীয়া এই নাট জীৱনৰ

■ দীপক শইকীয়া

নদীৰ বালিৰ দৰেই এই জীৱন
ক্ষন্তেকতে সলাই পেলায় ই তাৰ বৰণ,
অজস্ৰ ঠেকাৰ শেষত নিমজ হয়;
স্থবিৰ হৈ পৰে নিস্তব্ধতাৰ বুকুত।
সময়ৰ চক্ৰবেহুত আবদ্ধ
দৃষ্টিহীনৰ দৰে খেপিয়াই ফুৰে সুখৰ আভৰণ।
মোহ- মায়াৰ বান্ধত বন্দী হৈ
পোহনীয়া বান্দৰৰ দৰে ধৰ্ফৰাই থাকে
জীৱনৰ যুদ্ধত বিচাৰি ফুৰে
ধন-সম্পত্তি... ঐশ্বৰ্য-বিভূতি.....
মান-সন্মান........ আৰু যে কত কি
এই মৰীচিকাক্ষেত্ৰ যে অগ্নি পৰীক্ষাৰ হল;
মানুহৰ বিবেকতে আবদ্ধ এই সত্য,
মনৰ একোণত থকা ভস্মাসুৰটোৱে
তাক বন্ধীৰে বান্ধি পথভ্ৰষ্ট কৰে।
বহুত পলম হৈ যায়
বিবেকে তাক পথলৈ ঘূৰাই আনে মানে
বৈ যায় কংকাল হৈ
থাকি যায় ছবি হৈ
ভাহি ফুৰে স্মৃতি হৈ
সময়ৰ তীব্ৰ গতিত
হেৰাই যায় খোজবোৰ
থাকি যায় ফটো হৈ আলমাৰিৰ একোণত।

## বানে ধোৱা সোণালী পথাৰ

■ দুলাল বৰা

সেউজ ধাননিখনে আজি
সোণালী বৰণ ল'লে
উপচি পৰিল আজি কৃষকৰ
মন আনন্দত সোণগুটি চপাই
ন সাঁজ খাব মেলিব আকৌ এধানি
নতুন সপোনৰ জীয়া আলোড়ন।

বানে ধুই নিয়াৰ পাছতো
যেন সোণালী ৰূপ ধৰা
পথাৰখন দেখি গৰ্বত হুলি
উঠে প্ৰতিজন কৃষকৰ মন
এয়াইতো সুখ দুখৰ বন্ধান চহা জীৱনৰ।

## মই প্ৰেম হ'ব নোৱাৰিলোঁ

■ বিবেকা হাজৰিকা



মই প্ৰেম হ'ব নোৱাৰিলোঁ
হ'ব নোৱাৰিলোঁ এজাক সুগন্ধি বতাহ
বিচাৰি নাপালোঁ
এটা প্ৰশান্তিৰ উশাহ
বুকু ভৰাই লোৱা হেঁপাহবোৰ
তেনেকৈয়ে থাকিল
নাপালোঁ প্ৰেমৰ মুকলি ঘৰ
আঁজলি পাতি লোৱা বৰষুণ
হাততে থাকিল
বিচাৰি নাপালোঁ পোহৰৰ ঘৰ

পৃথিৱীক কৈছিলোঁ
দেখুৱাই দিয়াচোন আত্মাৰ নিৰিবিলি বাট
সময় প্ৰহৰীয়ে আগভেটি ধৰিলে
দেখুৱাই দিলে জীৱনৰ বাট
হাত মেলি নোৱাৰিলোঁ ধৰিব
প্ৰেমৰ হাত
বন্ধ কোঠাৰ দুৱাৰমুখত বৈ থাকিল
হৃদয়ৰ নিমাতী মাত

বৈ বৈ বাট চাই থাকিল এটা নিঃসংগ সুৰ
টৌবোৰ মাৰ গ'ল
পোহৰে কথা নোকোৱা হ'ল
মায়া মোহৰ ৰঙীন বুকুখন এৰি
অহাবাটে প্ৰেম আঁতৰি গ'ল


লগন উকলি গ'ল
উমি উমি জ্বলি থাকিল হেঁপাহৰ শিখা
জীৱনে চুই থাকিল
প্ৰাপ্তিৰ যন্ত্ৰণা
চাই থাকিল
সীমাহীন শূন্যতাৰ নিশা

মই প্ৰেম হ'ব নোৱাৰিলোঁ
নোৱাৰিলোঁ হ'ব
আজলি সময়ৰ অভিসাৰী বিনোদন
হেৰাই যাব খুজিছিলোঁ
নোৱাৰিলোঁ
সাৱটি থাকিলোঁ মোৰ মন
পৃথিৱীক দিব নোৱাৰিলোঁ
প্ৰেমে জিকমিক জীৱনৰ ক্ষণ।

## শীতৰ শেতেলীত

■ লাৱণ্য নাথ

যাম বুলিতো অহা নাছিলোঁ
গতিৰ গতিত
এইখিনি পালোঁহি...
আজি সময়ে সকলো শিকাই ক'ত কেনেকৈ
জীৱন জীয়াব লাগে
এবাবোৰ পাহৰিছোঁ
পথে পথে...
পোছাক সলোৱা প্ৰতিটো ঋতুত
মনেও সলায় বৰণ;
বৈ বৈ নভৱা প্ৰতি
পলে পলে
শিকায় জীৱনৰ পাঠ।
শুধবাৰ নোৱাৰা জীৱন নাটৰ
প্ৰতিটো পৃষ্ঠাত আজি
মাথোঁ জমা হয়
পৰিতাপৰ নিৰ্লিপ্ত কথা।
শীতৰ শেতেলীৰ
বিদায় পৰত
মাগিলোঁ বিদায়,
মায়াভৰা বসন্তই
আকৌ সুৰ দিব
জীৱনৰ সেউজীয়া গীতত।



## আজি সান্ধ্য ভ্ৰমণলৈ ঈশ্বৰ আহিব

■ ৰাজু কলিতা

আজি সান্ধ্য ভ্ৰমণলৈ ঈশ্বৰ আহিব
উৰলি যোৱা কম্বল এখন গাত মেৰিয়াই
পদপথত স্বাগতম জনাবলৈ বৈ থাকিব
দুজনমান অঘৰী।

ঈশ্বৰে হাত মিলাবলৈ বেয়া পাব পাৰে
অথবা, ঈশ্বৰে দেখিও নেদেখাৰ ভাও ধৰিব পাৰে
কিন্তু ঈশ্বৰে ঘৃণা কৰিব নোৱাৰে।

ঘৃণা কৰিলে ঈশ্বৰে নিজেই লাজ পাব
লাজত ঈশ্বৰৰ সান্ধ্য ভ্ৰমণ আধৰুৱা হ'ব।
বুঢ়ৰ দাড়ি, উৰলি যোৱা ছাল
ছালৰ ওপৰত বহু বছৰ পুৰণি এটা ফটা কামিজ
আৰু চকুত ঈশ্বৰক লগ পোৱাৰ তাড়না।

ঈশ্বৰে এই ৰূপ দেখি হাঁহিব নোৱাৰে
চকুত চকু থৈ কথা ক'বলৈ
ঈশ্বৰ মাথোঁ হতাশ হ'ব পাৰে।

শীতৰ সেমেকা সন্ধ্যাত
ঈশ্বৰে আজি চহৰৰ মাজমজিয়াত
কাকো সম্বোধন কৰিব নোৱাৰিব,
বিলাতী সুৰাৰ ৰাগীত
চহৰ হয়তো মাতাল হৈ থাকিব।

ঈশ্বৰক সেইসকলে চিনি নাপাব
যিসকলে খমখমীয়া নোটেৰে ঈশ্বৰক বিচাৰে,
মগনীয়া অঘৰী দুজনমানে মাথোঁ
ঈশ্বৰক নৈশ যাপন কৰিবলৈ কাকুতি কৰিব।

ঈশ্বৰে আজি সংগোপনে কান্দিব
আৰু মাতাল চহৰৰ পদপথত
অঘৰী দুজনে ঈশ্বৰক বিদায় প্ৰাৰ্থনা জনাব।

*ফোন: ৭০৮৬২ ৭৬৮৬০*

## অভিভাৱকবিহীন

■ জেফলিন চুলতানা

মা-দেউতা অবিহনে পাৰ কৰিছে
ধুমুনিয়াহেৰে ক্ষণ,
দিনৰ শেষত ক'ৰবাত
এন্ধাৰ উদং হৈ
এটি দুটি খোজেৰে ক্ৰমান্বয়ে
পৃথিৱীখন তেওঁৰ মুখৰ ওপৰত বহি
ঢাকিব ধৰে গোটেই শৰীৰটো।

অনুভূতি জগতৰ কোনোবাই
তেওঁক জোৰেৰে সাৱটি ধৰে,
যেন কোনোবা আপোন
পলকতে আকৌ অদৃশ্য হৈ পৰে

এদিন মাক-দেউতাকেই তেওঁক কৈছিল-
মুখৰ পৰা এটা শব্দ নোকোৱাকৈ
মনৰ সকলো কথা বুজি পায় বুলি।
জীৱনৰ প্ৰতিটো সফলতাৰ আঁৰত তেখেতসকল,
যাক চকু মুদি বিশ্বাস কৰিব পাৰে-
যিয়ে তেওঁক নিঃস্বাৰ্থ মৰম দিয়ে।'

আৰু আজি ভাষাৰে বুজোৱা বৰ কঠিন
শব্দহীন আজি তেওঁ...
জীৱন যাত্ৰাত কঢ়িয়াবলগীয়া হৈছে
বং তোমাচালিকাৰ গচক মোহাৰি
শৈশৱবিহীন এজন ডাঙৰ মানুহক।

## বিজ্ঞাপন

■ জ্যোৎস্না ৰাণী বেগম

তোমাৰ বিজ্ঞাপনটো বিচাৰি পালোঁ
কিন্তু তুমি বিচৰা অৰ্হতা মোৰ যে অলপো নাই
তথাপিও—
সকলোবোৰ অৰ্হতা মোৰ নাথাকিলেও
তুমি বিচৰা অৰ্হতাত বিৰিয়ানি ৰন্ধা নাজানিলেও
আঘোণৰ ন-ধানৰ মিঠা চাউলৰ তৃপ্তিৰ ভাত
মোৰ তেজুৰী বুলীয়া হাততেবনাই তোমাক দিব পাৰোঁ
কৃপাবৰ বৰ বৰুৱাই উইল কৰি দিয়া সকলো খাদ্যবস্তু
তোমাক বনাই খুৱাব পাৰিম
তুমি বিচৰা অৰ্হতাত অন্য দেশৰ অৰ্ধ উলংগ সাজ
মই পিন্ধিব নোৱাৰিব পাৰোঁ
কিন্তু অসমীয়া সোণালী সূতাৰে
বুটা বচা কাপোৰ সাজ নিজেই বৈ পিন্ধিব পাৰোঁ
নাইট ক্লাবত গৈ তোমাৰ লগত গোলাপী নিচাত নাচিব
নোৱাৰিম যদিও
ব'হাগৰ বিহুত তোমাৰ সৈতে
টাকুৰি ঘূৰাদি ঘূৰি নাচিব পাৰিম
ওঁঠত লিপষ্টিক বং নলগালেও
বৰষুণৰিবৰ ওঁঠ বোলাব জানো
আৰু তোমাৰ বেমুৰা আভিজাত্য আঁতৰাই
সৰিয়হ ফুলা বাটেৰে তোমাক সঠিক পথেৰে
খোজ দি আগুৱাই নিব পাৰিম
আৰু পাৰিম আহিনৰ টুকুৰা মেঘৰ মাজত
কোনোবে নেদেখাকৈ
ওঁঠত ওঁঠ গুজি অজুত সপোন ৰচিবলৈ
বামধেনুৰ সাতোৰঙী বং সানি তোমাৰ
জীৱনটো ৰঙীন কৰি তুলিবলৈ
লখোণীয়া পেটেৰে থাকিব লগা হ'লেও
ওজন নকমাৰৈ হৃদয় উবুৰিয়াই দিব পাৰিম
মোৰ সমস্ত ভালপোৱা
অকৃতিম মৰমেৰে আঁতৰাব পাৰিম
তোমাৰ ক্লান্ত হৃদয়ৰ সমস্ত ভাগৰ।

কিন্তু—
নোৱাৰিম, মোৰ আদৰ্শৰ সৈতে
আপোচ কৰিবলৈ
সেয়েহে মই ব্যৰ্থ হ'লোঁ
তোমাৰ বিজ্ঞাপনৰ আবেদন পূৰাবলৈ।

*ফোন: ৭০৮৬৪৩৭৮৭৬*

## অনাথ শিশু

■ কমলাক্ষী বৰা

সিঁহতে নাজানে সিঁহত কোন
কিয় আহিল কেনেকৈ আহিল
ক'ৰ পৰা আহিল এই পৃথিৱীলৈ ইত্যাদি
সিঁহতে মাথোঁ জানে
এখন সপোনৰ দৰে ৰঙীন পৃথিৱী
সিঁহতৰ চৌপাশে বিদ্যমান হৈ আছে
কিন্তু সিঁহত যে অসহায়
এই সপোন সপোন লগা ৰঙীন পৃথিৱীখন
সিঁহতৰ নহয়...
এইখন পৃথিৱী বেলেগৰ বাবেহে

সিঁহতে মাথোঁ এইখন পৃথিৱী
দূৰৈৰ পৰা চাবহে পাৰে
সিঁহত যে বঞ্চিত, উপেক্ষিত
নিৰাশ্ৰয়ী অনাথ

সিঁহতে জীয়াই আছে এই পৃথিৱীত
ভোকৰ তাড়নাত থকা পেটটোৰ বাবে

এখুদমান খাদ্যই
সিঁহতৰ জীৱনটোৰ উদ্দেশ্য
মুক্ত আকাশৰ তলত সিঁহতৰ ঘৰ
সিঁহতে নিতৌ দেখে
এখন ৰঙীন পৃথিৱীয়ে প্ৰদক্ষিণ কৰি থাকে
সিঁহতৰ চৌপাশে
য'ত অপৰ্যাপ্ত খাদ্য
অপৰিসীম ধন সম্পদ ঐশ্বৰ্য বিভূতি
মৰম চেনেহবোৰো উদ্ভৈদনী

কিন্তু এই সকলোবোৰ
সিঁহতৰ বাবে নহয়...
এইবোৰত
সিঁহতৰ কিঞ্চিত মানো অধিকাৰ নাই
মৰমবোৰ সিঁহতে দূৰৈৰ পৰা দেখা
কিবা এক দুষ্প্ৰাপ্য বস্তুহে
সিঁহতে নাজানে
মৰমনো কি....
আচলতে কেনেকুৱা ইয়াৰ সোৱাদ
সিঁহতে কেতিয়াও
মৰমৰ স্পৰ্শ কৰি পোৱা নাই
অনুভৱ কৰি পোৱা নাই

কাৰণ সিঁহত যে উপেক্ষিত, বঞ্চিত
নিৰাশ্ৰয়ী অনাথ
সিঁহতে নাজানে সিঁহত কোন
কেনেকৈ আহিল ক'ৰ পৰা আহিল
কিয় আহিল এই পৃথিৱীলৈ ইত্যাদি

*ফোন: ৯৭০৬০১১৪২৪*

## বাউলী ৰাধা


■ ঋজু ৰেখা বৰা (মাতৃ)

পূৰ্ণ হ'ল শৰতৰ শশী।
ৰাধা তোৰ প্ৰাণধন কানু,
বৃন্দাবন কাননত,
তোৰেই অপেক্ষাত।

মনৰ কুসুমমালাক নিবলে,
গলত পিন্ধাবি গোপনে।
কাত্যায়নী-ব্ৰতত
লভিলি কানাইক।
মুকুৰীৰ মাতে
আটি আটি বান্ধে,
লৰবি যাৰ তই
সকলো ত্যাজি
জোনালী নিশাটো তোৰ
ক্ষণিকতে পূৰাই
আকৌ উলটি খোজ গৃহলৈ তই
বিচ্ছেদৰ হুল বুকুত বান্ধি।
সিচি থৈ আহ তোৰ সমস্ত সুখ
যাক বুটলি প্ৰাপ্তিৰ তৃপ্তিত
কানু পূৰ্ণ কৰিশীৰ কাষত

তই যে সদায়েই বাতুলা হৈ ব'লি ৰাধে
তই যে সদায়েই মচিলি চকু লুকাই আঁচলৰে
তথাপি ব্যাকুল তই বংশীৰ সুৰত।
অপ্ৰাপ্তিৰ বুটলি,
প্ৰাপ্তিৰ সুখ বিলাবলৈ আনক
আকৌ ৰাধা উথপথপ তই
শৰতৰ পূৰ্ণিমা নিশা অভিসাৰিকা সাজি

*ফোন: ৯১০১১৪২৬৬৪*



## আৰ্চী

■ মঃ পাৰবিজুল হক

কোঠাত এখন আৰ্চী থকা ভাল
সপোনে তেতিয়া ভৰি-হাত নামে

সপোনৰ এখন বিছনা থাকিব লাগে
অতিপাত ভাগৰুৱা হ'লে
বাতি আন্ধাৰৰ বুকুত ছবি আঁকিব
কুকুৰাই ডাক নিদিয়া লৈকে

আৰ্চী খনক নিতৌ পুৱা দেখুৱাব ছবিবোৰ
অলপ গুণাগঁথা কৰিব।

*ফোন: ৬০০১৭৮১৪৩৯*

## আহুকাল

■ ড° দীপমণি দাস

লিখিব খুজি
গোলাপ
লিখি গলোঁ গোপাল।
কইছিল আবেজে
কি যে কপাল

## মোৰ অনুভৱৰ পৃথিৱী

■ লিপিকা দাস

সপোনৰ বাটেদি তুমি আহিছিলা,
নিচাগ্ৰস্ত শব্দৰ সৈতে মিতিৰালি কৰি,
তন্দ্ৰামগ্ন হৈ মই খোজ দিছিলোঁ।

তোমাৰ খোজত খোজ মিলাই,
সুখ-দুখ, হাঁহি-বেমালিৰে আগবাঢ়োতে,
পাহৰি গৈছিলোঁ যেন সময়ৰ হিচাপ।

পিছে হঠাৎ যেন য'তি পৰিল,
দুয়োৰে এই শব্দৰ খেলখনত...

খেলিমেলিৰ আঁতভাল বিচাৰৰ মানে
হেৰাই গ'লা তুমি অহাবাটেৰে।

আজিও স্মৃতিৰ দাপোনত বিচাৰি ফুৰোঁ,
তুমি এৰি থৈ যোৱা,
প্ৰতিটো শব্দৰ প্ৰতিধ্বনি।

কাতৰ হৈ পৰোঁ মই,
সান্নিধ্যতাৰ বাবে ব্যাকুল হয় মোৰ মন
হৃদয়ত যন্ত্ৰণাৰ জোৱাৰ উঠে...

অনুভৱৰ সেউজীয়া দলিচাত,
মুক্ত বিহংগৰ দৰে,
নিজকে বিলীন কৰি উভতি যাওঁ,
মোৰ কল্পনাৰ পৃথিৱীলৈ...
আৰু...
দুচকুত আশাৰ কিৰণেৰে,
আজিও বিচাৰি ফুৰোঁ,
তোমাৰ অস্তিত্ব হেঁপাহেৰে আকুলতাৰে...।

*ফোন: ৭০০২৮ ৩১৮২২*

# প্ৰথম পৃষ্ঠাৰ পৰা—

## প্ৰেমিকাৰ নিথৰ দেহৰ শিৰত

ভাল লাগিব। বিয়াত দৰাই কইনাক মালা পিন্ধাই দিয়াৰ দৰেই নিথৰ প্ৰেমিকাৰ মূৰটো দাঙি এডাল বগা ফুলৰ মালা পিন্ধাই দিছে। নিজেও প্ৰেমিকাৰ নিথৰ দেহৰ কপাল, মুখ, বুকুত আনডাল বগা ফুলৰ মালাৰে স্পৰ্শ কৰি দৰাৰূপী প্ৰেমিকে আঁঠুকাঢ়ি নিথৰ প্ৰেমিকাৰ মুখলৈ চাইছে। চকুত চকু থৈ কিবা ক'ব খুজিও ৰৈছে, কাৰণ কইনাৰূপী প্ৰেমিকাৰ চকু বন্ধ। এয়া কোনো কল্পকাহিনী বা নাটক, চিনেমাৰ কাহিনী নহয়। এক অতি কৰুণ, বাস্তৱ, হৃদয়বিদাৰক ঘটনা। বাস্তৱতে সংঘটিত হৈছে ৰহাৰ চাপৰমুখ কচুৱাত। মৰিগাঁও জিলাৰ সাপমাৰীৰ বিতোপন তামুলী নামৰ যুৱকজনৰ কচুৱাৰ প্ৰাৰ্থনা বৰা (২৩) নামৰ ছোৱালীজনীৰ লগত প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিছিল। দুয়োৰে মাজত এই ভালপোৱাই অৱশেষত বিয়াৰ বাবে দুয়ো ঘৰে মানি লৈ বিবাহৰো প্ৰস্তুতি চলাইছিল। এনে সময়তে এই দুখজনক ঘটনাটো সংঘটিত হয়। প্ৰাৰ্থনা স্নাতোকোত্তৰ উত্তীৰ্ণ এগৰাকী মেধাবী ছাত্ৰী। প্ৰায় এসপ্তাহৰ পূৰ্বে হঠাতে শাৰীৰিক অসুস্থতাৰ বাবে জি এম চি এইচত চিকিৎসাধীন হৈছিল যদিও নিয়তিৰ হাতত হাৰ মানিলে। অহা বছৰ বিয়াত বহিব লগা বিতোপন-প্ৰাৰ্থনাৰ বিয়াৰ আগতেই হঠাতে চিৰদিনলৈ গুচি গ'ল। কিন্তু প্ৰাৰ্থনাৰ মৃত্যুক মানি ল'ব পৰা নাই প্ৰেমিক বিতোপনে । প্ৰাৰ্থনাৰ মৃত্যুৰ খবৰে মৰ্মাহত কৰি তোলে বিতোপনক। দেহত হঠাতে দেখা দিয়া জটিল ৰোগৰ বাবে মাত্ৰ ছদিনৰ চিকিৎসাৰ পিছতে মৃত্যুক সাবটিলে প্ৰাৰ্থনাই। প্ৰাৰ্থনাৰ নিথৰ দেহ কচুৱাৰ নিজ গৃহ পোৱাৰ পিছতে বিতোপনে ফেকুৰি ফেকুৰি হিয়া ঢাকুৰি কান্দিছে আৰু প্ৰেমিকাৰ নিথৰ দেহৰ কপালত সেন্দূৰৰ ফোঁট বুলাই কান্দি কান্দি কয়— তুমি যোৱাঁগৈ কিন্তু মোৰ কইনা হৈয়ে যোৱা। প্ৰেমিকাৰ নিথৰ দেহ চুই নিজেই পিন্ধি ল'লে বৰমালা আৰু প্ৰাৰ্থনাক শেষ বিদায় দি মৃতদেহৰ ওচৰত চিৰকাল স্বামী হৈ থকাৰ পণ ল'লে। যোৱানিশা সংঘটিত হোৱা ঘটনাটো ছ'চিয়েল মিডিয়াত ভাইৰেল হোৱাত চৌদিশে শোকৰ এক ছায়াই আবৰি ধৰিছে। সকলোৰে কৈছে— 'সঁচা প্ৰেম এনেকুৱাই।

## লেখিকা ৰুমু বেগমলৈ

ইতিমধ্যে ২০০৬ চনত মৰণোত্তৰভাৱে ড° সৰ্বেশ্বৰ ৰাজগুৰুক প্ৰদান কৰাৰে পৰা ধাৰাবাহিকভাৱে লেখক তথা প্ৰাক্তন অধীক্ষক কুমুদ বৰা, বুৰঞ্জীবিদ বেনুধৰ কলিতা, শংকৰী সংস্কৃতিৰ গৱেষক, প্ৰাক্তন অধ্যাপক তিলক চন্দ্ৰ মজুমদাৰ, লোক-সংস্কৃতিৰ গৱেষক চাও লোকেশ্বৰ গগৈ, সাহিত্যিক মিলেশ্বৰ পাতৰ, অৱসৰপ্ৰাপ্ত অধ্যাপক ইদ্ৰিছ আলী, শংকৰী সংস্কৃতিৰ সাধক তথা অৱসৰপ্ৰাপ্ত অধ্যাপক কৈলাস দাস আৰু অধিবক্তা তথা লেখিকা আভা বৰালৈ আগবঢ়োৱা হৈছে। পৰৱৰ্তী সময়ত কৰ'না কালৰ পৰিস্থিতিৰ বাবে স্থবিৰ হৈ পৰা এই বঁটা চক্ৰই আগবঢ়াব পৰা নাছিল যদিও বৰ্তমান পুনৰ ২০২১ বৰ্ষৰ বাবে বিশিষ্ট শিশু সাহিত্যিক ৰুমু বেগমলৈ আগবঢ়োৱা হৈছে। বেগমে 'উত্তাপ নোহোৱা জুই' নামেৰে এখন চুটিগল্প ৰচনা কৰাৰ উপৰি 'ঘনচিৰিকাৰ কথা', 'সাধুকথাৰ কুঁকি'কে ধৰি মুঠ সাতখন গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ বেদীলৈ নৈবেদ্য যাচিছে। লেখিকা বেগমক কাইলৈ নগাঁও জিলা কমলাদেৱী তোদী স্মৃতি ভৱন প্ৰেক্ষাগৃহত দিনৰ ১-৩০ বজাত কলংপৰীয়া সাহিত্য আলোচনা চক্ৰই উক্ত বঁটা প্ৰদান কৰাৰ লগতে চক্ৰৰ বাৰ্ষিক মুখপত্ৰ 'কলংজ্যোতি'ৰো উন্মোচন কৰিব বুলি সাংবাদিক তথা চক্ৰৰ প্ৰাক্তন সম্পাদক প্ৰাঞ্জল বৰদলৈয়ে জানিবলৈ দিছে। চক্ৰৰ সম্পাদক তথা অৱসৰপ্ৰাপ্ত শিক্ষক ঘনশ্যাম জইচিয়ে বঁটা প্ৰদানৰ অনুষ্ঠানটিত সাহিত্যপ্ৰেমী সকলো লোকৰে উপস্থিতি ইয়াৰ দ্বাৰাই আন্তৰিকতাৰে কামনা কৰিছে।

## তেজপুৰৰ ঐতিহাসিক

পৰাভূত কৰাৰ দৰেই জাতীয় বীৰজনাৰ চাৰিশবছৰীয়া জন্ম-জয়ন্তী উপলক্ষে তেজপুৰৰ ঐতিহাসিক হজৰা ফিল্ডক দিনে-নিশাই শৰাইঘাটৰ ৰূপ দিয়াৰ প্ৰয়াস অব্যাহত। বিশাল পথাৰখনৰ লগতে হজৰাপুখুৰীত পুনৰ এবাৰ জিলিকিব জাতীয় বীৰ লাচিতৰ পৰাক্ৰমৰ গাথা। উল্লেখ্য যে, আজি সন্ধিয়া প্ৰদৰ্শিত হ'ব 'লাচিত - বুৰঞ্জী লিখাৰ তৰোৱাল' নামৰ নয়নজ্যোতি ভট্টাচাৰ্যৰ উপন্যাসখনৰ কাহিনীক নাট্যৰূপ দিয়া নাট্যকাৰ, পৰিচালক পুলক কুমাৰ ডেকাৰ 'লাচিত- বুৰঞ্জী লিখাৰ তৰোৱাল' নামৰ বহুলচৰ্চিত নাটকখন। উল্লেখ্য যে, বিশাল হজৰা ষ্টেডিয়াম আৰু হজৰা পুখুৰীত পৰীক্ষামূলকভাৱে মুকলিত প্ৰদৰ্শিত হয় নাটকখনত এটা হাতী, পাঁচটাকৈ ঘোঁৰা আৰু ছখন নাও। তদুপৰি সেই সময়ত ব্যৱহাৰ হোৱা বৰটোপকে ধৰি বিভিন্ন যুদ্ধৰ সামগ্ৰী। ৰাজ্যখনৰ এগৰাকী বলিষ্ঠ অভিনেতা প্ৰাঞ্জল শইকীয়া, বিধায়ক পদ্ম হাজৰিকা, পৃথ্বীৰাজ ৰাভা, আঙুৰলতা ডেকা, উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, ডাঃ জাহানাৰা বেগম, ভূপেন শৰ্মা, ৰাজীৱ শৰ্মা, প্ৰশান্ত কুমাৰ বৰা, অৰনী বৰা, ৰণজিৎ বৰা, নমিতা মহন্ত, উজ্জ্বল শইকীয়া, জান তালুকদাৰৰ উপৰি তেজপুৰৰ বহুকেইজন অভিজ্ঞ আৰু পটু অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰিব এইখন নাটকত। উল্লেখ্য যে, নাটকৰ মূল চৰিত্ৰ লাচিতৰ ভূমিকাত অৱতীৰ্ণ হয় মিষ্টাৰ ইণ্ডিয়াখ্যাত বিজিত গগৈ। তেওঁ তেজপুৰৰ নাটকৰ আখৰা অব্যাহত ৰাখিছে। ইতিমধ্যে তেজপুৰত নাটকখনক লৈ ব্যাপক চৰ্চাৰ লগতে দৰ্শকৰ মাজত উৎসুকতা বৃদ্ধি পাইছে।

**বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ত 'সমসাময়িক পটভূমিত বীৰ লাচিত বৰফুকন' শীৰ্ষক আলোচনা-চক্ৰ**

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ ঃ** মহাবীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-জয়ন্তী উপলক্ষে শিৱসাগৰ জিলাৰ বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায় 'সমসাময়িক পটভূমিত বীৰ লাচিত বৰফুকন' শীৰ্ষক এক আলোচনা-চক্ৰ। উক্ত আলোচনা-চক্ৰৰ সঞ্চালনা কৰে শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈয়ে। ইয়াৰ আগেয়ে শিৱসাগৰ জিলাৰ উপায়ুক্ত আদিত্য বিক্ৰম যাদৱে মুখ্য অতিথি হিচাপে এই উদ্দেশ্যে আয়োজিত সভাত অংশগ্ৰহণ কৰি উপস্থিত ৰাইজক উদ্দেশ্যি বক্তব্য ৰাখে। মহাবিদ্যালয়ৰ অধ্যক্ষ দীপালী নেওগে সভাৰ আদৰণী ভাষণ আগবঢ়ায়। আলোচনা-চক্ৰত ড° দয়ানন্দ বৰগোহাঁই, ড° পুণ্যধৰ গগৈ, তুফেল জিলানী, প্ৰবীণ শৰ্মা আৰু ড° লিপি ফুকনসহ বিশিষ্ট ব্যক্তিসকলে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে।

**বঙাইগাঁৱত সপ্তাহজোৰা কাৰ্যসূচীৰে লাচিত বৰফুকনৰ জয়ন্তী উদ্‌যাপন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও ঃ** ৰাজ্যখনৰ অন্যান্য জিলাৰ লগতে বঙাইগাঁও জিলাতো বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাবীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-জয়ন্তী পালনৰ কাৰ্যসূচী শুকুৰবাৰৰ পৰা আৰম্ভ হৈছে। বঙাইগাঁও আৰক্ষীৰ মাৰ্চপাষ্টেৰে আৰম্ভ হোৱা কাৰ্যসূচীৰ শনিবাৰে দ্বিতীয় দিনা জিলাখনৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বীৰ লাচিত বৰফুকনৰ জীৱন সম্পৰ্কত ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ২০ নৱেম্বৰত আছে শ্বহীদ বেদী-চাপাগুৰি-অভয়াপুৰী পথত হৰ্ডিং আৰু লাচিত বৰফুকনৰ প্ৰতিচ্ছবি স্থাপন, চাফাই অভিযান, কাকৈজানা সংৰক্ষিত বনাঞ্চলৰ অধীনস্থ ঠাকুৰাণীপাৰাত গছপুলি ৰোপণ, বঙাইগাঁও আৰু উত্তৰ শালমাৰাত ৰক্তদান শিবিৰ, জিলাখনৰ ৫ টা উন্নয়ন খণ্ড এলেকাত স্বাস্থ্য শিবিৰ, চিলাৰায় উৰণ সেতুত আলোকসজ্জা আদি । আনহাতে, ২১ নৱেম্বৰত বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ পৰা চাইকেল ৰেলী, উত্তৰ শালমাৰা মহকুমাধিপতিৰ কাৰ্যালয়ৰ পৰা টাপাট্ৰাৰী উন্নয়ন খণ্ডলৈ বাইক ৰেলী, অভয়াপুৰীত আত্ম-সহায়ক গোটৰ সদস্যৰ মাজত সংগীত আৰু বক্তৃতা প্ৰতিযোগিতা, জিলাখনৰ পাঁচোটা উন্নয়ন খণ্ড কাৰ্যালয় আৰু ৬৫খন গাঁও-পঞ্চায়ত কাৰ্যালয়ত লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম-জয়ন্তী সম্পৰ্কত বিভিন্ন কাৰ্যসূচী, ২২ নৱেম্বৰত বঙাইগাঁও জিলাৰ পাঁচোটা ৰাজহ চক্ৰ সামৰি ১২ টা ব্যস্ত এলেকাত বাটৰ নাট প্ৰদৰ্শন, বৰ্ণগাঁও ষ্টেডিয়ামত স্কুলীয়া ছাত্ৰীৰ মাজত ভলীবল প্ৰতিযোগিতা, স্কুল আৰু কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বেডমিন্টন প্ৰতিযোগিতা, বীৰঝৰা পাব্লিক লাইব্ৰেৰীত বক্তৃতা আৰু দেশপ্ৰেমমূলক গীতৰ প্ৰতিযোগিতা, ২৩ নৱেম্বৰত বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ৰছী টনা, টেকেলি ভঙা আদি থলুৱা খেল, জেঙ্কাঝাৰত থকা ব্ৰেইনট্ৰী আন্তৰ্জাতিক বিদ্যালয় খেলপথাৰত পৰম্পৰাগত ধনু-কাঁড় খেল, অভয়াপুৰী জিলা কাৰাগাৰত সমবেত সংগীত আৰু ভলীবল প্ৰতিযোগিতা, অভয়াপুৰীত জ্যোতি সাংস্কৃতিক অনুষ্ঠানত চিত্ৰাংকন প্ৰতিযোগিতা, বীৰঝৰা পাব্লিক লাইব্ৰেৰীত কুইজ প্ৰতিযোগিতা, জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত সাংস্কৃতিক সন্ধিয়া আৰু ২৪ নৱেম্বৰত ৰাকিং জ'নত মাটিৰ চাকিৰে আলোকসজ্জা তথা ২৫ নৱেম্বৰত প্ৰতিযোগিতাসমূহৰ পুৰস্কাৰ প্ৰদান আৰু নতুন দিল্লীত অনুষ্ঠিত কেন্দ্ৰীয় অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ। কাৰ্যসূচীসমূহত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰা হৈছে।

**মৰিগাঁৱত লাচিত দিৱসৰ দ্বিতীয় দিনাৰ কাৰ্যসূচী সফলতাৰে সম্পন্ন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও ঃ** সুনিপুণ যুদ্ধ কৌশল, প্ৰচণ্ড বুদ্ধিমত্তা আৰু দেশৰ প্ৰতি সমৰ্পিত মনোভাৱেৰে সকলোকে উদ্বেলিত কৰা মহান বীৰ লাচিত বৰফুকনৰ ব্যক্তিত্ব আৰু মহান আদৰ্শক প্ৰজন্মৰ পৰা প্ৰজন্মলৈ বোৱাই নিয়াৰ স্বাৰ্থত অসম চৰকাৰৰ উদ্যোগত আৰম্ভ হোৱা বীৰ যোদ্ধা লাচিত বৰফুকনৰ ৪০০বছৰীয়া জন্ম-জয়ন্তী মৰিগাঁও জিলা প্ৰশাসনেও বৰ্ণিল কাৰ্যসূচীৰে আৰম্ভ কৰিছে। আজি ১৯ নৱেম্বৰৰ দ্বিতীয় দিনা মৰিগাঁও জিলা গ্ৰামোন্নয়ন বিভাগৰ অধীনস্থ ৮৫খন গাঁও পঞ্চায়তত থলুৱা আৰু পৰম্পৰাগত খেল ক্ৰমে এঠেঙীয়া দৌৰ, ৰছী টনা, বেজীত সূতা ভৰোৱা, কুকুৰা যুঁজ, টেকেলী ভঙা খেল সম্পন্ন হয়। মৈৰাবাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত ইন্দিৰা খেলপথাৰ হাতীমূৰীয়া কলনী খেলপথাৰ আৰু মায়ং উন্নয়ন খণ্ডৰ মায়ং আঞ্চলিক ক্ৰীড়া সংস্থাৰ খেলপথাৰত বহুল ভিত্তিত অনুষ্ঠিত কৰা হয় খেলসমূহ। মায়ং আঞ্চলিক খেলপথাৰত আজি পুৱাই উপায়ুক্তৰ দায়িত্বত থকা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ক্ষিতীশ চন্দ্ৰ পেগুৱে খেলৰ শুভাৰম্ভ কৰে। শুভাৰম্ভ কাৰ্যসূচীত অতিৰিক্ত উপায়ুক্ত গৰ্গ মোহন দাস আৰু অৰুন্ধতী নৰহ মিপুনেও অংশগ্ৰহণ কৰে। ৰছী টনা খেলত জিলা প্ৰশাসনৰ ক্ৰমে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ক্ষিতীশ চন্দ্ৰ পেগু, অতিৰিক্ত উপায়ুক্ত গৰ্গ মোহন দাস, অৰুন্ধতী নৰহ মিপুন, মৈত্ৰীয় মৰাণকে ধৰি ৮জনীয়া দলটোৱে ৰছী টনা খেলত অংশ লৈ এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰে। তদুপৰি প্ৰতিখন শিক্ষানুষ্ঠানত লাচিত বৰফুকনৰ ওপৰত ৰচনা প্ৰতিযোগিতা সম্পন্ন হয়। মৰিগাঁও জিলাৰ ২১৩৬খন অংগনবাড়ী কেন্দ্ৰত স্থানীয়ভাৱে নিৰ্মিত পুতলাৰ জৰিয়তে লাচিত বৰফুকনৰ ওপৰত সাধুকথা সম্পন্ন হয়। মৰিগাঁও জিলা প্ৰশাসনে ইয়ে মৰিগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ক্ষিতীশ চন্দ্ৰ পেগুৱে তদাৰক কৰা লাচিত দিৱসৰ দ্বিতীয় দিনাৰ কাৰ্যসূচী সফলতাৰে সম্পন্ন হয়।

**ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বীৰ লাচিত বিষয়ক ৰচনা প্ৰতিযোগিতা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধাৰাপুৰ ঃ** বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম-জয়ন্তীৰ লগত সংগতি ৰাখি তথা অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশনা অনুসৰি আজি কামৰূপ মহানগৰ জিলাৰ আজাৰাৰ ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জয়ন্ত কুমাৰ পাটগিৰিৰ পৰিচালনাত অনুষ্ঠিত হোৱা ৰচনা প্ৰতিযোগিতাখনৰ বিষয়বস্তু আছিল - 'বীৰ লাচিত বৰফুকন'। ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে মুঠ তিনিটা শাখাত অনুষ্ঠিত হোৱা ৰচনা প্ৰতিযোগিতাখনৰ ফলাফল একেদিনাই ঘোষিত হয়। ফলাফল অনুসৰি 'খ' শাখাৰ হৈ অষ্টম শ্ৰেণীৰ মনালিছা বেগমে প্ৰথম স্থান, ষষ্ঠ শ্ৰেণীৰ জিৎ সন্ন্যাসীয়ে দ্বিতীয় স্থান আৰু সপ্তম শ্ৰেণীৰ মনচিছা চুলতানাই তৃতীয় স্থান লাভ কৰে। 'গ' শাখাৰ ফলাফল অনুসৰি দশম শ্ৰেণীৰ হীৰামণি বেগমে প্ৰথম স্থান, নৱম শ্ৰেণীৰ গণেশ দেৱনাথে দ্বিতীয় স্থান আৰু দশম শ্ৰেণীৰ নুৰজাহান বেগমে তৃতীয় স্থান লাভ কৰে। আনহাতে, উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ তথা 'ঘ' শাখাৰ হৈ ৰিতুশ্ৰী কুমাৰীয়ে প্ৰথম, নিতা বৰুৱাই দ্বিতীয় আৰু অষ্টমী সিংহই তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয় । ফলাফল ঘোষণাৰ অন্তত বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাধ্যক্ষ ননী মজুমদাৰে প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱা সকলো ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগিতাৰ শলাগ লয়।



## অৰুণাচলৰ গ্ৰীন ফিল্ড

[illegible]

## তিনিশবছৰীয়া মছজিদত

[illegible] গ্ৰহণ কৰে। প্ৰশাসনে প্ৰগতি আৰু উন্নয়নৰ স্বাৰ্থত সকলোৰে সহযোগত তিনিশবছৰীয়া মছজিদটো ভাঙি পেলোৱাৰ বিষয়ে সদৰী কৰে সংবাদ মাধ্যমত।

## ভাৰতীয় ৰে'লৱেই শীঘ্ৰেই

সঁজুলি প্ৰদান কৰিব। যাত্ৰীসকলৰ বাবে ৰে'ল যাত্ৰা অধিক সুবিধাজনক কৰি তুলিবলৈ ভাৰতীয় ৰে'লৱেই এনে পৰিকল্পনা প্ৰস্তুত কৰিছে। এই পৰিকল্পনাই ৰে'লৰ বিলম্ব হ্ৰাস কৰাত সহায় কৰিব। শীতকালত তীব্ৰ কুঁৱলীৰ বাবে ৰে'ল সেৱা বিলম্বিত বা বাতিল হোৱাৰ উদাহৰণ বহু আছে। উত্তৰ-পশ্চিম ৰে'লৱেই ভৱিষ্যতে কুঁৱলীৰ বাবে যিকোনো ৰে'লৰ বিলম্ব পৰিহাৰ কৰাৰ বাবে এটা সমাধান উলিয়াইছে। যিহেতু শীতকালত উত্তৰ ভাৰতীয় ৰে'ল নেটৱৰ্ক আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হয় সেয়ে ৰে'ল কৰ্তৃপক্ষই শীঘ্ৰেই কুঁৱলীবিৰোধী সঁজুলি প্ৰৱৰ্তন কৰিব। এনে সঁজুলিয়ে ৰে'ল দুৰ্ঘটনাও হ্ৰাস কৰিব। ৰে'ল কৰ্তৃপক্ষই অতিৰিক্ত সাৱধানতা অৱলম্বন কৰি আছে, যাতে যাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰিব পৰা যায় আৰু কুঁৱলীপ্ৰৱণ নেটৱৰ্কৰ এলেকাবোৰত ৰে'ল সেৱা ভালদৰে অব্যাহত ৰাখিব পাৰি। যিকোনো ধৰণৰ পৰিস্থিতিত সুৰক্ষিত ৰে'ল পৰিচালনাৰ বাবে সংশ্লিষ্ট অভিযান্ত্ৰিক, সংকেত ব্যৱস্থা, দূৰসংযোগ, বৈদ্যুতিক, যান্ত্ৰিক আৰু সুৰক্ষা বিভাগক নিৰ্দেশনা জাৰি কৰা হৈছে। উত্তৰ-পশ্চিম ৰে'লৱে কৰ্তৃপক্ষই কয় যে উত্তৰ-পশ্চিম ৰে'লৱেত কুঁৱলীপ্ৰৱণ ৰে'ল শাখাবোৰ চিনাক্ত কৰা হৈছে। 'সকলো কুঁৱলী প্ৰভাৱিত ষ্টেচনত দৃশ্যমানতা পৰীক্ষা নিশ্চিত কৰা হৈছে। ইয়াৰ লগতে সকলো ৰে'ল সেৱাৰ লোকো পাইলটসকলক কুঁৱলী সুৰক্ষা সঁজুলি প্ৰদান কৰা হৈছে।' ৰে'লৱে বিষয়া এগৰাকীয়ে কয়। ৮৭৭টা কুঁৱলী সুৰক্ষা সঁজুলি গোট স্থাপন কৰা হৈছে আৰু সেই সকলোবোৰত কুঁৱলীয়ে আৱৰি থকা ৰে'লপথৰ জিপিএছ মেপিং কৰাৰ ব্যৱস্থা আছে।

## লোকসভা নিৰ্বাচনক লৈ

সাংগঠনিক কামকাজেৰে নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা আগবঢ়াই নিয়াৰ বিপৰীতে কংগ্ৰেছেও ভাৰত জোড়ো কাৰ্যসূচীৰে সৰ্বসাধাৰণ লোকৰ মন জয় কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। জানিব পৰা মতে, অসমত লোকসভাৰ মুঠ ১৪ খন আসনত শাসকীয় বিজেপিয়ে ১২ খন আসন জয়লাভৰ বাবে পৰিকল্পনা যুগুত কৰি আগবাঢ়িছে বুলি এক সূত্ৰই জানিবলৈ দিছে। কেইবাটাও ৰণনীতি প্ৰস্তুত কৰি মিত্ৰদললৈ ২ খন আসন এৰি দি ১২ খন আসনত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ লক্ষ্য স্থিৰ কৰাৰ ফলশ্ৰুতিত ইয়াৰে ৫ টাকৈ সংসদীয় সমষ্টিত এইবাৰ নতুন মুখৰ সুযোগ পোৱাৰ সম্ভাৱনা আছে। এইবাৰ নতুন মুখক অগ্ৰাধিকাৰ দি পূৰ্বৰ সাংসদসকলৰ কাম-কাজ আৰু গণভিত্তিৰ বিষয়ে তৃণমূল পৰ্যায়ৰ পৰা চলোৱা সমীক্ষাৰ ভিত্তিত নতুন মুখৰ প্ৰাৰ্থীৰ প্ৰসংগই গুৰুত্ব পাব বুলি সূত্ৰটোৱে জানিবলৈ দিয়াৰ লগতে ইয়াৰ সমান্তৰালভাৱে গুৱাহাটী, ডিফু, যোৰহাট, ডিব্ৰুগড়, তেজপুৰ আৰু লক্ষীমপুৰ সংসদীয় সমষ্টিত প্ৰাৰ্থী সলনি হোৱাৰ সম্ভাৱনা আছে। আনহাতে উল্লিখিত পাঁচটা সমষ্টিত বিজেপিয়ে নতুন মুখৰ প্ৰাৰ্থীক সুযোগ প্ৰদান কৰিব। ইতিমধ্যে সমষ্টিসমূহত গোপনে জনসমীক্ষা আৰম্ভ কৰি বিজেপিয়ে নতুন মুখৰ সন্ধান আৰম্ভ কৰিছে। উজনিৰ বিশেষকৈ ১৪ নং যোৰহাট লোকসভা সমষ্টি এইবাৰ বিজেপিয়ে মিত্ৰদল অগপ-ইউপিপিএলৰ সহযোগত দখল কৰাৰ ব্লু-প্ৰিণ্ট ইতিমধ্যে তৈয়াৰ কৰাৰ সময়তে চৰ্চালৈ আহিছে প্ৰাৰ্থিত্বৰ প্ৰসংগত। সেয়ে, কোনো কাৰণতে পৰাজয়ৰ ৰাজনীতিত বিশ্বাস নকৰা ভাৰতীয় জনতা পাৰ্টিয়ে এইবাৰ কলিয়াবৰ আৰু নগাঁও সংসদীয় সমষ্টিত অসম মন্ত্ৰীসভাৰ এগৰাকী মন্ত্ৰী অথবা সৱল বিধায়ক আৰু এগৰাকী নতুন মুখৰ নেতাক প্ৰক্ষেপ কৰাৰ সম্ভাৱনা প্ৰায় স্পষ্ট হৈছে। ইয়াৰ মাজতে গেৰুৱা দলটোৱে যোৰহাট লোকসভা সমষ্টিত নতুন মুখক প্ৰাধান্য দি উজনিৰ আৱেগ জয়ৰ চিন্তা-চৰ্চা কৰা বুলি বিজেপিৰ ভিতৰচ'ৰাৰ পৰাই ওলোৱা খবৰে খলকনিৰ সৃষ্টি কৰিছে। বিশেষ সূত্ৰে জানিব পৰা মতে, যোৰহাট লোকসভা সমষ্টিত বৰ্তমানৰ সাংসদ তপন কুমাৰ গগৈক নিজা সমষ্টি সোণাৰীবাসীয়ে সমষ্টিটোৰ উন্নয়নৰ স্বাৰ্থত বিধায়ক হোৱাৰ আশা পুহি ৰখাৰ লগতে পৰৱৰ্তী মন্ত্ৰীসভাত এগৰাকী কেবিনেট মন্ত্ৰীৰূপত পোৱাৰ হেঁপাহৰ বাবেই সাংসদ তপন কুমাৰ গগৈৰ পৰিৱৰ্তে সোণাৰী সমষ্টিৰ পৰাই ভিতৰি এগৰাকী নতুন মুখক প্ৰাৰ্থীত্ব প্ৰদানৰ দাবী উত্থাপিত হৈ আহিছে। ইতিমধ্যে বৰ্তমানৰ সাংসদ তপন কুমাৰ গগৈৰ পৰিৱৰ্তে তেওঁৰ গৃহ সমষ্টিৰে বিজেপি এগৰাকী শক্তিশালী যুৱ নেতা লাচিত গগৈয়ে যোৰহাট সংসদীয় সমষ্টিত ব্যাপক মাত্ৰাত সাংগঠনিক কাম-কাজ আৰম্ভ কৰিছে। যিহেতু লাচিত গগৈ বিজেপিৰ অসম প্ৰদেশৰ এগৰাকী ৰাজ্যিক নেতা। তদুপৰি তেওঁৰ গণভিত্তিও যথেষ্ট সৱল। উল্লেখ্য যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থীগৰাকীও সমৰ্পিত এগৰাকী যুৱ নেতা হোৱাটো বিচাৰিছে। তেনেসময়তে লাচিত গগৈৰ বলিষ্ঠ আত্মপ্ৰকাশ লক্ষ্যণীয়। বিশ্বস্তসূত্ৰে জানিব পৰা মতে, লাচিত গগৈয়ে সম্প্ৰতি যোৰহাট সংসদীয় সমষ্টিৰ বিজেপি নেতা-কৰ্মীক সাক্ষাৎ কৰাৰ লগতে বিভিন্ন সমষ্টিত তৃণমূল পৰ্যায়ৰ কাৰ্যকৰ্তাৰ সৈতে মত-বিনিময় কৰাৰ উপৰিও বিৰোধী দলৰ কৰ্মীক বিজেপিত যোগদান কৰাই দলটো শক্তিশালী কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। বিগত কৰোনা মহামাৰীৰ সময়ত বহু লোকক খাদ্য সামগ্ৰী যোগান ধৰি অহাৰ লগতে বান আক্ৰান্ত এলেকাত বন্যাৰ্তক পাৰ্যমানে সহায়ৰ হাত আগবঢ়াই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। শেহতীয়াক বিজেপিৰ সাংগঠনিক কাম-কাজেৰে জ্যেষ্ঠৰ পৰা তৃণমূল পৰ্যায়ৰ কাৰ্যকৰ্তালৈকে সকলোৰে প্ৰিয়ভাজন হোৱা এগৰাকী বলিষ্ঠ কণ্ঠৰ শক্তিশালী যুৱ নেতা লাচিত গগৈয়ে যোৰহাট সংসদীয় সমষ্টিত বিজেপি ভেঁটি অনাগত সময়ত সুদৃঢ় কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি সৰ্বসাধাৰণ ৰাইজৰ মাজত জনপ্ৰিয়তাও অৰ্জন কৰিবলৈ সক্ষম হৈছে। যোৰহাট সংসদীয় সমষ্টিৰ প্ৰতিটো সমষ্টিতে সপ্তাহটোত দুই-তিনিদিনকৈ সুপৰিকল্পিতভাৱে সাংগঠনিক কাম কৰি অহা যুৱ নেতা লাচিত গগৈয়ে বিশেষতঃ বিজেপিক শাসনলৈ অনাত সহায় কৰা বিজেপিৰ প্ৰবীণ কাৰ্যকৰ্তাক সাক্ষাৎ কৰি চৰণ চুই আশীৰ্বাদ আৰু পৰামৰ্শও গ্ৰহণ কৰি আহিছে। বিভিন্ন কাৰ্যপন্থাৰে সৰ্বস্তৰৰ জনতাক আকৰ্ষিত কৰাৰ প্ৰয়াস অব্যাহত ৰখা লাচিত গগৈৰ পক্ষত বিজেপিৰ সমৰ্থকৰ এক সূত্ৰই কয়, এইবাৰ 'লাচিত' নামটোৱেই হ'ব যুঁজৰ আকৰ্ষণ। ইফালে লাচিত গগৈৰ পক্ষত ঠিয় দিছে উজনিৰ কেইবাটাও আগশাৰীৰ জনগোষ্ঠীয় সংগঠন। এনে প্ৰেক্ষাপটত আগন্তুক দিনত লাচিত গগৈ যে সংসদীয় সমষ্টিটোত প্ৰাৰ্থিত্বৰ প্ৰৱল দাবীদাৰ হৈ উঠিব সেয়া নিশ্চিত হৈছে। তাৰ বিপৰীতে লাচিত গগৈয়ে ক্ৰমান্বয়ে জনসমৰ্থন হ্ৰাস পোৱা বৰ্তমানৰ সাংসদ তপন কুমাৰ গগৈৰ স্থলাভিষিক্ত হলে বিজেপিৰ তৃণমূল কাৰ্যকৰ্তাৰ বিশেষ কোনো আক্ষেপ যে নাথাকিব সেয়া সহজে অনুমেয়। উদাহৰণস্বৰূপে যোৰহাট সংসদীয় সমষ্টিৰ অন্তৰ্গত তিতাবৰ বিধান সভা সমষ্টিত বিজেপি যোৰহাট জিলাৰ সভাপতিগৰাকীৰ লবীকেন্দ্ৰীক ৰাজনীতি আৰু সাংসদগৰাকীৰ প্ৰতি উদাসীন মনোভাৱৰ ফলতো সাংসদ গগৈৰ জনপ্ৰিয়তা ক্ৰমান্বয়ে কমি অহা বুলি কৰ্মীসকলে মন্তব্য কৰিছে। আনকি বিজেপি যোৰহাট জিলা সভাপতি হেমন্ত কলিতা দায়িত্বত থকালৈকে তিতাবৰত সাংসদ তপন কুমাৰ গগৈ গণভিত্তি উত্থান যে নহয় সেয়া সহজে অনুমেয়। যিহেতু কংগ্ৰেছৰ দখলত থকা তিতাবৰত এতিয়া বিজেপি যোৰহাট জিলা সভাপতিৰ অনাহক হস্তক্ষেপৰ ফলশ্ৰুতিত বিজেপি সম্প্ৰতি বহুধা বিভক্ত। অনাগত দিনত লাচিত গগৈও যে এনে লবীৰ বাবেই তিতাবৰত লাচিত গগৈৰ দৰে নেতাইও যে গা-কৰি উঠিব নোৱাৰে সেয়া নিশ্চিত। সেয়েহে সাংসদ তপন কুমাৰ গগৈয়ে হওক বা যুৱ নেতা লাচিত গগৈয়ে হওক যোৰহাট জিলাত বিজেপিৰ সভাপতিৰ পদটোত এগৰাকী নতুন সভাপতি অধিষ্ঠিত হলেহে বিজেপিৰ প্ৰতি ক্ৰমশঃ জনসমৰ্থন বৃদ্ধি হ'ব বুলি সৰ্বত্ৰে চৰ্চা চলিছে।

## বৰাক নদী বৰাক উপত্যকাৰ

ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ বুজ লয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক ড্ৰেজিঙকে ধৰি সকলো প্ৰয়োজনীয় ব্যৱস্থা ক্ষিপ্ৰতাৰে গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে, যাতে ৰাষ্ট্ৰীয় জলপথ-২ (ব্ৰহ্মপুত্ৰ) আৰু ১৬ (বৰাক)ত মালবাহী জাহাজৰ মসৃণ চলাচল নিশ্চিত হয়। আজি সৰ্বানন্দ সোণোৱালক সংগ দিয়ে অসম চৰকাৰৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, শিলচৰৰ সাংসদ ডাঃ ৰাজদীপ ৰয়, কৰিমগঞ্জৰ সাংসদ কৃপানাথ মাল্লাহ, উধাৰবন্দৰ বিধায়ক মিহিৰ কান্তিশ্ব'মৰ লগতে ভাৰতীয় অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণ, কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জল পথ মন্ত্ৰালয়ৰ লগতে অসম চৰকাৰৰ উচ্চপদস্থ বিষয়া আৰু বিশেষজ্ঞসকলে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কয়— 'উত্তৰ-পূব ভাৰতৰ নদ-নদী, উপনৈৰ জলপথসমূহত বিভিন্ন সুযোগ-সম্ভাৱনা নিহিত হৈ আছে। অসম তথা উত্তৰ-পূৱত উৎপাদিত বিভিন্ন সা-সামগ্ৰী দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ওচৰ-চুবুৰীয়া ৰাষ্ট্ৰসমূহলৈ প্ৰেৰণৰ এক সহজসাধ্য, ব্যয়সাপেক্ষ মাধ্যম হৈছে অভ্যন্তৰীণ জলপথ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত আমি আমাৰ নদী পথসমূহক উন্নয়নৰ পথ হিচাপে সক্ষম কৰি উত্তৰ-পূৱৰ বুকুলৈ বিশাল সুযোগ-সম্ভাৱনা কঢ়িয়াই অনাৰ দিশত কাম কৰি আছো। নিউ ইণ্ডিয়াৰ বিকাশৰ ইঞ্জিন হিচাপে দেশৰ অৰ্থনৈতিক উন্নয়ন ত্বৰান্বিত কৰাত উত্তৰ-পূৰ্বাঞ্চলৰ ভূমিকা হ'ব সুদূৰপ্ৰসাৰী। আমাৰ জলপথসমূহৰ জৰিয়তে বিশেষকৈ ৰাষ্ট্ৰীয় জলপথ-২ (ব্ৰহ্মপুত্ৰ) আৰু ১৬ (বৰাক)ৰ সম্ভাৱনা উন্মুক্ত কৰি দেশৰ লগতে বিশ্ব বজাৰৰ বাবে বাণিজ্য আৰু অন্যান্য সেৱাৰ সুযোগৰ দুৱাৰ মুকলি কৰাত আমি বিশেষ অগ্ৰাধিকাৰ দিছোঁ আৰু ইয়াৰ বাবে দৃঢ়তাৰে কাম কৰি আছোঁ।' লগতে তেওঁ কয়, 'বৰাক নদী হৈছে বৰাক উপত্যকাৰ জীৱনীশক্তি। এই শক্তিক বৰাক উপত্যকা তথা অসমৰ লগতে দেশৰ হিতৰ বাবে প্ৰয়োগ কৰাৰ দিশত আমি বিভিন্ন পদক্ষেপ হাতত লৈছোঁ। এই পদক্ষেপসমূহে বৰাকৰ আৰ্থ-সামাজিক উন্নয়ন ত্বৰান্বিত কৰাৰ লগতে বেপাৰ-বাণিজ্য, আমদানি-ৰপ্তানিক নতুন গতি দিব।' ভাৰতীয় অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণে বৰাক নদীৰ জলপথৰ সৈতে বদৰপুৰ টাৰ্মিনেলৰ উন্নীতকৰণৰ লগতে ভাৰত-বাংলাদেশ প্ৰট'কল জলপথৰ (কুশিয়াৰা নদী) সৈতে সংগতি ৰাখি কৰিমগঞ্জ টাৰ্মিনেলৰ নৱীকৰণৰ কাম চলাই আছে। বৰাক নদীয়েদি সুচল যাতায়াত বজাই ৰাখিবলৈ প্ৰায় ৪৫ কোটি টকা ব্যয়সাপেক্ষে তিনি বছৰৰ বাবে ভাঙ্গাৰ পৰা বদৰপুৰলৈ বৰাক নদীৰ প্ৰায় ১১ কিঃমিঃ দৈৰ্ঘ্যত ভাৰতীয় ড্ৰেজিং কৰ্প'ৰেচনে ড্ৰেজিঙৰ কাম ৰূপায়ণ কৰিব। কুশিয়াৰা নদীৰ ন' মেনছ লেণ্ডত হাইড্ৰ'গ্ৰাফিক জৰীপ চলিত বৰ্ষৰ অক্টোবৰৰ শেষ সপ্তাহত ভাৰতীয় অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণ আৰু বাংলাদেশ চৰকাৰৰ বিআইডব্লিউটিএ-ৰ যুটীয়া দলে ইতিমধ্যে সম্পন্ন কৰিছে।

## ২০ বছৰত লোকচান ৯০০

বাবে অপহৰণ কৰি সংগ্ৰহ কৰা বৃহৎ পৰিমাণৰ ধনেৰে সন্ত্ৰাসবাদ অব্যাহত আছে বুলি তেওঁ কয়। এক পৰিসংখ্যা অনুসৰি প্ৰতি বছৰে সন্ত্ৰাসবাদীৰ হাতলৈ যোৱা ধনৰ পৰিমাণ হৈছে বিশ্বব্যাপী জিডিপিৰ ২-৫ শতাংশ। আনহাতে, বিশ্বব্যাপী সন্ত্ৰাসবাদীয়ে ড্ৰাগছ সৰবৰাহ কৰি গোটাইছে প্ৰায় ৩২ বিলিয়ন আমেৰিকান ডলাৰ। বিগত বছৰবোৰত সন্ত্ৰাসবাদৰ বাবে বিশ্ব অৰ্থনীতিয়ে যথেষ্ট মূল্য ভৰিবলগীয়া হৈছে। ২০১৯ বৰ্ষৰ পৰা সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে বিশ্বই ৯০০ বিলিয়ন ডলাৰ হেৰুৱাইছে। আটাইতকৈ ডাঙৰ লোকচান আছিল ২০১৪ চনত। সেই সময়ত আইছিছ সক্ৰিয় হৈ আছিল। ইৰাক আৰু চিৰিয়াৰ অঞ্চলবোৰ আইছিছে দখল কৰিছিল। বিশ্বৰ অৰ্থনীতি ক্ষতিগ্ৰস্ত হোৱাৰ লগে লগে সন্ত্ৰাসবাদী গোটবোৰ অধিক সমৃদ্ধ হৈ পৰিল। ফৰ্বছৰ এক প্ৰতিবেদন অনুসৰি ২০১৬ চনত আইছিছৰ বাৰ্ষিক টাৰ্ণঅ'ভাৰ আছিল ২ বিলিয়ন মাৰ্কিন ডলাৰ, আনহাতে, হামাছে প্ৰতি বছৰে ১ বিলিয়ন মাৰ্কিন ডলাৰ উপাৰ্জন কৰিছিল। আন কিছুমান সন্ত্ৰাসবাদী গোটে ২০১৬ৰ পৰা ২০১৮ৰ ভিতৰত তেওঁলোকৰ উপাৰ্জন দুগুণ কৰিছিল। উদাহৰণ স্বৰূপে, হিজবুল্লাৰ বাৰ্ষিক টাৰ্ণঅ'ভাৰ ৫০০ মিলিয়ন ডলাৰৰ পৰা ১.১ বিলিয়ন ডলাৰলৈ, তালিবানৰ ৪০০ মিলিয়ন ডলাৰৰ পৰা ৮০০ মিলিয়ন ডলাৰলৈ আৰু আল কায়দাৰ মাত্ৰ দুবছৰত ১৫০ মিলিয়ন ডলাৰৰ পৰা ৩০০ মিলিয়ন ডলাৰলৈ বৃদ্ধি পাইছিল। আফ্ৰিকা ইছলামিক সন্ত্ৰাসবাদৰ আন এক কেন্দ্ৰ হৈ পৰিছে। বকো হাৰাম, আল চাবাব আৰু আইছিছৰ বিভিন্ন শাখাই বৃহৎ অঞ্চল দখল কৰিছে, যাৰ ফলত চৰকাৰী বাহিনী আৰু অসামৰিক লোক ব্যাপক হাৰত হতাহত হৈছে। এই সকলোবোৰ গোটে অপহৰণ, ড্ৰাগছ সৰবৰাহ আৰু অনুদানৰ পৰা ধন উপাৰ্জন কৰিছে। ২০২০ আৰু ২০২১ চনত আফগানিস্তানত সন্ত্ৰাসবাদৰ ফলত ২,৬৭৮জন লোকৰ মৃত্যু ঘটিছে। তাৰ পিছতে আছিল বুৰ্কিনা ফাছো (১,৩৯০), ছোমালিয়া (১,২৬৫), মালি (১,২৪০) আৰু নাইজাৰ (৮৪৫)। এই দেশবোৰে বিশ্ব সন্ত্ৰাসবাদ সূচকতো উচ্চ স্থান লাভ কৰিছে। আফগানিস্তানে ৯.১১ নম্বৰৰ সৈতে তালিকাৰ শীৰ্ষত আছে, তাৰ পিছত আছে ইৰাক (৮.৫১) আৰু ছোমালিয়া (৮.৪)।

## হত্যাকাৰী আফতাবৰ শৰীৰত

তথ্য উদ্‌ঘাটন কৰে। হত্যাকাৰী আফতাবৰ ক্ষেত্ৰতো এই ব্যৱস্থা গ্ৰহণ কৰে আৰক্ষীয়ে।

## লাচিত বৰফুকন মোৰ স্বদেশৰ

বাস্তৱ প্ৰতিচ্ছবিও দাঙি ধৰিছে।

বোধহয় কবি দেৱকান্ত বৰুৱাৰ এই বিখ্যাত কবিতাটিৰ সোৱাদ নোলোৱাকৈ থকা অসমীয়া খুব কমেইহে ওলাব। অসম আৰু অসমীয়াৰ বাবে আহোমৰ ৰাজত্বৰ সময়ত লাচিত বৰফুকনে নিজৰ জন্মভূমিৰ বাবে আগবঢ়োৱা বলিদান অসমৰ ইতিহাসত চিৰদিন স্বৰ্ণিল আখৰেৰে উজলি থাকিব। এয়া নিতান্তই সত্য আৰু বাস্তৱ কথা। পিছে বিগত সময়ত এইগৰাকী বীৰ পুৰুষৰ বিষয়ে যি ধৰণে চিন্তা-চৰ্চা নতুবা আলোচনা-পৰ্যালোচনাৰ প্ৰয়োজন আছিল সেয়া নিশ্চয় হোৱা নাই। এই কথাও ন দি উল্লেখ কৰিব পাৰি। সাম্প্ৰতিক সময়ত অসম চৰকাৰে উদ্যোগ লৈ তেখেতৰ চাৰিবছৰীয়া জন্ম-জয়ন্তী উদ্‌যাপনৰ ব্যৱস্থা কৰি শিক্ষাৰ্থীৰ পৰা সাধাৰণ নাগৰিকলৈ সকলোকে জড়িত কৰিবলৈ গ্ৰহণ কৰা পদক্ষেপ সঁচাকৈয়ে আদৰণীয় হৈছে।

ইতিহাসপ্ৰসিদ্ধ শৰাইঘাট। অপূৰ্ব প্ৰাকৃতিক সৌন্দৰ্য আৰু সম্পদেৰে ভৰপূৰ বৰ অসমলৈ দিল্লীৰ শাসনৰ গাদীত বহি থকা মোগল সম্ৰাটসকলৰ লোভ বহুত বেছি আছিল। সেই কাৰণেই বোধহয় দেশৰ ইতিহাসত মোগলে সোতৰবাৰ অসম আক্ৰমণ কৰাৰ তথ্য পোৱা যায়। সেই সময়ত অসমৰ শাসনৰ গাদীত উপৱিষ্ট আহোম স্বৰ্গদেউসকলে যিমান পাৰে মোগলৰ আক্ৰমণক প্ৰতিহত কৰিবলৈ যত্নপৰ হৈছিল যদিও তাৰ মাজতে অসম আক্ৰমণকাৰী মোগলে অসমৰ গুৱাহাটী পৰ্যন্ত অধিকাৰ কৰাৰ ক্ষেত্ৰত সফলো হৈছিল। অসমৰ পৰা ধন-সোণ লগতে ৰমণী গাভৰুকে ধৰি হাতী-ঘোঁৰা পৰ্যন্ত মোগল সম্ৰাটলৈ পঠাব লগা পৰিস্থিতিও হৈছিল আহোম স্বৰ্গদেউৰ। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ মৃত্যুৰ পিছত অসমৰ সিংহাসনত উপৱিষ্ট হোৱা স্বৰ্গদেউ চক্ৰধ্বজ সিংহই মোগলৰ পৰা অসম উদ্ধাৰ কৰাৰ পণ লৈ উপযুক্তভাৱেই বীৰ লাচিত বৰফুকনক প্ৰধান সেনাপতি পদত নিযুক্তি দিছিল। লাচিত বৰফুকনেও স্বৰ্গদেউৰ আশা-ভৰসাক আগ কৰি লৈ প্ৰথম প্ৰচেষ্টাতেই ইটাখুলিৰ ৰণত জয়লাভ কৰাৰ লগতে মোগলৰ পৰা গুৱাহাটীৰ দুৰ্গক উদ্ধাৰ কৰি মোগলৰ বিপদ ঘণ্টা বজাই দিছিল। তাৰ পিছত মোগলৰ লগত হোৱা আলাবৈৰ ৰণত পৰাজিত হোৱাৰ লগতে একেদিনাই আহোমৰ প্ৰায় দহ হাজাৰ সৈন্য নিধন হৈছিল। ইয়াৰ পিছত পুনৰ অসম আক্ৰমণ কৰিবলৈ মোগল সম্ৰাট ঔৰংগজেৱে ৰামসিংহৰ নেতৃত্বত সৈন্য বাহিনী প্ৰেৰণ কৰিছিল। এই মোগল সৈন্যৰ লগত হোৱা যুদ্ধখনেই সলনি কৰি দিছিল অসমৰ ভাগ্য। মহাবীৰ লাচিত বৰফুকনৰ নেতৃত্বত ১৬৭১ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহত সংঘটিত হোৱা মোগলৰ বিৰুদ্ধে জয়লাভ কৰা এইখন যুদ্ধই আছিল বিখ্যাত শৰাইঘাটৰ যুদ্ধ। এই শৰাইঘাটৰ যুদ্ধত লাচিত বৰফুকনৰ যুদ্ধক্ষেত্ৰত জয়লাভ কৰাৰ আঁৰত থকা তেখেতৰ নিপুণতা বাৰুকৈয়ে প্ৰকাশ হৈছিল। সূক্ষ্ম দৃষ্টিভংগীৰে লক্ষ্য কৰি লাচিত বৰফুকনে অনুধাৱন কৰিছিল যে মোগলৰ সৈন্যবাহিনী স্থলপথৰ যুদ্ধত পাকৈত যদিও জলপথৰ যুদ্ধত বিশেষ পাকৈত নহয়। যিটো কাৰণত তেখেতে একে ৰাতিৰ ভিতৰত স্থলপথৰ যুদ্ধৰ উৎসবোৰ বন্ধ কৰিবলৈ গড় নিৰ্মাণ কৰিছিল বুলি ভাবিবৰ থল আছে। কিছুসংখ্যক তথাকথিত ইতিহাসবিদে কাল্পনিক চৰিত্ৰ বুলি ঠাৱৰ কৰিব বিচৰা এই বিখ্যাত শৰাইঘাটৰ যুদ্ধৰ লাচিত বৰফুকনৰ অন্যতম পালি সেনাপতি বাঘ হাজৰিকা ওৰফে ইছমাইল চিদ্দিকীৰ সহযোগিতাও অন্যতম আছিল। এইগৰাকী পালি সেনাপতিয়ে মোগলৰ সৈন্যসকলে প্ৰাৰ্থনাত ব্যস্ত থকাৰ সময়ত মনে মনে গৈ মোগলৰ হিলৈবোৰত পানী ঢালি থৈ আহি সেইবোৰ নিষ্ক্ৰিয় কৰি পেলাইছিল বুলিও বিভিন্ন গ্ৰন্থত উল্লেখ আছে।

অসমৰ ইতিহাসৰ অন্যতম এগৰাকী দেশপ্ৰেমিক প্ৰধান সেনাপতি লাচিত বৰফুকনক অসমীয়াসকলে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা বুলি নিচিন্ত মনে দাবী কৰিব নোৱাৰো। কাৰণ দোমোজাৰ কবি দেৱকান্ত বৰুৱাই তেখেতৰ 'লাচিত ফুকন' নামৰ কবিতাটিত আক্ষেপেৰে অসমীয়া জাতিৰ অৱক্ষয়ৰ কথা লাচিত বৰফুকনলৈ বুলি উল্লেখ কৰি কৈছে— 'দেশৰ বাতৰি শুনিবানে বীৰ ? নিদিওঁ তোমাক ফাঁকি, তোমাৰ অসম নাই আৰু আজি জঁকাটোহে তাৰ বাকী'।

অসমীয়া আৱেগিক জাতি বুলি বহুতে উল্লেখ কৰি নিজে দোষৰ পৰা হাত সাৰিব বিচাৰে। তেওঁলোকে প্ৰমাণ হিচাপে উল্লেখ কৰে ছশবছৰীয়া অসম আন্দোলনৰ প্ৰসংগ। আন্দোলন হ'ল, অসম চুক্তি হ'ল, আন্দোলনৰ নেতৃত্বৰ ওপৰত অসমৰ জনতাই শাসনৰ দায়িত্ব ভাৰ অৰ্পণ কৰি অসম চুক্তি ৰূপায়ণৰ সুযোগ দিলে, এবাৰ নহয় দুবাৰকৈ। পিছে ঐতিহাসিক অসম আন্দোলনৰ মূল বিষয়বস্তু বিদেশী নাগৰিকৰ সমস্যা, আজিকোপতি সমস্যা হৈয়েই থাকিল। এই সমস্যাটি সাম্প্ৰতিক সময়ত ৰাজনীতিকৰণ হৈ গ'ল।

দেশে স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা ভাৰতবৰ্ষৰ এখন অন্যতম ৰাজ্য হিচাপে অসমৰ শাসনৰ গাদী বহুতো ৰাজনৈতিক দলে দখল কৰিলে। সেইবোৰ উল্লেখ কৰিবলৈ গ'লে প্ৰধানকৈ ভাৰতীয় জাতীয় কংগ্ৰেছ, জনতা দল, অসম গণ পৰিষদ আৰু ভাৰতীয় জনতা পাৰ্টীৰ নামেই তালিকাত আহিব।

ৰাজনীতিৰ জৰিয়তে দেশৰ সেৱা কৰিব বিচৰাসকলো যেন সময়ত নিজৰ লক্ষ্য আৰু উদ্দেশ্যৰ মূল পটভূমিত থিয় হৈ থাকিব নোৱাৰে।

মূল্যবৃদ্ধি, তীব্ৰ সাম্প্ৰদায়িকতাবাদ, হত্যা, ধৰ্ষণ ইত্যাদিৰ পৰিৱেশৰ মাজতো বহুতো উন্নয়ন হৈছে। কিন্তু সাধাৰণ জনতাৰ মাজতো স্থাপন হোৱা পাৰস্পৰিক অবিশ্বাসৰ পৰিৱেশটোৱে যেন ক্ৰমান্বয়ে গা কৰি আহিছে। সম্প্ৰীতিৰ বাণীৰে অসমক মহীয়ান কৰা শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ আৰু আজান ফকিৰ চাহেবৰ অসমত এচাম তথাকথিত লোকে বিভিন্ন ধৰ্মৰ সম্পৰ্কত বিতৰ্কিত মন্তব্য কৰি অসমীয়া সমাজখনক ভাগ ভাগ কৰিব বিচাৰে যিবোৰ কথা সঁচাকৈয়ে অসহনীয়।

অসমীয়া জাতীয়তাবাদৰ প্ৰবক্তা বুলি ভবা লোক তথা দল-সংগঠনবোৰৰ এইক্ষেত্ৰত বহুত কৰণীয় আছে বুলি ভাবিব পাৰি। অসম প্ৰাকৃতিক সৌন্দৰ্য তথা সম্পদত সমৃদ্ধিশালী হোৱাৰ দৰে মাতৃভূমিৰ হৈ আত্মবলিদান দিয়া বীৰ-বীৰাংগনাৰেও সমৃদ্ধিশালী। এইক্ষেত্ৰত বীৰ লাচিত বৰফুকনক বাটকটীয়া বুলি নিশ্চয়কৈ উল্লেখ কৰিব পাৰি। অসমৰ এই দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান তথা সচেতন ব্যক্তিসকলে প্ৰচেষ্টা হাতত লৈ এই অসমীয়া জাতিৰ গৌৰৱ বীৰ-বীৰাংগনাসকলৰ জীৱন আৰু কাৰ্যাৱলীৰ চৰ্চা কৰাৰ ব্যৱস্থা কৰিব লাগে। এয়া নিতান্তই জৰুৰী বিষয়। বিশেষকৈ অসম চৰকাৰে উদ্যোগ লৈ উদ্‌যাপনৰ ব্যৱস্থা কৰা চাৰিশবছৰীয়া লাচিত বৰফুকনৰ জন্ম-জয়ন্তীৰ সকলো কাৰ্যক্ৰমণিকাতে অসমৰ প্ৰতিজন নাগৰিকে যোগদান কৰিব লাগে। তেতিয়াহে বীৰ লাচিত বৰফুকন কেৱল অসমতে কিয় ভাৰত তথা বিশ্ব ইতিহাসৰ এৰাব নোৱৰা চৰিত্ৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰিব।

*ফোন ঃ ৮৬৩৮৩-১২৭০৭*

## ভাগিনৰ মৰমত দেউলীয়া হৈ

লৈছিল। সেই সময়ত মৰঙিয়াল গাঁৱৰ ঘৰ-বাৰী বন্ধকত থৈ গেৰাণ্টাৰ হৈছিল মোমায়েক ৰাহেব খান। য়াকুবে বৰবজাৰত থকা খান ৰেষ্টুৰেণ্ট নামৰ হোটেলৰ ব্যৱসায়ৰ নামত লৈছিল ঋণ। পিছে, বেংকৰ পৰা লোণ লোৱাৰ পিছৰে পৰা এটাও কিস্তি পৰিশোধ নকৰিলে য়াকুব খানে। ফলত বিজয়া বেংকে মোমায়েক ৰাহেব খানৰ ঘৰ-বাৰী বাজেয়াপ্ত কৰাৰ সকীয়নিৰে জাননী প্ৰেৰণ কৰিলে। ইয়াৰ পিছতে ৰাহেব খানে ভাগিন য়াকুব খানক বেংকৰ ঋণ পৰিশোধ কৰাৰ বাবে অনুৰোধ কৰিবলৈ আহোতে ওলোটাই য়াকুবে বিজেপিৰ মন্ত্ৰী-বিধায়কৰ ধমক দি অপদস্থ কৰি খেদি পঠিয়ায়। ভাগিনৰ এই দুৰ্ব্যৱহাৰত মানসিকভাৱে ভাগি পৰি ৰাহেব খানে বৃহস্পতিবাৰে নিজা বাসগৃহত বিষপান কৰি আত্মহত্যাৰ চেষ্টা চলায়। লগে লগে পৰিয়ালৰ লোকে ৰাহেব খানক নগাঁৱৰ এখন ব্যক্তিগত নাৰ্ছিংহোমত ভৰ্তি কৰায় যদিও সেইদিনাই বিয়লি তেওঁৰ মৃত্যু হয়। ইপিনে, মোমায়েকৰ মৃত্যুৰ পিছৰে পৰা পলাতক হৈ আছে য়াকুব খান নামৰ বিজেপিৰ পালিনেতাজন। ইতিমধ্যে ৰাহেব খানৰ পৰিয়ালৰ এজাহাৰৰ ভিত্তিত নগাঁও সদৰ থানাত য়াকুব খানৰ বিৰুদ্ধে গোচৰ ৰুজু হৈছে।

## বিটিআৰৰ ট্ৰাইবেল বেল্ট

অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি এবছুৰ নেতাগৰাকীয়ে আৰু কয়- ৰাইজৰ সহযোগত আজি বিটিআৰ হৈছে। ২০২০ চনৰ ২৭ জানুৱাৰীত বিটিআৰ চুক্তিৰ পিছতে বড়ো ভাষাই সাংবিধানিক স্বীকৃতি লাভ কৰে। বৰ্তমান আমাৰ নিজৰ মাতৃভাষা বড়ো, দ্বিতীয় ইংৰাজী, তৃতীয় হিন্দী আৰু চতুৰ্থতে অসমীয়া ভাষা লাভ কৰিছো। এই চুক্তিৰ জৰিয়তে এনডিএফবি গোচৰবোৰ উঠাই লোৱাৰ লগতে ৪০জন কেডাৰক পাঁচ লাখকৈ আৰ্থিক অনুদান দিয়াৰ লগতে পাঁচশ কেডাৰক পাঁচ লাখ আৰু এটা চাকৰি দিয়াৰ বাবে যাৱতীয় কাম কৰি থকা হৈছে। তদুপৰি বিটিআৰ এলেকাৰ ট্ৰাইবেল বেল্টৰ পৰা কোনোদিনে গাঁও কৰ্তন নহয়। তাত এজন বড়ো লোক থাকিলেও সেইখন গাঁও বিটিআৰতে থাকিব বুলিও ন দি কয় এবছুৰ নেতা বসুমতাৰীয়ে। ভাষণত এবছুৰ নেতাগৰাকীয়ে ২০২৪ চনৰ ভিতৰত যদি বিটিআৰ চুক্তি প্ৰতিটো দফা চৰকাৰে কাৰ্যকৰী নকৰে তেনেহ'লে এবছুৱে সেই চুক্তি ৰূপায়ণৰ বাবে পুনৰ আন্দোলনৰ পন্থা গ্ৰহণ কৰিব বুলি কয়। এবছুৰ বাক্সা জিলা সমিতিৰ সভাপতি উমেশ দৈমাৰীয়ে মুকলি সভা উদ্বোধন কৰি দিয়া ভাষণত অভিভাৱক সমাজক নিজৰ সতি-সন্ততিক গুণগত শিক্ষাৰে শিক্ষিত কৰি তুলিবলৈ আহবান জনায়। এবছুৰ গোৰেশ্বৰ আঞ্চলিকৰ বিদায়ী সভাপতি মিলেঅ'নিয়াৰ বড়োৰ পৰিচালনাত অনুষ্ঠিত সভাত মুখপত্ৰ 'সমনী সায়খং' উন্মোচন কৰে প্ৰাক্তন এবছু নেতা দ্বিপেন নাৰ্জাৰীয়ে। ৰূপম বসুমতাৰীয়ে আঁত ধৰা মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সদৌ বাথৌ মহাসভাৰ সাধাৰণ সম্পাদক গণেশ দৈমাৰীয়ে বাথৌ ধৰ্ম প্ৰচাৰত লোৱা কাৰ্যাৱলীৰ বিষয়ে বহলাই ব্যাখ্যা কৰে। বাগৰুম্বা, খেৰাই আদি জনজাতীয় নৃত্য-গীত-মাতে জীপাল কৰি তোলা মুকলি সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে গোৰেশ্বৰ মহাবিদ্যালয়ৰ অধ্যক্ষ উমেশ বড়ো, বড়ো সাহিত্য সভাৰ বিষয়ববীয়া বৰুৱাকান্ত ব্ৰহ্ম, বাপু ৰাম বড়ো, কৃষ্ণ দাস স্বৰ্গীয়াৰী, প্ৰবীণ বসুমতাৰী, প্ৰাক্তন এবছু নেতা সদানন্দ বড়ো, ফুংখা দৈমাৰী, প্ৰবীণ বসুমতাৰী, সুজিত বসুমতাৰী, অৰুণ ৰয়, খৰ্গেশ্বৰ বড়ো আদি। সন্ধিয়া ৬.৩০ বজাত বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে গোৰেশ্বৰ পৰিষদীয় সমষ্টিৰ এম চি এল এ পৱিত্ৰ কুমাৰ বড়োৱে। আনহাতে, আজি পুৱা মলেঅ'নিয়াৰ বড়োৱে পতাকা উত্তোলন কৰাৰ পিছতেই শ্বহীদ তৰ্পণ আৰু গছপুলি ৰোপণ কৰে ক্ৰমে মানৰ চন্দ্ৰ বড়ো, হাংগামা নাৰ্জাৰীয়ে। কালি দুপৰীয়া গবিন্দ বসুমতাৰীয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কবিতা আবৃত্তি প্ৰতিযোগিতা উদ্বোধন কৰাৰ পিছতে আকস্মিক বক্তৃতা প্ৰতিযোগিতা উদ্বোধন কৰে উত্তম বড়োৱে। দুপৰীয়াৰ পৰা লক্ষ্যধৰ বড়োৰ পৰিচালনাত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। উক্ত প্ৰতিনিধি সভাত আগন্তুক ২০২৩-২৪ বৰ্ষৰ বাবে মানৰ চন্দ্ৰ বড়োক সভাপতি, হেমেন নাৰ্জাৰী আৰু ৰূপম বসুমতাৰীক উপ-সভাপতি, জিতেন বড়োক সাধাৰণ সম্পাদক, বিক্ৰম বড়োক সহঃ সম্পাদক, দনেন্দ্ৰ বড়োক শিক্ষা আৰু ৰঞ্জিত কুমাৰ বড়োক সাংস্কৃতিক সম্পাদক হিচাপে লৈ এখন ২৭জনীয়া সমস্যৰে গোৰেশ্বৰ আঞ্চলিকখন গঠন কৰা হয়।

## তথ্য বিভ্ৰাটত বীৰ লাচিত

অসমবাসীক উদ্বিগ্ন কৰি তুলিছে। বীৰজনাৰ বিষয়ে ৰচনা লিখিবলৈ গৈ বিবুধিত পৰিছে ছাত্ৰ-ছাত্ৰী। প্ৰকৃততে বীৰজনাৰ জন্ম চনটো খেলিমেলি হোৱাত সকলোৰে বিভ্ৰান্তি হোৱা পৰিলক্ষিত হৈছে। বুৰঞ্জী আৰু গুগুলত উপলব্ধ তথ্যই এতিয়া সকলোকে বিপাঙত পেলাইছে। প্ৰকৃততে বীৰজনাৰ ওপজা চন কি। নৱম-দশম শ্ৰেণীৰ পাঠ্যপুথিত উল্লেখ আছে বীৰজনাৰ জন্ম হৈছিল ১৬১২ চনত। একেদৰে তেওঁৰ জন্মৰ তাৰিখ বা স্থান জনা নাযায় বুলি উল্লেখ আছে। যদি এই তথ্য শুদ্ধ হয় তেনেহ'লে বীৰজনাৰ ৪১০সংখ্যক জন্ম-জয়ন্তী হ'ব। আনহাতে, গুগুলত উপলব্ধ তথ্য মতে বীৰ লাচিতৰ জন্ম ১৬২২ চনৰ ২৪ নৱেম্বৰত। চৰকাৰে সম্ভৱত গুগুলৰ তথ্যৰ আধাৰত ৪০০সংখ্যক জন্ম-জয়ন্তী উদ্‌যাপনৰ বাবে ৰাজ্যৰ লগতে দেশৰ বিভিন্ন স্থানত প্ৰচাৰ চলাইছে বীৰজনাৰ জন্ম-জয়ন্তী উদ্‌যাপনৰ বিষয়ে। চৰকাৰে ১৮ নৱেম্বৰত অসম আৰক্ষীৰ দ্বাৰা বেণ্ড পৰিৱেশন কৰে। ১৯ নৱেম্বৰত বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজন কৰিছে ৰচনা প্ৰতিযোগিতা। ২০ নৱেম্বৰত যোৰহাটৰ লাচিত মৈদাম প্ৰেক্ষাগৃহত লাচিত মৈদাম স্মাৰক আৰু সাংস্কৃতিক প্ৰকল্পৰ বাবে অধিগ্ৰহণ কৰা ভূমিৰ ক্ষতিপূৰণ আনুষ্ঠানিকভাৱে বিতৰণ অনুষ্ঠান। ৰাজ্যখনৰ লগতে নতুন দিল্লীৰ বিজ্ঞান ভৱনত লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-জয়ন্তীৰ কেন্দ্ৰীয় অনুষ্ঠান। ২৩ নৱেম্বৰত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন, ২৪ নৱেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু ২৫ নৱেম্বৰত অংশগ্ৰহণ কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। কিন্তু এতিয়া সমস্যা হৈছে ছাত্ৰ-ছাত্ৰীৰ লগতে অসমবাসীৰ বাবে বীৰজনাৰ প্ৰকৃত জন্ম চন কেতিয়া।

## ঊষা মংগেশকাৰলৈ 'ড°



বঁটা প্ৰদান কৰিব। আজি অসম সাহিত্য সভাৰ গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ ৰাধাগোবিন্দ বৰুৱা সোঁৱৰণি সভাকক্ষত সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই এখন সংবাদ মেলত এই কথা সদৰি কৰে। উল্লেখ্য, নুমলীগড় শোধনাগাৰ লিমিটেডৰ সহযোগত ২০১৩ খ্ৰীষ্টাব্দৰ পৰা প্ৰত্যেক দুবছৰৰ মূৰে মূৰে এই বঁটা প্ৰদান কৰি অহা হৈছে। এই বছৰো নুমলীগড় শোধনাগাৰ লিমিটেডৰ সহযোগত এই বঁটা প্ৰদানৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। প্ৰণিধানযোগ্য যে ড° ভূপেন হাজৰিকা আন্তৰ্জাতিক সমন্বয় বঁটা-২০২২-ৰ নিৰ্বাচনৰ বাবে অসম সাহিত্য সভাই এখন নিৰ্বাচনী সমিতি গঠন কৰি দিছিল। এই নিৰ্বাচনী সমিতিয়ে কেবাগৰাকী স্বনামধন্য শিল্পীক বঁটাৰ বাবে মনোনয়ন দিছিল। কিন্তু শেষ মুহূৰ্তত হিন্দী, মাৰাঠী, কানাড়া, নেপালী, ভোজপুৰী, গুজৰাটী আৰু অসমীয়া ভাষাৰ গীততো কণ্ঠদান কৰি সমন্বয়ৰ বাৰ্তা কঢ়িয়াই অনা আৰু ড° ভূপেন হাজৰিকাৰ লগত সুসম্পৰ্ক থকা প্ৰখ্যাত গায়িকা ঊষা মংগেশকাৰকেই এই বঁটাৰ বাবে নিৰ্বাচন কৰা হয়। প্ৰসংগতে উল্লেখ্য, অসম সাহিত্য সভাই ড° ভূপেন হাজৰিকা আৰু ড° মামণি ৰয়চম গোস্বামীৰ পৱিত্ৰ সোঁৱৰণত নুমলীগড় শোধনাগাৰ লিমিটেডৰ সহযোগত ড° ভূপেন হাজৰিকা আন্তৰ্জাতিক সমন্বয় বঁটা আৰু ড° ইন্দিৰা গোস্বামী (মামণি ৰয়চম গোস্বামী) আন্তঃৰাজ্যিক সমন্বয় বঁটা প্ৰদান কৰি আহিছে। ড° ভূপেন হাজৰিকা আন্তৰ্জাতিক সমন্বয় বঁটা লাভ কৰা প্ৰখ্যাত ব্যক্তিসকল হ'ল— লুবনা মৰিয়ম (বাংলাদেশ-২০১৩), অদূৰ গোপালকৃষ্ণ (কেৰেলা-২০২৫), প্ৰসন্ন ভিঠানাগে (শ্ৰীলংকা-২০১৭) আৰু এৰিক খু (ছিংগাপুৰ-২০১৯)।

## তৃতীয়বাৰৰ বাবে চীনৰ

অৱনতি ঘটিছে। এনে সময়তে তৃতীয়বাৰৰ বাবে চীনৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈছে ঝি জিনপিং। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে জিনপিঙে অলপতে ইণ্ডোনেছিয়াৰ বালিত নৈশ ভোজো কৰিছে। কিন্তু কোনো এখন দেশেই সীমান্ত সমস্যাৰ সমাধান উলিয়াবলৈ সক্ষম হোৱা নাই। দুয়োখন ৰাষ্ট্ৰৰ মাজত উত্তেজনাৰ অন্তঃপ্ৰবাহ বৈ আছে। ২০২০ চনত গালোৱান সংঘৰ্ষৰ দুবছৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিঙৰ মাজত দ্বিপাক্ষিক বৈঠক হোৱা নাছিল। শেহতীয়া জি-২০ সন্মিলনত তেওঁলোকে মুখামুখি বাৰ্তালাপ কৰিছে। কিন্তু সেয়া আছিল এটা চমু বাৰ্তালাপ। যিহেতু জিনপিঙে তৃতীয় কাৰ্যকালৰ বাবে চীনা ৰাষ্ট্ৰপতি হিচাপে পুনৰ শাসনৰ বাঘজৰী হাতত লৈছে, সেয়ে ভাৰত আৰু চীনৰ বাবে সীমান্ত বিবাদ সম্পৰ্কে স্থায়ী সমাধানত উপনীত হোৱাটো তেওঁৰ বাবে গুৰুত্বপূৰ্ণ হৈ পৰিব। সীমান্তত চীনৰ নিৰ্মাণ প্ৰকল্পসমূহে ইতিমধ্যে ভাৰতৰ অঞ্চলসমূহত আগ্ৰাসনৰ পৰিৱেশ গঢ়ি তুলিছে। জিনপিঙে গোলকীয় মঞ্চত চীনৰ প্ৰভাৱ বিস্তাৰ কৰাৰ উচ্চাকাংক্ষা পোষণ কৰি আহিছে আৰু তেওঁৰ পৰিকল্পনাবোৰ সফল কৰিবলৈ আৰু ৫ বছৰৰ বাবে ক্ষমতা গোটাই লৈছে । ফ্ৰীডম গেজেটৰ মুখ্য সম্পাদক মহম্মদ জিশান আৰু লী কুয়ান য়ু স্কুল অৱ পাব্লিক পলিচীৰ গৱেষণা সহযোগী বায়ৰণ চোঙে কয় যে গালোৱান সংঘৰ্ষক ঝিৰ ভাৰতীয় ভূখণ্ড আক্ৰমণৰ অংশ বুলি বৰ্ণনা কৰে। তেওঁ এইবুলি ব্যাখ্যা কৰে যে ভাৰত আৰু চীনৰ মাজত হোৱা আলোচনাই গালোৱানৰ পূৰ্বৰ স্থিতি পুনৰুদ্ধাৰ কৰাৰ সম্ভাৱনা নাই। ঝিৰ হিমালয়ৰ ৰণনীতিৰ বিষয়ে তেওঁ কয়— 'ঝিৰ হিমালয়ৰ ৰণনীতি দক্ষিণ চীন সাগৰত তেওঁ বছৰ বছৰ ধৰি কৰি অহা কামতকৈ সম্পূৰ্ণ পৃথক - ক্ৰমান্বয়ে দ্বীপ নিৰ্মাণ আৰু সামৰিকীকৰণ কৰি চীনৰ প্ৰভুত্ব বিস্তাৰ কৰিব বিচৰা হৈছে। লী কুয়ান য়ু স্কুল অৱ পাব্লিক পলিচীৰ গৱেষণা সহযোগী বায়ৰণ চোঙে লগতে কয়— 'বেইজিঙে ভাৰতকে ধৰি অঞ্চলটোৰ আন ৰাজ্যসমূহৰ প্ৰতি ইয়াৰ স্থিতি অধিক কঠোৰ কৰিব।' তেওঁ লগতে কয় যে বেইজিঙৰ পৰা কোনো প্ৰকৃত ইংগিত পোৱা হোৱা নাই যে ই ভাৰতৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কৰ উন্নীতকৰণক গুৰুত্বপূৰ্ণ বিষয় হিচাপে গণ্য কৰিছে। গতিকে ভাৰতৰ সৈতে চীনৰ সম্পৰ্ক উন্নীত হোৱাৰ এতিয়াই কোনো আশা দেখা যোৱা নাই। শেহতীয়াকৈ চীনৰ সৈতে টাইৱানৰো সম্পৰ্কৰ যথেষ্ট অৱনতি ঘটিছে। এনে সময়তে টাইৱানৰ বিৰুদ্ধে আক্ৰমণ চলাব পৰাকৈ চীনৰ সেনাক সাজু হ'বলৈ নিৰ্দেশ দিছে চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিঙে । এক শেহতীয়া নিৰ্দেশত জিনপিঙে কয় যে বেইজিঙে সামৰিক প্ৰশিক্ষণ শক্তিশালী কৰিব আৰু যিকোনো যুদ্ধৰ বাবে প্ৰস্তুতি চলাব। কিয়নো ৰাষ্ট্ৰখনৰ 'নিৰাপত্তা ক্ৰমান্বয়ে অস্থিৰ আৰু অনিশ্চিত হৈ পৰিছে।' স্কাই নিউজ অষ্ট্ৰেলিয়াৰ বাতৰি অনুসৰি চীনৰ ৰাষ্ট্ৰপতিয়ে বেইজিঙত কেন্দ্ৰীয় সামৰিক আয়োগৰ যুটীয়া অভিযান কমাণ্ড চেণ্টাৰ ভ্ৰমণৰ সময়ত এই ঘোষণা কৰে। চীনে এতিয়া যিকোনো যুদ্ধৰ বাবে ইয়াৰ সামৰিক প্ৰশিক্ষণ আৰু প্ৰস্তুতি ব্যাপকভাৱে শক্তিশালী কৰিব। ৰাজ্যিক সম্প্ৰচাৰক চিচি টিভিৰ মতে তেওঁ কয়। চীনৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়— 'সমগ্ৰ সামৰিক বাহিনীয়ে যুঁজৰ প্ৰস্তুতিৰ বাবে সাজু হওক, সামৰিক বাহিনীয়ে যুঁজ দিয়া আৰু জিকাৰ সামৰ্থ্য বৃদ্ধি কৰা উচিত'। তেওঁ সশস্ত্ৰ বাহিনীক চিপিচি ৰাষ্ট্ৰীয় কংগ্ৰেছৰ নিৰ্দেশনামূলক নীতিসমূহ পুংখানুপুংখভাৱে অধ্যয়ন, প্ৰচাৰ আৰু ৰূপায়ণ কৰিবলৈ আৰু ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা আৰু সামৰিক বাহিনীৰ অধিক আধুনিকীকৰণৰ বাবে দৃঢ় পদক্ষেপ ল'বলৈ নিৰ্দেশ দিছে। উল্লেখ্য, ইয়াৰ পূৰ্বেও জিনপিঙে চীনৰ সেনাবাহিনীক একাধিকবাৰ যুদ্ধৰ বাবে সাজু হ'বলৈ নিৰ্দেশ দিছিল। আনকি ভাৰতে চীনৰ কেইবাটাও এপ নিষিদ্ধ কৰাৰ পিছতো দেশখনৰ সেনাক যুদ্ধৰ বাবে সাজু হ'বলৈ নিৰ্দেশ দিছিল।

### ভাৰত জোড়ো যাত্ৰা ঃ কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰৰ প্ৰশ্ন

# ৰাহুল গান্ধীয়ে নিৰ্বাচন অনুষ্ঠিত হোৱা ৰাজ্যসমূহ এৰাই চলিছে কিয়




**নতুন দিল্লী, ১৯ নৱেম্বৰ ঃ** কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ বিভাগৰ মন্ত্ৰী অনুৰাগ ঠাকুৰে কয় যে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ভাৰত জোড়ো যাত্ৰাৰ জৰিয়তে নিৰ্বাচনৰ সম্ভাব্য পৰাজয় এৰাই চলিবলৈ চেষ্টা কৰিছে। কিয়নো দুখন ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচন, দিল্লী পৌৰ নিগমৰ নিৰ্বাচন আৰু কেবাখনো ৰাজ্যত লোকসভা, বিধানসভাৰ উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে। কংগ্ৰেছ নেতাজনে এই ৰাজ্যসমূহত নিৰ্বাচনী প্ৰচাৰৰ বাবে নিজৰ দলটোক সহায় কৰা নাই। কেৱল ইমানেই নহয়, নিৰ্বাচন অনুষ্ঠিত হোৱা ৰাজ্যসমূহ ভাৰত জোড়ো যাত্ৰাৰ কাৰ্যসূচীত সামৰি লোৱা নাই। গতিকে নিৰ্বাচনী পৰাজয় নিশ্চিত বুলি ভাবিয়ে ৰাহুল গান্ধীয়ে এনেদৰে গা এৰাই চলিছে। কেন্দ্ৰীয় মন্ত্ৰীজনে লগতে কয় যে গুজৰাটত এইবাৰ কংগ্ৰেছৰ শোচনীয় পৰাজয় হ'ব। কিয়নো ইতিমধ্যে কংগ্ৰেছৰ প্ৰায় ডেৰকুৰি বিধায়কে বিজেপি দলত যোগদান কৰিছে। অৱশ্যে আটাইবোৰ বিধায়কক বিজেপিয়ে দলীয় টিকট দিয়া নাই। পূৰ্বতকৈ অধিক পৰিমাণে আসন লাভ কৰিব বিজেপি দলে। ৰাজ্যখনত ১৮২টা বিধানসভা সমষ্টি আছে আৰু ২০১৭ চনৰ নিৰ্বাচনত বিজেপিয়ে অকলেই ৯৯ সমষ্টিত বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল। কেন্দ্ৰীয় মন্ত্ৰীজনে গুজৰাটৰ বিজেপি শাসিত চৰকাৰক প্ৰশংসাৰে উপচাই দিছে। দিল্লী আৰু গুজৰাটত একে সময়তে দুটা ইঞ্জিনৰ চৰকাৰে উন্নয়নৰ ঢল বোৱাইছে বুলি অনুৰাগ ঠাকুৰে মন্তব্য কৰিছে। সম্প্ৰতি কংগ্ৰেছৰ অস্তিত্ব নোহোৱা হৈছে। কংগ্ৰেছৰ নাওখন কেতিয়াবাই সাগৰত ডুবি গৈছে। আনকি কংগ্ৰেছৰ খোজৰ চিনো এতিয়া দেশবাসীয়ে প্ৰত্যক্ষ কৰিবলৈ নোপোৱা হৈছে। কিয়নো কংগ্ৰেছৰ নিৰ্বাচন জয়ী হ'ব পৰাকৈ কোনোধৰণৰ ৰণনীতি নাই। সেয়েহে ভাৰত জোড়ো যাত্ৰাৰ জৰিয়তে নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে যদিও দেশবাসীয়ে এই কাৰ্যত সঁহাৰি জনোৱা নাই বুলি কেন্দ্ৰীয় মন্ত্ৰীজনে অভিহিত কৰিছে। তেওঁ লগতে কয় যে ৰাহুল গান্ধীয়ে কোনে সহযোগ কৰিছে এই যাত্ৰাত, যিসকলে দেশৰ বিভাজন কামনা কৰে আৰু ইতিমধ্যে দেশ খণ্ডিত কৰিছে তেওঁলোকেই ভাৰত জোড়ো যাত্ৰাত ভাগ লৈছে। এইসকল লোকে দেশৰ নাম উজলাব নোৱাৰে বুলিও গুজৰাটৰ চুৰাট অঞ্চলত আয়োজন কৰা এক নিৰ্বাচনী সভাত মন্তব্য কৰিছে। গতিকে দেশ বিভাজনত যিসকলে অৰিহণা যোগাইছে তেওঁলোকক গুজৰাট বাসীয়ে কেতিয়াও সমৰ্থন নকৰে। যিসকলে নৰ্মদা বান্ধ, গুজৰাটৰ প্ৰগতি সহ্য কৰিব নোৱাৰে তেওঁলোকক গুজৰাটৰ ভোটাৰে কেতিয়াও ভোট নিদিয়ে। আনহাতে কংগ্ৰেছৰ নেতৃত্বই লৌহমানৱ চৰ্দাৰ বল্লভভাই পেটেল আৰু দেশৰ সংবিধান প্ৰণেতা বি আৰ আম্বেদকাৰক গুৰুত্ব নিদিয়া বুলিও আঙুলিয়াই দিছে। ইফালে কংগ্ৰেছে স্বাধীনতা সংগ্ৰামী বীৰ ছাভাৰকাৰক অপমান কৰিছে। গতিকে গুজৰাটে ছাভাৰকাৰৰ অপমানকাৰীক কোনো কাৰণতে সহ্য নকৰে। উল্লেখ্য যে বৃহস্পতিবাৰে ৰাহুল গান্ধীয়ে বীৰ ছাভাৰকাৰৰ সম্পৰ্কত আপত্তিজনক মন্তব্য প্ৰকাশ কৰিছিল। ৰাহুল গান্ধীৰ মতে বীৰ ছাভাৰকাৰে স্বাধীনতা সংগ্ৰামত ভাগ লৈছিল যদিও তেওঁ ব্ৰিটিছ চৰকাৰলৈ গোপনে পত্ৰ প্ৰেৰণ কৰিছিল। এই পত্ৰত আজীৱন ব্ৰিটিছৰ সেৱক হৈ থাকিব বুলি উল্লেখ কৰিছিল। ৰাহুল গান্ধীৰ মতে ছাভাৰকাৰে আনকি মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আৰু চৰ্দাৰ বল্লভভাই পেটেল আদি নেতাসকলকো প্ৰতাৰণা কৰিছিল। ৰাহুল গান্ধীৰ এই প্ৰৰোচনামূলক বক্তব্যই দক্ষিণ ভাৰতৰ বহুকেইখন ৰাজ্যত কংগ্ৰেছৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি কৰিছে। আনকি মহাৰাষ্ট্ৰত কংগ্ৰেছৰ সহযোগী শিৱসেনা দলে ৰাহুল গান্ধীৰ এই মন্তব্যৰ বিৰোধিতা কৰিছে আৰু প্ৰয়োজনত কংগ্ৰেছৰ মিত্ৰজোঁট ত্যাগ কৰিবলৈ সাজু থকা বুলি স্পষ্ট ভাষাৰে ব্যক্ত কৰিছে।




*মহাৰাষ্ট্ৰত ৰাহুল গান্ধীৰ প্ৰৱেশ নিষেধ ঘোষণা কৰিছে সাধাৰণ ৰাইজে, বীৰ ছাভাৰকাৰৰ বিৰুদ্ধে অপমানজনক মন্তব্য প্ৰকাশ কৰাৰ পিছৰে পৰা এনেদৰে সাধাৰণ ৰাইজ ক্ষোভত ফাটি পৰিছে*




*অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰত ৰাজ্যখনৰ প্ৰথমটো আন্তঃৰাজ্যিক বিমানবন্দৰ শুভাৰম্ভ কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে, শনিবাৰে*

# ছবিগৃহলৈ শীঘ্ৰে আহিব প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জীৱন আৰু কাৰ্যাৱলীৰ ভিত্তিত নিৰ্মিত হিন্দী ছবি

**মুম্বাই, ১৯ নৱেম্বৰ ঃ** শীঘ্ৰেই বলীউদত মুক্তি পাব ৰাজনীতিবিদ তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ বায়'পিক। বৰ্তমান সময়ৰ এগৰাকী বলিষ্ঠ অভিনেতা পংকজ কুমাৰ ত্ৰিপাঠীয়ে ছবিখনত মুখ্য চৰিত্ৰত অভিনয় কৰিব। অভিনেতাজনে নিজেই বাতৰিটো সামাজিক মাধ্যমত শ্বেয়াৰ কৰিছে। তেওঁ লিখিছে, "ভাৰত জমিন কা টুকড়া নেহী, জিতা জাগতা ৰাষ্ট্ৰপুৰুষ হে — মই ডাঙৰ পৰ্দাত এই শাৰীটো লিখা মহান নেতা অটল বিহাৰী বাজপেয়ীজীৰ চৰিত্ৰত অভিনয় কৰাৰ সুযোগ পাইছো। মই ভাবো এইটো মোৰ সৌভাগ্য। অটল সোনকালেই আহি আছে। ছবিখনৰ নাম হ'ব 'মেই ৰহু য়া না ৰহু ইয়ে দেশ ৰেহেনা চাহিয়ে — অটল'। ছবিখন সন্দীপ সিং আৰু বিনোদ ভানুশালীয়ে প্ৰযোজনা কৰিছে। চলচ্চিত্ৰখন পেংগুইন প্ৰকাশনৰ কিতাপ 'দ্য আনটোল্ড বাজপেয়ী: পলিটি' এণ্ড পেৰাড''ৰ ওপৰত আধাৰিত। ছবিখনৰ দৃশ্যগ্ৰহণ ২০২৩ চনত আৰম্ভ হ'ব আৰু যদি সকলো ঠিকে থাকে তেন্তেই ২০২৩ চনৰ শেষৰ পিনে ব'অফিচলৈ আহিব। অৰ্থাৎ মানুহে তেওঁৰ ৯৯ তম জন্ম বাৰ্ষিকীত পৰ্দাত অটলৰ জীৱন চাবলৈ সক্ষম হ'ব। ১৯৯৮ চনৰ পৰা ২০০৪ চনলৈ তেওঁ প্ৰধানমন্ত্ৰীৰ আসনত বহিছিল। তেওঁ ভাৰতীয় জনতা পাৰ্টিৰ (বিজেপি) প্ৰথম নেতা যিয়ে দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। দীৰ্ঘদিনধৰি অসুস্থতাৰ পিছত ৯৩ বছৰ বয়সত তেওঁৰ মৃত্যু হয়। ইপিনে, পংকজ কুমাৰ ত্ৰিপাঠীয়ে ইতিমধ্যে মিৰ্জাপুৰ, মিমি, স্ত্ৰী, চেক্ৰেড গেমছ, ফুকৰে আৰু ৮৩'ৰ দৰে চলচ্চিত্ৰৰ জৰিয়তে নিজকে এগৰাকী বলিষ্ঠ অভিনেতা হিচাপে প্ৰমাণ কৰিছে। পংকজে যিকোনো চৰিত্ৰ গ্ৰহণ কৰে আৰু নিজকে সেই সাঁচত ঢালি দিয়ে। অটলৰ চৰিত্ৰতো পংকজৰ অভিনয়ে দৰ্শকক মুগ্ধ কৰিব বুলি সকলোৰে ধাৰণা কৰিছে।



# উত্তৰ প্ৰদেশৰ ১৪০ কয়দীৰ দেহত এইচ আই ভি

## স্বাস্থ্য পৰীক্ষাৰ পিছত হাহাকাৰ

**লক্ষ্ণৌ, ১৯ নৱেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ এখন কাৰাগাৰত এইচ আই ভিত আক্ৰান্ত হৈছে ১৪০ গৰাকীকৈ কয়দী। ৰাজ্যখনৰ গাজিয়াবাদৰ দাসনা জিলা কাৰাগাৰত স্বাস্থ্য পৰীক্ষাৰ পিছতে এই চাঞ্চল্যকৰ খবৰ পোহৰলৈ আহিছে। জিলা কাৰাগাৰৰ অধীক্ষকগৰাকীয়ে সদৰী কৰা অনুসৰি, গাজিয়াবাদ কাৰাগাৰত থকা কয়দীসকলক এমএমজি জিলা চৰকাৰী চিকিৎসালয়ত অৱস্থিত এন্টিৰেট্ৰ'ভাইৰেল থেৰাপি চেণ্টাৰত স্বাস্থ্য পৰীক্ষা কৰোৱা হৈছিল। বিষয়া গৰাকীয়ে উল্লেখ কৰা মতে, কাৰাগাৰত বৰ্তমান প্ৰায় ৫,৫০০ কয়দীৰ বন্দী হৈ আছে আৰু ইয়াৰে ১৪০ গৰাকীৰ দেহত এইচ আই ভি ধৰা পৰিছে। তদুপৰি ৩৫ গৰাকী কয়দী টিবি ৰোগতো আক্ৰান্ত হৈ আছে বুলি তেওঁ জানিবলৈ দিয়ে। আৰক্ষী বিষয়া গৰাকীৰ ভাষ্য অনুসৰি ২০১৬ চনৰ পৰা গড়ে ১২০ গৰাকীৰ পৰা ১৫০ গৰাকী এইচ আই ভি পজিটিভ কয়দী দাছনা কাৰাগাৰত বন্দী হৈ আছে। উল্লেখ্য যে ২০১৬ চনত ষ্টেট এইডছ কণ্ট্ৰল ছ'চাইটিয়ে কাৰাগাৰত এইচ আই ভি পৰীক্ষা শিবিৰৰ আয়োজন কৰিছিল। সেই সময়ত গাজিয়াবাদৰ কাৰাগাৰত ৪৯ গৰাকী কয়দী এইচ আই ভিত আক্ৰান্ত হোৱা বুলি ধৰা পৰিছিল। ইয়াৰ পিছতে চৰকাৰে এইচ আই ভি আৰু টি বি পৰীক্ষাক সাধাৰণ স্বাস্থ্য পৰীক্ষাৰ অংশ কৰি তুলিলে। কাৰাগাৰ নতুন কয়দীৰ বাবে এই পৰীক্ষা বাধ্যতামূলক হিচাপে পৰিগণিত হৈ আহিছে। যদি কোনো কয়দী এইচ আই ভি ৰোগত ধৰা পৰে, তেন্তে তেওঁক কাৰাগাৰৰ ভিতৰত অৱস্থিত ইন্টিগ্ৰেটেড কাউন্সেলিং এণ্ড ট্ৰিটমেণ্ট চেণ্টাৰ (আই চি টি চি)ত এ আৰ ভি চিকিৎসা প্ৰদান কৰা হয়।

### ২১ নৱেম্বৰত পশ্চিমবংগ কঁপাব বিজেপি নেতা-কৰ্মীয়ে

# ৰাষ্ট্ৰপতিক অপমান কৰা মন্ত্ৰী অখিল গিৰিক অপসাৰণৰ দাবী

**কলকাত, ১৯ নৱেম্বৰ ঃ** পশ্চিমবংগ চৰকাৰৰ মন্ত্ৰী অখিল গিৰিক অপসাৰণৰ দাবীত অটল হৈ আছে ৰাজ্যখনৰ বিজেপি দল আৰু কৰ্মকৰ্তাসকল। সেয়েহে অহা ২১ নৱেম্বৰ তাৰিখে ৰাজ্যজুৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি ঘোষণা কৰিছে। কিছুদিনৰ পূৰ্বে মন্ত্ৰী অখিল গিৰিৰ এটা ভিডিঅ' ভাইৰেল হৈছিল। এই ভিডিঅ' বাৰ্তাত বিজেপিৰ বিৰুদ্ধে তৃণমূল কংগ্ৰেছৰ মন্ত্ৰীজনে কঠোৰ ভাষাৰে বিভিন্ন মন্তব্য প্ৰদান কৰিছিল। আনহাতে আদিবাসী সম্প্ৰদায়ৰ বিৰুদ্ধেও কটু মন্তব্য প্ৰকাশ কৰিছিল। বৰ্তমান দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক এইজন মন্ত্ৰীয়ে অসৌজন্যমূলক মন্তব্যৰে অপমানিত কৰা বুলি বিজেপিয়ে অভিযোগ কৰিছে। ইয়াৰ পূৰ্বে একাধিকবাৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল। কিন্তু ২১ তাৰিখে ভাৰতীয় জনতা পাৰ্টীৰ সাংসদ লকেট চেটাৰ্জী আৰু অন্যান্য একাংশই অখিল গিৰিৰ বিৰুদ্ধে সৰৱ হৈ পৰা দেখা গৈছে। বিধায়কজনৰ বিৰুদ্ধে হুগলী আৰক্ষী থানাত এটা গোচৰ পঞ্জীয়ন কৰা বুলিও প্ৰকাশ পাইছে। ভিডিঅ' বাৰ্তাত সন্নিবিষ্ট কথোপকথন অনুসৰি অখিল গিৰিয়ে ব্যক্ত কৰিছে যে তেওঁ সদায় বিজেপিৰ বিৰোধিতা কৰি আহিছে। কিয়নো বিজেপি দলৰ ওপৰত তেওঁৰ সদায় সন্দেহ আছে। আমি ৰাষ্ট্ৰপতিৰ পদবীক সন্মান কৰি আহিছো। কিন্তু বৰ্তমানৰ ৰাষ্ট্ৰপতিগৰাকী সন্মানৰ যোগ্য হয়নে বুলিও অখিল গিৰিয়ে প্ৰশ্ন কৰা পৰিলক্ষিত হৈছে। ইফালে বিজেপিয়ে কয় যে আদিবাসী আৰু জনজাতি সম্প্ৰদায়ৰ হোৱাৰ বাবেই অখিল গিৰিয়ে পৰিকল্পিতভাৱে দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক অপমানিত কৰিছে। বিজেপিয়ে ইতিমধ্যে ৰাজ্যখনৰ বিভিন্ন স্থানত এইজন মন্ত্ৰীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। সমান্তৰালভাৱে অহা সোমবাৰে লক্ষাধিক লোকৰ সমাৱেশ ঘটাই এক আন্দোলনৰ কাৰ্যসূচী আৰু প্ৰতিবাদী সমদল বাহিৰ কৰিব বুলি প্ৰকাশ পাইছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ইতিমধ্যে অখিল গিৰিৰ বক্তব্যৰ বাবে মুকলিকৈ ক্ষমা বিচাৰিছে। কিন্তু অখিল গিৰিয়ে বৰ্তমানলৈ নিজাকৈ দুখ প্ৰকাশ কৰা বা ক্ষমা বিচৰা পৰিলক্ষিত নহ'ল। ইয়াৰ বাবেই পশ্চিমবংগৰ ৰাইজ বৰ্তমানলৈকে শান্ত হোৱা নাই। সমান্তৰালভাৱে অখিল গিৰিক অপসাৰণ নকৰিলে অনিৰ্দিষ্ট কালৰ বাবে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি যাব বুলি প্ৰকাশ কৰিছে। নিজ দেশৰ সাংবিধানিক মুৰব্বী তথা ৰাষ্ট্ৰপতিক কোনো কাৰণে অপমানিত হ'বলৈ দিয়া নহ'ব বুলি মমতা বেনাৰ্জীৰ বক্তব্যত প্ৰকাশ পাইছে। মমতা বেনাৰ্জীয়ে নিজে বৰ্তমানৰ ৰাষ্ট্ৰপতিক সন্মান কৰে আৰু তেওঁক অপমানিত কৰাসকলৰ বিৰুদ্ধে চৰকাৰে কি পদক্ষেপ ল'ব সেয়া লক্ষ্যণীয় হৈ পৰিব।



# কেৰালাত ১৯ বছৰীয়া মডেলক চলন্ত গাড়ীত দলবদ্ধ ধৰ্ষণ

## চাৰি অভিযুক্তক গ্ৰেপ্তাৰ আৰক্ষীৰ

**তিৰুৱনন্তপুৰম, ১৯ নৱেম্বৰ ঃ** এগৰাকী ১৯ বছৰীয়া মডেলক কেৰালাৰ কোচিত চলন্ত গাড়ীত দলবদ্ধ ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তিনিজন যুৱক আৰু এগৰাকী মহিলাক জিম্মাত লৈছে। আনহাতে, যুৱতীগৰাকীক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।বাতৰি অনুসৰি, ঘটনাটো বৃহস্পতিবাৰে নিশা সংঘটিত হৈছিল। যুৱতীগৰাকী কোচিৰ এখন বাৰলৈ গৈছিল। তেওঁ সুৰাপান কৰা অৱস্থাত আছিল। যুৱতীগৰাকীয়ে নিশা বাৰৰ পৰা ওলাই ঘৰলৈ যোৱাৰ বাবে গাড়ী অপেক্ষা কৰি আছিল। সেই সময়তে অভিযুক্তকেইজনে তেওঁক ঘৰত পৌছাই দিয়াৰ কথা কয়। সেইদৰে যুৱতীগৰাকী অভিযুক্তৰ গাড়ীত উঠে।অভিযোগ অনুসৰি গাড়ীত উঠাৰ পিছত যুৱককেইজনে যুৱতীগৰাকীক নিৰ্যাতন কৰিবলৈ আৰম্ভ কৰে। তাৰ পিছত তেওঁক দলবদ্ধ ধৰ্ষণ কৰা হৈছিল বুলি অভিযোগ কৰা হৈছে। অভিযুক্তকেইজনে যুৱতীগৰাকীক নিশা ঘৰৰ ওচৰৰ এঠাইত এৰি থৈ পলাই যায়। যুৱতীগৰাকীক তেওঁৰ ৰুমমেটে দ্বাৰা উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰায়।আৰক্ষীয়ে জানিবলৈ দিয়া মতে যুৱতীগৰাকীৰ শৰীৰত আঘাতৰ চিহ্ন আছে। তেওঁ বৰ্তমান এখন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ঘটনাটো চিকিৎসালয়ৰ পৰাই আৰক্ষীক জনোৱা হৈছিল। ভাৰতীয় দণ্ডবিধিৰ ৩৭০ আৰু ৩৭৬ ধাৰাৰ অধীনত এজাহাৰ পঞ্জীয়ন কৰা হৈছে। কেৰালাৰ ৰাজ্যিক স্বাস্থ্য, মহিলা আৰু শিশু কল্যাণ মন্ত্ৰী বীণা গাৰ্গে কয়, "এয়া এক নিন্দনীয় ঘটনা। অভিযুক্তৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মই যুৱতীগৰাকীৰ চিকিৎসাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছো।"



*উত্তৰ কোৰিয়াৰ একনায়কত্ব নেতা কিম জং উনৰ সৈতে তেওঁৰ কন্যা জুৰ। পিতৃৰ হাত ধৰি কন্যাই দেশখনৰ চৰকাৰী ক্ষেপণাস্ত্ৰ ঘাটি পৰিদৰ্শন কৰিছে। নিজৰ কন্যাক ক্ষেপণাস্ত্ৰ প্ৰস্তুতকাৰী স্থানসমূহ পৰিচয় কৰাই দিয়া কাৰ্যই সৃষ্টি কৰিছে মিশ্ৰিত প্ৰতিক্ৰিয়াৰ*



### ৰিজ'ৰ্টৰ কোঠাত ওলাল যুৱতীৰ মৃতদেহ

# মধ্যপ্ৰদেশ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে অভিযুক্ত পুৰুষ সংগীক

**জব্বলপুৰ, ১৯ নৱেম্বৰ ঃ** মধ্যপ্ৰদেশৰ জব্বলপুৰ নগৰত অৱস্থিত মেখলা নামৰ এখন হোটেলৰ এটা কোঠাত যোৱা আঠ নৱেম্বৰ তাৰিখে এগৰাকী যুৱতীৰ মৃতদেহ উদ্ধাৰ হৈছিল। তেতিয়াৰ পৰা যুৱতীগৰাকীৰ সৈতে অহা পুৰুষ সংগীজন পলাতক হৈ আছিল। কিন্তু শনিবাৰে জব্বলপুৰ আৰক্ষীয়ে উক্ত ব্যক্তিজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। লগতে ব্যক্তিজনে ভুৱা পৰিচয় দি যুৱতীগৰাকীৰ সৈতে হোটেলৰ কোঠাত আছিল বুলি আৰক্ষী নিশ্চিত হৈছে। উল্লেখ্য যে মৃতদেহ উদ্ধাৰ হোৱা যুৱতীগৰাকীৰ এটা মোবাইল ফোন জব্দ কৰিছিল আৰক্ষীয়ে। যুৱতীগৰাকীৰ এটিএম কাৰ্ডখন নোহোৱা হৈছিল। মৃত্যুৰ পিছত মোবাইল ফোনটোলৈ বেংকৰ মেছেজ আহি আছিল। সেই মেছেজত উল্লেখ আছিল যে তেওঁৰ বেংকৰ একাউণ্টৰ পৰা ১,৫২,০০০ টকা উঠাই অনা হৈছে। এটিএমৰ জৰিয়তে উঠাই অনা এই ধনৰাশি ৰায়পুৰ, নাগপুৰ, হিমাচল প্ৰদেশ, চণ্ডীগড় আৰু আজমেৰৰ পৰা বিভিন্ন এটিএমৰ জৰিয়তে কোনো ব্যক্তিয়ে হৰলুকি কৰাটো নিশ্চিত হৈছিল। পিছত জব্বলপুৰ আৰক্ষীয়ে উক্ত এটিএমসমূহৰ সন্ধান কৰে আৰু চিচিটিভিৰ ফুটেজ পৰীক্ষা কৰে। তেতিয়াই ধৰা পৰে যে একেজন ব্যক্তিয়ে কেবাখনো ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা যুৱতীগৰাকীৰ এটিএম ব্যৱহাৰ কৰি ধন উঠাই নিছিল। ইফালে ৰাজস্থানলৈ বাছেৰে ভ্ৰমণ কৰি থকা সময়তে জব্বলপুৰ আৰক্ষীয়ে ছিৰোহী নামৰ স্থানত তেওঁক গ্ৰেপ্তাৰ কৰিছে। ইতিমধ্যে সোধাপোছা অব্যাহত ৰখা হৈছে আৰু উক্ত ব্যক্তিজনৰ নাম হেমন্ত ভাদাদি বুলি আৰক্ষী নিশ্চিত হৈছে।

### নিলম্বিত বিধায়ক ৰাজা সিঙৰ বিৰুদ্ধে কটু মন্তব্য

# অন্ধ্ৰপ্ৰদেশৰ আৰক্ষীয়ে দুই ধনাঢ্য ব্যক্তিক কৰিলে গ্ৰেপ্তাৰ



**হায়দৰাবাদ, ১৯ নৱেম্বৰ ঃ** চলিত বৰ্ষৰ আগষ্ট মাহত অন্ধ্ৰপ্ৰদেশৰ বিজেপি বিধায়ক টি ৰাজা সিঙক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। ইছলামিক ধৰ্মগুৰু মহম্মদৰ প্ৰসংগত প্ৰকাশ কৰা এই মন্তব্যই ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি কৰিছিল। ইফালে শুকুৰবাৰে একাংশ ব্যক্তিয়ে বিজেপি বিধায়কজনৰ বিৰুদ্ধে প্ৰতিবাদী সমদল বাহিৰ কৰা দেখা গ'ল। দুই প্ৰতিবাদকাৰীয়ে বিধায়কজনৰ বিৰুদ্ধে অপমানজনক মন্তব্য কৰিছিল। ফলত এই দুই প্ৰতিবাদীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

# দেশৰ ৯টা বেংকক জৰিমনা বিহিলে ৰিজাৰ্ভ বেংক কৰ্তৃপক্ষই

**নতুন দিল্লী, ১৯ নৱেম্বৰ ঃ** বিত্তীয় খেলিমেলি ঘটোৱা বেংকৰ বিৰুদ্ধে অধিক কঠোৰ হৈ পৰিছে ৰিজাৰ্ভ বেংক। সেইমৰ্মে ৰিজাৰ্ভ বেংকৰ নিয়ম নমনাৰ বাবে দেশৰ নটাকৈ বেংকক বিহা হৈছে জৰিমনা। জৰিমনা বিহি ৰিজাৰ্ভ বেংকে উক্ত বেংক কেইটাক ভৱিষ্যতে সাৱধান হ'বলৈ সকিয়াই দিছে। অন্যথা বাতিল হ'ব বেংক কেইটাৰ অনুজ্ঞাপত্ৰ। নটা বেংকক জৰিমনা বিহা হৈছে। এই বেংক কেইটাক ভাৰতীয় ৰিজাৰ্ভ বেংকে মুঠ ১২ লাখ টকাৰ জৰিমনা বিহিছে। জৰিমনাৰ সন্মুখীন হোৱা বেংক কেইটা হৈছে ওৰিষ্যাৰ বড়মপুৰ সহকাৰী নগৰ বেংকৰ বিৰুদ্ধে ৩.১০ লাখ টকা, মহাৰাষ্ট্ৰৰ ওচমানাবাদ জনতা সহকাৰী বেংকক ২.৫ লাখ টকা আৰু ছান্টাৰামপুৰ নগৰ সমবায় বেংক লিমিটেডক ২ লাখ টকা জৰিমনা বিহা হৈছিল।পশ্চিম বংগৰ সমবায় বেংক, পশ্চিম বংগৰ অ' স্মল ফাইনেন্স বেংক লিমিটেড, গুজৰাটৰ নৱনগৰ কো-অপাৰেটিভ বেংক লিমিটেড, মধ্য প্ৰদেশৰ চেণ্ট্ৰেল বেংক লিমিটেড, ছত্তীশগড়ৰ ৰেণুকা নাগৰীক সহায়ক বেংক লিমিটেড আৰু ঝাৰখণ্ডৰ জামছেদপুৰ নগৰ সমবায় বেংক লিমিটেডক ১ লাখ টকাৰ জৰিমনা বিহা হৈছে। ওৰিষ্যা আৰু মধ্য প্ৰদেশৰ কেন্দ্ৰপাৰা নগৰ সমবায় বেঙ্ক লিমিটেড কৃষ্ণা মাৰ্কেণ্টাইল কো-অপাৰেটিভ বেংক লিমিটেডকো ৫০ হাজাৰ টকাৰ জৰিমনা বিহা হৈছে।




# উত্তৰাখণ্ডত শোকাৱহ দুৰ্ঘটনাত নিহত ১২

## পাহাৰৰ তললৈ বাগৰি পৰিল যাত্ৰীবাহী বাহন

**ছামুলি, ১৯ নৱেম্বৰ ঃ** পাহাৰীয়া ৰাজ্য উত্তৰাখণ্ডৰ চামোলী জিলাত শুকুৰবাৰে সংঘটিত হয় এক ভয়ানক দুৰ্ঘটনা। যাত্ৰীবাহী এখন বাহন পাহাৰীয়া এটা পথৰ পৰা তললৈ বাগৰি পৰাৰ ফলত দুগৰাকী মহিলাসহ ১২ গৰাকী লোকে শোকাৱহভাৱে প্ৰাণ হেৰুৱাইছে।এই শোকাৱহ ঘটনাৰ পাছতে উদ্ধাৰ অভিযান আৰম্ভ কৰা এছডিআৰএফে জানিবলৈ দিয়া মতে, জিলাখনৰ যোছিমাথ অঞ্চলৰ উৰ্গামত চালকসহ ১৭ গৰাকী যাত্ৰী কঢ়িয়াই নিয়া এখন টাটা ছুমো খাৱৈত বাগৰি পৰে। চামোলী জিলাৰ আৰক্ষী অধীক্ষকে জানিবলৈ দিয়া মতে, বাহনখন যোশিমাঠৰ পৰা পল্লা জাখোল গাঁও অভিমুখে গৈ থকাৰ সময়তে এই দুৰ্ঘটনা সংঘটিত হয়। বাহনখন তললৈ বাগৰি পৰাৰ উপক্ৰম হওঁতেই দুগৰাকী যাত্ৰীয়ে গাড়ীৰ পৰা জঁপিয়াই প্ৰাণ ৰক্ষা কৰে বুলি জানিব পৰা গৈছে। ইফালে দুৰ্ঘটনাত নিহত ১২ গৰাকী লোকৰ মৃতদেহ উদ্ধাৰ কৰিছে এছডিআৰএফে। আনহাতে আন তিনিগৰাকী লোক গুৰুতৰভাৱে আহত হৈছে বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে বাহনখন বাগৰি পৰা খাৱৈটো প্ৰায় ৩০০ মিটাৰ দ আছিল। অভাৰলোডৰ বাবে বাহনখনৰ ওপৰতো একাংশ লোক বহি গৈছিল বুলি আৰক্ষীয়ে সদৰী কৰিছে। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে এই শোকাৱহ দুৰ্ঘটনাৰ বাবে শোক প্ৰকাশ কৰি প্ৰতিগৰাকী নিহত লোকৰ পৰিয়ালক ২ লাখ টকাকৈ সাহায্য দিয়া হ'ব বুলি ঘোষণা কৰে।আনহাতে আহতসকলক বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা কৰিবলৈও তেওঁ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে।



# সোণতলী কৃষি চক্ৰ এলেকাৰ কৃষকৰ মাজত আলুৰ বিধান বিতৰণ




**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৯ নৱেম্বৰ ঃ** আলু খেতিৰ বাবে প্ৰচুৰ সম্ভাৱনাপূৰ্ণ কামৰূপ জিলাৰ বকো সমষ্টিৰ ছমৰীয়া ৰাজহ চক্ৰৰ এলেকাধীন সোণতলী চৰাঞ্চলৰ কৃষক সকলোক আলু খেতিৰ প্ৰতি উৎসাহিত কৰি তুলিবলৈ অসম চৰকাৰৰ কৃষি বিভাগে গ্ৰহণ কৰিছে অভিলাষী পদক্ষেপ। এই পদক্ষেপৰ অংশ হিচাপে বকো মহকুমা কৃষি বিষয়াৰ কাৰ্যালয়ৰ যোগেদি চৰকাৰৰ কৃষি বিভাগে সোণতলী চৰাঞ্চলৰ ৪৫গৰাকী নিৰ্বাচিত কৃষকৰ বাবে আৰ কে ভি ৱাই ২০২২-২৩ বৰ্ষৰ আঁচনিৰ অধীনত আবণ্টন দিছে উন্নত জাতৰ প্ৰায় ৬৭ কুইণ্টল আলুৰ বিধান। উল্লেখ্য, সোণতলী কৃষি চক্ৰৰ এলেকাধীন সাতখন গাঁও পঞ্চায়ত এলেকাৰ নিৰ্ধাৰিত কৃষকসকলৰ মাজত বৃহস্পতিবাৰে বকো মহকুমা কৃষি বিষয়াৰ কাৰ্যালয় প্ৰাংগণত ‘কুফৰি ললিত’ জাতৰ এই আলুৰ বিধান আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। সোণতলী কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া গৌতম ৰয় চৌধুৰীৰ বিশেষ তৎপৰতাত আয়োজিত এই আলুৰ বিধান বিতৰণ কাৰ্যৰ শুভাৰম্ভ কৰে বকো কৃষি মহকুমা বিষয়া চন্দ্ৰধৰ কলিতাই। বিধান বিতৰণী অনুষ্ঠানটোত সোণতলী কৃষি চক্ৰ এলেকাৰ কিচমত কাঠমী, ১নং দক্ষিণ ৰাঙাপানী, ১নং উত্তৰ ৰাঙাপানী, ৩নং দক্ষিণ ৰাঙাপানী, টুপামাৰী, কছাৰী পাম, ছমৰীয়া পাম, চাউৰদিয়া, বগুৰীগুৰি, মাহতলী আদি গাঁৱৰ কৃষকৰ মাজত বিনামূলীয়াকৈ এই বীজ বিতৰণ কৰা হয়। বীজ বিতৰণী অনুষ্ঠানত বকো কৃষি মহকুমা বিষয়াৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে সোণতলী কৃষি চক্ৰ এলেকাৰ বিভিন্ন পথাৰ পৰিচালনা সমিতিৰ বিষয়-ববীয়াসকল উপস্থিত থাকে। উল্লেখ্য, এই বীজ বিতৰণী অনুষ্ঠানৰ মাজতে উক্ত হিতাধিকাৰী কৃষকসকলক প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত বীমা কৰোৱা কাৰ্যসূচীও ৰূপায়ণ কৰা হয়।



## লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন পৰিচালনা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৯ নৱেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি দিনৰ ২ বজাত বিদ্যালয়ৰ প্ৰেক্ষাগৃহত নতুন পৰিচালনা সমিতি গঠনৰ উদ্দেশ্যে এখন অভিভাৱক সভা অনুষ্ঠিত হয়। সভা সঞ্চালনা কৰে সদ্য অৱসৰপ্ৰাপ্ত অধ্যক্ষ আমিনুল হক মল্লিকে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰঞ্জিত বৰদলৈয়ে। আদৰণী পৰ্বৰ আঁত ধৰে সহকাৰী শিক্ষক পূৰ্ণকান্ত বসুমতাৰীয়ে। সভাত প্ৰথমবাৰৰ বাবে সৰ্বাধিক অভিভাৱক-অভিভাৱিকাৰ উপস্থিতি পৰিলক্ষিত হয়। সভাত নৱনিৰ্বাচিত সভাপতি নেকিবুল হক, উপ-সভানেত্ৰী শ্বাহনাজ বেগমক ফুলাম গামোচাৰে উষ্ম আদৰণি জনোৱা হয়। উক্ত সভাতেই মুঠ ৫জন সদস্যৰ ভিতৰত ৪জন অধিক দাবীদাৰ হোৱাত লটাৰীযোগে ৪জনক বাছনি কৰা হয়। এছ টিৰ ৰিজাৰ্ভেশনৰ সদস্য পদটি পিছলৈ বাছনি কৰা হ’ব, কাৰণ কালি অভিভাৱক আৰু প্ৰস্তাৱক উপস্থিত নাছিল। আগন্তুক ৫ বছৰৰ বাবে বাছনি হোৱা লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিখন বৰ্তমান এনে ধৰণৰ— সভাপতি নেকিবুল হক, উপ-সভানেত্ৰী শ্বাহনাজ বেগম, সদস্যা ৰুকীয়া খাতুন (সাধাৰণ) মীৰা মণ্ডল (এছ চি), পুৰুষৰ ফালৰ পৰা সদস্যসকল ক্ৰমে আয়ুব আলী আৰু আব্দুল মজিদ। অৱশ্যে এছ টিৰ ফালৰ পৰা পিছত বাছনি কৰা হ’ব। বাকী পদসমূহ বিভাগীয় কৰ্তৃপক্ষৰ নিৰ্দেশ অনুযায়ী পূৰণ কৰা হ’ব বুলি জানিব পৰা গৈছে। কমিটী গঠন প্ৰক্ৰিয়াত বিভাগীয় কৰ্তৃপক্ষৰ তৰফৰ পৰা প্ৰতিনিধিত্ব কৰে লাহৰীঘাট প্ৰাথমিক শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া আবুল কাশেমে। প্ৰায় এবছৰৰো অধিক সময় ধৰি পৰিচালনা সমিতিখন পুৰণি সমিতিয়ে ভাৰপ্ৰাপ্ত হিচাপে চলাইছিল। নগাবন্ধা মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰবক্তা তথা লাহৰীঘাটৰ এজন আগশাৰীৰ বিশিষ্ট সমাজ সেৱক আলহাজ নেকিবুল হকক পৰিচালনা সমিতিৰ সভাপতি হিচাপে বাছনি হোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকল আনন্দিত হৈছে।



## মাহমৰা উঃ মাঃ বিদ্যালয়ৰ শিক্ষক মাধৱ বুঢ়াগোহাঁইৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৯ নৱেম্বৰ ঃ** মাহমৰা অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী, ৰাজনীতি, বিহু, অভিনয়, গীত-মাত আদি সাহিত্য-সংস্কৃতিৰ জগতৰ সৈতে জড়িত নেতৃস্থানীয় ব্যক্তি, মাহমৰাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ জন্মদাতা, মাহমৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক মাধৱ বুঢ়াগোহাঁইৰ যোৱা ১৫ নৱেম্বৰত ৰক্তচাপজনিত কাৰণত ডিব্ৰুগড় আদিত্য নাৰ্ছিংহোমত ৮৭ বছৰ বয়সত দেহাৱসান ঘটে। উল্লেখ্য যে তেওঁ সংস্কৃত সাহিত্যৰ (পানিনী ব্যাকৰণত) শাস্ত্ৰী উপাধিপ্ৰাপ্ত। তেওঁৰ বিয়োগ সমগ্ৰ অঞ্চলটোৰ বাবে এক অপূৰণীয় ক্ষতি বুলি মাহমৰাবাসীৰ লগতে বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে শ্ৰদ্ধাঞ্জলি জনাই গভীৰ শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে, লগতে তেওঁৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰে।

■ গৌৰীপুৰত বিজেপিৰ গাঁও সম্পৰ্ক অভিযান ৰথযাত্ৰাৰ দ্বিতীয় দিন ■

## বিবুধিত পৰে প্ৰাক্তন বিধায়ক বনেন্দ্ৰ কুমাৰ মুছাহাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ১৯ নৱেম্বৰ ঃ** অনুসূচিত জনজাতি মৰ্চাৰ উদ্যোগত গোলকগঞ্জৰ জিনকাটাৰ পৰা আৰম্ভ কৰা গাঁও সম্পৰ্ক অভিযানৰ ৰথযাত্ৰাৰ আজি দ্বিতীয় দিনা ভৰি দিলে। আজি গৌৰীপুৰ চহৰৰ মাজমজিয়াত থকা গণেশ আখৰা মন্দিৰৰ পৰা গাঁও সম্পৰ্ক অভিযানৰ ৰথযাত্ৰা আৰম্ভ কৰি আশাৰীকান্দি গাঁৱৰ দুৰ্গা মন্দিৰ প্ৰাংগণত এখন জনসভা অনুষ্ঠিত হয়। এই জনসভাখনত উপস্থিত থাকে অনুসূচিত জনজাতি মৰ্চাৰ সভানেত্ৰী তথা বৰাকৰ অগ্নিকন্যা মুন স্বৰ্ণকাৰ, ভৈয়াম জনজাতি উন্নয়ন ব’ৰ্ডৰ উপাধ্যক্ষ তথা গৌৰীপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক বনেন্দ্ৰ কুমাৰ মুছাহাৰী, অনুসূচিত জনজাতি উন্নয়ন ব’ৰ্ডৰ অধ্যক্ষ জয়ন্ত কুমাৰ দাস, লগতে অনুসূচিত জনজাতি মৰ্চাৰ ৰাজ্যিক আৰু বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মী উপস্থিত থাকে। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ সজাগতা সৃষ্টি কৰাৰ লগতে আঁচনিসমূহ সঠিকভাৱে ৰূপায়ণ হৈছে নে নাই, গাঁওসমূহত কি কি সমস্যা আছে এই সম্পৰ্কে ৰাইজৰ লগত মত বিনিময় কৰাৰ বাবে এই গাঁও সম্পৰ্ক অভিযানৰ ৰথযাত্ৰা অনুষ্ঠিত হয়। বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বদ্বয়ে ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি সমগ্ৰ ভাৰতবৰ্ষত ৭৫ হাজাৰখন গাঁও সামৰি এই গাঁও সম্পৰ্ক অভিযান আৰম্ভ কৰিছে। এই ৭৫ হাজাৰ গাঁৱৰ ভিতৰত তিনি হাজাৰ দুশখন গাঁও অসমত সামৰি ল’ব এই গাঁও সম্পৰ্ক অভিযানৰ ৰথযাত্ৰাই। অসমত ছখন ৰথযাত্ৰা যাত্ৰা কৰিছে। এই ৰথসমূহ ২৫ তাৰিখে বৰপেটা জিলাত একেলগ হ’ব আৰু ২৬ তাৰিখে বিশাল সমাৰোহ অনুষ্ঠিত হ’ব বুলি জানিবলৈ দিয়ে। আজিৰ এই অভিযান সভাত কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দলক কঠোৰ ভাষাৰে সমালোচনা কৰে উপস্থিত থকা নেতা-কৰ্মীসকলে। ইফালে চৰাঞ্চলৰ ৰাইজক মাটিৰ পট্টা দিয়া নহ’ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰাৰ বিষয়ে সাংবাদিকৰ প্ৰশ্নত বিবুধিত পৰে প্ৰাক্তন বিধায়ক বনেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে। ৰাজ্যৰ শাসকীয় চৰকাৰৰ বিভাজনমুখী ৰাজনীতিয়ে ২০২৪ চনৰ লোকসভা আৰু ২০২৬ চনৰ বিধানসভাৰ নিৰ্বাচনত কেনে প্ৰভাৱ বিস্তাৰ কৰে সেয়া সময়তহে লক্ষণীয় হ’ব।

## সাঁকোঘাটত ভগ্ন কাঠৰ দলঙৰ বাবে বিঘ্নিত যাতায়াত

**দৈনন্দিন বাৰ্তাৰ সেৱা, দৰং, ১৮ নৱেম্বৰ ঃ** মঙলদৈ বিধানসভা সমষ্টিৰ জনাৰামচৌকা গাঁও পঞ্চায়তৰ অন্তৰ্গত সাঁকোঘাট গাঁৱৰ শাকতোলা নদীৰ ওপৰত থকা ভগ্নপ্ৰায় কাঠৰ দলংখনে যাতায়াতৰ ক্ষেত্ৰত দীৰ্ঘ দিন ধৰি সৰ্বসাধাৰণ ৰাইজক জীয়াতু ভোগাই আহিছে। মঙলদৈ চহৰৰ অতি ওচৰতে থকা অতিশয় ব্যস্ততাপূৰ্ণ পথছোৱাত থকা কাঠৰ দলংখনৰ একাংশ কাঠ পচি জহি-খহি যোৱাত বৰ্তমান দলংখনৰ ওপৰেদি সুচল যাতায়াত কৰাটো অসম্ভৱ হৈ পৰিছে। বিশেষকৈ কণ কণ শিক্ষাৰ্থীসকলৰ বাবে উক্ত দলংখনৰ ওপৰেদি যাতায়াত কৰাটো অতি বিপদসংকুল হৈ পৰিছে। কণ কণ শিক্ষাৰ্থীসকলৰ জীৱনৰ বাবে একপ্ৰকাৰ ভয়ংকৰ ভাবুকিস্বৰূপ হৈ পৰিছে উক্ত দলংখন। উল্লেখ্য যে নিম্নমানৰ কাঠৰ ব্যৱহাৰৰ বাবে সঘনাই কাঠবোৰ পচি যোৱাৰ ফলত দলংখন অতি কম সময়ৰ ভিতৰতে পুনৰ জৰাজীৰ্ণ হৈ পৰে। বিগত বানত শাকতোলা নদীৰ মথাউৰি ছিগা অংশ পৰিদৰ্শন কৰিবলৈ আহোতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ৰাইজে উক্ত দলংখন দৃষ্টিগোচৰ কৰাইছিল আৰু সোনকালে দলংখন মেৰামতি কৰি দিব বুলি তেওঁ আশ্বাস দিছিল। কিন্তু আজিলৈকে কোনো ব্যৱস্থা লোৱা পৰিলক্ষিত নহ’ল। কণ কণ শিক্ষাৰ্থী তথা ভুক্তভোগী ৰাইজে এতিয়া দলংখন শীঘ্ৰে পকীকৰণ কৰাৰ দাবী উত্থাপন কৰিছে। প্ৰণিধানযোগ্য এই যে উপায়ান্তৰ হৈ ভগ্নপ্ৰায় দলংখনৰ ওপৰেদিয়েই ৰাইজে যাতায়াত অব্যাহত ৰাখিব লগা হোৱাত যি কোনো মুহূৰ্ততে ভয়ংকৰ দুৰ্ঘটনাৰ আশংকা প্ৰকট হৈ পৰিছে। সংশ্লিষ্ট কৰ্তৃপক্ষই দলংখন উপযুক্ত কাঠ ব্যৱহাৰ কৰি সঠিকভাৱে নিৰ্মাণ কৰাত তিলমানো গুৰুত্ব আৰোপ নকৰাৰ বাবেই দলংখনে বিধ্বস্ত ৰূপ ধাৰণ কৰি আহিছে বুলি উল্লেখ কৰি ভুক্তভোগী ৰাইজে অনতিপলমে দলংখন পকীকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণৰ বাবে পৰিৱৰ্তনকামী চৰকাৰখনৰ লগতে মঙলদৈ সমষ্টিৰ বিধায়কগৰাকীক দাবী জনাইছে। তদুপৰি বিশিষ্ট লেখক, কবি, সামাজিক বিশ্লেষক মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰীয়ে কাঠৰ দলংখনৰ সঘন দুৰৱস্থাত গভীৰ উদ্বেগ প্ৰকাশ কৰি কণ কণ শিক্ষাৰ্থীসকলৰ লগতে সৰ্বসাধাৰণ ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ স্বাৰ্থত তাৎক্ষণিকভাৱে দলংখন পুনৰ নিৰ্মাণৰ দাবী উত্থাপন কৰিছে।



## শিৱসাগৰ কালুগাঁৱত স্কাউট এণ্ড গাইডৰ প্ৰশিক্ষণ শিবিৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৯ নৱেম্বৰ ঃ** ভাৰত স্কাউট এণ্ড গাইডৰ শিৱসাগৰ জিলাৰ প্ৰশিক্ষণ শিবিৰত জিলা পৰ্যায়ৰ কাব মাষ্টাৰসকলৰ এড্‌ভাঞ্চ প্ৰশিক্ষণ শিবিৰৰ ১৭ নৱেম্বৰত সামৰণি পৰে। ১১ নৱেম্বৰৰ পৰা ১৭ নৱেম্বৰলৈকে অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণ শিবিৰত জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ ২১জন শিক্ষকে প্ৰশিক্ষণ গ্ৰহণ কৰে। শিবিৰত মুখ্য প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰে ঢকুৱাখনাৰ কুমুদ চন্দ্ৰ শৰ্মাই। প্ৰশিক্ষক হিচাপে উপস্থিত থাকে কামদেৱ সিং, ৰুমেনা বেগম, পৱন কুমাৰ বৰা, প্ৰবীণ কুমাৰ বৰা, প্ৰবীণ বৰগোহাঁই আদিয়ে। উক্ত প্ৰশিক্ষকসকলক শিৱসাগৰ জিলা সংমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈয়ে একোটাকৈ উপহাৰ প্ৰদান কৰে। প্ৰশিক্ষণৰ সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈয়ে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জয়ন্ত ৰাজকোঁৱৰ, পুৰুষোত্তম কলিতা, মনোৰঞ্জন বৰঠাকুৰ আৰু দিগন্ত বৰা। অনুষ্ঠানৰ আঁত ধৰে জিলা সচিব পৱন কুমাৰ বৰাই। সামৰণী এই অনুষ্ঠানত কেম্প ফায়াৰ অনুষ্ঠিত হোৱাৰ লগতে কেম্প ৰিপ’ৰ্ট পাঠ কৰে লিডাৰ অৱ ক’ৰ্চ কুমুদ চন্দ্ৰ শৰ্মাই। বক্তব্য আগবঢ়ায় কামদেৱ সিং, কমল গগৈ, জয়ন্ত ৰাজকোঁৱৰ, পুৰুষোত্তম কলিতা আদিয়ে। অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে বিভিন্ন স্কাউটৰ অনুষ্ঠান প্ৰদৰ্শন কৰে।

## লহৰে চাপৰিত বন্যহস্তীৰ উপদ্ৰৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজিৰঙা, ১৯ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও থানাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ মাজৰ লহৰে চাপৰিত যোৱা এটা মাহ ধৰি এজাক বন্যহস্তী আৰু চাৰিটা গঁড়ৰ মুক্ত বিচৰণৰ ফলত উজাগৰি নিশা কটাবলগীয়া হৈছে লহৰেবাসীয়ে। উল্লেখ্য, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা প্ৰায় ৪০-৫০জনীয়া হাতীৰ জাকে নিশা হ’লেই অঞ্চলটোত কৃষকৰ শালিধান, ৰবিশস্য খাই-গছকি অনিষ্ট সাধন কৰাৰ লগতে কেইবাঘৰ লোকৰ ভঁৰাল ঘৰ ভাঙি ধান খাই তহিলং কৰাত চিন্তিত হৈছে লহৰেবাসী। ইফালে স্থানীয় লোকে নুমলীগড় বন বিভাগৰ কাৰ্যালয় সৈতে হাতীৰ জাক আৰু গড়কেইটা খেদি পঠিয়াবলৈ যোগাযোগ কৰিছে যদিও উক্ত চাপৰি এলেকাটো দেৰগাঁও বন সংমণ্ডল কাৰ্যালয় অধীনৰ বুলি নুমলীগড় বন সংমণ্ডল বিষয়াগৰাকীয়ে সদৰী কৰাৰ পিছত বিপাঙত পৰিছে কৃষিজীৱী ৰাইজ। কাৰণ বছৰ বছৰ ধৰি উক্ত এলেকাটো নুমলীগড় বন সংমণ্ডল কাৰ্যালয়ৰ অধীনত পৰিচালিত হৈ আছিল বুলি স্থানীয় গাঁওপ্ৰধানগৰাকীয়ে সংবাদ মাধ্যমৰ আগত সদৰী কৰে। লহৰেবাসীয়ে অভিযোগ উত্থাপন কৰা অনুসৰি সীমামুৰীয়া এলেকাৰ হোৱাৰ বাবে উক্ত অঞ্চলত হাতী গড় ওলালে ৰাইজৰ যথেষ্ট অনিষ্ট কৰিলেও বন বিভাগৰ কোনো লোক উক্ত চাপৰিত উপস্থিত নহয়। কেৱল মাত্ৰ নানা অজুহাত দেখুৱাই নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ পৰা আঁতৰি থাকে বন বিভাগে। আনহাতে, যোৱা কেইবাদিনো ধৰি লহৰে অঞ্চলত হাতীৰ বৃহৎ জাকে কৃষকৰ খেতিপথাৰ অনিষ্ট সাধন কৰাৰ উপৰি অঞ্চলটোত চাৰিটাকৈ গঁড়ৰ মুক্ত বিচৰণৰ ফলত নিশা হ’লেই জুই লগাই, টিং বজাই হাতীৰ জাক খেদিবলৈ স্থানীয় ৰাইজে উজাগৰী নিশা কটাবলগীয়া পৰিস্থিতি সৃষ্টি হৈছে।

## নগাঁৱত লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্ম-জয়ন্তী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ নৱেম্বৰ ঃ** বীৰত্ব-সাহসৰ অনন্য প্ৰতীক লাচিত বৰফুকন। মহান বীৰগৰাকীৰ ৪০০সংখ্যক জয়ন্তী উদ্‌যাপনৰ উপলক্ষে আয়োজন কৰা নগাঁও জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ উদ্যোগত সপ্তাহজোৱা কাৰ্যসূচীৰ আজিৰ প্ৰথম দিনা পুৱা ৮ বজাত নগাঁও পুলিচ ৰিজাৰ্ভৰ পৰা নগাঁও চহৰৰ মাজেৰে এখন সাংস্কৃতিক শোভাযাত্ৰাৰ আয়োজন কৰা হয়। এই শোভাযাত্ৰাত বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰম্পৰাগত সাজ-পোছাকেৰে পদযাত্ৰা, পুলিচ প্ৰশাসনৰ দ্বাৰা বেণ্ড প্ৰদৰ্শন আৰু মাৰ্চ পাষ্ট, কুচ-কাৱাজ আৰু সাংস্কৃতিক শোভাযাত্ৰা আদি অনুষ্ঠিত হয়। নগাঁও জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে মুকলি কৰা এই শোভাযাত্ৰাৰ কাৰ্যসূচীত নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলে প্ৰমুখ্যে জিলা প্ৰশাসন আৰু আৰক্ষী বিভাগৰ উপৰি বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ নাগৰিকেও অংশগ্ৰহণ কৰে। ইপিনে শনিবাৰে ছাত্ৰ-ছাত্ৰীৰ মাজত কবিতা আবৃত্তি, ৰচনা আদি প্ৰতিযোগিতাৰ আয়োজন কৰাৰ লগতে সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হ’ব।

## মাৰ্ঘেৰিটাত ভয়ংকৰ পথ দুৰ্ঘটনা

### কথমপি প্ৰাণ ৰক্ষা দুয়োখন বাহনৰ চালকসহ আৰোহী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰীটা, ১৯ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা থানাৰ অন্তৰ্গত বাবুল হল চাৰিআলি সমীপৰ ৩১৫নং ৰাষ্ট্ৰীয় ঘাইপথত আজি সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। এ এছ-s23 ইউ-9997 নম্বৰৰ ডাম্পাৰ আৰু এ এছ-23 এ ডি-9564 নম্বৰৰ ছুইফট গাড়ীৰ মাজত মুখামুখি সংঘৰ্ষ ফলতে সংঘটিত হয় দুৰ্ঘটনাটো। তীব্ৰ গতিত খুন্দা মৰাৰ ফলত দুয়োখন গাড়ীৰে বিস্তৰ ক্ষতি সাধন হয়
যদিও গাড়ীৰ এয়াৰ বেগ ওলাই যোৱাৰ ফলত দুয়োখন বাহনৰ চালকসহ আৰোহী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাৰ পৰা কথমপি ৰক্ষা পৰে।

## কালীপুখুৰীত বৰ্ণাঢ্যভাৱে কাতিকা পূজা পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ১৯ নৱেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ ভোটগাঁৱত ২০১০ চনত আৰম্ভ কৰা হয় কাতিকা পূজা। এইবাৰ জিলাখনৰ ছালাকাটি উপ-আৰক্ষী চকীৰ অন্তৰ্গত কালীপুখুৰী হাওৰীয়া মণ্ডল বাখাৰাত প্ৰথমবাৰৰ বাবে দ্বাদশসংখ্যক কাতিকা পূজা পালিত হয়। সদৌ অসম কোঁচ ৰাজবংশী সন্মিলনী, সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থা, কোঁচ ৰাজবংশী কালচাৰেল ছ’চাইটী, কোচ ৰাজবংশী মহিলা সমিতিৰ উদ্যোগত আৰু বৃহত্তৰ কালীপুখুৰী অঞ্চলৰ ৰাইজৰ সহযোগত পুৱা উল্লিখিত সংগঠনসমূহৰ পতাকা উত্তোলনৰ পিছত আবেলি ২ বজাৰ পৰা আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আলোচনা-চক্ৰত কাত্তিকা কি, কাতিকা পূজাৰ নিয়ম-নীতিৰ ওপৰত বক্তব্য আগবঢ়োৱাৰ উপৰি কাতিকা পূজা নাৰীকেন্দ্ৰিক, পুৰুষবৰ্জিত, কাতিকা পূজা কৰিলে সন্তানহীনৰ পুত্ৰ সন্তান লাভ, স্বামীহীনৰ স্বামী লাভ হয় বুলি লোক-বিশ্বাস। এই বুলি মতামত আগবঢ়ায় বিশিষ্ট সাহিত্যিক, গৱেষক, শিক্ষক বাণীকান্ত ৰায়, চাপটগ্ৰাম মহাবিদ্যালয়ৰ প্ৰবক্তা ড° কে কে ৰায়, বডোলেণ্ড বিশ্ববিদ্যালয়ৰ প্ৰবক্তা ৰাতুল ডেকা, সাহিত্যিক, সমাজকৰ্মী জ্যোৎস্না প্ৰিয়া দেৱী, ড° বুলু ৰায়, ৰমলা ৰায় সৰকাৰ, লেখক, লোকশিল্পী, গৱেষক পৰমেশ্বৰ চৌধুৰী আদি আলোচকসকলে। আলোচনা চক্ৰ সঞ্চালনা কৰে কোচ ৰাজবংশী কালচাৰেল ছ’চাইটীৰ সভাপতি বুদ্ধেশ্বৰ ৰায়ে। অনুষ্ঠানত কাতিকা পূজাৰ লগত সংগতি ৰাখি ‘মৈৰা’ নামৰ স্মৃতিগ্ৰন্থখন উদ্বোধন কৰে কোকৰাঝাৰ জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকাই। সন্ধিয়া গীতেৰে পৰিৱেশ জীপাল কৰি তোলে জনপ্ৰিয় কণ্ঠশিল্পী ভৃগু কাশ্যপে। তেওঁৰ লগত অভিনেত্ৰী জুনজুন বৰাই নাচি-বাগি সহযোগিতা আগবঢ়ায়। ইয়াৰ প্ৰাক্‌মূহূৰ্তত অভিনেতা আলখ্য বৰাই উপস্থিত সকলোৰে মন চুই যোৱাকৈ নাটকীয় ভংগিমাত বক্তব্য দাঙি ধৰে।

## শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত অসমীয়া জাতিৰ ঐতিহ্য-বিৱৰ্তনৰ বক্তৃতানুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ নৱেম্বৰ ঃ** ‘যি জাতিৰ এক অন্যতম শক্তিশালী ঐতিহ্য আছে, সেই জাতিৰ বিলুপ্তি ইমান সহজ নহয়। টি ভি, কাকত, ম’বাইল ফোনে আধুনিক জাতিৰ সৃষ্টি কৰিছে’ — এই তাৎপৰ্যপূৰ্ণ মন্তব্য তেজপুৰ বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক চন্দন কুমাৰ শৰ্মাৰ। বুধবাৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ উদ্যোগত আয়োজিত ‘অসমীয়া জাতিৰ ঐতিহ্য আৰু বিৱৰ্তন’ শীৰ্ষক এক বক্তৃতানুষ্ঠানত অংশ লৈ অধ্যাপকগৰাকীয়ে এই মন্তব্য কৰে। লগতে তেওঁ আৰু কয়— ‘সাধু, বুৰঞ্জী, গ্ৰন্থ অধ্যয়ন নকৰিলে জাতিৰ ঐতিহ্য সম্পৰ্কে ধাৰণা লাভ কৰিব নোৱাৰি। ঐতিহ্যৰ ৰূপান্তৰ হয়। এটা জাতিৰ ঐতিহ্য প্ৰতিষ্ঠাৰ বাবে ইয়াৰ কিংবদন্তি চৰ্চা কৰা অতি প্ৰয়োজন। লগতে তেওঁ অসমীয়া জাতি গঠনত শক্তিশালী ভূমিকা গ্ৰহণ কৰা ব্যক্তিৰ লগতে লিপিসমূহৰ তথ্যসমৃদ্ধ আৰু মনোগ্ৰাহী ভাষণ আগবঢ়ায়। সমাজতত্ত্ব বিভাগৰ ছাত্ৰী বিজুমণি বৰাই আঁত ধৰা অনুষ্ঠানত আদৰণী ভাষণ আগবঢ়ায় বিভাগটোৰ মুৰব্বী ড° কৰবী কোঁচে অনুষ্ঠানলৈ সকলোকে স্বাগতম জনায়। অনুষ্ঠানটোত উপস্থিত থাকি বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক অধ্যাপক মৃণাল কুমাৰ বৰাই সামগ্ৰিকভাৱে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত সহায় কৰা বিভিন্ন উপাদান, অষ্ট্ৰিক, মংগোলয়ড, তীবৃতীয়সকলৰ অৱদান তথা এটা জাতি গঠনৰ বাবে প্ৰয়োজনীয় দিশসমূহৰ ব্যাখ্যা আগবঢ়ায়। শেষত, বিভাগটোৰ সহকাৰী অধ্যাপক ড° পাৰ্থ প্ৰতিম বৰুৱাই শলাগৰ শৰাই আগবঢ়ায়।

মিনি মালবাহী মটৰ মালিক সন্থাৰ উপায়ুক্তলৈ স্মাৰক-পত্ৰ

## দেৰগাঁৱত ই-ৰিক্সাক লৈ সমস্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১৯ নৱেম্বৰ ঃ** দেৰগাঁও নগৰৰ মিনি মালবাহী মটৰ মালিক সন্থাই আজি কিছুদিন ধৰি সন্মুখীন হোৱা সমস্যাৰ সমাধান বিচাৰি উপায়ুক্তলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰিছে। অভিযোগ মতে, দেৰগাঁও নগৰত প্ৰয়োজনতকৈ অধিক ই-ৰিক্সা চলি আছে। এই ই-ৰিক্সাসমূহে যাত্ৰী কঢ়িওৱাৰ পৰিৱৰ্তে মালবস্তু কঢ়িয়াই মিনি মালবাহী মটৰ মালিকসকলক বহুত সমস্যাৰ সন্মুখীন কৰাইছে। যিহেতু, মালবস্তু কঢ়িয়াই পৰিয়াল পোহপাল দিয়া মিনি মালবাহী মটৰৰ গৰাকীসকলে চৰকাৰক বছৰি ৩০/৪০ হাজাৰ টকা পৰ্যন্ত কৰ পৰিশোধ কৰিব লাগে। কিন্তু ই-ৰিক্সাসমূহে মালবস্তু কঢ়িয়াবলৈ লোৱাত মিনি মালবাহী বাহনসমূহৰ উপাৰ্জন নাইকিয়া হৈছে। এয়ে হ’লে কৰ পৰিশোধ সম্ভৱ নহ’ব বুলি উল্লেখ কৰি সন্থাই উপায়ুক্তলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰি জিলা পৰিবহণ বিষয়া, দেৰগাঁৱৰ চক্ৰ বিষয়া, আৰক্ষী বিষয়া আদি কৰি বিভাগীয় কৰ্তৃপক্ষক ই-ৰিক্সাসমূহৰ ওপৰত ব্যৱস্থা গ্ৰহণৰ বাবে লিখিতভাৱে অৱগত কৰিছে।

## চিলাপথাৰ আঞ্চলিক সন্মিলিত গণশক্তি-নাৰীশক্তি দলৰ অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৯ নৱেম্বৰ ঃ** অসমৰ অন্যতম আঞ্চলিক ৰাজনৈতিক দল সন্মিলিত গণশক্তি অসম আৰু সন্মিলিত নাৰী শক্তি অসম দলৰ চিলাপথাৰ আঞ্চলিক সমিতিৰ পঞ্চম ত্ৰি-বাৰ্ষিক অধিৱেশনখন পূব চিলাপথাৰ কলেজ প্ৰেক্ষাগৃহত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা দলীয় পতাকা উত্তোলনেৰে আৰম্ভ হোৱা কাৰ্যসূচীত দুপৰীয়া গণশক্তি দলৰ চিলাপথাৰ আঞ্চলিকৰ সভাপতি ধীৰেন পাইতৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাৰ আঁত ধৰে বিজয় পেগুয়ে। ইয়াৰ পিছতে মুকলি সভাত সন্মিলিত গণশক্তি আৰু নাৰী শক্তি দলৰ বহুকেইগৰাকী নেতা উপস্থিত থাকি বক্তৃতা প্ৰদান কৰে। সভাত মিছিং স্বায়ত্তশাসিত পৰিষদৰ মুক্তিয়াৰ সমষ্টিৰ সদস্য প্ৰতাপ টায়ে, চিলাসুঁতি সমষ্টিৰ সদস্য কনক দলে, চিচিবৰগাঁও আঞ্চলিক পঞ্চায়তৰ সভাপতি দেৱকান্ত পেগু, নাৰী শক্তিৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভানেত্ৰী গুণ চুতীয়া, সম্পাদিকা ৰণিতা দলে, প্ৰিয়ংকা বুঢ়াগোহাঁই, চিচিবৰগাঁও ব্লকৰ সভাপতি গোপাল চুতীয়া, সম্পাদক ভাস্কৰ চুতীয়াকে ধৰি দলটোৰ বহু নেতা-কৰ্মী উপস্থিত থাকে। ইফালে অঞ্চলটোৰ সন্মিলিত গণশক্তি আৰু নাৰী শক্তিৰ দলৰ প্ৰায় পাঁচ শতাধিক পুৰুষ-মহিলাৰ উপস্থিতিত বিষয় বাছনি সভাৰ জৰিয়তে দ্বিতীয়বাৰৰ বাবে ধীৰেন পাইতক সভাপতি, বিজয় পেগুক সম্পাদক হিচাপে লৈ ৫১জনীয়া গণশক্তিৰ চিলাপথাৰ আঞ্চলিক সমিতি গঠন কৰা হয়। একেদৰে জয়ন্তী ভৰালীক সভানেত্ৰী আৰু প্ৰিয়াজ্যোতি পায়েঙক সম্পাদিকা হিচাপে লৈ ১০১জনীয়া সন্মিলিত নাৰী শক্তি অসমৰ চিলাপথাৰ আঞ্চলিক সমিতি গঠন কৰা হয়। দায়িত্বভাৰ গ্ৰহণ কৰি নতুন সমিতিৰ বিষয়ববীয়াসকলে সমঅধিকাৰ, সমউন্নয়ন আৰু সমমৰ্যাদাৰ হকে কাম কৰি যাব বুলি মন্তব্য আগবঢ়ায়।



## ডুমডুমীয়াত গোমধানৰ বীজ যোগান কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ১৯ নৱেম্বৰ ঃ** চৰাঞ্চলৰ কৃষকসকলৰ বাবে সুখবৰ। এইবাৰ বায়াৰ কোম্পানীয়ে মুকলি কৰিছে kpc-9217 নামৰ গোমধানৰ উন্নত মানৰ বীজ। আৰু নগাঁও জিলাৰ গোমধান উৎপাদনৰ কেন্দ্ৰস্থলস্বৰূপ ডুমডুমীয়াৰ চুইছ গেট বজাৰত মুকলি কৰিছে এখন বিপণী কেন্দ্ৰ। জেঙনিত চুইছ গেটত কোম্পানীটোৱে নতুনকৈ উদ্ভাৱন কৰা KPC 9217 গোমধান বীজৰ বিষয়ে আৰু গোমধানৰ খেতিৰ ওপৰত এখন গ্ৰাহক সভা অনুষ্ঠিত কৰি মুকলি কৰে বিপণীখন। সভাত বায়াৰ কোম্পানীৰ কৰ্মচাৰীসকল, উদ্যোক্তা ইলিয়াছ আহমেদ, ৰফিকুল ইছলাম, ৰিয়াজুল ইছলাম, জেঙনি গাঁও পঞ্চায়তৰ সভাপতি নবী হুছেইনৰ লগতে প্ৰায় পাঁচ শতাধিক কৃষক উপস্থিত আছিল। উল্লেখ্য যে, সভাত ৰাইজক আমোদ দিয়াৰ বাবে গীত-নৃত্যৰ লগতে এখন লটাৰী খেল অনুষ্ঠিত হৈ যায়।

## যুৱ সাংবাদিক সন্থা, অসম-লাহোৱাল মহাবিদ্যালয়ৰ যৌথ উদ্যোগত ১০দিনীয়া সাংবাদিকতাৰ কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৯ নৱেম্বৰ ঃ** লাহোৱাল মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি যুৱ সাংবাদিক সন্থা, অসম আৰু লাহোৱাল মহাবিদ্যালয়ৰ যৌথ উদ্যোগত ১৯ ডিচেম্বৰৰ পৰা ২৯ ডিচেম্বৰলৈ এখন ১০দিনীয়া সাংবাদিকতাৰ কৰ্মশালা অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। অসমৰ কেইবাগৰাকীও জ্যেষ্ঠ সাংবাদিকে অংশগ্ৰহণ কৰিবলগীয়া সাংবাদিকতাৰ কৰ্মশালাখনত গুৱাহাটী বিশ্ববিদ্যালয়, তেজপুৰ বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাংবাদিকতা আৰু গণসংযোগ বিভাগৰ কেইবাগৰাকীও সহঃ প্ৰাধ্যাপকে অংশগ্ৰহণ কৰিবলগীয়া কৰ্মশালাখনৰ জৰিয়তে বৰ্তমান সাংবাদিকতাৰ ক্ষেত্ৰখনত যিসকল ব্যক্তিয়ে সাংবাদিকতা পাঠ্যক্ৰম গ্ৰহণ নকৰাকৈ সংবাদ সেৱা কৰি আহিছে তেওঁলোক যথেষ্ট লাভৱান্বিত হোৱাৰ লগতে ভৱিষ্যতে সাংবাদিকতা ক্ষেত্ৰখনৰ প্ৰতি আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলেও যথেষ্ট উপকৃত হ’ব বুলি জানিব পৰা গৈছে। আজি এই কৰ্মশালাখনৰ সন্দৰ্ভত লাহোৱাল মহাবিদ্যালয়ত অভ্যৰ্থনা সমিতিয়ে এখন গুৰুত্বপূৰ্ণ আলোচনা সভা অনুষ্ঠিত কৰি লাহোৱাল মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অভ্যৰ্থনা সমিতিৰ সভাপতি জ্যোতিপ্ৰসাদ দত্ত আৰু যুৱ সাংবাদিক সন্থা,অসমৰ সাধাৰণ সম্পাদক কাঞ্চনজ্যোতি গোহাঁয়ে কৰ্মশালাখনত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক ছাত্ৰ -ছাত্ৰীসকলৰ লগতে উদীয়মান সাংবাদিকসকলক মহাবিদ্যালয়ৰ কৰ্মশালা পঞ্জীয়ন কক্ষৰ পৰা ১০ ডিচেম্বৰৰ ভিতৰত আৱেদন-পত্ৰ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। তদুপৰি আগতীয়া যোগাযোগ নতুবা অনলাইনযোগে আৱেদন-পত্ৰ গ্ৰহণ কৰিব বিচাৰিলে ৮৩৯৯২০৭৮২, ৮০১১১৬৩২৪৫, ৯৯৫৭৮৮৯২৪৬, ৮৩৯৯০১৩৯৩২ উক্ত ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি জানিবলৈ দিছে।

## ১০ ডিচেম্বৰৰ পৰা দোপনীত বন্দনা গোস্বামী সোঁৱৰণী প্ৰাইজমানী ক্ৰিকেট

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ডিমৌ, ১৯ নৱেম্বৰ ঃ** ডিমৌৰ সমীপৰ দোপনী উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত ১০ ডিচেম্বৰৰ পৰা বন্দনা গোস্বামী সোঁৱৰণী প্ৰাইজমানী ছুপাৰ ছিক্স ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। অৱসৰপ্ৰাপ্ত চিআইডি বিষয়া তথা সমাজকৰ্মী ৰাধাকৃষ্ণ গোস্বামীয়ে পত্নীৰ সোঁৱৰণত অনুষ্ঠিত কৰিবলৈ লোৱা এই ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা প্ৰতিযোগী দলসমূহে ৬ ডিচেম্বৰৰ ভিতৰত যোগদান নিশ্চিত কৰিব লাগিব। প্ৰতিযোগিতাৰ ভৰ্তিমাচুল ২০০ টকা, খেলৰ সময় শনিবাৰে দিনৰ বাৰ বজাৰ পৰা আৰু দেওবাৰে পুৱা ১০ বজাৰ পৰা আৰম্ভ হ'ব। প্ৰতিযোগী দলসমূহে খেলৰ সামগ্ৰীৰ লগতে অনাৰ লগতে কমেও তিনিজন বলাৰ লগত আনিব লাগিব। বিজয়ী আৰু বিজেতা দলক চলন্ত ট্ৰফী আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ ৯৮৫৪৪৭৩১৩৪ নম্বৰত যোগাযোগ কৰি যোগদান নিশ্চিত কৰিব পাৰিব বুলি সভাপতি ৰাধাকৃষ্ণ গোস্বামী সম্পাদক পংকজ চেতিয়া, লৰ চাংমায়ে জানিবলৈ দিছে।

### আজিৰ পৰা ফিফা বিশ্বকাপ আৰম্ভ

# উদ্বোধনী মেচত কাটাৰ-ইকুৱেডৰ

**ডোহা, ১৯ নৱেম্বৰ ঃ** ফিফা বিশ্বকাপত আয়োজক আৰু দল হিচাপে কাইলৈ ঐতিহাসিক অভিষেক কৰিব কাটাৰে। ধনৰ বলত বিশ্বকাপ আয়োজনৰ দায়িত্ব লাভ কৰা কাটাৰে এতিয়া খেলপথাৰত কি প্ৰদৰ্শন কৰিব সেয়া বিশ্বই কাইলৈ দেখিব। উল্লেখ্য যে কাইলৈ হ'বলগা উদ্বোধনী মেচত কাটাৰ প্ৰতিদ্বন্দ্বী ইকুৱেডৰ। আজি সংবাদমেলত কাটাৰৰ প্ৰশিক্ষক ফেলিক্স ছানচেজে কয় যে কাইলৈৰ ইকুৱেডৰৰ বিৰুদ্ধে খেলিব লগা বিশ্বকাপৰ মেচ তেওঁৰ দলটোৰ বাবে এক ঐতিহাসিক মুহূৰ্ত। এই বিষয় লৈয়ে আয়োজক দলটোৱে উত্তেজিত হৈয়ো আছে। স্মৰ্তব্য যে প্ৰথমখন বিশ্বকাপত খেলা কাটাৰৰ দলটোৱে কাইলৈ আল বেইট ষ্টেডিয়ামত লেটিন আমেৰিকাৰ দলৰ বিৰুদ্ধে মুখামুখি হোৱাৰ পাছত আফ্ৰিকাৰ শক্তি ছেনেগাল আৰু ইউৰোপৰ ঐতিহ্য থকা ফুটবল দল নেদাৰলেণ্ডৰ বিৰুদ্ধেও খেলিব। আজি সংবাদমেলত ছানচেজে লগতে কয় 'আমাৰ বাবে এইটো এটা অতি গুৰুত্বপূৰ্ণ দিন তথা এয়া এক ঐতিহাসিক মুহূৰ্ত। কেৱল খেলুৱৈৰ বাবেই নহয় দলৰ সকলো কৰ্মচাৰীৰ বাবেও এয়া এক অতি সুখৰ দিন। এইটো এটা অসাধাৰণ দিন। মই আশা কৰোঁ আমি বিশ্ব ফুটবল তথা আমাৰ খেল উপভোগ কৰিব পাৰিম আৰু খেলপথাৰত আমাৰ কথা-বতৰা কৰিব পাৰিম। মই আশা কৰোঁ বিশ্বৰ সকলো দেশেই একত্ৰিত হৈ এইটো উপভোগ কৰিব পাৰিব।' উল্লেখ্য যে বিশ্বকাপৰ নিৰ্মাণৰ ক্ষেত্ৰত বহু বিতৰ্কৰ সৃষ্টি হৈছে। কাটাৰক প্ৰব্ৰজিত শ্ৰমিকৰ চৰ্তকে ধৰি মানৱ অধিকাৰৰ ভংগৰ অভিলেখক লৈয়ো সমালোচনা কৰা হৈছে। এই সন্দৰ্ভত আজি ছানচেজে কয় ' মোৰ মতে কিছু ভুল তথ্য আছে। কৰ্মৰ সময়ত মানুহৰ জীৱন হেৰুৱাই পেলোৱাটো এটা ডাঙৰ ট্ৰেজেডী, সেয়া ইয়াতেই হওক বা পৃথিৱীৰ আন যিকোনো ঠাইতে হওক। মই আশা কৰিছো যে এই বিশ্বকাপত সকলোৱে মিলি আমি এই গোটসমূহৰ চৰ্তসমূহৰ লাভৰ বাবে কাম কৰিব পাৰিম।' ইফালে, কাটাৰে প্ৰথমবাৰৰ বাবে গ্ল'বেল পেক্ষাপটত খেলিব যদিও তিনি বছৰ পূৰ্বে এছিয়ান কাপ জয় কৰা সফলতা আশা কৰিছে। ছানচেজে আজি লগতে কয় 'আমি জানো এয়া আমাৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হ'ব। কিন্তু আমি এই মেচখন খেলিবলৈ অতি আগ্ৰহী আৰু ইয়াত উপস্থিত হৈ অতি সুখী।




## বিজয় হাজাৰে ট্ৰফী ক্ৰিকেটত কৰ্ণাটকক হৰুৱালে অসমে




**গুৱাহাটী, ১৯ নৱেম্বৰ ঃ** অসমে চলিত বিজয় হাজাৰে ট্ৰফী ক্ৰিকেটত আজি এক বৃহৎ সফলতা লাভ কৰিছে। তিনিজনকৈ ভাৰতীয় দলৰ সদস্যৰে গঠিত কৰ্ণাটকক আজি অসম সন্তানৰ দ্বাৰা গঠিত অসম ক্ৰিকেট দলে ছয় উইকেটে পৰাস্ত কৰিবলৈ সক্ষম হয়। পোনতে বেটিং কৰা কৰ্ণাটকে নিকিন জ'ছৰ (১০০) শতক তথা মায়ংক আগৰৱাল (৬৪) আৰু মনীষ পাণ্ডে (৫৮) ৰ অৰ্ধশতকৰ সহায়ত ৫০ অভাৰত চাৰি উইকেটত ২৯৬ ৰাণ কৰে। প্ৰত্যুত্তৰত অসমে ৪৮.২ অভাৰত চাৰি উইকেট হেৰুৱাই ২৯৭ ৰাণ কৰি চমকপ্ৰদ বিজয় অৰ্জন কৰে। অসমৰ হৈ স্বৰূপম পুৰকায়স্থই ১১২ ৰাণৰ অপৰাজিত শতক অৰ্জন কৰাৰ লগতে শিৱশংকৰ ৰয়ে ৬৬ ৰাণৰ অপৰাজিত অৰ্ধশতক অৰ্জন কৰে। উভয় বেটছমেনে অপৰাজিত শতকীয় যুটি বান্ধি অসমক গৌৰৱময় বিজয় দিয়ে। আনহাতে, ৰাহুল হাজৰিকাই কৰে ৫০ ৰাণ। আজিৰ জয়ৰে অসম গ্ৰুপৰ শীৰ্ষত উপনীত হৈছে। অৱশ্যে নকআউট যোগ্যতাৰ বাবে এতিয়াও দুখন মেচ খেলিব থকা অসমৰ বাবে উভয় খেল দুখনত জয় অনিবাৰ্য। উল্লেখ্য যে অসমে পাঁচখন মেচৰ চাৰিখনতে জয়লাভ কৰিছে। যোৱা মেচত অসমে ছিকিমৰ বিৰুদ্ধে ১৮০ ৰাণত বৃহৎ জয় সাব্যস্ত কৰিছিল। পোনতে বেটিং কৰা অসমে ৰিয়ান পৰাগৰ দ্বিতীয়টো শতকৰ সহায়ত আঠ উইকেটত ৩০৭ ৰাণ কৰে। ৰিয়ানে ১২৮ ৰাণ কৰাৰ বিপৰীতে শিৱশংকৰ ৰয়ে ৫০ আৰু অম্লানে ৪৭ ৰাণ কৰে। প্ৰত্যুত্তৰত, ছিকিম ৩৬ অভাৰত ১২৭ ৰাণতে ইনিংছ সামৰে। স্মৰ্তব্য যে কলকাতাত হোৱা বিজয় হাজাৰে ট্ৰফী ক্ৰিকেটৰ প্ৰথম মেচত অসমে ৰাজস্থানৰ বিৰুদ্ধে ১৪৩ ৰাণত জয়লাভ কৰাৰ পাছত দ্বিতীয় খেলত ঝাৰখণ্ডৰ বিৰুদ্ধে আঠ উইকেটত পৰাজয়ৰ সন্মুখীন হৈছিল। ৰাজস্থানৰ বিৰুদ্ধে টছত হাৰি বেটিং কৰা অসমে ২৭১ ৰাণ কৰিছিল। শতক অৰ্জন কৰে ৰিয়ানে। প্ৰত্যুত্তৰত, ৰাজস্থানে ৩৩.৩ অভাৰত ১২৮ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। আনহাতে, ঝাৰখণ্ডৰ বিৰুদ্ধে খেলা মেচখনত পোনতে বেটিং কৰা অসমে ৩৯.৪ অভাৰতে ১৬৩ ৰাণত আটাইকেইটা উইকেট হেৰুৱাই ইনিংছ সামৰে। প্ৰত্যুত্তৰত ঝাৰখণ্ডে ৩৫ অভাৰতে দুটা উইকেট হেৰুৱাই ১৬৬ ৰাণ কৰি হেলাৰঙে বিজয়লক্ষ্যত উপনীত হয়। কিন্তু পৰৱৰ্তী মেচত অসমে ১৬৪ ৰাণত পৰাস্ত কৰে মেঘালয়ক। পোনতে বেটিং কৰা অসমে ন উইকেটত ২২১ ৰাণ কৰে। প্ৰত্যুত্তৰত মেঘালয়ে ৫৭ ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। আজিৰ সফলতাৰে অসমে জয় হেট্ৰিক অৰ্জন কৰিলে।

### বকোৰ খলিহাত টাইকোৱানড' প্ৰতিযোগিতা ২০২১-২২ শুভাৰম্ভ

## ৰাভা হাছং ক্ৰীড়া সন্থাৰ তত্ত্বাৱধানত পঞ্চম বাৰ্ষিক চেম্পিয়নশ্বিপ নিৰ্বাচন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বকো, ১৯ নৱেম্বৰ ঃ** ক্ৰীড়া আৰু শাৰীৰিক শিক্ষাৰ সমৰ কলাৰ খেল টাইকোৱানডো খেলৰ পঞ্চম বাৰ্ষিক চেম্পিয়নশ্বিপ প্ৰতিযোগিতাখন কামৰূপ জিলাৰ বকোৰ খলিহাত আজিৰ পৰা আয়োজন কৰা হৈছে। উল্লেখ্য যে ৰাভা হাছং ক্ৰীড়া সন্থাৰ তত্ত্বাৱধানত আৰু ৰাভা হাছং টাইকোৱানডো এছ'চিয়েচনৰ সহযোগত ১৮ নৱেম্বৰৰ পৰা ২০ নৱেম্বৰলৈ তিনিদিনীয়াকৈ আয়োজন কৰা হৈছে টাইকোৱানডো প্ৰতিযোগিতাখন। ৰাভা হাছং ক্ৰীড়া সন্থাৰ সভাপতি আদিত্য ৰাভা আৰু সম্পাদক পুষ্পাদিত্য চৌধুৰীয়ে জনোৱা মতে, খলিহাত আয়োজন কৰা পঞ্চম বাৰ্ষিক চেম্পিয়নশ্বিপ প্ৰতিযোগিতাখন পৰিচালনাৰ বাবে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ নগৰমল স্বৰ্গীয়াৰীক সভাপতি, কিৰণ ৰাভাক উপ-সভাপতি, জোনমণি চৌধুৰীক সাধাৰণ সম্পাদক, অনাদি পাটোৱাৰী আৰু ৰাহুল চৌধুৰীক সহকাৰী সম্পাদক হিচাপে লৈ গঠন কৰা হৈছে এখন বৃহৎ অভ্যৰ্থনা সমিতি। খলিহা হাইস্কুল খেলপথাৰত আয়োজন কৰা টাইকোৱানডো প্ৰতিযোগিতাৰ খেলখনৰ খেলুৱৈ নিৰাস মুকলি কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি নগৰমল স্বৰ্গীয়াৰীয়ে। ইফালে, আজিৰ পৰা আনুষ্ঠানিকভাৱে খেল আৰম্ভ কৰে সভাপতি আদিত্য ৰাভাই। ইফালে, ৰাভা হাছং এলেকাসহ অন্যান্য প্ৰান্তৰ প্ৰায় যোল্লটা ক্লাবৰ চাৰিশ খেলুৱৈৰ উপস্থিতিত প্ৰতিযোগিতাৰ খেল আৰম্ভ হয়।

### গুৱাহাটীত অনুষ্ঠিত আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা সমাপ্ত

# ভাৰতৰ কৃষ, ফ্ৰান্সৰ মাৰ্গট চেম্পিয়ন

### ২১ নৱেম্বৰৰ পৰা চচলত আৰম্ভ হ'ব আই টি এফ মাষ্টাৰ্ছ-১০০ টেনিছ প্ৰতিযোগিতা

**গুৱাহাটী, ১৯ নৱেম্বৰ ঃ** ভাৰতৰ কৃষ ত্যাগী আৰু ফ্ৰান্সৰ মাৰ্গট ফান্থালাই গুৱাহাটীত অনুষ্ঠিত হোৱা আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ ল'ৰা আৰু ছোৱালীৰ একক শাখাৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত অনুষ্ঠিত ১৮ বছৰ অনূৰ্ধ্ব ল'ৰা-ছোৱালীৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাখনৰ আজি সফল সামৰণি পৰে। আজি পুৱা অনুষ্ঠিত হয় ল'ৰা আৰু ছোৱালীৰ একক শাখাৰ ফাইনেল মেচ। ল'ৰাৰ একক শাখাৰ খিতাপৰ যুঁজত আমেৰিকাৰ হানু পেটেলৰ মুখামুখি হয় ভাৰতৰ কৃষ ত্যাগী। তিনিটা ছেটৰ অন্তত ফলাফল নিৰ্ণয় হোৱা মেচখনত ত্যাগীয়ে ৪-৬, ৬-৪, ৬-০ ৰ ব্যৱধানত পৰাস্ত কৰে পেটেলক। উল্লেখ্য যে প্ৰথম ছেট হেৰুওৱাৰ পাছতো শক্তিশালী প্ৰত্যাৱৰ্তন কৰি খিতাপ দখল কৰিবলৈ সক্ষম হয় ত্যাগীয়ে। তৃতীয় তথা নিৰ্ণায়ক ছেটতোত আমেৰিকাৰ খেলুৱৈজনে প্ৰত্যাহবানেই দিব নোৱাৰিলে ভাৰতৰ যুৱ তাৰকা ত্যাগীক। তিনিটা ব্ৰেক পইণ্টসহ ছেট হস্তগত কৰি চেম্পিয়ন হয় কৃষ। ইফালে, ছোৱালীৰ একক শাখাৰ ফাইনেল মেচখন কিন্তু একপক্ষীয় হয়। ভাৰতৰ সোণাল পাটিলৰ বিৰুদ্ধে খেলা ফ্ৰান্সৰ মাৰ্গট ফান্থালাই হেলাৰঙে ৬-৪, ৬-০ ৰ পোনপটীয়া ব্যৱধানত জয়ী হৈ খিতাপ অৰ্জন কৰে। মেচৰ পাৰম্ভিক পৰ্যায়ত ভাৰতীয় তৰুনীয়ে কিছু প্ৰত্যাহ্বান দিছিল যদিও আত্মবিশ্বাসৰে দৃঢ়তা প্ৰদৰ্শন কৰা ফৰাচী কন্যাই পৰৱৰ্তী সময়ত প্ৰতিটো নিখুত শ্বটৰে মেচ নিজৰ আয়ত্বততে ৰাখিবলৈ সক্ষম হয় আৰু প্ৰত্যাশিতভাবে চেম্পিয়ন ট্ৰফী হস্তগত কৰে। প্ৰতিযোগিতাৰ সমাপ্তিত হোৱা পুৰস্কাৰ বিতৰণ অনুষ্ঠানত ট্ৰফী বিতৰণ কৰে সদৌ অসম টেনিছ সন্থাৰ বিষয়া ৰক্তিম শইকীয়া, সুব্ৰত শৰ্মা, অংকুশ দত্ত আৰু দিগন্ত জ্যোতি গগৈয়ে। উল্লেখ্য যে সদৌ অসম টেনিছ সন্থাই ২০০৮ ৰ পৰাই গুৱাহাটীত সফলতাৰে ১৮ বছৰ অনূৰ্ধ্ব ল'ৰা-ছোৱালীৰ আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাখন আয়োজন কৰি আহিছে। এইবাৰৰ প্ৰতিযোগিতাত ভাৰতসহ আঠ খন ৰাষ্ট্ৰৰ প্ৰায় ৯০ জন খেলুৱৈয়ে অংশ লৈছিল। ইফালে, সদৌ অসম টেনিছ সন্থাই গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পতে অহা ২১ ৰ পৰা ২৫ নৱেম্বৰলৈ আন এখন আই টি এফ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা আয়োজন কৰিব। আই টি এফ মাষ্টাৰ্ছ ১০০ টেনিছ প্ৰতিযোগিতাখনত পুৰুষ আৰু মহিলাৰ ৩৫, ৪৫, ৫৫ আৰু ৬৫ বছৰ উৰ্দ্ধৰ বয়স শাখা থাকিব বুলি জনাইছে সদৌ অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই।




*অষ্ট্ৰেলিয়া-ইংলেণ্ডৰ মাজত অনুষ্ঠিত দ্বিতীয় এদিনীয়াত উইকেট দখলৰ পাছত অষ্ট্ৰেলিয়ান খেলুৱৈৰ উল্লাস*

## কলকাতাৰ চতুৰ্থ মেচতো ব্যৰ্থ ইষ্ট বেংগল

### শক্তিশালী প্ৰত্যাৱৰ্তন ওড়িশাৰ

**কলকাতা, ১৯ নৱেম্বৰ ঃ** ইষ্ট বেংগল এফ চিয়ে চলিত নৱম হিৰো ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল)ত গৃহভূমি বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত পুনৰ ব্যৰ্থতাৰ সন্মুখীন হ'ল। বিৰতিলৈ ২-০ গ'লত আগবাঢ়ি থকাৰ পাছতো ওড়িছা এফ চিৰ হাতত ৪-২ গ'লত পৰাজয় স্বীকাৰ কৰিব লগা হয় দলে। ঘৰত এয়া ইষ্ট বেংগলৰ চাৰিখন মেচত চতুৰ্থ পৰাজয়। যোৱা মেচত বাংগালুৰু এফ চিক গৃহভূমি শ্ৰীকান্তিৰাবা ষ্টেডিয়ামত ১-০ গ'লত পৰাস্ত কৰি ঘৰলৈ অহা ইষ্ট বেংগলে আজি চমকপ্ৰদ আৰম্ভণি কৰিছিল। খেলৰ ২৩ মিনিটত হাওকিপে তথা ৩৫ মিনিটত নাওৰাম সিঙে গ'ল কৰি দলক প্ৰথমাৰ্ধৰ খেলৰ অন্তলৈ ২-০ ত আগুৱাই ৰাখে। কিন্তু দ্বিতীয়াৰ্ধৰ আৰম্ভণিতে একেলগে চাৰিজন খেলুৱৈ সলনি কৰে ওড়িছাৰ প্ৰশিক্ষক যোচেপে। এই ৰণনীতিৰে শক্তিশালী প্ৰত্যাৱৰ্তন কৰে ওড়িছাই। ৪৬ মিনিটত খেলপথাৰত প্ৰৱেশ কৰা প্ৰেড্ৰো মাৰ্টিনে ৪৭ আৰু ৪৮ মিনিটত দুটা গ'ল কৰি মেচত ২-২ ত সমতা স্থাপন কৰে। আনহাতে, ৪৬ মিনিটত খেলপথাৰত প্ৰৱেশ কৰা জেৰীয়ে ৬৫ মিনিটত গ'ল কৰি ওড়িছাক ৩-২ ৰ অগ্ৰগতি দিয়াৰ পাছত দলৰ হৈ চতুৰ্থটো গ'ল কৰে ৭৬ মিনিটত নন্দ কুমাৰে। উল্লেখ্য যে ইষ্ট বেংগলে ইয়াৰপূৰ্বে ঘৰত চেন্নাইয়ানৰ হাতত ১-০ ত, কলকাতা ডাৰ্বিত ২-০ ত আৰু গোৱাৰ বিৰুদ্ধে ২-১ ত পৰাস্ত হৈছিল। এইবাৰ ইষ্ট বেংগলে কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে পৰাস্ত হৈ ছিজনৰ আৰম্ভনি কৰাৰ পাছত প্ৰথম সফলতা পাইছিল নৰ্থ ইষ্ট ইউনাইটেডক ৩-১ গ'লত হৰুৱায়। ইফালে, হায়দৰাবাদৰ বিৰুদ্ধে একমাত্ৰ গ'লত পৰাস্ত হৈ কলকাতালৈ অহা ওড়িছাই আজিৰ জয়ৰে দ্বিতীয়স্থানলৈ উত্তৰণ কৰিলে। ইয়াৰপূৰ্বে দলে কলিংগ ষ্টেডিয়ামত বাংগালুৰুক একমাত্ৰ গ'লত পৰাস্ত কৰাৰ লগতে কেৰালা ব্লাষ্টাৰ্ছকো ২-১ গ'লত হৰুৱাইছিল। উল্লেখ্য যে জামছেদপুৰক ৩-২ ত হৰুৱাই অভিযান কৰা ওড়িছাই দ্বিতীয় মেচত মুম্বাই চিটীৰ বিৰুদ্ধে ২-০ ত পৰাস্ত হৈছিল। ওড়িছা দলে পৰৱৰ্তী মেচ অহা ২৪ নৱেম্বৰত গৃহভূমি কলিংগ ষ্টেডিয়ামত খেলিব চেন্নাইয়ান এফ চিৰ বিৰুদ্ধে। আনহাতে ইষ্ট বেংগলে অহা ২৭ নৱেম্বৰত জামছেদপুৰৰ এফ চিৰ মুখামুখি হ'ব বিপক্ষৰ গৃহ ষ্টেডিয়ামত।




### খুমটাইৰ কচুপথাৰত অসম ভিত্তিত ভলীবল প্ৰতিযোগিতা সম্পন্ন

## ধেমাজি ভলীবল ক্লাব চেম্পিয়ন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, খুমটাই, ১৯ নৱেম্বৰ ঃ** গ্ৰামাঞ্চলৰ যুৱক-যুৱতীসকলক ক্ৰীড়াৰ প্ৰতি অধিক উৎসাহিত কৰিবলৈ খুমটাইৰ কচুপথাৰত বিশেষ পদক্ষেপ। কচুপথাৰ যুৱকবৃন্দ আৰু কেঙ্গেৰুজ ক্লাবৰ উদ্যোগত ১৮ নৱেম্বৰত অনুষ্ঠিত কৰিলে সদৌ অসম ভিত্তিত প্ৰাইজমানী ভলীবল প্ৰতিযোগিতা। শুকুৰবাৰে অনুষ্ঠিত অসম ভিত্তিত দিবা-নৈশ ভলীবল প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিলে অসমৰ কে'বাটাও আকৰ্ষণীয় ভলীবল দলে। কচুপথাৰৰ গ্ৰামাঞ্চলত প্ৰথমবাৰৰ বাবে আয়োজিত সদৌ অসম ভিত্তিত ভলীবল প্ৰতিযোগিতাখন উদ্বোধন কৰে খুমটাই জিলা পৰিষদৰ সদস্য মুনিন্দ্ৰ মোহন গগৈয়ে। স্থানীয় কে'বাজনো বিশিষ্ট ব্যক্তিক এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱাৰ পিছতে আৰম্ভ হ'ল উদ্বোধনী খেল। উদ্বোধনী খেলখনত প্ৰতিদ্বন্দ্বিতা আগবঢ়ালে ধেমাজি ভলীবল ক্লাব আৰু চৰাইদেউ ভলীবল ক্লাবে। বৰুৱা কচুপথাৰ হাই স্কুল খেলপথাৰত অনুষ্ঠিত ভলীবল প্ৰতিযোগিতাখনিত ৰাইজৰ ব্যাপক উছাহ পৰিলক্ষিত হ'ল। অতি উন্নতমানৰ খেল প্ৰদৰ্শন কৰি দৰ্শকক আমোদ দিলে প্ৰতিটো ভলীবল দলে। ভলীবল প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলত ধেমাজি ভলীবল ক্লাবে দেৰগাঁও ভলীবল ক্লাবক হৰুৱাই চেম্পিয়ন হ'বলৈ সক্ষম হ'ল। আনহাতে, প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিলে ধেমাজি ভলীবল ক্লাবৰ মাণিক কোঁৱৰে। প্ৰতিযোগিতাখনিত অসম ভলীবল সন্থাৰ সম্পাদকগৰাকী উপস্থিত হৈ আয়োজকসকলৰ শলাগ লোৱাৰ লগতে গ্ৰামাঞ্চলত এনেধৰণৰ খেল অনুষ্ঠিত কৰিবৰ বাবে সকলোকে আহ্বান জনায়। আনহাতে, প্ৰতিযোগিতাৰ মাজতেই নিশা সকলোৱে জুবিন গাৰ্গৰ জন্মদিন উদ্‌যাপন কৰিলে। কচুপথাৰত উপস্থিত হৈ কে'ক্ কাটি জুবিন গাৰ্গলৈ ওপজা দিনৰ শুভেচ্ছা জনালে অসম ক্ৰীড়া ব'ৰ্ডৰ উপাধ্যক্ষ আকাশ ফুকনে। কচুপথাৰত আয়োজিত অসম ভিত্তিত ভলীবল খেলৰ মাজতেই যুৱপ্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ জন্মদিন উদ্‌যাপন কৰিলে সকলোৱে। সকলোৱে আনন্দ উপভোগ কৰাৰ লগতে আতচবাজীৰে ৰঙীন হৈ পৰিল চৌদিশ। অসম ভিত্তিত ভলীবল প্ৰতিযোগিতাখন সফলভাৱে সামৰণি হোৱাত সহায়-সহযোগ আগবঢ়োৱা সকলোলৈকে ধন্যবাদ জনালে খেল পৰিচালনা সমিতিৰ সভাপতি সীমান্ত গোহাঁয়ে।

## ১৬ অনূৰ্ধ্ব ৰাজ্যিক ক্ৰিকেটত এ চি এ সম্পাদক একাদশ চেম্পিয়ন

**গুৱাহাটী, ১৯ নৱেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাৰ বৰ্তমানৰ কমিটীখন কাৰ্যভাৰ অন্ত পৰা অন্তিমক্ষণত আজি এক সুখ প্ৰাপ্তিৰ সফলতা লাভ কৰিলে খেলপথাৰত। এয়া কিন্তু বিজয় হাজাৰে ট্ৰফী ক্ৰিকেটত অসমে কৰ্ণাটকক পৰাস্ত কৰাটো নহয়। স্বাভাৱিকতে এয়াও গৌৰৱময়। কিন্তু তাতকৈয়ো উচ্চখাপৰ আন এক সফলতা আজি অসম ক্ৰিকেট সন্থাই লাভ কৰিছে। উল্লেখ্য যে এ চি এৰ সম্পাদক একাদশ দলটোৱে ফাইনেলত বৰপেটাক সাত উইকেটত হৰুৱাই আজি ১৬ অনূৰ্ধ্ব ৰাজ্যিক প্ৰতিযোগিতাৰ চেম্পিয়ন হৈছে। এয়া অসম ক্ৰিকেট সন্থাৰ বৰ্তমানৰ কমিটীখন সঠিক পৰিকল্পনা, কষ্ট তথা নেৰা-নেপেৰা চেষ্টাৰ পৰমপ্ৰাপ্তিৰ আনন্দময় ফচল। কাৰণ পূৰ্বৰ দৰে কেৱল জিলাৰ ওপৰতে নিৰ্ভৰ নাথাকি নতুন প্ৰতিভা বিকাশৰ বাবে অসম ক্ৰিকেট সন্থাৰ বৰ্তমানৰ কমিটীখনে আৰম্ভণিৰ পৰাই নিজৰ স্বকীয় পৰিকল্পনাৰে যিদৰে আগবাঢ়িছিল তাৰেই ফলদায়ক প্ৰাপ্তি আজি লাভ কৰিলে। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ বৰ্তমানৰ কমিটীখনে দয়িত্ব গ্ৰহণ কৰাৰ পাছৰে পৰাই তৃণমুল পৰ্যায়ৰ পৰা মুকুতাৰ সন্ধানৰ নতুন সপোন লৈ পদ্ধতিগত ৰূপত কাম কৰিবলৈ দৃঢ়তাৰে আগবাঢ়িছিল। কমিটীখনে সঠিক নীতি লৈ প্ৰথমে বৰ্ষাপাৰা ষ্টেডিয়ামতে সন্থাই ৰাজ্যিক ক্ৰিকেট একাডেমী স্থাপন কৰিছে। এই একাডেমীৰ সকলো সুবিধা বিশ্ব মানৰ। এজন আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটাৰে যি সুবিধা লৈ অনুশীলন কৰে, ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমী বা অষ্ট্ৰেলিয়াৰ ক্ৰিকেট একাডেমীত ক্ৰিকেটাৰক যি সুবিধা দিয়া হয় সেই সকলোখিনি এতিয়া এ চি এৰ ৰাজ্যিক ক্ৰিকেট একাডেমীত আছে। একাডেমীৰ পৰিচালন ব্যৱস্থাও এন চি এৰ দৰেই কৰা হৈছে। অধ্যক্ষ আৰু প্ৰশিক্ষকসহ অন্য সহযোগী বিষয়াৰ নিযুক্তি প্ৰক্ৰিয়াত এশ শতাংশ নিকা ব্যৱস্থা প্ৰয়োগ কৰাৰ লগতে দক্ষতাক গুৰুত্ব দিয়া হৈছে। যেতিয়া শীৰ্ষ পৰ্যায়ৰ পৰা পৰিকল্পিত নীতি, স্বচ্ছ ব্যৱস্থা আৰু অধ্যবসায় ৰাখি কাম কৰা যায় স্বৰূপাৰ্থত সেই কামৰ প্ৰাপ্তিও চেম্পিয়নৰ ৰূপতে হাতলৈ আহে।

### কাইলৈৰ পৰা আৰম্ভ হ'ব যতীন ইছলাৰী ফুটবল ট্ৰফী

## উদ্বোধনী খেলত অংশ ল'ব জেলচাৰ এফচি বনাম বাৰ্লাং ক্লাব

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ছালাকাটি, ১৯ নৱেম্বৰ ঃ** প্ৰয়াত যতীন ইছলাৰী মেম'ৰিয়েল ফুটবল ট্ৰফী কাইলৈ অৰ্থাৎ ২০ নৱেম্বৰত শুভ উদ্বোধনী হ'ব। কোকৰাঝাৰ জিলাৰ অন্তৰ্গত ছালাকাটি স্প'ৰ্টছ প্ৰমোটৰ ছ'চাইটীৰ উদ্যোগত সাতবিন্দী-হৰিগাঁও জৌহৌলাও স্বৌম্বলা বসুমতাৰী খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী খেলত অৱতীৰ্ণ হ'ব সৰলপাৰা জেলচাৰ এফচি আৰু কাণ্ঠালপাৰা বাৰ্লাং ক্লাব। উদ্বোধনী খেলত কোকৰাঝাৰ জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। উদ্বোধনী খেলৰ প্ৰাক মুহূৰ্তত বৰ্ণাঢ্য বিভিন্ন নৃত্য-গীত অনুষ্ঠিত হ'ব। এই কথা নৱমসংখ্যক যতীন ইছলাৰী মেম'ৰিয়েল ফুটবল ট্ৰফী উদ্যোক্তা সমিতিৰ সভাপতি লক্ষ্মীনাথ ব্ৰহ্মই জানিবলৈ দিয়ে।

## শক্তিশালী প্ৰত্যাৱৰ্তনেৰে ঘৰত প্ৰথম জয় চেন্নাইয়ানৰ, পৰাজয়ৰ হেট্ৰিক জামছেদপুৰৰ

**চেন্নাই, ১৯ নৱেম্বৰ ঃ** যোৱা মেচৰ ব্যৰ্থতাৰ পাছত সফল তথা শক্তিশালী প্ৰত্যাৱৰ্তন কৰি চেন্নাইয়ান এফ চিয়ে চলিত নৱম হিৰো ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল)ত আজি চেন্নাইৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত খেলা মেচত ৩-১ গ'লত পৰাস্ত কৰে জামছেদপুৰ এফ চিক। উল্লেখ্য যে চলিত ছিজনত গৃহভূমিত এয়া চেন্নাইয়ানৰ প্ৰথম জয়। বিপৰীতে ক্ৰমাগত তিনিখন মেচত পৰাস্ত হ'ল জামছেদপুৰ। উল্লেখ্য যে চেন্নাইয়ান দলে যোৱা মেচখনো ঘৰত খেলিছিল আৰু প্ৰথমে দুটা গ'ল কৰাৰ পাছতো ২-৬ ত বিধ্বস্ত হৈছিল মুম্বাই চিটীৰ বিৰুদ্ধে। কিন্তু আজি দলে ৯০ মিনিটলৈ মেচ নিজৰ আয়ত্বত ৰাখে। ২৭ মিনিটত পীটাৰ শ্লিছক'ভিকৰ গ'লেৰে বিৰতিলৈ ১-০ ত আগুৱাই থাকে চেন্নাইয়ান। কিন্তু ৭৬ মিনিটত জামছেদপুৰৰ হৈ ইষান পান্দিতাই গ'ল কৰি মেচত ১-১ ত সমতা স্থাপন কৰে। তাৎক্ষনিক প্ৰত্যাৱৰ্তনো কৰে চেন্নাইয়ানে। ৭৭ মিনিটত ভিন্সি বাৰেটোই আৰু ৮৫ মিনিটত খায়াটিয়ে গ'ল কৰি ঘৰুৱা দলৰ বিজয় নিশ্চিত কৰি দিয়ে। দুখন মেচৰ ব্যৰ্থতাৰ পাছত জয়লাভ চেন্নাইয়ানৰ। মুম্বাইৰ পূৰ্বে ঘৰতে গোৱাৰ বিৰুদ্ধে ২-০ ত পৰাস্ত হৈছিল চেন্নাইয়ান। উল্লেখ্য যে দলে কলকাতাত একমাত্ৰ গ'লত ইষ্ট বেংগলক হৰুৱাই ঘৰলৈ আহিছিল। ছিজনৰ প্ৰথম মেচত ২-১ ত মোহন বাগানক পৰাস্ত কৰা চেন্নাইয়ানে ঘৰতে বাংগালুৰুৰ বিৰুদ্ধে ১-১ ত ড্ৰ খেলিছিল। ইফালে, জামছেদপুৰৰ এয়া পৰাজয়ৰ হেট্ৰিক। যোৱা মেচত ঘৰতে হায়দৰাবাদৰ বিৰুদ্ধে একমাত্ৰ গ'লত পৰাস্ত হোৱাৰ পূৰ্বে গোৱাত ৩-০ ত পৰাস্ত হৈছিল জামছেদপুৰ। অৱশ্যে ঘৰত নৰ্থ ইষ্ট ইউনাইটেডক একমাত্ৰ গ'লত হৰুৱাই ছিজনৰ প্ৰথম সফলতা পাইছে দলে। ইয়াৰপূৰ্বে প্ৰথমখন মেচ ঘৰত খেলাৰ পাছতো ওড়িছাৰ বিৰুদ্ধে ৩-২ ত পৰাস্ত হৈছিল জামছেদপুৰ। আনহাতে, দ্বিতীয় মেচত মুম্বাই চিটীৰ লগত ১-১ ত ড্ৰ কৰি পইণ্ট ভগাই লৈছিল। চেন্নাইয়ান দলে অহা ২৪ নৱেম্বৰত ভূৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত পৰৱৰ্তী মেচ খেলিব ওড়িছা এফ চিৰ বিৰুদ্ধে। আনহাতে, জামছেদপুৰে অহা ২৭ নৱেম্বৰত ঘৰত মুখামুখি হ'ব ইষ্ট বেংগল এফ চিৰ।




No.MCH/2022/23243

**Tender Notice.**

Sealed tenders affixing court fee stamp of Rs. 8.25 (Rupees Eight & paisa twenty five) only are invited for Annual Maintenance Contract (AMC) of Generators & Air Conditioners of Various OTs, ICUs, Labs & Wards, Assam Medical College Hospital, Dibrugarh. Details of tender paper, specimen of the forms with terms & condition may be obtained from our official during Office hours w.e.f 21/11/2022 to 28/11/2022 upto 11.30 am and will be opened on 28/11/2022 at 12.30 pm.

Superintendent
Assam Medical College Hospital
Dibrugarh.

*Janasanyog /C/14535/22*

*No.EE(Agri.)/Koj/BTC/e-Tender/2022-23/4368-74* *Dated:- 18/11/2022*

**TENDER NO. 11 OF 2022-23**
**PRESS NOTICE/IFB**

The Executive Engineer (Agriculture), Kokrajhar Division, BTC, Kokrajhar invites bids for the work **"Vertical extension of Grade-IV quarter at Agril. Campus in Kokrajhar District, BTC"** amounting to **Rs. 31,74,750.00** (Approx) (Rupees thirty one lakh seventy four thousand seven hundred fifty) only from the registered contractors of Class-I & II category of Agriculture/PWD Deptt. of BTC.

Details may be seen at website http://assamtenders.gov.in and also at the office of the undersigned during office hours.

Sd/-
Executive Engineer (Agriculture),
Kokrajhar Division, BTC, Kokrajhar

*IPR(BTC)-522/2022*

## ফেচ অৱ দ্য ডে’



■ নাম ঃ তৰুলতা বিশ্বাস
■ জন্মস্থান ঃ মাটিয়া
গোৱালপাৰা

প্ৰেৰণ কৰক
আপোনাৰ
আলোকচিত্ৰ

e-mail:newsdbarta2010@gmail.com

# নগাঁও লোকসভাৰ সাংসদ পুঁজিৰে শ্ৰীমন্ত শংকৰ মিছন ডিজিটেল নলেজ চেণ্টাৰৰ আধাৰশিলা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ নৱেম্বৰ ঃ** উত্তৰ-পূব ভাৰতৰ অন্যতম মানৱ সেৱাৰ অনুষ্ঠান শ্ৰীমন্ত শংকৰ মিছনৰ চৌহদত নগাঁও লোকসভাৰ সমষ্টিৰ সাংসদ উন্নয়ন পুঁজিৰে স্থাপন কৰিবলৈ স্থিৰ কৰা শ্ৰীমন্ত শংকৰ মিছন ডিজিটেল নলেজ চেন্টাৰৰ আজি আধাৰশিলা স্থাপন কৰে নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। ১৯৫০ চনত প্ৰসিদ্ধ মুক্তি যোদ্ধা প্ৰয়াত লোকসেৱক হলধৰ ভূঞাৰ নেতৃত্বত বিশিষ্ট চিকিৎসক ডাঃ ললিত বৰুৱা, প্ৰখ্যাত, মুক্তি যোদ্ধা তথা সমাজসেৱক মহী চন্দ্ৰ বৰা, ঊষা বৰঠাকুৰ, বিমলাকান্ত বৰা, অধিবক্তা চন্দ্ৰ নাথ বৰঠাকুৰ, বিজয় চন্দ্ৰ ভাগৱতী, সত্ৰাধিকাৰ গহন চন্দ্ৰ গোস্বামী, ডাঃ হংসধৰ নাথ, সাংসদ লীলাধৰ কটকী, ডাঃ হৰেন্দ্ৰ নাথ বৰঠাকুৰ, ডাঃ চিত্তৰঞ্জন দত্তকে প্ৰমুখ্য কৰি বিভিন্নজন প্ৰখ্যাত ব্যক্তিৰ প্ৰচেষ্টাত স্থাপন হোৱা স্বেচ্ছাসেৱী অনুষ্ঠান শ্ৰীমন্ত শংকৰ মিছনে প্ৰতিষ্ঠা কালৰে পৰা সমাজৰ আৰ্তজনৰ সেৱাত ব্ৰতী হৈ জনমানসত সুখ্যাতি লাভ কৰিবলৈ সক্ষম হোৱা পঞ্চাশ দশকতে প্ৰতিষ্ঠা লাভ কৰা শ্ৰীমন্ত শংকৰ মিছনৰ কাম-কাজক প্ৰশংসা কৰি সাংসদগৰাকীয়ে মিছনৰ চৌহদত পঞ্চাশ লক্ষাধিক টকা ব্যয় কৰি নিৰ্মাণ কৰিবলৈ লোৱা ডিজিটেল নলেজ চেন্টাৰৰ ভৱিষ্যৎ দৰ্শন সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্যা কৰি ইয়াৰ দ্বাৰা অসমৰ বহুসংখ্যক যুৱ-যুৱতী, ছাত্ৰ-ছাত্ৰীক ডিজিটেল নলেজ চেন্টাৰৰ দ্বাৰা উচ্চ শিক্ষাৰে শিক্ষিত হ’বলৈ সুবিধা লাভ কৰিব বুলি উল্লেখ কৰে। শ্ৰীমন্ত শংকৰ মিছনৰ সভাপতি, অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া প্ৰেমেশ্বৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত ছেমচাং ইণ্ডিয়াৰ প্ৰাক্তন উপ-সভাপতি, অসমী কনছালটিং মেনেজিং পাৰ্টনাৰ অচিন্ত্য শৰ্মাই সভাত বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰি ডিজিটেল নলেজ চেন্টাৰ সম্পৰ্কত বিশেষভাৱে আলোকপাত কৰে। ক’ভিড মহামাৰীৰ সময়ত মানৱ সমাজৰ মাজত দেখা দিয়া বিভিন্ন সমস্যাৰ ওপৰত আলোকপাত কৰি ডিজিটেল ব্যৱস্থাই মানুহৰ প্ৰগতিত বিশেষ অৰিহণা যোগোৱাৰ সম্পৰ্কেও উল্লেখ কৰে। শ্ৰীমন্ত শংকৰ মিছনৰ সাধাৰণ সম্পাদক বল্লদেৱ শৰ্মাই আঁত ধৰা আধাৰশিলা অনুষ্ঠান আৰু মুকলি সভাৰ প্ৰাক মুহূৰ্তত শিল্পী প্ৰণতি বৰাই ঘোষা আৰু শ্ৰীমন্ত শংকৰ মিছনৰ বড়মপুৰ অন্ধ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত সংগীত পৰিৱেশন কৰে। বিশিষ্ট অতিথি অচিন্ত্য শৰ্মাৰ কৰ্মৰাজি আৰু তেওঁৰ ব্যক্তিত্বৰ সম্পৰ্কত ব্যাখ্যা দাঙি ধৰে নিউজ লাইভ চেনেলৰ প্ৰাক্তন নিউজ ৰীডাৰ প্ৰশান্তি বৰাই। সভাত গুৱাহাটী আইআইটিৰ কনছালটেন্ট অয়ন ভূঞা, শ্ৰীমন্ত শংকৰ মিছন ডিজিটেল নলেজ চেন্টাৰৰ সহযোগী এবিতা ৰদ্ৰিকচ, শ্ৰীমন্ত শংকৰ মিছনৰ উপ-সভাপতি হৰ বৰা, ডাঃ কৃষ্ণ বৰা, ৰঞ্জিত তামুলী ফুকন, সত্ৰাধিকাৰ জীৱেশ্বৰ দেৱগোস্বামী, বিশিষ্ট মুক্তি যোদ্ধা যতীন হাজৰিকা, বিশিষ্ট সমাজকৰ্মী মুকুট ভূঞা, প্ৰভাত বৰা, কলংপাৰ কাকতৰ মুখ্য সম্পাদক গুৰমাইল সিং, বিশিষ্ট সাংবাদিক বিৰিঞ্চি ডেকা, দেৱজিৎ হাজৰিকা, দীপেন শইকীয়া, মহলা আয়ুক্ত ৰূপালী শইকীয়া, প্ৰাক্তন মহলা আয়ুক্ত পৰাণ মহন্ত, সমাজসেৱীকা মাধন শইকীয়া, ভানুৰমা বৰা প্ৰমুখ্যে বহু গুণী-জ্ঞানী লোকে সভাত অংশগ্ৰহণ কৰে। জাতীয় সংগীতেৰে সামৰণি মৰা সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় মিছনৰ সাধাৰণ সম্পাদক বল্লদেৱ শৰ্মাই।

## ধুবুৰী ভোলানাথ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত ৰক্তদান শিবিৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৯ নৱেম্বৰ ঃ** আজি ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয় চৌহদত ভোলানাথ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত আৰু ধুবুৰী জিলা প্ৰশাসন, এইচডিএফচি বেংকৰ সহযোগত লাচিত বৰফুকনৰ ৪০০সংখ্যক জয়ন্তী উপলক্ষে এক ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। উক্ত ৰক্তদান শিবিৰটোৰ শুভ উদ্বোধন কৰে ধুবুৰী জিলাৰ অতিৰিক্ত উপায়ুক্ত নিত্য বিনোদ ৰাৱী আৰু ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰৱৰ্তীয়ে। অতিৰিক্ত উপায়ুক্ত ৰাৱীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰক্তদানৰ উপকাৰিতা আৰু ইয়াৰ তাৎপৰ্য সম্পৰ্কে বক্তব্য প্ৰদান কৰে। আজিৰ ৰক্তদান শিবিৰত মুঠ ২৩জন ছাত্ৰ-ছাত্ৰী আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ গোটৰ সদস্যই ৰক্তদান কৰে। ৰক্তদান শিবিৰৰ শেষত ভোলানাথ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যসূচী বিষয়া ডাঃ ৰেজিবুল আলমে ৰক্তদান কৰা সকলো ছাত্ৰ-ছাত্ৰীকে ধন্যবাদ জ্ঞাপন কৰে।

## অনন্য প্ৰতিভাৰ গৰাকী কৃষ্ণ ডেকা




**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ নৱেম্বৰ ঃ** অসমবাসীক নিজ প্ৰতিভাৰে মুগ্ধ কৰিবলৈ সক্ষম হৈছে জনসংযোগ বিভাগৰ কৰ্মচাৰী কৃষ্ণ ডেকাই। সৰ্বসাধাৰণ লোকৰ লিখন পদ্ধতিৰ বিপৰীতে ডেকাই সৰুৰে পৰাই নিজ সাধনাৰে দুয়োখন হাতেৰে সমানে লিখিব পৰাৰ লগতে ওলোটা দিশৰ পৰাও স্পষ্ট আৰু সুন্দৰকৈ লিখিব পাৰে। বহু কষ্টৰে ছাত্ৰাৱস্থাৰ পৰাই নিজৰ পঢ়াৰ মাজতে স্থানীয় বহু ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত শিক্ষকৰ ভূমিকা পালন কৰি আহোঁতেই এনেদৰে বিভিন্ন পদ্ধতিৰ লিখনশৈলীৰ প্ৰতি তেওঁ আগ্ৰহ বৃদ্ধি হৈছিল। কিন্তু কিছু বছৰৰ আগতে এক দুৰ্ঘটনাত তেওঁ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাত জীৱনৰ সকলো প্ৰতিভা অসাৰ হৈ পৰিছিল যদিও হাউলী মোহনপুৰ গাঁৱৰ লগতে নগৰবাহী ৰাইজৰ আশীৰ্বাদত তেওঁ সুস্থ হৈ আহি আজিৰ পৰ্যায় পাইছেহি। হস্তকলাৰ এনে অভিনৱ দক্ষতাৰ গৰাকী কৃষ্ণ ডেকা হাউলী মোহনপুৰ গাঁৱৰ বাসিন্দা হৰেন ডেকা আৰু ৰূপেশ্বৰী ডেকাৰ একমাত্ৰ সন্তান।

## অসম এনাৰ্জী ইনষ্টিটিউটৰ দ্বিতীয় দীক্ষান্ত সমাৰোহ

# ৭২গৰাকী শিক্ষাৰ্থীক পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ প্ৰমাণ-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, শিৱসাগৰ, ১৯ নৱেম্বৰ ঃ** শিৱসাগৰৰ পলাশনীত থকা অসম এনাৰ্জী ইনষ্টিটিউটৰ আজি দ্বিতীয় দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হয়। সমাৰোহত কেমিকেল ইঞ্জিনিয়াৰিং, মেকানিকেল আৰু পেট্ৰ’লিয়াম ইঞ্জিনিয়াৰিঙৰ তিনি বছৰীয়া ডিপ্ল’মা পাঠ্যক্ৰম সম্পূৰ্ণ কৰা ৭২গৰাকী শিক্ষাৰ্থীক পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়। এই সমাৰোহত ভাৰত চৰকাৰৰ পেট্ৰ’লিয়াম দপ্তৰৰ মন্ত্ৰী ৰামেশ্বৰ তেলী মুখ্য অতিথি ৰূপে উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰী তেলীয়ে অসম এনাৰ্জী ইনষ্টিটিউতে ভাৰতবৰ্ষৰ পেট্ৰ’লিয়াম খণ্ডত প্ৰয়োজন হোৱা মানৱ সম্পদ সৃষ্টিৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰি তোলাত সহায় কৰিব বুলি নিজৰ ভাষণত প্ৰকাশ কৰে। লগতে তেওঁ অনাগত দিনত শৈক্ষিক প্ৰতিষ্ঠানখনত আসনৰ সংখ্যা বৃদ্ধি কৰা হ’ব বুলি আশ্বাস দিয়ে। কেন্দ্ৰীয় মন্ত্ৰী টেলীয়ে নিজৰ ভাষণত অসমৰ চাৰিটা তেল শোধনাগাৰৰ ক্ষমতা বৃদ্ধি কৰাৰ সমান্তৰালভাৱে অসমত ৭টা ইথানল প্ৰকল্প স্থাপন কৰাৰ পৰিকল্পনা কৰা হৈছে বুলি জানিবলৈ দিয়ে। এই প্ৰকল্প সম্পূৰ্ণ হ’লে তেলত ২৫ শতাংশ পৰ্যন্ত ইথানল মিহলি কৰা হ’ব বুলি প্ৰকাশ কৰে। এই সমাৰোহতে প্ৰতিষ্ঠানটিৰ পৰা কৃতিত্বৰে উত্তীৰ্ণ হোৱা বিপ্লৱ নেৱাৰক ৰাষ্ট্ৰপতিৰ সোণৰ পদকৰ লগতে কেমিকেল ইঞ্জিনীয়াৰিং বিভাগত শীৰ্ষ স্থান লাভ কৰা বাবে এনাৰ্জী ইনষ্টিটিউটৰ সোণৰ পদক প্ৰদান কৰা হয়। আনহাতে, মেকানিকেল আৰু পেট্ৰ’লিয়াম ইঞ্জিনীয়াৰিঙৰ দুই মেধাৱী ময়ূৰী গগৈ আৰু সুদীপ্তকো শীৰ্ষ স্থান লাভ কৰাৰ বাবে শৈক্ষিক প্ৰতিষ্ঠানটিৰ তৰফৰ পৰা সোণৰ পদক প্ৰদান কৰা হয়। শৈক্ষিক প্ৰতিষ্ঠানটোৰ ব’ৰ্ড অৱ গভৰ্নৰৰ ড° এছ শ্যাম সুন্দৰমৰ সঞ্চালনাত অনুষ্ঠিত সমাৰোহত ইনষ্টিটিউটৰ অধ্যক্ষ এছ কে সিনহা, অ’এনজিচি, অইল ইণ্ডিয়াৰ শীৰ্ষ বিষয়াসকল, শিৱসাগৰ জিলাৰ উপায়ুক্ত আদিত্য বিক্ৰম যাদৱ আদিৰ লগতে শিক্ষা সম্পূৰ্ণ কৰা ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

আপোনাৰ প্ৰতিভা আমাৰ সন্ধান
আমালৈ প্ৰেৰণ কৰক আপোনাৰ
সন্তানটিৰ প্ৰতিভাৰ কিয়দংশ
DB NEWS ত
আমি সম্প্ৰচাৰ কৰিম
নিতৌ পুৱা ৭ঃ৪৫ বজাত
আমাক WhatsApp
অথবা Telegram
যোগে প্ৰেৰণ কৰিব
পাৰে ভিডিঅ’
আমাৰ নম্বৰ
৯৪০১০ ৩৩৮২৩



## নতুন সাহিত্য পৰিষদ, চতিয়া শাখাৰ উদ্যোগত সোঁৱৰণী অনুষ্ঠান



সদ্যপ্ৰয়াত
তিনি মহীৰুহৰ
স্মৃতি ৰোমন্থন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ১৯ নৱেম্বৰ ঃ** নতুন সাহিত্য পৰিষদৰ চতিয়া শাখাৰ উদ্যোগত আজি ইষ্টান্তিক ক্লাবৰ প্ৰেক্ষাগৃহত এক সোঁৱৰণী অনুষ্ঠানৰ আয়োজন কৰা হয়। চতিয়া শাখাৰ সভাপতি মৃণাল গোস্বামীৰ সভাপতিত্বত আয়োজিত সভাখনত সদ্য প্ৰয়াত বিশিষ্ট অভিনেতা নিপন গোস্বামী, ভোলা কটকী, বিশিষ্ট চিত্ৰকৰ নীলপৱন বৰুৱা, চলচ্চিত্ৰ পৰিচালক পুলক গগৈ আৰু কবি বিমান বৰাৰ স্মৃতি ৰোমন্থন কৰা হয়। সভাৰ আৰম্ভণীতে প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে শাখাৰ সভাপতি মৃণাল গোস্বামীয়ে, পুষ্পাঞ্জলি অৰ্পণ কৰে বিশিষ্ট অভিনেত্ৰী পুণ্যদা হাজৰিকাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদক অঞ্জন শইকীয়াই। উদ্দেশ্য ব্যাখ্যাৰ পিছতে প্ৰয়াত নিপন গোস্বামী, ভোলা কটকী, নীলপৱন বৰুৱাৰ বৰ্ণাঢ্য জীৱনৰ ওপৰত আলোকপাত কৰে সাংবাদিক তথা অৱসৰপ্ৰাপ্ত শিক্ষক ৰাতুল ভুঞাই। বক্তাজনে ভোলা কটকীৰ অভিনয় দক্ষতা আৰু আৰ্থিক দুৰৱস্থা, শিল্পী নীলপৱন বৰুৱাৰ শিল্প দক্ষতা আৰু নিপন গোস্বামীয়ে অসমীয়া চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা বৰঙনিৰ কথা বিস্তৃত্ব ৰূপত দাঙি ধৰে। আজিৰ সোঁৱৰণী অনুষ্ঠানতে নিপন গোস্বামীয়ে অভিনয় কৰা কে’বাখনো কথা ছবিৰ গীত পৰিৱেশন কৰে শিল্পী ইক্ৰাম হুছেইন, চতিয়া শাখা সাহিত্য সভাৰ সম্পাদিকা চিম্পী শইকীয়া আৰু ৰূপম বৰাই। সভাত লিখিত ৰূপত শোক সোঁৱৰণ তথা শ্ৰদ্ধাঞ্জলি পাঠ কৰে সভাপতি মৃণাল গোস্বামীয়ে। সমজুৱাৰ ফালৰ পৰা পুণ্যদা হাজৰিকা, ৰমেন বৰাকে ধৰি কে’বাজনো বক্তাই মহীৰুহকেইগৰাকীৰ স্মৃতি ৰোমন্থন কৰে।

# মাজুলী মহাবিদ্যালয়লৈ ডিব্ৰুগড়ৰ বনলতা প্ৰকাশনৰ গ্ৰন্থদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৯ নৱেম্বৰ ঃ** মাজুলীৰ প্ৰথমখন শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ে গ্ৰন্থ সংগ্ৰহ আৰু অধ্যয়ন সম্পৰ্কীয় এক জাগৰণ সৃষ্টিৰ উদ্দেশ্য আগত ৰাখি ‘গ্ৰন্থদান মহান দান’ নামেৰে এক ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ বিশেষ তৎপৰতাত ২০১৬ চনৰ ৮ অক্টোবৰৰ পৰা প্ৰাণ পাই উঠা এই পদক্ষেপৰ জৰিয়তে দেশৰ বিভিন্ন প্ৰান্তৰ বহুজন শুভাকাংক্ষীয়ে আগবঢ়োৱা গ্ৰন্থৰ সংখ্যাই ইতিমধ্যে একৈশ হাজাৰৰ সীমা অতিক্ৰম কৰিছে। এই সমাজহিতৈষী কাৰ্যসূচীত আন্তৰিকতাৰে ভাগ লৈ যোৱা ১৮ নৱেম্বৰত অসমৰ অগ্ৰণী গ্ৰন্থ প্ৰকাশন আৰু বিক্ৰেতা প্ৰতিষ্ঠান ডিব্ৰুগড়ৰ বনলতাই মহাবিদ্যালয়খনলৈ দুশৰো অধিক গ্ৰন্থ আগবঢ়ায়। কিছুদিনৰ পূৰ্বে মাজুলী ভ্ৰমণলৈ অহা প্ৰতিষ্ঠানটোৰ অন্যতম স্বত্বাধিকাৰ ৰুলী হাজৰিকা আৰু ড° বিদিশা মহন্ত হাজৰিকাই মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটি পৰিদৰ্শন কৰি মহাবিদ্যালয়খনিয়ে সম্পন্ন কৰি অহা গ্ৰন্থ দানৰ কাৰ্যসূচীত ভাগ লৈ গ্ৰন্থদান কৰাৰ ইচ্ছাৰ কথা ঘোষণা কৰিছিল। সেই অনুসৰিয়ে প্ৰকাশন গোষ্ঠীটোৰ স্বত্বাধিকাৰ প্ৰদ্যুৎ হাজৰিকাই মহাবিদ্যালয় কৰ্তৃপক্ষৰে যোগাযোগ কৰি সম্পূৰ্ণ নিজাববীয়া উদ্যোগেৰে গ্ৰন্থসমূহ মহাবিদ্যালয়খনলৈ আগবঢ়ায়। প্ৰকাশন গোষ্ঠীটোৰে প্ৰদৰ্শন কৰা এই বদান্যতাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰাৰ উদ্দেশ্যে আজি মহাবিদ্যালয়ৰ অধ্যক্ষৰ কক্ষত এখন বিশেষ সভাৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে আঁত ধৰা সভাত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শইকীয়াই প্ৰকাশন গোষ্ঠীটিয়ে প্ৰদৰ্শন কৰা মহানুভৱতাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে অনাগত সময়তো মহাবিদ্যালয়খনলৈ তেওঁলোকৰ সৰ্বতোপ্ৰকাৰৰ সহযোগিতা আশা কৰে। লগতে বহুমূলীয়া গ্ৰন্থৰাজি উপহাৰৰ জৰিয়তে মাজুলীৰ দৰিদ্ৰ শিক্ষাৰ্থীসকলৰ উপকাৰ সাধনৰ বাবে বনলতাই কৰা মহান প্ৰয়াসৰ শলাগ ল’বলৈ ভাষাৰ অভাৱ বুলি মন্তব্য কৰে। সভাত মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, প্ৰশাসনিক সমন্বয়ক বিপুল ৰাজখোৱা, অধ্যাপক অনিল চন্দ্ৰ হাজৰিকা, ড° ৰাজেন বৰা, অজয় প্ৰসাদ সিংহ, মায়াশ্ৰী ডেকা হাজৰিকা, গীতাৰাণী গোস্বামী, ড° ব্ৰজেন চন্দ্ৰ নেওগ, ড° ৰূপজ্যোতি বৰা, দেৱভূষণ বৰা, তুলসী ৰাজখোৱা, ড° দুলাল হাজৰিকা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি গ্ৰন্থদাতাৰ এনে মহান পদক্ষেপক বিশেষভাৱে প্ৰশংসা কৰে। সভাৰ অন্তত শলাগ জ্ঞাপন কৰে আইকিউএচিৰ সহঃ সমন্বয়ক অধ্যাপক ড° দেৱজ্যোতি ভট্টাচাৰ্যই।

## ৪৫৭ বছৰীয়া ‘ইতিহাস ঐতিহাসিক বৈনাৰা সত্ৰ’ গ্ৰন্থ উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ১৯ নৱেম্বৰ ঃ** দৰং-ওদালগুৰি সীমান্তৱৰ্তী ২নং বৈনাৰাত অৱস্থিত ঐতিহাসিক বৈনাৰা সত্ৰৰ ইতিহাস সম্বলিত গ্ৰন্থ ‘ইতিহাস ঐতিহাসিক বৈনাৰা সত্ৰ’ উন্মোচন কৰা হয়। ১৬ আৰু ১৭ নৱেম্বৰত অনুষ্ঠিত হৈ যোৱা বৈনাৰা সত্ৰৰ নৱনিৰ্মিত নামঘৰৰ দ্বাৰ উন্মোচনী অনুষ্ঠানৰ কাৰ্যসূচীৰ মুকলি সভাত উক্ত গ্ৰন্থখন উন্মোচন কৰা হয়। অসম দক্ষতা বিশ্ববিদ্যালয়ৰ উপ-প্ৰকল্প সঞ্চালক হিমালয় শৰ্মাই উক্ত গ্ৰন্থখন উন্মোচন কৰে। দেৱেন্দ্ৰনাথ ডেকাই সম্পাদনা কৰা ৪৫৭ বছৰীয়া বৈনাৰা সত্ৰখনৰ বহু তথ্য সন্নিৱিষ্ট কৰি প্ৰকাশ কৰি উলিয়াইছে বৈনাৰা সত্ৰ পৰিচালনা সমিতিয়ে।

মহাবীৰ লাচিত বৰফুকনৰ
৪০০ সংখ্যক জন্মজয়ন্তী উদ্‌যাপন
জিলা প্ৰশাসন, মৰিগাঁও
১৮-২৫ নৱেম্বৰ, ২০২২



সমূহ ৰাইজৰ সহায়-সহযোগিতা আৰু অংশগ্ৰহণ আন্তৰিকতাৰে কামনা কৰা হ’ল
মৰিগাঁও জিলা প্ৰশাসন
আপোনাৰ বাবে, আপোনাৰ কাষত, সদায়...

মৰিগাঁও জিলা প্ৰশাসনে লোৱা উল্লেখযোগ্য পদক্ষেপ সমূহ
- জাগীৰোডত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত বীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্ত্তি স্থাপন
- অসমৰ মাননীয় প্ৰাক্তন ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লে: জেনেৰেল এচ. কে. সিনহাই ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰা প্ৰতিবেদনৰ আধাৰত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অভিনেতা আদিল হুছেইনৰ দ্বাৰা প্ৰস্তুত কৰা বীৰ লাচিত বৰফুকনৰ ওপৰত এখনি তথ্যচিত্ৰ
- জনপ্ৰিয় কণ্ঠশিল্পী অংগৰাগ পাপন মহন্ত আৰু প্ৰখ্যাত সংগীত নিৰ্দেশক দিগন্ত ভাৰতীৰ দ্বাৰা লাচিতৰ বীৰগাথাৰ ওপৰত এটি মিউজিক ভিডিঅ’ৰ নিৰ্মাণ
- পবিতৰা অভয়াৰণ্যৰ সমীপত থকা মায়ং গ্ৰাম্য সংগ্ৰহালয় চৌহদত লাচিত বৰফুকনৰ নামত এটি সংগ্ৰহালয় কক্ষ স্থাপন

কাৰ্যসূচীৰ আভাস
- উপায়ুক্তৰ কাৰ্যালয়ৰ পৰা পবিতৰালৈ মটৰ চাইকেল ৰেলী- বিষয় ঃ ধপাতমুক্ত মৰিগাঁও
- ২১৩৬ টা অঙ্গনবাদী কেন্দ্ৰত লাচিত বৰফুকনৰ ওপৰত ককা-আইতা আৰু বয়োজেষ্ঠ্য ব্যক্তিৰ দ্বাৰা স্থানীয়ভাৱে নিৰ্মিত পুতলাৰ জৰিয়তে সাধু কোৱা অনুষ্ঠান
- শৰাইঘাটৰ ৰণ-শীৰ্ষক ঐতিহাসিক একক চৰিত্ৰ ৰূপায়ণ প্ৰতিযোগিতা আৰু ঐতিহাসিক চৰিত্ৰৰ ওপৰত দেৱাল অংকন
- গাওঁ পঞ্চায়ত, উন্নয়ন খণ্ড আৰু জিলা পৰ্যায়ত থলুৱা আৰু পৰম্পৰাগত খেল প্ৰতিযোগিতাৰ লগতে নতুন নিয়মাৱলীৰে গুদু-গুদু আৰু দাড়িয়া খেলৰ আয়োজন
- প্ৰাইজমানি মুকলি কুইজ প্ৰতিযোগিতা- বিষয় ঃ অসম বুৰঞ্জী আৰু অন্যান্য
- বাৰপূজীয়াৰপৰা মৰিগাঁৱলৈ মাৰাথন দৌৰ
- দন্দুৱা বিলত বৰশী বোৱা প্ৰতিযোগিতা
- মায়ঙৰ ঐতিহাসিক হিলৈ খুন্দা পাহাৰৰ দাঁতিত আৰু মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত সামৰণি অনুষ্ঠান আৰু সাঁচিপাত, মৰিগাঁৱৰ দ্বাৰা মহাবীৰ লাচিত বৰফুকন শীৰ্ষক নাট প্ৰদৰ্শন

Janasanyog/D/16415/22

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু দ্যা জনমভূমি প্ৰেছ প্ৰাঃ লিঃ, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩, মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক’লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ’ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি